
আধুনিক অসমীয়া কবিতা

ড. চন্দ্ৰ কটকী



অসম সাহিত্য সভা

ADHUNIK ASAMIYA KAVITA A historical analysis of modern Assamese poetry by, Dr Chandra Kotoky, Lecturer in Assamese J B College, Jorhat, Assam, and published by Rajendra Mohan Sarma, Chandra Prakash Tihu, Guwahati on behalf of Sri Amal Rajkhowa, General Secretary Asam Sahitya Sabha Chandrakanta Handique Bhavan, Jorhat Assam, February, 1989 2nd Edition Price Rs 40 00

অসম সাহিত্য সভা
আধুনিক অসমীয়া কবিতা

প্ৰথম সংস্কৰণ মাৰ্চ, ১৯৮০

দ্বিতীয় সংস্কৰণ ফেব্ৰুৱাৰী, ১৯৮৯

প্ৰকাশক : অমল ৰাজখোৱা
প্ৰধান সম্পাদক, অসম সাহিত্য সভাৰ হৈ
শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা, চন্দ্ৰ প্ৰকাশ : টিহু, গুৱাহাটী।

মূল্য : ৪০.০০ টকা

ছপাশাল চিনে তাৰিকা পাব্লিকেচনচ
নতুন দিল্লী।

প্ৰধান সম্পাদকৰ নিবেদন :

ডক্টৰ চন্দ্ৰ কটকীৰ 'আধুনিক অসমীয়া কবিতা' প্ৰথম সংস্কৰণৰ (১৯৮০) সকলোখিনি কিতাপ শেষ হোৱাত কিতাপখনৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ্মুদ্ৰণৰ দিহা কৰা হ'ল। সভাৰ বৰ্তমান অৰ্থাভাৱৰ বাবে দ্বিতীয় সংস্কৰণটি সভাৰ হৈ চিন্তৰ চন্দ্ৰ প্ৰকাশে প্ৰকাশ কৰাৰ দায়িত্ব লয়। চন্দ্ৰপ্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মালৈ এই ছেগতে সভাৰ হৈ শলাগ ল'লো।

বৰ্তমান সংস্কৰণটিত কিছু পৰিবৰ্তন আৰু পৰিবৰ্ধনৰ বিষয়ে ভবা হৈছিল যদিও ডক্টৰ কটকীৰ চকুৰ অসুখৰ বাবে পুনৰ্মুদ্ৰণহে দিহা কৰা হ'ল। সভাই আশা প্ৰকাশ কৰে যে ভৱিষ্যতে পুথিখনৰ পৰিবৰ্তিত আৰু পৰিবৰ্ধিত এটি সংস্কৰণ কৰিবলৈ সক্ষম হ'ব।

ডক্টৰ কটকীৰ আশু আৰোগ্য কামনা কৰিলোঁ।

প্ৰকাশকৰ লগত যোগাযোগ কৰি দিয়াৰ পৰা সকলো প্ৰকাৰৰ সহায় আগবঢ়োৱাৰ বাবে সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক অধ্যাপক প্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্যক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

১০ ফেব্ৰুৱাৰী,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট—৭৮৫০০১

অমল বাজখোৱা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

প্ৰধান সম্পাদকৰ নিবেদন

আধুনিক অসমীয়া কবিতাৰ বিষয়ে চেগা-চোৰোকাকৈ আলোচনা নোহোৱাকৈ থকা নাই কিন্তু ড চন্দ্ৰ কটকীয়ে একে ঠাইতে গোটেইখিনি সামৰি এই পুথিখনি প্ৰস্তুত কৰিছে। ১৯৭৭-৭৮ চনতেই এই পুথিখনি প্ৰকাশ কৰিবলৈ অসম সাহিত্য সভাই সিদ্ধান্ত গ্ৰহণ কৰিছিল কিন্তু ৰাবেঘুৰি অসুবিধাত যোৱা ছবছৰ যত্ন কৰাৰ অন্তত এইবেলি ছপাশাল গৰকি ওলাই আহিছে। পুথিখনিয়ে পাঠক-পাঠিকাৰ আগত আধুনিক অসমীয়া কবিতাৰ বিষয়ে গৱেষণা-মূলক এটি আলোচনা দাঙি ধৰিব পাৰিব বুলি আশা কৰিছোঁ।

যোৰহাট
১ মাৰ্চ, ১৯৮০

শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

পাতনি

এই পৃথিৱীৰ চল্লিশৰ দশকৰপৰা বৰ্ত্তমানলৈকে (১৯৪০--৭৭) ৰচিত হোৱা অসমীয়া কবিতাৰ এটি সহজ আৰু প্ৰাথমিক আলোচনা। আধুনিক কবিতা বা নতুন কবিতা নামেৰে এই কালছোৱাৰ কবিতাক চিহ্নিত কৰা হৈছে। আধুনিক অসমীয়া কবিতাই ইতিমধ্যে জটিলতাৰ স্তৰ অতিক্ৰম কৰি, অনেক পৰিমাণে পাঠকসকলৰ অন্তৰত সোমাবলৈ সমৰ্থ হৈছে। যোৱা প্ৰায় দুকুৰি বছৰ ধৰি ৰচিত হোৱা এই কবিতাৰ পৰিধি বহুব্যাপক আৰু ইয়াৰ উপাদানো বহু বৈচিত্ৰ্য আৰু বহু অভিনৱত্বৰে সমৃদ্ধ। কিন্তু দুখৰ বিষয় আজিকোপতি এই কবিতাৰ যথাযথ মূল্যায়ন হোৱা নাই, ভাৰতীয় অন্যান্য ভাষা সমূহত নিজৰ নিজৰ আধুনিক কবিতাৰ (অৰ্থাৎ যুদ্ধোত্তৰ যুগৰ কবিতাৰ) মূল্যায়ন ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈছে। কিন্তু আমাৰ আধুনিক কবিতাৰ এক স্বয়ংসম্পূৰ্ণ মূল্যায়ন হোৱা নাই—কেৱল আজি কেইবছৰমানৰ আগতে স্বৰ্গীয় ভৱানন্দ দত্তদেৱে অসমীয়া কবিতাৰ কাহিনী নাম দি আলোচনীৰ পাতত লেখা প্ৰবন্ধ এলানিত চল্লিশৰ দশকৰ অসমীয়া কবিতাৰ বিষয়ে আলোচনা কৰিছিল। ইয়াৰউপৰি দুই-চাৰিজন [illegible] সমালোচকে নতুন কবিতাৰ বিষয়ে কৰা দুই-এটি মূল্যবান আলোচনা ওলাইছে, কিন্তু সিবোৰো আলোচনীৰ পাততেই আছে। আমাৰ আধুনিক কবিতাৰ মূল্যায়নৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখিয়েই, অসম সাহিত্য সভাই আমাক এই গ্ৰন্থখনিৰ ৰচনাকাৰ্য্যত ব্ৰতী কৰায়। আমাৰ এই অধ্যয়নো পূৰ্ণাঙ্গ বুলি দাবী কৰিবৰ মন নাই। তদুপৰি সম্প্ৰতি কাগজৰ মহাৰ্ঘৰ প্ৰতি আৰু ছপা কাৰ্য্যৰ ব্যয় আদিলৈ চকু ৰাখি কিতাপৰ কলেৱৰ হ্ৰস্ব কৰিব লগা হোৱাত অনেক কথা সামৰিব পৰা নগ'ল। সামগ্ৰিক ভাবে এই কালছোৱাৰ কবিসকলৰ কাব্যকৃতিৰ আভাস এটা স্থূলকৈ যাতে পাঠক-সকলে পাব পাৰে, তাৰ বাবেহে সচেতন যত্ন কৰা হৈছে। আৰু সেইবাবে সম্ভৱপৰ সকলো ক্ষেত্ৰতে কবিসকলৰ কবিতাসমূহৰ পৰা উদ্ধৃতি সন্নিৱিষ্ট কৰা হৈছে। পৰৱৰ্তী সংস্কৰণত কিতাপখনৰ অধিক মনোগ্ৰাহী কৰি তুলিবলৈ আৰু অধিকতৰ বিষয়বস্তু সামৰিব পৰাকৈ বৃহদাকাৰৰ আশা কৰা হৈছে। এই বিষয়ত সহৃদয় পাঠকসকলৰ সুচিন্তিত পৰামৰ্শ আমাৰ কাম্য। প্ৰসংগক্ৰমে

উল্লেখযোগ্য যে আধুনিক কবিতাৰ তাত্ত্বিক দিশটোৰ অনেক কথা বাদ দি, সকলোধৰণৰ পাঠকৰ বাবে সহজবোধ্য কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। সমস্তে জটিল যুক্তি ভাবি থকা—আধুনিক অসমীয়া কবিতাৰ স্বৰূপটো ৰস-বিভাজনত চতুৰ পাঠকসকলৰ আগত দাঙি ধৰাত আমি কিমানদূৰ কৃতকাৰ্য্য হৈছোঁ নেজানো—কিন্তু আশা কৰিছোঁ সহৃদয় পাঠকে আপোন কৰি ল'ব পৰা সমলৰ অভাৱ ইয়াত নহ'ব।

এই গ্ৰন্থ প্ৰণয়নৰ বাবে আমাৰ দৰে অভাজনক দায়িত্ব দি অসম সাহিত্য সভাই আমাৰ প্ৰতি যি চেনেহ দেখুৱাইছে, তাৰ বাবে মই অসম সাহিত্য সভাৰ ওচৰত গভীৰভাৱে কৃতজ্ঞ। বিশেষকৈ সভাৰ চতুশ্চত্বাৰিংশ সন্মিলনৰ সভাপতি চৈয়দ আব্দুল মালিক চাহাব আৰু ১৯৭৭-৭৮ চনৰ প্ৰধান সম্পাদক সবৰবহী সাহিত্যিক আব্দুছ ছাত্তাৰ দেৱ—দুয়োজনৰ উদাৰ স্নেহ মই কৃতজ্ঞতাৰে সুঁৱৰিম।

জগন্নাথ বৰুৱা মহাবিদ্যালয়
যোৰহাট

বিনীত,
চন্দ্ৰকটকী

কৃতজ্ঞতা-স্বীকাৰ

বিভিন্ন সুধীজনৰ উৎসাহ আৰু অনুপ্ৰেৰণাই আমাৰ এই গ্ৰন্থৰ প্ৰণয়ন সুকৰ কৰি তুলিছিল। তেখেত সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো—বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড মুকুন্দমাধৱ শৰ্মা আৰু ড মহেশ্বৰ নেওগ, কলিকতা বিশ্ববিদ্যালয়ৰ ড অমিয়কুমাৰ চক্ৰৱৰ্তী, আমেৰিকান অধ্যাপক আৰু কলা সমালোচক ড কেম্বা গ্ৰাউঁকো, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা, বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক যোগেন শইকীয়া, নতুন কবিতাৰ সুবিজ্ঞ সঙ্কলয়িতা ড. মহেন্দ্ৰ বৰা আৰু শ্ৰীযুত যতিনাৰায়ণ শৰ্মাদেৱক। পাণ্ডুলিপিটো নকল কৰি দিবৰ বাবে আমাৰ কলেজৰ কেইবাজনো ছাত্ৰ-ছাত্ৰীক আমনি কৰিছিলোঁ, তেওঁলোককো ধন্যবাদ যাচিলোঁ।

সূচীপত্ৰ

এক/আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য

দুই/প্ৰগতিবাদী ধাৰা: অমূল্য বৰুৱা আৰু অন্য কেইজনমান

তিনি/নৱ্য সম্প্ৰদায়

চাৰি/বিভিন্ন কোৰাচ

পাঁচ/সমাজ সচেতন তৰুণ কবিৰ দল

এক

আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য

কুৰি শতিকাৰ চতুৰ্থ দশকটো অসমীয়া কবিতাৰ কাৰণে এটা বিশেষত্বপূৰ্ণ সময়। এই সময়ছোৱাতে অসমীয়া কবিতাত কিছুমান নব্যানুভূতিৰ সঞ্চাৰ হয়। এই নব্যানুভূতি সমূহে অসমীয়া কবিতাক পূৰ্বৰ ৰোমাণ্টিক ধাৰাৰ-পৰা আঁতৰাই আনি এক নতুন মৰ্যাদাৰে থাপিলে। ৰোমাণ্টিক যুগৰ আকাশলংঘী কল্পনাৰ দৃপ্ত উচ্ছ্বাস স্তিমিত হৈ আহিল আৰু তাৰ ঠাই ল'লে বাস্তৱ সচেতনতাই। কবিতাৰ বিষয়বস্তু আৰু আংগিক দুয়োটাৰে আমূল পৰিবৰ্তন সাধিত হ'ল আৰু অসমীয়া কবিতাৰ দিগন্ত বহুধা বিস্তৃত হৈ পৰিল। নতুন নতুন ভাব, নিত্য নতুন অভিজ্ঞতা, আৰু মানুহ, আৰু জগতৰ ওপৰত বাস্তৱানুগ দৃষ্টিভংগী সোমাই পৰি অসমীয়া কবিতাৰ বোৱঁতী সুঁতিটিত যি নতুন লহৰ তুলিলে তাৰ নামেই হ'ল নতুন কবিতা বা আধুনিক কবিতা। যুগ বিভাজনৰ স্বাৰ্থত এই কবিতাৰ নাম দিয়া হৈছে সাম্প্ৰতিক কবিতা। ঊনৈছ শ চল্লিছ চনৰপৰা বৰ্তমান বছৰটোলৈকে এই যুগটোৱেই আমাৰ আলোচনাৰ বৃত্তৰ পৰিধি।

ৰোমাণ্টিক যুগত অসমীয়া কবিতাই পাশ্চাত্যৰ আৰু বিশেষকৈ ইংৰাজী কবিতাৰ সংস্পৰ্শলৈ আহি নতুন নতুন ভাব-অনুভূতিৰ লগত পৰিচয় হোৱাদি সাম্প্ৰতিক অসমীয়া কবিতাৰ যুগটোতো পশ্চিমা প্ৰভাৱ বিশিষ্ট ৰূপত মূৰ্তিমান হৈ উঠিল। মহাদেশীয় কবিতাৰ, বিশেষকৈ ইংলেণ্ড, আমেৰিকা আৰু ফৰাচী দেশৰ কবিতাৰ প্ৰভাৱ অসমীয়া কবিতাৰ ওপৰত গভীৰ হৈ ৰহিল। যিসকল কবিৰ অক্লান্ত সাধনাৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ শুভ আৰম্ভনি হ'ল তেওঁলোক হ'ল—অমূল্য বৰুৱা, হেম বৰুৱা আৰু নৱকান্ত বৰুৱা। আধুনিক অসমীয়া কবিতাৰ যুৱপ্ৰীত এই তিনিজন বৰুৱাৰ প্ৰতিভাৰ আদৰ চিৰ অম্লান হৈ ৰ'ব। **জয়ন্তী, পছোৱা আৰু ৰামধেনু** এই তিনিখন সাহিত্য পত্ৰিকাই আধুনিক অসমীয়া কাব্য আন্দোলনক সমৃদ্ধ কৰি তোলে। টি, এছ, ইলিয়ট, ডব্লিউ, বি, ইয়েটছ, অডেন, ডাইলান টমাছ, মায়াকোভস্কি, বোডেলিয়াৰ, মালাৰ্মে আদি বিশ্বৰ বিভিন্ন প্ৰান্তৰ আধুনিক কবিসকলৰ

কাব্য চেতনাৰ সহজ উন্মেষ এই সময়ছোৱাৰ কবিতাত ধৰা পৰে। বিষয়বস্তু আৰু আংগিক উভয়ক্ষেত্ৰতে যিবোৰ বৈশিষ্ট্য দেখা গৈছিল, সিবোৰক এইদৰে ভূকিয়াব পাৰি

• বিষয় বস্তুৰ আধুনিকতা

(১) এক নব্য-মানবীয় দৃষ্টি-ভংগীৰ আগমন :

নতুন কবিতাৰ আটাইতকৈ আকৰ্ষনীয় দিশ হ'ল এক নব্য মানবীয় দৃষ্টি-ভংগীৰ আৱৰ্ত্তণি। আধুনিক কবিসকলে মানুহক তাৰ মানুহ ৰূপত চিনি পাবলৈ চেষ্টা কৰিছিল আৰু সেই মানুহৰে সুখ-দুখ, হাঁহি-কান্দোনৰ ভাগ ল'বৰ আৰু সিবোৰক নিজ অন্তৰৰ সংবেদন দি কবিতাত চিত্ৰিত কৰিবৰ প্ৰয়াস পাইছিল। জাতি বৰ্ণ, ভাষা, সম্প্ৰদায় আদিৰ বান্ধোনৰপৰা মুক্ত যি মানুহ সেই মানুহহে আধুনিক কবিৰ কাম্য। নব্য-মানবীয় সংবেদনাই আধুনিক কবিসকলক সমগ্ৰ মানব জাতিকে একে চকুৰে চাবলৈ অনুপ্ৰাণিত কৰিছিল। নতুন কবি-দলে দেখিছিল যে অসমৰ পথাৰত হাড়ভঙা খাটনিৰে খাটি খাটি অৱশ হৈ পৰা কৃষক আৰু মালয়ৰ ৰবৰ বাগিচাৰ শ্ৰমিক একে ধৰণৰেই মানুহ। শ্বেতকায় প্ৰভুৰে পুৰি মৰা এটা নিগ্ৰো ল'ৰা আৰু বৰ্ণাশ্ৰম ধৰ্মৰ কঠিন বিভাজনত অস্পৃশ্য বুলি পৰিগণিত হৈ উৎপীড়ক দলৰ শাষণৰ বলি হোৱা এটা অসমীয়া ল'ৰাৰ মাজত কোনো পাৰ্থক্যই নাই। সমাজৰ বিভিন্ন স্তৰৰ এই যে মানুহ তেওঁলোকৰ মাজত কোনো মৌলিক পাৰ্থক্য নাই কিন্তু ভ্ৰান্ত সমাজ-নীতি, উৎপীড়ক অৰ্থনীতি আৰু স্বাৰ্থান্ধ ৰাজনীতিৰ ক্ৰীড়ণক হৈ পৰা বাবে মানুহে কষ্ট ভোগে আৰু তেওঁলোকৰ ভিতৰত শোষক আৰু শোষিত দুটা শ্ৰেণীত বিভক্ত হৈ পৰে। সমাজৰ বিভিন্ন স্তৰৰ আৰু বিশেষকৈ নিপীড়িত আৰু লাঞ্ছিত লোকসকলৰ প্ৰতি আধুনিক কবিসকলে সহানুভূতি আগবঢ়াইছে। চতুৰ্থ দশকৰ তৰুণ অসমীয়া কবিসকলে তেওঁলোকৰ অন্তৰৰ স্নেহ বিতৃত কৰি কমলাধনিৰ বৰুৱা,[1] অন্ধ গলিৰ নিভৃতত থকা বেশ্যা,[2] অৱশ দেহৰ বিস্নাবলা,[3] সমাজৰ কুসংস্কাৰৰ বলি হোৱা

১। অচিনা (অমূল্য বৰুৱা) নন্দ তালুকদাৰ সম্পাদিত। গুৱাহাটী ১৯৬৩, পৃঃ ৩৯।

২। উক্ত পৃ ৩১।

৩। আধুনিক অসমীয়া কবিতা (ৰতি নাৰায়ণ শৰ্মা সম্পাদিত) ১ম সং দ্ৰষ্টব্য।

ষোড়শী বিধৱা[৪] আৰু ডাষ্টবিনত পৰি থকা এটুকুৰা ৰুটীৰ বাবে কুকুৰৰ লগতে যুঁজ কৰা, সমাজৰ আৱৰ্জনা বুলি পৰিগণিত হোৱা মগনীয়া ল'ৰা[৫] আদিকো সামৰি ল'লে। আধুনিক অসমীয়া কবিতাৰ বাৰ্তাবহ অমূল্য বৰুৱাই নিষ্পেষিত মানৱ সমাজক বৰ মৰমৰ চকুৰে চাইছিল। তেওঁৱেই তেওঁৰ সগোত্ৰীসকলক দলিত মানৱাত্মাক মৰমৰ চকুৰে চাবলৈ শিকালে। অমূল্যবৰুৱাৰ পৰৱৰ্তী কবি ৰাম গগৈ, কেশৱ মহন্ত, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আদিৰ কবিতাত এই মানুহক মানুহ ৰূপত আৱিষ্কাৰ কৰাৰ চেতনা অধিক বলিষ্ঠভাৱে প্ৰকাশ পাইছে। কেৱল এই দেশৰে নহয় বিশ্বৰ বিভিন্ন দেশৰ লাখ লাখ নিষ্পেষিত, নিপীড়িত, লাঞ্ছিত আৰু সৰ্বহাৰা মানুহৰ ছবি নতুন কবিসকলে আঁকিছে।

(২) মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ :

অন্যান্য দেশৰ আধুনিক কবিসকলৰ দৰে আধুনিক অসমীয়া কবিসকলৰ ওপৰতো জাৰ্মান দেশীয় দাৰ্শনিক কাৰ্লমাৰ্ক্সৰ প্ৰভাৱ অসীম। মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদে আমাৰ তৰুণ কবিসকললৈ নতুন বাণী লৈ আহিছিল। কাৰ্লমাৰ্ক্সে চাহাবে কৈছিল যে Surplus Value বা সম্পত্তিৰ অ-সম বিতৰণেই সকলো প্ৰকাৰ অশান্তি আৰু অন্যায়ৰ মূল। উৎপাদনৰ ক্ষেত্ৰত পুঁজিপতি শক্তিয়ে নিজৰ কৌশল খটাই বহুৱা শ্ৰেণীক শোষণৰ বথ চক্ৰৰ তলত পেলাই হেঁচা মাৰি ধৰি থাকে আৰু সেই বহুৱা শ্ৰেণীয়ে দাৰিদ্ৰ্য আৰু আনুষংগিক দুৰ্ভোগত ভুগি থাকে। পুঁজিপতি প্ৰভুসকলৰ ধনৰ সোণা স্ফীত হৈ যোৱাৰ লগে লগে বহুৱা শ্ৰেণীৰ দুখ-দুৰ্দশাও বাঢ়ি আহে। মাৰ্ক্সে এক নতুন সামাজিক আৰু ৰাজনৈতিক প্ৰবৃত্তিৰ সৈতে সৰ্বহাৰা শ্ৰেণীৰ কাৰণে মুক্তিৰ বাট বিচাৰিবলৈ আৰু পুঁজিপতি শোষণৰ অৱসান ঘটাবলৈ চেষ্টা কৰিছিল। "He pointed out that by organizing and directing the struggle of the working class against the capitalists and their associates, and by interlinking with this struggle in certain quite po[illegible] ways the struggle of the poor peasants and tenant-farmers against the land-lords, and carrying it forward to a veritable dicta-

---

৪। কবি অমূল্য বৰুৱাৰ 'পিয়াহী বিধৱা' কবিতা দ্ৰষ্টব্য।
৫। 'আধুনিক অসমীয়া কবিতা' (কবি [illegible] সম্পাদিত) দ্ৰষ্টব্য।

torship' of these exploited classes, it would be possible to take possession of the instruments of production and change the system It would be possible to change it in those ways necessary in order to make reasonable the effort to create a classless society in which men will receive according to need and work according to ability "[৬]

মাৰ্ক্সৰ এই নতুন দৰ্শনে অসমীয়া কবিসকলক সহজে আকৃষ্ট কৰিলে আৰু ফলস্বৰূপে তেওঁলোকৰ কবিতা মাৰ্ক্সীয় দৰ্শনৰ ৰক্তিম ৰাগেৰে ৰঞ্জিত হৈ পৰিল। শ্ৰমিক শ্ৰেণীৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামসমূহ আধুনিক কবিসকলৰো সংগ্ৰাম হ'ল আৰু পুঁজিপতি প্ৰভুসকলৰ প্ৰতি সুতীব্ৰ উৎকট ঘৃণা তেওঁলোকৰ অন্তৰতো জাগ্ৰত হ'ল। অমূল্য বৰুৱা, হেম বৰুৱা, কেশৱ মহন্ত, অমলেন্দু গুহ, ৰাম গগৈ, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, ৰবীন্দ্ৰ চৰকাৰ, দিলীপ ফুকন আদি কবিৰ কবিতাত মাৰ্ক্সীয় দৰ্শনৰ পত্তন হ'ল। চতুৰ্থ দশকটোত পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰসমূহত মাৰ্ক্স-এংগেলছৰ নতুন মূল্যবোধৰ ধ্বনি তীব্ৰভাৱে নিনাদিত হৈছিল।

(৩) মনোবৈজ্ঞানিক চৰ্চাৰ প্ৰভাৱ :

আধুনিক যুগত মাৰ্ক্সৰ দৰেই মনোবিজ্ঞানী ফ্ৰয়েডৰ প্ৰভাৱো এৰাব নোৱাৰা। মনোবিজ্ঞানৰ জগতত এই অষ্ট্ৰীয়ান অধ্যাপকজনে যি নতুন তত্ত্ব আৱিষ্কাৰ কৰিলে সি পৃথিৱী জুৰি খলক লগাই তুলিলে। ফ্ৰয়েডৰ মনোবিজ্ঞানৰ তত্ত্বসমূহ মানৱৰ চিন্তাৰাজ্যলৈ বিশিষ্ট দান। ইদ, ইগো আৰু চুপাৰ ইগো আৰু ব্যক্তিত্ব বিকাশত লিবিডোৰ অৱদান সম্পৰ্কে ফ্ৰয়েডে যি তাত্ত্বিক ব্যাখ্যা সংযোগ কৰিলে সি সৰ্বজনৰ প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হ'ল। তদুপৰি তেওঁৰ স্বপ্নতত্ত্ব আৰু অন্যান্য মনোবৈজ্ঞানিক ব্যাখ্যাসমূহে বিশ্বৰ পণ্ডিত শ্ৰেণীৰ হৃদয় জয় কৰিবলৈ সমৰ্থ হ'ল। নতুন অসমীয়া কবিতাত ফ্ৰয়েডে [illegible] মনস্তাত্ত্বিক ব্যাখ্যাসমূহৰ প্ৰতিফলনো আৰম্ভ হ'ল। আধুনিক অসমীয়া কবিতাৰ ভিতৰত পোৱা myths আৰু symbolৰ অনেকাংশ ফ্ৰয়েড আৰু যুঙৰ মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত প্ৰোথিত।

৬। Max Eastman সম্পাদিত Capital and other writings—N. Y 1932, P xiv পৃষ্ঠা।

(৪) বিজ্ঞানীসকলৰ প্ৰভাৱ :

আধুনিক পদাৰ্থ বিজ্ঞানীসকলৰপৰা নতুন অসমীয়া কবিসকলে বহুতো কথা শিকিব লগা হ'ল। বিজ্ঞানৰ প্ৰগতিৰ বাবে কুৰি শতিকাটো এক চৰম বিস্ময়কৰ শতিকা। এই শতিকাতে বিজ্ঞানৰ নানান শাখাত অভিনৱ উদ্ভাৱন কিছুমান হয়। স্বাভাৱিকতে এই নতুন উদ্ভাৱনাসমূহে মানুহৰ চিন্তাৰাজ্যত গভীৰভাৱে ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰে আৰু তাৰ প্ৰতিফলন আৰম্ভ হয় কলা আৰু সাহিত্য জগততো। আধুনিক কবিতাই বিজ্ঞানৰ ক্ষেত্ৰত হোৱা এই নৱ নৱ উন্মেষ-ধ্বনিক সাদৰে আদৰি ল'লে। মানুহৰ মনোজগতৰ পৰিধি বহল কৰাত আৰু সৌৰজগতৰ বিভিন্ন গ্ৰহ-নক্ষত্ৰৰ মাজত এটা পাৰস্পৰিক যুজাপৰাৰ সম্ভাৱনাৰ দিক্ নিৰ্দেশ কৰি বৈজ্ঞানিকসকলে মানৱ-জাতিৰ কাৰণে এক উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনা দাঙি ধৰিছিল। Max Plank, Bohre আৰু Einstein এই বিজ্ঞানীত্ৰয়ৰ নতুন তত্বই সৌৰজগত সম্পৰ্কে মানুহৰ ধাৰণাৰ আমূল পৰিবৰ্তন আনিছিল। Einstein ৰ আপেক্ষিকতাৰ সূত্ৰই স্থান আৰু কালৰ ওপৰত মানুহৰ বিজয়ৰ আশাপ্ৰদ ইংগিত কঢ়িয়াই আনিছিল। নৃ-তত্বত ফ্ৰেজাৰৰ চিন্তাধাৰাই প্ৰাচীন সূত্ৰসমূহৰ দ্ৰুত পৰিবৰ্তন সাধিছিল। নতুন কবিসকলে বিজ্ঞানৰ এই অভ্যুদয়ক নিজৰ কবিতাত সুবিধা পালেই সন্নিৱিষ্ট কৰিছিল। জীৱ বিজ্ঞানৰ ক্ষেত্ৰতো gland ৰ ক্ষৰণ, Neur অৰ কাৰ্যকাৰিতা আৰু বংশগতিৰ নতুন সূত্ৰই নতুন কবিসকলক চিন্তাৰ ইন্ধন যোগাইছিল। আৰু এনে চিন্তাৰ প্ৰতিফলনে আধুনিক কবিতাক গভীৰতাৰে সমৃদ্ধ কৰি তুলিছিল। কবিসকলৰ মনোজগতত বৈজ্ঞানিক জটিল সূত্ৰবাজিয়ে ক্ৰিয়া কৰা বাবে কবিতাৰ দুৰ্বোধ্যতা যথেষ্ট বাঢ়ি গৈছিল।

(৫) শিল্প আৰু কল-কাৰখানাৰ প্ৰসাৰ আৰু কবিতাৰ জগতত তাৰ প্ৰতিফলন :

অসমত ঔদ্যোগিক উন্নয়ন বা শিল্প আৰু কলকাৰখানাৰ প্ৰচাৰ আৰু প্ৰসাৰ নিতান্ত কমদিনৰ ভিতৰৰ কথা। এই শতিকাৰ তৃতীয় দশকতহে শিল্পোদ্যোগ আৰু কলকাৰখানাসমূহৰ শুভাৰম্ভ হয় বুলি ক'ব পাৰি। আমাৰ অসম দেশখন এতিয়াও শিল্পপ্ৰধান দেশ হোৱা নাই। কিন্তু যি কম পৰিমাণতে শিল্পৰ বিকাশ এই দেশত হৈছে সেই কম পৰিমাণৰ ফলতেই

বহুতোবোৰ নতুন কথা, নতুন চিন্তা নতুন সমস্যা আহি পৰিছে। ঔদ্যোগিক পৰিবেশত বিবোৰ সংঘাত আৰু সমস্যা দেশত উদ্ভৱ হয় সেইবোৰ ইয়াৰ আগলৈকে অসমত জনা হোৱা নাছিল। অসমত আগৰ দিনৰপৰা চলি থকা উদ্যোগ আছিল চাহ উদ্যোগ। কিন্তু চাহ বাগানৰ ঔদ্যোগিক পৰিবেশে কবিতাত নিজৰ ঠাই টুকুৰা উলিয়াই ল'বলৈ সমৰ্থ হোৱা নাছিল। আনহে নালাগে চাহ বাগিচাৰ শ্ৰমিকসকলেও তেওঁলোকৰ প্ৰতি এখানি সহানুভূতি আশা কৰি আধুনিক কবিদললৈকে বাট চাই থাকিব লগা হৈছিল। অসমৰ তেলখাদ আৰু তৈল নগৰবোৰৰ উদ্ভাৱন অসমীয়া বাইজৰ বাবে এৰম বিস্ময়ৰ কথা আছিল। তেলৰ কূপ খনন কাৰ্যত ব্যৱহৃত হোৱা দৈত্যাকাৰ যন্ত্ৰ-পাতিসমূহ সৰ্বসাধাৰণ অসমীয়া বাইজে পৰম বিস্ময়ৰে চাইছিল লগে লগে বিজ্ঞানৰ প্ৰগতি দেখি আনন্দিত, বিস্মিত আৰু অপহৰণকাৰী তেল খাদৰ দেৰিকে (Derricks) নিজৰ দৈত্যাকৃতি ব্যক্তিত্ব জাহিৰ কৰা দেখি কৃষিজীৱী অসমীয়া বাইজে গভীৰ দুখ, শংকা আৰু অনিশ্চয়তা ভোগ কৰিছিল। ভঁৰালৰ ভাত, পুখুৰীৰ মাছ, বাৰীৰ তামোল-পান, গোহালিৰ গৰু-গাইৰে এক অনাড়ম্বৰ স্বচ্ছন্দ জীৱন যাপন কৰি থকা অসমীয়া গাৱলীয়া লোকসকলে, চিমনিৰ ধোৱা আৰু কলৰ ঘৰঘৰণিৰ মাজেদি জন্ম লাভ কৰা নতুন ঔদ্যোগিক জীৱন ধাৰাক সহজে মানি ল'ব পৰা নাছিল। নগৰ-বিলাকত ক্ৰমগতিত আগবাঢ়ি অহা কল-কাৰখানাবিলাকে নগৰবাসীৰ জীৱন বিৰক্ত কৰি তুলিছিল। গুৱাহাটী আৰু কলিকতাৰ নিচিনা মহানগৰীৰ ক্ষিপ্ৰ ঔদ্যোগিক সম্প্ৰসাৰণ আৰু তজ্জনিত শ্ৰমিক অশান্তি, বায়ুৰ দূষণ আদি এনে এবুৰি সমস্যাই আধুনিক কবিসকলক ভৱাই তুলিছিল। কেইবাজনো নতুন কবিয়ে কলিকতা মহানগৰীৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকি মহানগৰীৰ মাজেদি পৰিব্যাপ্ত হোৱা ঔদ্যোগিক বাতাবৰণৰ অসুস্থতা আৰু অশান্তিৰ ভাগ লৈছিল। স্বাভাৱিকভাৱেই তেওঁলোকৰ কবিতাত কলকাৰখানাৰ ঐন্দ্ৰজালিক বিভূতি আৰু নগৰীয়া জীৱনৰ হাজাৰ অশান্তি ঘনীভূত হৈ পৰিছিল।

(৬) প্ৰাচীন ঐতিহ্য আৰু মূল্যবোধৰ অপসাৰণ :

তুৰি শতিকাৰ বিজ্ঞান ভিত্তিক জ্ঞান-চৰ্চাই আমাৰ প্ৰাচীন মূল্যবোধক ৰূঢ়কৈ আঘাত কৰিছিল। বিশেষকৈ ধৰ্ম, সমাজ, প্ৰেম আৰু জীৱন আদিৰ

ক্ষেত্ৰত প্ৰাচীন মূল্যবোধ খাতবিবলৈ বাধ্য হৈছিল। নতুন কবিসকলে নতুন ভাব চিন্তাক যিদৰে আদৰণি জনালে সেই একেদৰে তেওঁলোকে প্ৰাচীন ঐতিহ্য ,আৰু মূল্যবোধক আঘাত হানিলে। ধৰ্ম, প্ৰেম, সমাজ আৰু নৈতিকতাৰ প্ৰাচীন বাকোন খুলি তেওঁলোকে সকলো কথাতে নতুন প্ৰশ্নৰ অৱতাৰণা কৰিলে। সনাতন প্ৰাচীন মূল্যবোধ, ঈশ্বৰৰ অস্তিত্ব, জাতি, ধৰ্ম, ভাষা আৰু সম্প্ৰদায়ৰ বিভাজন আদিক কটাক্ষ কৰি এই কবিসকলে নতুন মূল্যবোধৰো সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিলে। ঈশ্বৰৰ অস্তিত্বৰ প্ৰতি সন্দিহান এজন কবিয়ে দৃপ্তকণ্ঠে ঘোষণা কৰিলে—"হে ঈশ্বৰ, তুমি হোৱা এলজেব্ৰাৰ একস্ ।[৭] প্ৰাচীন মূল্যবোধৰ প্ৰতি থকা বিশ্বাস ভংগৰ পাৰণতিত এই কবি-সকলে সন্দেহৰ মাজেদি গৈ গৈ এক অনীহা আৰু নৈৰাশ্যবাদী মনোভাৱ গ্ৰহণ কৰিলে। প্ৰাচীন মূল্যবোধৰ প্ৰতি নাশ হোৱা বিশ্বাস আৰু অনীহাই এই কবিসকলক 'নিহিলিষ্টিক' সম্প্ৰদায়ৰ দৰে অত্যন্ত জটিল মানসিকতা সম্পন্ন কৰি তুলিলে। নক'লেও হয় যে এনে ধৰণৰ ভাবাদৰ্শ পশ্চিমীয়া আধুনিক কবিতাৰো যাই উপজীব্য সামন্তবাদী সমাজ ব্যৱস্থাৰ বিৰুদ্ধে জাগ্ৰত হৈ উঠা 'চেতনা'ইও নতুন কবিদলক অন্তৰ্মুখী কৰি নৈৰাশ্যবাদী কৰি তুলিছিল। সমকালীন সমাজে যি নেতিবাদী দৰ্শনৰ শিক্ষা দিছিল সেইয়া তেওঁলোকৰ কবিতাতো প্ৰতিফলিত হৈছিল। চমু কথাত ক'বলৈ গ'লে সৰহভাগ আধুনিক কবিয়েই সংঘাত আৰু সন্দেহত ভুগি ভুগি কবিতা লিখিছিল।

(৭) ৰোমাণ্টিক প্ৰেমৰ প্ৰতি অৱজ্ঞা :

ৰোমাণ্টিক কবিসকলে প্ৰেমৰ মহানতাক বৰ শলাগিছিল "প্ৰেমত ঘূৰিছে ভূমণ্ডল প্ৰেমত ফুলিছে নভমণ্ডল"—বুলি কৈ তেওঁলোকে প্ৰেমক অপাৰ মৰ্যাদা-প্ৰদান কৰিছিল। কিন্তু আধুনিক কালৰ কবিসকলে প্ৰেমৰ মহানতা আৰু পেনপেননি ছুৱোটাকে উপেক্ষা কৰি বাস্তবানুগ দৃষ্টিৰে প্ৰেমক বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে। বাৰে ৰহনীয়া কল্পনাক বাদ দি বাস্তৱতাক সাৰথি কৈ তেওঁলোকে প্ৰেমৰ ক্ষেত্ৰত নতুন সংজ্ঞা আৰু সংবেদনা সৃষ্টি কৰিলে। তেওঁলোকে দেখা পালে যে ৰোমাণ্টিক কবিসকলে কল্পনাৰ স্বৰ্গ সৌধত উঠি যি প্ৰেমৰ জয়গান গাইছিল তাৰ অন্তৰালত আছিল তেওঁলোকৰ লিপ্সিতাৰ

৭। আধুনিক অসমীয়া কবিতা (হৰি বাথাল শৰ্মা সম্পাদিত)। নৱকান্ত বৰুৱাৰ কবিতা [illegible]।

ক্রিয়া আৰু প্ৰেৰণ কৰণ। প্ৰেমৰ জৈবিক দৃষ্টিকোণৰ প্ৰতি কবিসকল অধিক সচেতন হ'ল আৰু প্ৰেমৰ কৃতকাৰ্যতাৰ মূল বুনিয়াদ যে অৰ্থনৈতিক স্বচ্ছলতা তাকো তেওঁলোকে ঘোষণা কৰিলে। ৰোমাণ্টিক প্ৰেমৰ দৃপ্ত স্ফুৰণৰ বিপক্ষে সচেতনভাবে থিয় দি বাস্তৱ দৃষ্টি-ভংগীৰে প্ৰেমক বিচাৰ কৰাৰ প্ৰথম চেষ্টা চলালে—চৈয়দ আব্দুল মালিকে তেওঁৰ 'ফুল শয্যাৰ বাঁশি' নামৰ কবিতাত। ঘূৰি কাণ্ডন। ফুলশয্যাত পোণ প্ৰথমবাৰৰ বাবে লগ পায় প্ৰমিক কেৰেণীয়ে আপোন প্ৰেয়সীক কৈছে

সাদিন পাচত শেষ হ'ব ছুটি,
আঁতৰা আঁতৰি হ'ম আমি দুটি,
তোমাৰ হাতত ৰ'ব চক ছাই
মোৰ হাত ক'লা কলম তিয়াই,
কাগজত মই আঁক পাৰি যাম
এহাতেৰে মচি কপালৰ ঘাম,
সেই আঁকবোৰ তুমি আৰু মোৰ
কপালতো হ'ব লেখা,
ছুটী দিয়ে যদি ঘূৰি কাণ্ডনত
হ'ব পুনবায় দেখা।

(৮) নৱ বৌদ্ধিক চেতনা :

কলা, সাহিত্য, বিজ্ঞান, মনোবিজ্ঞান আদি দিশত হোৱা পৰিবৰ্তনে দেশখনৰ বৌদ্ধিক চেতনাক বেচি চোকা কৰি তুলিছিল। আধুনিক কবিসকলৰ মন নৱ বৌদ্ধিক চেতনাৰে সিক্ত হৈ একপ্ৰকাৰ জটিল আৰু সন্দিগ্ধ কৰি মানস তৈয়াৰ হৈছিল। কবি মানসৰ এনে ধৰণৰ সন্দিগ্ধতা এসময়ত ইংৰাজ আধুনিক কবিসকলৰো সমস্যা হৈছিল। আধুনিক ইংৰাজী কবিতাৰ গতি আৰু প্ৰকৃতিৰ আলোচনাৰ প্ৰসংগত Geoffrey Bullough ই মন্তব্য কৰিছে " Biology, anthropology, Psychology, economic and Social struggles have weakened our faith in the instruments of body and mind We are organisms ill-adapted to an alien world, unsure of heaven and of our own natures yet faced with

the problem of survival and growth as intelligent civilised beings in an age when our vast new knowledge is used for purely material and even bestial ends, and when the social order is being transformed by economic pressure and inward desire "[৮]

আধুনিক ইংৰাজী কবিতাৰ বিষয়ে কৰা এই মন্তব্য আধুনিক অসমীয়া কবিতাৰ সম্পৰ্কেও সমানে সঁচা। এই আধুনিক কবিসকলৰ সৰহভাগেই উচ্চ শিক্ষিত তৰুণ হোৱাৰ বাবেই আধুনিক জগতৰ সংঘাত আৰু অত্যাচাৰৰ বিৰুদ্ধে তেওঁলোকৰ মনত এক গভীৰ প্ৰতিক্ৰিয়া সদা-সৰ্বদা চলি আছিল।

(১) পশ্চিমৰ প্ৰভাৱ :

এই শতিকাৰ চল্লিছৰ কালছোৱা আধুনিক ইংৰাজী আৰু আমেৰিকান কবিতাৰ স্বৰ্ণযুগ। আধুনিক কবিতাৰ বৰেণ্য পুৰুষ ইলিয়ট, এজৰা পাউণ্ড, লুই মেৰ্কনিছ, ডব্লিউ, বি, ইয়েটছ্, ডাইলান টমাছ, তুয়োগৰাকী ছিটৱেল, বোডেলেয়াৰ, মালাৰ্মে আদি কবিসকলৰ কবিতাৰ এই সময়ত জয় জয়কাৰ। পৃথিবীৰ সকলো দেশতে তেওঁলোকৰ কবিতাই সহৃদয়ী পাঠক এক শ্ৰেণীৰ পৃষ্ঠ-পোষকতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। পৃথিবীৰ কবিতাপ্ৰেমী লোকৰ মাজত এই সময়তে ফৰাচী প্ৰতীকবাদী কাব্যান্দোলনৰ নেতা—অগ্ৰণী কবি বোডেলেয়াৰ, মালাৰ্মে আৰু প'ল ভেলেৰী আদিৰ কবিতাৰ প্ৰভাৱ আৰু সমাদৰ বৰকৈ বাঢ়িছিল। নতুন অসমীয়া কবিসকলে পৃথিবীৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা নতুন নতুন কাব্যান্দোলনৰ লগত নিজৰ পৰিচয় বঢ়াই লৈ আছিল, যুগনায়ক কবিসকলৰ বিভিন্ন কবিতাসমূহৰ অধ্যয়নেৰে তেওঁলোকে নিজক পুষ্ট কৰিছিল আৰু স্বাভাৱিকতেই সেই মহান কবিসকলৰ প্ৰভাৱে অসমীয়া কবিসকলকো সমৃদ্ধ কৰি তুলিছিল। তদুপৰি পশ্চিমৰ আধুনিক কবিতাই Jean Paul Satre অৰ existentialism, Louis Aragoue অৰ Surrealism আৰু Ezra Pound অৰ imagism আদি বিভিন্ন প্ৰবাহৰ লগত লগ হৈ নতুন নতুন ভাব চিন্তাৰ পথ উলিয়াইছিল। ভাৰতীয় আৰু অসমীয়া কবিতাৰ সেই সেই ভাবচিন্তাৰ লগত জড়িত হৈ পৰি কাব্য চিন্তাত নব্যান্দোলনক আদৰি লৈছিল। অসমীয়া কবিসকলৰ বাহিৰান কবি মায়াক'ভস্কী আৰু

৮। The Trend of Modern Poetry, 1949 পৃ 2

ইভটুচেংকো আৰু স্পেনিচ কবি পাব্লো নেৰুডাৰ কাব্যকৃতিৰ লগত ঘনিষ্ঠ-ভাৱে পৰিচয় আছিল। জাপানী কবিতাৰ অতি প্ৰশস্ত কাপ আৰু কেনভাচৰ লগতো অসমীয়া কবিসকলৰ চিনাকি আছে। জাপানী কবিতাৰপৰা কলা-কৌশলো অসমীয়া কবিয়ে শিকিছে। পশ্চিমা প্ৰভাৱৰদ্বাৰা অসমীয়া কবিসকল কিদৰে প্ৰভাৱান্বিত হৈছে তাৰ আলোচনাৰ প্ৰসংগত ডঃ বিৰিঞ্চি-কুমাৰ বৰুৱাই কৈছে . "In the poetry of Hemakanta and Navakanta one notices the adoption of images, symbols and music such as one meets with, in the poetry of Baudelaire, Paul Vallary, Stephene Mallarme and Rainer Maria Rilke *** Navakanta ha been, influenced more deeply by T S Eliot than by others Like Eliot he also believes that poetry requires a language rich in suggestions both to senses and intellect "১

পশ্চিমা প্ৰভাৱ :

(ক) নতুন কবিসকলে সাধাৰণ মানুহৰ জীৱনৰ প্ৰতি বৰ আগ্ৰহ দেখুৱাইছিল। প্ৰাকৃতজনৰ জীৱন আৰু কাৰ্যাৱলী তেওঁলোকৰ কবিতাৰ আলোচ্য বিষয় হৈ পৰিছিল। দলিত আৰু নিস্পেষিত মানুহৰ মৰ্ম-ব্যথা তেওঁ[illegible] ভালদৰে বুজিছিল। আধুনিক অসমীয়া কবিসকলে নিজৰ [illegible] স্বৰূপতাৰ কথা বুজি পাইছিল আৰু সেইবাবে সমাজৰ নিকৃষ্ট স্তৰত [illegible] আধুনিক কবিসকলৰ দৃষ্টি এৰাই যাব পৰা নাছিল।

(খ) আধুনিক কবিসকলে কবিতাক পৌৰাণিক যুগৰ কটকটীয়া বান্ধোনৰ-পৰা মুক্ত কৰিবলৈ বিচাৰিছিল আৰু সেইবাবেই কবিতাৰ আংগিক আৰু বিষয়বস্তু উভয় ক্ষেত্ৰতে কিছুমান নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হৈছিল।

(গ) আধুনিক কবিসকলে মধ্যবিত্ত শ্ৰেণীৰ জীৱনযাত্ৰা আৰু তেওঁলোকৰ সন্তীয়া মৌখিক চিন্তাচৰ্চাক বিদ্ৰূপ হানিছিল।

(ঘ) নতুন কবিসকলে এখন নতুন পৃথিৱীৰ সপোন দেখিছে। সেই নতুন পৃথিৱীত মানুহৰ মানুহ হিচাপে স্বীকৃতি সকলোৰে সমান অধিকাৰ আৰু অৰ্থনৈতিক বৈষম্যৰ নিৰাকৰণ হ'ব পাই কথা।

১। Dr B. K. Barua History of Assamese Literature P 146

(চ) এই সময়তে অসমীয়া কবিতাই বাংলা কবিতাৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহে। সমকালীন অসমীয়া কবি ছাত্ৰসকলে সেইসময়ৰ বংগদেশত আৰু বিশেষকৈ কলিকতাত প্ৰভাৱ বিস্তাৰ কৰি থকা আধুনিক বাংলা কবিসকল যেনে বুদ্ধদেৱ বসু, জীৱনানন্দ দাস, বিষ্ণু দে, সুধীন্দ্ৰ নাথ দত্ত আৰু অমিয় চক্ৰবৰ্তী আদি কবিসকলৰ কাব্যাকৃতিৰ লগত গভীৰ যোগাযোগেৰে আকৃষ্ট হৈ পৰে। কাজেই আধুনিক অসমীয়া কবিসকলৰ চিন্তাচৰ্চাৰ ওপৰত বঙালী কবিসকলৰ প্ৰভাৱো বিয়পি পৰে।

আংগিকৰ নতুনত্ব

(১) ছান্দিক কৌশলৰ পৰিবৰ্তন :

আধুনিক কবিতাই ছন্দ কৌশল সম্পূৰ্ণৰূপে সলনি কৰি দিলে। ৰোমান্টিক যুগৰ অসমীয়া কবিতাত কবিতা দৈহিক গঠনৰ আধাৰ আছিল যৌগিক ছন্দসমূহ। নতুন কবিতাই যৌগিক ছন্দৰপৰা আঁতৰি আহি মুক্তক আৰু স্পন্দিত গদ্য ছন্দক নিজৰ আপোন কৰি ল'লে। প্ৰাচীন, মধ্যযুগীয় আৰু ৰোমান্টিক এই তিনিস্তৰৰ কবিতাত, ছন্দ আৰু ধ্বনিৰ যি দোলন আছিল বিশিষ্ট ধ্বনি মাধুৰ্য তৈয়াৰ কৰিবৰ বাবে যি ধৰণৰ ছান্দিক কৌশল প্ৰয়োগ কৰা হৈছিল সি লাহে লাহে লোপ পাই আহিল। আৰু কবিতাই দেহ-সজ্জাৰ বাবে অধিকতৰভাৱে গদ্যৰ ওচৰ চাপে। তলত দুটি কাব্যাংশৰদ্বাৰা আধুনিক কবিতাত মুক্তক ছন্দ আৰু কাব্যিক গদ্য ছন্দৰ ব্যৱহাৰ দাঙি ধৰিলোঁ।

(ক) মুক্তক ছন্দ

> বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি,
> তুমি সাৰে আছা, সাৰে আছোঁ আমি
> আৰু সাৰে আছে প্ৰীতি
> বিহুৰ অতীত চিকু, বাঁহীৰ কৰুণ সুৰ,
> বৰ্ডো গাভৰুৰ নাচোনৰ তাল ভাগে,
> জনতাৰ চকু চকুৰ পানীৰে পূৰ

মাজ নিশা কোনে বাজ আলিবেহি,
আক্ষেপ কৰি যায়
"বিজু বাভা নাই।"
(বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য / বিজু বাভা এভিয়া কিমান বাতি)

(খ) কাব্যিক গদ্য ছন্দ

আমি অনাগত ভৱিষ্যৰ দিন আঙুলিমূৰত লেখো।
বসুৰ কাঠী-কামী সাঁজো। উককা নিশা। আকাশত
তৰা জ্বলে, যেন মহাশূন্যৰ চাকিৰ জোনাকী
মোৰ তেজে মোক মাতে। যৌৱনে বিঙিয়াই
উঠা দিন। জীৱন আৰু বাজেটৰ মোহনামুখত।
(মাজ নিশা জাহাজৰ উকি) বিহুৱতী গাভৰু তুমি জানা।
(হেম বৰুৱা / জাবৰ দিনৰ সপোন)

অনুভূতিৰ কথটি শিলত ঘ হনি থাই থাই অহা বাবে গদ্যহ্ও এটা মধুৰ পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। আৰু কবিতাৰ ভাষা আৰু সাধাৰণ মানুহৰ মুখৰ ভাষাৰ মাজত ঘনিষ্ঠ আত্মীয়তা গঢ়ি উঠিল। একেসময়তে পৃথিৱীৰ অন্যান্য কাব্য সাহিত্যতে গদ্যই কবিতাৰ মাধ্যম হিচাপে স্বীকৃতি পাইছিল। ইংৰাজী, আমেৰিকান আৰু ফৰাচী কবিতাত আৰু ভাৰতবৰ্ষীয় কবিতাৰ ভিতৰত বাংলা ভাষাৰ কবিতাত এই গদ্যাশ্ৰয়ী কবিতাই সহজে স্বীকৃতি পাবলৈ সমৰ্থ হৈছিল। আধুনিক কালৰ এজন মহান কবি এজৰা পাউণ্ডে তীব্ৰভাৱে নিৰ্দেশ দিছিল যে কবিতাই গদ্যকো মাধ্যম কৰি ল'বই লাগিব। তেওঁ কৈছিল "Poetry must be as well written as prose Its language must be a fine language, departing in no way from speech save by a heightened intensity (i e, simplicity) It must be as simple as De Maupassant's best prose and as hard as Stendhal's"[১০]

অসমীয়া কবিতাৰ ভাষা আৰু শব্দচয়নে সাজ সলালে। পৰম্পৰাগত-ভাৱে চলি অহা শব্দ, খণ্ডবাক্য, বিশেষণ আৰু উপমা ৰীতি আঁতৰি গৈ নতুন

১। আধুনিক বাংলা কাব্য পৰিচয় (দিপ্তী ত্ৰিপাঠী) কাতাম পৃ ৩ দ্ৰষ্টব্য।

শব্দ নতুন ধৰণৰ বিন্যাস, নতুন বিশেষণ শব্দৰ প্ৰয়োগে গা কৰি উঠিলে। অসমীয়া কবিতাৰ দেহ গঠনত ইংৰাজী আদি বিদেশী ভাষাৰ আৰু সংস্কৃত, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাৰ প্ৰভাৱ চৰিল। উপমা আদি অলংকৰণৰ ক্ষেত্ৰতো বিদেশী প্ৰভাৱ যৰ সঙীৰ হৈ পৰিল। সংস্কৃত শব্দৰ-পৰা effect কঢ়িয়াই নি আধুনিক কালৰ কবিসকলৰ অগ্ৰণী এলিয়ট চাহাবেও ইংৰাজী কবিতা পোৱাইছিলগৈ অসমীয়া কবিসকলেও সংস্কৃত ভাষাৰ লগত নতুন যোগাযোগ আৰম্ভ কৰিবৰ চেষ্টা কৰিলে। নতুন কবিসকলে শব্দৰ ব্যৱহাৰত খুউব হাত ধৰি চলিছিল আৰু এই কল্পনালিয়ে সময়ে সময়ে তেওঁলোকৰ কবিতাৰ বাক্য গাঠনি দুৰ্বল আৰু অৰ্থবোধ দুৰূহ কৰি তুলিলে। অৱশ্যে সকলো কবিৰ সকলো কবিতাৰ ক্ষেত্ৰত এই মন্তব্য সমানে প্ৰয়োগ কৰিব নোৱাৰি।

(৩) কবি প্ৰসিদ্ধিৰ প্ৰতি আওহেলা

আধুনিক অসমীয়া কবিসকলে তেওঁলোকৰ পূৰ্বযুগৰ অসমীয়া কবিসকলৰ কবি প্ৰসিদ্ধি বা কবি সময় চেৰাই গৈ নতুন নতুন প্ৰসিদ্ধিৰ সন্ধান কৰিছিল। প্ৰাচীন কাব্যৰ জগতখনৰ লগত তেওঁলোকে প্ৰত্যক্ষ যোগাযোগ এৰাই চলিহে ভাল পাইছিল। প্ৰাচীন ভাৰতীয় মহাকাব্যসমূহৰপৰা আহৰণ কৰা দুই এটা allusion জাতীয় প্ৰসিদ্ধিৰ বাহিৰে এই কবিদলে প্ৰাচীন কাব্যৰ লগত কোনো প্ৰকাৰ সম্পৰ্ক ৰখা নাছিল। চমু কথাত ক'বলৈ গ'লে আধুনিক কবিতা সম্পূৰ্ণৰূপে ঐতিহ্য আৰু পৰম্পৰা বিৰোধী।

(৪) উদ্ধৃতিৰ সঘন ব্যৱহাৰ:

নতুন কবিৰ কবিতাৰ মাজত অন্য কবিতাৰপৰা বা অন্য মূলৰপৰা উদ্ধৃতি দি বক্তব্য বিষয়ক অধিক সবল কৰি তোলা হৈছে। পাঠকসকলৰ মনৰ পৰিধি বিস্তৃত নহ'লে আৰু তেওঁলোকৰ নিজৰে সবহকৈ খা-খবৰ নাথাকিলে অনেক সময়ত উদ্ধৃতিসমূহে চিন্তাৰ বাঁত সবল কৰক চাবি চিন্তাৰ যোগসূত্ৰডাল ছিঙি পেলাবৰহে উপক্ৰম কৰিছিল।

(৫) নতুন আংগিক—টংকা আৰু হাইকু:

নতুন কবিতাৰ দৈহিক গঠনৰ আদৰ্শ বিচাৰি আধুনিক অসমীয়া কবিয়ে জাপানী কবিতাৰ উৰ্বৰ প্ৰান্ত পৰ্যন্ত পাইছেগৈ জাপানী কবিতাৰ জনপ্ৰিয়

টংকা আৰু হাইকুৰ ৰূপ অসমীয়া কবিয়েও গ্ৰহণ কৰে। জাপানী হাইকু ৰীতিৰ আহিত গঢ় লোৱা অসমীয়া হাইকু কবিতা ৰীতিয়ে জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থ হয়।

(৬) চিত্ৰকল্পৰ অভিনৱতা :

আধুনিক অসমীয়া কবিয়ে চিত্ৰকল্পৰ খুউব বৈশিষ্ট্যপূৰ্ণ সংযোজনা কৰিছে। কিছুমান চিত্ৰকল্পৰ অভিনৱতাই পাঠকৰ অন্তৰত গভীৰ সূক্ষ্ম সংবেদন সৃষ্টি কৰি কাব্যানন্দৰ মহত্বৰ লোকলৈ লৈ যায়। জীৱন আৰু জগতৰ নতুন ব্যাখ্যা বিচাৰি বিচাৰৰ এই কবিদলে জাগতিক বস্তু সত্তাৰ মাজত অভিনৱ সাদৃশ্য আৱিষ্কাৰ কৰিছে। উপমা, অলংকাৰৰ ক্ষেত্ৰতে সিদ্ধ হোৱা কিছুমান চিত্ৰকল্প অতি কৌশলী হাতৰ চিনাকি। কবি মহেন্দ্ৰ বৰাৰ কবিতা এটাৰপৰা তুটি বাক্য উদ্ধৃতি দি কথাটো কব খুজিছো। পূৰ্ণিমা ৰাতিৰ আকাশৰ ঘূৰণীয়া জোনক কবিয়ে নতুন ৰূপত দেখা পাইছে।

> "দেখা পালো আকাশৰ ডুৱাৰ দ'লিত পূৰ্ণিমা ৰাতিৰ
> ঘূৰণীয়া জোন, ঠিক যেন এই মাত্ৰ বাথৰুমৰ পৰা
> ওলাই অহা, এজনী ছোৱালী।"

বাথৰুমৰ পৰা এই মাত্ৰ ওলাই অহা সদ্যস্নাতা ছোৱালীজনীৰ দেহ-জ্যোতিৰ লগত কবিয়ে আকাশৰ জোনৰ জেউতি একীভূত হৈ যোৱা দেখিছে।

(৭) ভাষা আৰু প্ৰতীক :

নতুন কবিসকলৰ হাতত ব্যৱহৃত হোৱা ভাষা আৰু বিশেষকৈ প্ৰতীকযুক্ত ভাষা পাঠকৰ কাৰণে বৰ ভয়ৰ বস্তু হৈ পৰিছিল। প্ৰতীক ব্যৱহাৰৰ ক্ষেত্ৰতে জটিলতা বৃদ্ধি পাইছিল। ফলস্বৰূপে আধুনিক অসমীয়া কবিতা পাঠকসকলৰ কাৰণে দুৰ্বোধ্য হৈ বাবলৈ ধৰিলে। আধুনিক অসমীয়া কবি-সকলৰ কবিতাৰ দুৰ্বোধ্যতাক লক্ষ্য কৰি ড বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছিল "Their language has arrived at the esperanto stage Like impressionist poets, their poetry is full of symbols and images, sometimes so contrasted that it is difficult to discover their natural inter-links Anything of any country or of any time or culture may come up suddenly and uneducated reader can

never hope to find the full meaning, and references to history and geography are never without symbolism "[১১]

এইবোৰ কাৰণেতে আধুনিক কবিতাৰ দুৰ্বোধ্যতাৰ ভাগ বাঢ়িছে। আৰু সৰ্বসাধাৰণ পাঠকৰ আজিকোপতি ডাঙৰ অভিযোগ আধুনিক অসমীয়া কবিতা দুৰ্বোধ্য।

(৮) অতি-কাব্যিকতাৰ অৱসান :

আধুনিক কবিসকলে সকলো প্ৰকাৰ কাব্যগুণ সম্পন্ন কবি মিহি মিহি কলা-কৌশলেৰে নিৰ্মাণ কবি বৰ্ণাঢ্য ৰং-বহনেৰে ওপচাই কবিতা লিখাৰ অৰ্থাৎ কবিতাৰ মাজতেই অতি কাব্যিকতাৰ বহণ সনা ভালপোৱা নাছিল। সকলো প্ৰকাৰ বহিৰংগ আৰু বাগাড়ম্বৰ বাদ দি মিনিমাম আৰ্টৰ যোগেদি তেওঁলোকে কবিতাক গঢ়ি তুলিছিল। সুপুষ্ট অলংকৰণ আৰু কৌশলী বাগাড়ম্বৰ বাদ দি তেওঁলোকে বিচাৰিছিল কবিসকলৰ এক নিজস্ব দৃষ্টিভংগী। দৃষ্টিৰ প্ৰখৰতাত তেওঁলোকে অধিক মূল্য আৰোপ কৰিছিল। অনুভূতিতকৈ বুদ্ধিক তেওঁলোকে বিশিষ্ট আসন দিছিল। অনুভূতিৰ আতিশয্যত হাঁহাকাৰ কবি ফুৰা ফুলি-কেতেকীৰ উন্মনা ভাব তেওঁলোকে ভাল নাপাইছিল। আগৰ কবিসকলৰ কাব্যিক আতিশয্যক বাদ দি নতুন কবিদলে কবিতাক একপ্ৰকাৰ মুক্তিও দান কৰিছিল। সেই মুক্তি হ'ল কল্পনাৰ ফেনিল উচ্ছ্বাস, শব্দচয়নৰ বৰ্ণাঢ্য ৰীতি, অলংকৰণৰ কৌশলী মায়াজালৰপৰা মুক্তি।

যুদ্ধোত্তৰ কবিতা :

আধুনিক অসমীয়া কবিতা দবাচলতে দ্বিতীয় মহাযুদ্ধোত্তৰ কবিতা। দ্বিতীয় মহাসমৰে বৃটিছ ভাৰতৰ অন্তৰাত্মা পৰ্যন্ত কঁপাই তুলিছিল। ভাৰতবৰ্ষ বিশেষকৈ অসমৰ ওপৰত এই যুদ্ধৰ প্ৰভাৱ আছিল গধুৰ। ভাৰতে নিজে এই যুদ্ধ বিচৰা নাছিল যদিও, পৰিস্থিতিয়ে ভাৰতকো টানি আজুৰি নি যুদ্ধত প্ৰবৃত্ত কৰাইছিল। অসমে এই যুদ্ধক বৰ ওচৰৰ পৰা পাইছিল। ব্ৰহ্মপাৰ্শ্বত অসমো দ্বিতীয় মহাযুদ্ধৰ এখন থলী হৈ পৰিছিল। তদানীন্তন অসমৰ ডিমাপুৰ আৰু কহিমা এই দুই ঠাইত জাপানী আৰু বৃটিছ সৈন্যৰ তুমুল যুদ্ধ হৈছিল। লাখ লাখ সৈন্যৰ সমাৱেশ, বজ্ৰবাহানিৰ জুই-ছাই দাম, নৈতিক

১১। History of Assamese Literature, পৃ ১৫২-৫৩ দ্ৰষ্টব্য।

আৰু সামাজিক অধঃপতন, মুদ্ৰাস্ফীতি, বিদেশী সৈনিকৰ অত্যাচাৰ, দেশৰ অভ্যন্তৰত ভাৰতীয় আৰু ইংৰাজ সকলৰ মাজত চলি থকা অসহযোগী কন্দল আদিয়ে সেই সময়ত অসমৰ জাতীয় জীৱনৰ সাঁকি লৰাইছিল। তদুপৰি জাপানৰ হিৰোচিমা আৰু নাগাচাকিত নিক্ষেপ কৰা আণৱিক বোমাই মাৰাত্মক যুদ্ধাস্ত্ৰৰ ধ্বংসকাৰী শক্তিৰ দৃষ্টান্ত দিছিল। বিজ্ঞান আৰু শিল্পৰ প্ৰসাৰেো এই দুৰ্যোগৰ মাজেদিয়েই বৃদ্ধি পায়। তদুপৰি দুৰ্ভিক্ষ, অনাটনে সাধাৰণ শ্ৰেণী মানুহৰ জীৱন বিপৰ্যস্ত কৰি তুলিছিল। স্বদেশৰ মুক্তি বিচাৰি ব্যাকুল হোৱা ভলন্টিয়াৰসকলৰ ওপৰত বৃটিছ ৰাজশক্তিৰ অত্যাচাৰ এই মুহূৰ্তত্তে অসহনীয় হৈ পৰিছিল। এই সকলো দুৰ্যোগৰ মাজেদিও অসমীয়া মানুহৰ জীৱনলৈ আধুনিকতা আহিল। সেই আধুনিকতা কবিতাৰো ভোগ্য সম্পদ হৈ পৰিল।

আধুনিক অসমীয়া কবিতাৰ সৃষ্টিত জয়ন্তী, পছোৱা আৰু ৰামধেনু এই তিনিখন সাহিত্য পত্ৰিকাৰ বৰঙণি আটাইতকৈ বেচি। অমূল্য বৰুৱা, হেম বৰুৱা আৰু নৱকান্ত বৰুৱা এই তিনি জন অগ্ৰণী কবিৰ বিৰামহীন চেষ্টাত আধুনিক অসমীয়া কবিতাৰ প্ৰাণ প্ৰতিষ্ঠা হ'ল। জয়ন্তীৰ বোকোচাত উঠি এতিয়া আধুনিক কবিতা অসমীয়া কাব্য বাণীৰ মন্দিৰৰ সন্মুখত নামিলহি। সেই মুহূৰ্তত বহুতে আধুনিক কবিতাক বিদ্ৰূপাত্মক সঁহাৰিহে জনাইছিল। আধুনিক অসমীয়া কাব্য আন্দোলন যে এদিন সফল হৈ উঠিব এনে ধাৰণা বহুতৰ নাছিল। গত্যাশ্ৰয়ী প্ৰকাশভংগী আৰু দুৰ্বোধ্য শাব্দিক ইন্দ্ৰজালে পাঠকক ক্ষুব্ধ কৰি তুলিছিল। প্ৰতীক, অনেকাৰ্থমূলক শব্দৰ ব্যৱহাৰ, উক্তিৰ কাৰচাজি বন্ধনীৰ ভিতৰত সংযোজিত ৰহস্যময় ইংগিত আদিয়ে পাঠকসকলক বৰ বিমোৰত পেলাইছিল। ক্ষুব্ধ পাঠকসকলে অনেক সময়ত কবিসকলক ৰূঢ়ভাৱে সমালোচনা কৰি নিজৰ মৰ্ম বেদনা প্ৰকাশ কৰিছিল। নানান প্ৰতিকূল অৱস্থাৰ মাজেদিও কবিসকল একান্তভাৱে কাব্য চৰ্চাত ৰত হৈ থাকিল। সময় আগবঢ়াৰ লগে লগে পাঠকৰ দৃষ্টিভংগীৰো পৰিবৰ্তন হ'ল। ৰামধেনুৰ যুগতে (আৰু এইছোৱা কালতে আৱাহন নতুনকৈ ওলাই আধুনিক কবিতাৰ কৰ্ষণক্ষেত্ৰস্বৰূপ হৈ পৰিছিল।) পাঠকসকলৰ দৃষ্টিভংগী অনেক দূৰ সলনি হ'ল আৰু ভাবপৰা লাহে লাহে আগবাঢ়ি আহি আধুনিক অসমীয়া কবিতাই এতিয়া এডুখৰি নিজৰ আসন লাভ কৰিছে আৰু সৰ্ব-

ভাৰতীয় আৰু মহাদেশীয় আধুনিক কবিতাৰ সমকক্ষ বস্তু বুলি সন্মানৰ লভিছে।

কোৱা বাহুল্য যে উপৰোক্ত সকলো বৈশিষ্ট্য একেদিনাই আধুনিক অসমীয়া কবিতাত সংঘটিত হোৱা নাছিল। বিভিন্ন কবিৰ হাতত বিভিন্ন সময়ত এই বৈশিষ্ট্যবোৰ গঢ় লৈ উঠি আধুনিক অসমীয়া কবিতাৰ স্বৰ্ণসৌধ গঢ়াত সহায় কৰিছে। এই আন্দোলনৰ পূৰ্ণ বিকাশৰ বাবে কমেও ত্ৰিছ বছৰ কাল লাগিছিল। ১৯৩৮ৰপৰা ১৯৬৮ চনলৈকে এই ত্ৰিছ বছৰেই আধুনিক অসমীয়া কাব্যৰ প্ৰকৃতাৰ্থত গঠনৰ সময়। পৰৱৰ্তী অধ্যায়সমূহত আমি জয়ন্তী যুগতে আৰম্ভ হৈ আজিৰ দিনলৈকে চলি থকা আধুনিক কবিতাৰ সমগ্ৰ যুগটোৰ কাব্য কৰ্মৰ মূল্যাংকণ কৰিবলৈ প্ৰয়াস কৰিছোঁ।

দুই

প্ৰগতিবাদী ধাৰা :

অমূল্য বৰুৱা আৰু অন্য কেইজনমান

অমূল্য বৰুৱাৰ কবিতাত নব্য মানৱতাবাদৰ যি সুৰ বাজি উঠিল, সিয়েই আধুনিক অসমীয়া কবিতাত প্ৰগতিবাদী চিন্তাৰ বাৰ্তাবহ।[1] অমূল্যই তেওঁৰ কবিতাত মানুহৰ সামাজিক প্ৰগতি বিচাৰিছিল আৰু লাঞ্ছিত আৰু অপমানিত মানৱাত্মাৰ মুক্তি দাবী কৰিছিল। মাৰ্ক্সীয় দৰ্শনৰ উদাৰ নৈতিক চেতনাৰে সঞ্জীৱিত অমূল্যৰ অন্তৰাত্মাই সমাজ গাঁথনিৰ ক্ষিপ্ৰ পৰিৱৰ্তন বিচাৰি ব্যাকুল হৈছিল। সমাজৰ অত্যাচাৰৰ বলি, পুঁজিপতি শোষকৰ অন্ধ কামনাৰ দুৰ্মদ সঙ্গিনী বেশ্যা, নিজৰ দেহৰ ৰক্তপাতেৰে প্ৰভুৰ পুঁজি শকত কৰা কয়লাখনিৰ বনুৱা আৰু এটুকুৰা ৰুটিৰ কাৰণে ডাষ্টবিনত কুকুৰৰ সৈতে যুঁজ কৰা ভিক্ষাৰী ল'ৰা-ছোৱালীৰ দুৰ্দশা দেখি অমূল্য বৰুৱা অস্থিৰ হৈছিল আৰু এইদল মানুহৰ বাবে এক উন্নততৰ সমাজ ব্যৱস্থাৰ আশু প্ৰয়োজন বোধ কৰিছিল। সমাজৰ শ্ৰেণী বৈষম্য, পুঁজিপতি দালালৰ শোষণ সামাজিক অসাম্য আৰু অনীতিয়েই যে এদলক চিৰদিন ধৰি বঞ্চিত আৰু লাঞ্ছিত কৰি আহিছে সেইকথা জানি কবি অমূল্যই মনত গভীৰ ব্যথা অনুভৱ কৰিছিল। বেশ্যা নামৰ কবিতাত বেশ্যা জনীক তাইৰ সেই অসৎ জীৱিকাৰ বাট ল'বলৈ জেপৰ টকাৰে অনুপ্ৰাণিত কৰা ৰায় চাহেব শৰ্মা, খান বাহাদুৰ ইকবাল আৰু ই এ টি ফুকনক দোষী সাব্যস্ত কৰি তেওঁ অভিযোগ তুলিছে। তথাকথিত অভিজাত ধনীক শ্ৰেণীৰ স্খলিত নৈতিকতাই নগৰে-চহৰে পতিতালয় বিলাকৰ জন্ম দিছে। উৎপাদনৰ অসম বিতৰণৰ কাৰণে এদল লোকৰ হাতত অধিক পৰিমাণৰ আয় জমা হৈ গৈ এদল ধনী আৰু আনদল দুখীয়া এই দুই শিবিৰত সমাজখন ভাগ হৈ পৰিছে। নিজৰ দাৰিদ্ৰ্য আৰু পেটৰ জ্বালা উপশমৰ বাবে অমূল্য বৰুৱাৰ বেশ্যা জনীয়ে অভিজাত পুঁজিপতি শোষকৰ অত্যাচাৰ নিৰ্বিবাদে মানি লৈছে। বেশ্যাৰ জীৱনৰ এই কাৰুণ্যময় ছবি কবি অমূল্যই গভীৰ সংবেদনা দি আঁকিছে

*　　　*　　　*　　　*

"সমাজৰ ব্যভিচাৰত কক্ষচ্যুত,
অৰ্থনৈতিক সমস্যাত জলাকলা
পৰমুখাপেক্ষী মৰিবলৈ ধৰা তাইৰ জীৱনটোক
আত্মসন্মান, নাৰী পবিত্ৰতাৰ বিৰাট প্ৰবঞ্চনাৰে ঠগি
তিল তিল কৰি যাবলৈ দিয়া অৰ্থহীন কৌতূহলটোক
তাই তাইৰ আৱশ্যকতাহীন জীৱনটোতকৈও বিড়ম্বনা বুলি জানে
সেয়েহে হয়তো
সুৰা, গান আৰু নৃত্যৰ মজলিছৰ আৰাম 'কামৰা'ত
পৃথিৱীৰ বোকাৰে সজা দেহা বেচি
তাই হ'ল নৃত্যৰতা, কামৰতা, কলুষ বেশ্যা।
আজিৰ নগণ্য আত্মসন্মানৰ ভীকতাক বিসৰ্জন দি
তাই বাচি ল'লে জীৱনৰ এটি সহজ নিশ্চিন্ত উপায়
কিন্তু, সিমান সহজো নহয়।
তাৰ বাবে তাইক লগা হ'ল
বিশ্ববিখ্যাত মনোবিজ্ঞান বৈশ্লেষিক পণ্ডিত ফ্ৰয়েডৰ
যৌন-তাত্ত্বিক হেভলক্ ইলিচৰ
যৌন তত্ত্বৰ ক খ গ-ৰ জ্ঞান,
গৰ্ভবোধ, গৰ্ভপাতৰ কিছুমান সহজ উপায়,
বাৎস্যায়নৰ কাম-শাস্ত্ৰৰ প্ৰেমাভিনয়ৰ কিছুমান উন্নত মনোৰঞ্জক লাস্য,
অ বিয়েণ্টেল নৃত্য আৰু সঙ্গীতৰ নিখুঁত সুৰ আৰু ভঙ্গীমা
তানপুৰা আদি যন্ত্ৰবাদ্যৰ এটা পূৰা 'ছেট',
সেমেকা সফিয়া গৰম কৰা Red sealed xxx Ram অৰ কিছুমান বঙা বটল,
বেঙ্গল কেমিকেল কোম্পানীৰ সুগন্ধি প্ৰসাধন,
কমলালয়ৰ কেইখনমান আকাশী ৰঙৰ শাড়ী,
আৰু কত কি ?"

তাইৰ এই সকলো প্ৰস্তুতি নিজৰ বাবে নহয়, কিন্তু আনৰ বাবে, আনৰ সন্তুষ্টিৰ বাবে, তাইৰ জীৱনটোৱেই আনৰ বাবে, আনৰ পাশৱিক আনন্দৰ বাবে। অৰ্থনীতিবিদ সকলে কয় বৰ্তমানৰ সমাজ ব্যৱস্থাৰ কাৰণে আৰু

বৰ্তমানৰ অৰ্থনৈতিক প্ৰবাহৰ কাৰণে এই বেশ্যা শ্ৰেণী অপৰিহাৰ্য। আৰু অমৃত বাজাৰৰ সম্পাদকে গৌৰৱে ঘোষণা কৰে যে অকল কলিকতা মহা-নগৰীতে পঁচলিচ হাজাৰৰো ওপৰ বেশ্যা আছে। তাইৰ একমাত্ৰ মূলধন দেহাটোকে লৈ তাই মুনাফাখোৰ ব্যৱসায়ী, টেক্সটাইল চুপাৰিনটেনডেণ্ট বা মন্ত্ৰী আদি চাহাবৰ ভতিজাক নাইবা কোনোবা চাহ বাগানৰ মালিকৰ পৰা ধন ঘটে। এমুঠি ভাতৰ কাৰণে তাই আনক আনন্দ প্ৰদান কৰিব লাগে। দেহ বেচিয়েই তাই পেটৰ পোৰণি মাৰে। তাইৰ নিজৰ কাৰণে একো বাকী নাথাকে থাকে মাথোন পুঁজিপতি প্ৰভুসকলৰ কামনাৰ বেদীত উৎসৰ্গিত হোৱা তাইৰ একমাত্ৰ নগ্ন দেহাটো।

* * * *

"তোমাৰ একো নাই
আছে মাথোঁ। অলস বাহুৰ এটি প্ৰাণহীন দুৰ্বল বান্ধনি
এটি তেজ নাইকিয়া লেঁতা হাঁহি
আৰু উলঙ্গ দেহৰ উৎকট কামুকতা,
হে' যান্ত্ৰিক যুগৰ যন্ত্ৰপ্ৰায় বিশ্বপ্ৰিয়া
কোনে কয় তুমি বাৰাঙ্গনা ?
তুমিয়ে ধনীক সম্প্ৰদায়ৰ বিৰুদ্ধে বনুৱাৰ শ্ৰেণী সংগ্ৰামৰ
এটা সংকটপূৰ্ণ 'ষ্ট্ৰেটেজিক পইণ্ট'
তুমি কুৰি শতিকাৰ নগ্ন সভ্যতাৰ
নিৰ্ভীক বীৰাঙ্গনা।"

মাৰ্ক্সীয় শ্ৰেণী সংগ্ৰামৰ আদৰ্শ উপৰোক্ত বাক্য কেইটিত স্পষ্টকৈ ওলাইছে বঞ্চিত আৰু প্ৰবঞ্চিত মানুহক পুঁজিপতি শ্ৰেণীৰ বিপক্ষে থিয় কৰাবলৈ কবিয়ে বিচাৰে। মানুহৰ প্ৰতি মানুহৰ অমানবীয় ব্যৱহাৰ কৰিব সহ্য নহয়, সেয়ে তেওঁ সমাজ গাঁঠনিৰ আমূল পৰিৱৰ্তন বিচাৰে। প্ৰায় সমান তীব্ৰ সুৰেৰেই তেওঁ কয়লাখনিৰ বনুৱাসকলৰ ওপৰত পুঁজিপতি শোষক সকলে কৰা অত্যাচাৰৰ প্ৰতিবাদ কৰিছে 'কয়লা' কবিতাত। কয়লাখনিৰ অন্ধ গহ্বৰত ধোঁৱা আৰু গৰমৰ উম্মাৰ মাজত কালাতিপাত কৰি কয়লাখনিৰ বনুৱাই সিঁহতৰ প্ৰভুসকলৰ কাৰণে স্বৰ্ণসৌধ সাজে। কিন্তু তাৰ নিজৰ ভাগত পৰে নিজৰ জয় স্বপ্ন আৰু হতাশা। নিষ্পেষিত কাব্যৰ কত শত কষ্ট যন্ত্ৰণাৰ

মাৰ্ক্সেদি আগবাঢ়ি গৈ কম্যুনিষ্টৰ বক্তব্য মানুহে জীয়াই থকাৰ অধিকাৰ পৰ্য্যন্ত হেৰুৱাই পেলাইছে।

অমূল্যই এটা বিপ্লৱৰ কথা চিন্তা কৰিছিল। হয়তো মাৰ্ক্সীয় আদৰ্শবাদৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা বাবেই তেওঁ দেখিছিল যে এনেদৰে শ্ৰেণীসংগ্ৰাম চলি থাকিলে কেৱল বিপ্লৱেহে সমাজৰ গাঠনি নতুন কৰি জীয়া মানুহৰ বাবে সঁচা পৃথিৱী এখন গঢ় দিব পাৰিব। বিপ্লৱী কবিতাত তেওঁ স্পষ্টকৈ কৈছে—

"আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস,
আমাৰ আছে ভৱিষ্যতৰ সুন্দৰ ৰঙা সূৰ্য্যৰ পিনে চকু"

ভৱিষ্যতৰ সুস্থ ৰঙা সুৰুয সকলো দেশৰে মাৰ্ক্সবাদী কৰ্মীৰে কাম্য। অমূল্য বৰুৱাইও সেই কামনা কৰিছে। "গেলা দুৰ্গন্ধ অস্বাস্থ্যকৰ আৰু সুক পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ" সমাজব্যৱস্থাই তেওঁক আমুৱাইছিল। সেয়ে তেওঁ পৰিবৰ্ত্তন বিচাৰিছিল আশা কৰিছিল সেই পৰিবৰ্ত্তন এক দাৰুণ বিপ্লৱৰ জড়িয়তে সাধিত হ ব।

অমূল্য বৰুৱাৰ কাব্য চৰ্চ্চাৰ কালচোৱা আমাৰ দেশৰ পৰাধীনতাৰ কাল।—ইংৰাজ প্ৰভু সকলৰ অত্যাচাৰত ভাৰতবাসী ত্ৰস্ত আৰু কম্পমান। তদুপৰি অসমত দ্বিতীয় মহাযুদ্ধৰ ঢৌৱে আনি সমাবেশিত কৰা ইংৰাজৰ মিত্ৰপক্ষ আমেৰিকান সৈন্যবোৰে নিৰীহ অসমীয়া প্ৰজাৰ ওপৰত যি অত্যাচাৰ কৰিছিল—সি আছিল মৰ্মন্তুদ। তদুপৰি আণবিক বোমা বিস্ফোৰণৰ আশংকাই সেই সময়ৰ মানুহক নিউৰটিক (neurotic) কৰি তুলিছিল। কুঁজন ওপৰত কিন্তু পৰাদি সমগ্ৰ উত্তৰ পূৱ ভাৰত এক বিৰাট দুৰ্ভিক্ষৰ সন্মুখীন হৈছিল আৰু বিশেষকৈ অবিভক্ত বঙ্গদেশে এই দুৰ্ভিক্ষৰ জ্বালা আটাইতকৈ বেছি পৰিমাণে সহ্য কৰিবলগীয়া হৈছিল। বঙ্গৰ বাজ আলিত পাবলৈ নাপাই মৰা লাখ লাখ মানুহৰ শ পৰিছিল। এমুঠি অন্নৰ বাবে কোলাৰ সন্তান পৰ্য্যন্ত বিক্ৰী কৰিবলৈও মানুহে কুণ্ঠাবোধ কৰা নাছিল। লাখ লাখ মানুহৰ অনাহাৰত মৃত্যু হ'ল। সেই সময়তে মুদ্ৰাৰ মূল্য হ্ৰাস কৰি দিয়া হ'ল, বয়-বস্তুৰ জুই-ছাই দাম, দেশ ৰক্ষা কৰিবলৈ অহা বিদেশী সৈনিকক খুৱাই ৰাখিব লাগে ইত্যাদি এনে এটা সমস্যাই দেশৰ ধৰণী লৰাইছিল। এনে বিপৰ্য্যয়ৰ সুযোগ লৈ মুনাফাখোৰ আৰু ক'লা বজাৰীয়ে

সিহঁতৰ নিজৰ কাৰণে একোখনি স্বৰ্গ গঢ়ি লৈছিল। নিৰীহ অসমীয়া মানুহ চোৰাং-বজাৰী আৰু মুনাফাখোৰৰ কূট কৌশলৰ বলি হৈছিল। অমূল্য বৰুৱাৰ তৰুণ কবি মনে এই সকলো দুৰ্দশা দেখি সহ্যৰ সীমা পাৰ হৈ গৈ অন্তৰৰ বেদনাত হাঁহাকাৰ কৰি উঠিছিল। তৰুণ কবিয়ে ভাবি পাইছিল যে স্বাধীনতা লাভ কৰি মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱেৰে পুষ্ট হৈ সৰ্বহাৰাৰ গণতন্ত্ৰ স্থাপিত নোহোৱালৈকে ভাৰতীয় জনতাৰ মুক্তি নাই। কেৱল জনচেৰেক পুঁজিপতি দালালৰ কাৰণে এই ভাৰতবৰ্ষ খন নহয়।[২] লাখ লাখ মেহনতী জনতা বনুৱা, শ্ৰমিক, কৃষকৰ দেশ ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকেই অৰ্থনৈতিক সমতা আৰু ন্যায় বিচাৰ লাভ কৰিলেহে ভাৰতবৰ্ষৰ সামগ্ৰিক মুক্তি আহিব। **ভাৰতীৰ মুক্তি স্বপ্ন** নামৰ কবিতাত কবিয়ে দেখা পাইছে যে, ভাৰতীৰ মুক্তি আসন্ন। সত্য, সাম্য, মৈত্ৰীৰ মাজেদি গঠিত হোৱা নতুন ভাৰতবৰ্ষ আছিল তেওঁৰ কাম্য। দাসত্বৰ ক'লা ইতিহাস শেষ কৰি স্বাধীনতাৰ নতুন সূৰ্যৰ আগমন হ'ব বুলি তেওঁ বিশ্বাস কৰিছিল। কিন্তু কবিৰ মুক্তিৰ স্বপ্ন বাস্তৱত ৰূপায়িত হোৱা তেওঁ দেখিবলৈ নাপালে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পূৰা এবছৰৰ আগে আগে (১৮ আগষ্ট, ১৯৪৬) সাম্প্ৰদায়িক সংঘৰ্ষকাৰী দল এটাৰ হাতত অমূল্য বৰুৱা কলেজ হোষ্টেলৰ ৰুম এটাত নিহত হয়। যি জন কবিয়ে সাম্য, মৈত্ৰী, স্বাধীনতাৰ বাণী শুনাইছিল, যি জনে সামাজিক অসাম্যৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল আৰু যিজনে মানুহক ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় বন্ধনৰ পৰা মুক্ত কৰিবলৈ বিচাৰিছিল নিয়তিৰ পৰিহাসত সেইজন কবিয়েই সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হ'ব লগীয়া হ'ল।

কবি অমূল্য বৰুৱাই মুনীন বৰকটকীৰ অনুপ্ৰেৰণাত ইংৰাজী আৰু মহাদেশীয় আধুনিক কবিসকলৰ কবিতাবাজি পঢ়িবলৈ আৰম্ভ কৰে। টি এচ এলিয়ট, এজ্‌ৰা পাউণ্ড বোডেলিয়াৰ তেওঁৰ প্ৰিয় কবি আছিল। এই সকল কবিৰ কবিতাৰ অধ্যয়নে অমূল্যৰ দৃষ্টিৰ দিগন্ত বহলালে আৰু কবিতাক কেনেকৈ সামাজিক মাঙ্গল্যৰ লগত নিয়োজিত কৰিব পাৰি তাকো বুজালে। তেওঁৰ সমকালীন যুগত বিশ্বাসৰ আৰু মূল্যবোধৰ যি সংঘাত আহিছিল, মানৱতা আৰু বিজ্ঞানৰ মাজত প্ৰতিশক্তিৰ কাৰণে যি সংগ্ৰাম চলিছিল, সেই সকলোবোৰে তেওঁক জোকাই তুলিছিল। মহাদেশীয় কবি সকলৰ আদৰ্শই তেওঁক নিজ কবিতাৰ বাবে এটা উপযুক্ত মাধ্যম, এটা উপযুক্ত

ইডিয়ম বাচি লোৱাত সহায় কৰিলে। আৰু এই বাস্তৱ নিৰ্ভৰ কবিসকলে অমূল্যৰ কবিতাত বাস্তৱতাৰ সঞ্চাৰ কৰিলে। ৰোমাণ্টিকতাৰ আকাশলঙ্ঘা চিন্তৰ পৰা, অন্ত দহজন কবিৰ কবিতাৰ দৰে অমূল্যৰ কবিতাও বাস্তৱতাৰ মাটিলৈ নামি আহিল। উল্লেখযোগ্য যে কবিজীৱনৰ আৰম্ভণীত অমূল্য বৰুৱাই ৰোমাণ্টিক ভাৱবিলাসী কবিতা লিখিছিল। ৰোমাণ্টিক ধাৰাৰ কবিতা লিখাত গণেশ গগৈ, যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতি আৰু ডিম্বেশ্বৰ নেওগৰ আদৰ্শই তেওঁক প্ৰভাৱান্বিত কৰিছিল। কবি যতীন দুৱৰাৰ লগত অমূল্যৰ ঘনিষ্ঠ আন্তৰিকতা গঢ়ি উঠিছিল। ফলস্বৰূপে তেওঁৰ ওপৰত যতীন দুৱৰাৰ প্ৰভাৱ মচিব নোৱাৰাকৈ ৰৈ গৈছিল আৰু কাব্য চিন্তাত দুৱৰাৰ প্ৰণয়চেতনাসমৃদ্ধ ভাৱাদৰ্শ সোমাই পৰিছিল। কিন্তু, মহাদেশীয় বাস্তৱবাদী কবিসকলৰ কাব্যৰ চৰ্চা আৰু তেওঁৰ নিজৰ চাৰিওফালৰ সমাজজীৱনত বাঢ়ি অহা বিবিধ সংঘাতে কবিক ৰোমাণ্টিকতাৰ পৰা বাস্তৱতালৈ উত্তৰণ কৰিবলৈ বাধ্য কৰালে। ঘন সম্প্ৰসাৰিত ঔদ্যোগিক সভ্যতাৰ বিকাশ, মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ আৰু নিপীড়িত মানৱতাৰ প্ৰতি আন্তৰিক সংবেদনা এই সকলোবোৰ মিলি তেওঁৰ কবিতাক এটা প্ৰগতিবাদী বাস্তৱ শিল্পৰ সুৰ দিলে যি সুৰ আগেয়ে অসমীয়া কবিতাই নাজানিছিল। সেইবাবেই অমূল্য বৰুৱাক আধুনিক অসমীয়া কবিতাৰ অগ্ৰণী বুলি কোৱা হয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে মহাদেশীয় কবিতাৰ স্পেণ্ডাৰ, অডেন, ইছাৰউড, ডে লুইছ আদি আৰু আমাৰ প্ৰতিবেশী বাংলাকবি জীৱনানন্দ, বুদ্ধদেৱ বসু, বিষ্ণু দে আদিয়েও অৰ্থনৈতিক আঘাতৰ লগত ব্যক্তিমানসৰ সংঘাত দেখি দেখিয়েই প্ৰগতিৰ সুৰ বজাইছিল।

অমূল্য বৰুৱাৰ কবিতাত স্পন্দিত গদ্য ছন্দক সঘনে ব্যৱহাৰ কৰি গদ্য ছন্দক কবিতাৰ নিৰ্ভৰযোগ্য মাধ্যম কৰি তোলা হৈছিল। আলংকাৰিক বিলাসৰ ফালে নাচাই তেওঁ সহজ সৰল আৰু অনাড়ম্বৰ ভাষাত কবিতা লিখিছিল। কথা আৰু বিদ্ৰোহৰ ভাষা যিমানেই কি বলিষ্ঠ নহওক, সেই ভাষা সদায় সৰল হ'বলৈ বাধ্য। অমূল্যই সৰল শব্দচয়ন ব্যৱহাৰ কৰিছিল কিন্তু, সাৱলীল মাজেদিয়েই শব্দবিলাকে বলিষ্ঠতা আৰু নিৰ্ভীকতাৰ পৰিচয় দিছিল। তেওঁৰ শব্দবোৰৰ মাজত কেতিয়াবা বিদ্ৰূপ মিহলি আৰু ঐক্যও সোমাই থাকে। সময়ে সময়ে তেওঁ শব্দৰ বিন্যাস চমৎকাৰ হৈ কৌশলী

হৈ পৰে। ভলভ সন্নিবদ্ধ কৰা তেওঁৰ কবিতাৰ অংশ কিলাকে অমূল্য বৰুৱাৰ কাব্যশৈলীৰ আৰু বিশেষকৈ শব্দচয়নৰ চিনাকি দিয়ে। তেওঁৰ বৰ্ণনাৰ ক্ষমতা, তীব্ৰ বিদ্ৰূপ আৰু সহানুভূতিপূৰ্ণ কাৰুণ্যৰ প্ৰকাশ হিচাপে এই কবিতাংশবোৰ বৰ প্ৰয়োজনীয়।

(ক) 'ক্ষুধাৰ ক্ষয় ৰোগে যাক তিল তিলকে ধাপে নিঃশেষ কৰি দিয়ে'
(**নিহঁত তেতিয়া জীৱ**, আঁচনা—প্ৰথম স ১৯৬৪ পৃ-৭৫)

(খ) 'আত্মাৰৰ নিশাত প্ৰভুৰ ঐশ্বৰ্য্য চন্দ্ৰকৰ বিশ্বাসী প্ৰহৰী',
পোহৰত দুৰ্বল, নিষ্পেষিত, ঘৃণিত প্ৰভুভক্ত সেৱক'
(**কুকুৰ**, আঁচনা-পৃ-৭৩)

[কুকুৰ কবিতাৰপৰা লোৱা এই পংক্তিকেইটাত কুকুৰ শব্দৰ অৰ্থ হ'ল সৰ্বহাৰা শ্ৰেণী যি উৎপীড়িত শোষিত আৰু পদদলিত প্ৰভুৰ ঐশ্বৰ্য্য আৰু উৎপাদন বৃদ্ধিয়েই যাৰ একান্ত কাম্য আৰু হাজাৰ লাঞ্ছনা পাইও যি প্ৰভু-সকলৰ অত্যাচাৰৰ বিৰুদ্ধে থিয় হ'ব নোৱাৰে।]

(গ) 'সমাজত নীতিবিচাৰৰ ফটা ঢোল কোবোৱা
বৰমূৰীয়া সকলৰ গোপন চৰিত্ৰৰ ভাইবে কাণি শিল্প'।
(**বেশ্যা**, উক্ত পৃ ৬৫)

(ঘ) 'মদ্যপায়ী জন্ত স্বামীৰ তাৰে সৰ্বনাশৰ হেতু'।
(উক্ত)

(ঙ) 'টৌপনিৰ পৰা উঠা অলস চিন্তাৰ একাপ গৰম মিঠা চাহ,
টকাৰ এৰাঁ সূতাবে টনা এটা নিষ্প্ৰাণ কাঠৰ পুতলা নাচ'।
(উক্ত পৃ ৬৩)

(চ) 'মোৰ ভগ্ন অভীপ্সাৰ ক'লা ক'লা দাগ'।
(**কয়লা**, উক্ত পৃ ১০)

চিন্তাৰ প্ৰগতিয়েই যদি কবিতাৰো প্ৰগতি হয়, সন্দেহে অমূল্য বৰুৱাৰ কবিতা সম্পূৰ্ণভাৱে প্ৰগতিবাদী কবিতা। আৰু বৰ্তমানৰ সমস্যা আৰু পাৰিপাৰ্শ্বিকতাৰ সূক্ষ্মাতিসূক্ষ্ম অনুভৱেই যদি আধুনিকতা হয় তেতিয়া হলেও অমূল্য বৰুৱাৰ কবিতা ষোলঅনাই আধুনিক। বৈয়াকৰণিক আৰু শৈলীগত দুই এটা দোষ অমূল্যৰ কবিতাত আছিল। তেওঁৰ কাব্যগ্ৰন্থ আঁচনাখন কেনেবাকৈ

পুনৰুদ্ধাৰ হ'লে হয়তো অমূল্য বৰুৱাৰ কবিতাৰ আৰু উৎকৰ্ষিত ৰূপ পোৱা যাব।

ভৱপ্ৰসাদ ৰাজখোৱা

এইজন কবিয়েও অমূল্য বৰুৱাৰ দৰে পোণ প্ৰথমে ৰোমাণ্টিক কবিতা চৰ্চা কৰিবৰ বাবে হাতত কলম তুলি লৈ পিছত প্ৰগতিবাদী আদৰ্শলৈ আগবাঢ়ি গৈছিল। ৰোমাণ্টিক প্ৰণয় কবিতা কেইটামান (নীৰলাৰ মমতাজ, চিত্ৰকুমাৰ ইত্যাদি) লিখি তেওঁ অসমীয়া প্ৰণয় কাব্য পৰম্পৰালৈ নতুন ভাৱ আদৰ্শ আগবঢ়াইছে। সুখৰ বিষয়, একেজন কবিয়েই সৰ্বহাৰা শ্ৰেণীৰ কাষত বৈ তেওঁলোকৰ সুখ-দুখক মনোৰমকৈ কবিতাত ঠাই দিছে। **বিদ্ৰোহী বিধৱা, মুটীয়া, বিল্লাৰালা, পৰিচয়** আদি কবিতাত কবিৰ সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি আন্তৰিক মৰম সহজে চকুত পৰে। ভৱপ্ৰসাদৰ বিদ্ৰোহী বিধৱাই সামাজিক আৰু ধৰ্মীয় শৃংখলৰ পৰা মুক্তি বিচাৰি জেহাদ ঘোষণা কৰিছে—"কাক বাৰু দোষিবি সমাজ মই যদি বাচি লওঁ নিজৰেই পথ ?" অসমৰ বিশেষকৈ গ্ৰাম্যাঞ্চলৰ বাল্যবিধৱাসকলে কেনেকৈ সমাজ আৰু যৌৱন দুয়োৰো তাড়না সহি সহি জীয়াই থাকে, তাৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলে কবিতাটোৰ মহত্ত্ব ফুটি ওলায়। মুটীয়া আৰু বিল্লাৰালাৰ প্ৰতি সহানুভূতি আগবঢ়াই কবি ভৱপ্ৰসাদে তেওঁলোককো আধুনিক কবিতাৰ মাজলৈ আনিলে। সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি ইমান দৰদ যুদ্ধ পূৰ্ব যুগৰ কবিতাত কেতিয়াও হোৱা নাছিল। অসমীয়া দুখীয়া খেতিয়ক শ্ৰেণীৰ জীৱনেও তেওঁৰ দৃষ্টি এৰোৱা নাছিল। অসমীয়া খেতিয়কে টেক্স আৰু খাজনা ভৰে, ধাৰত পোত গৈ থাকে, ৰোগ, ক্ষুধা আৰু দাৰিদ্ৰ্যক সৰল কৰি জীৱন্তে মৰা হৈ জীয়াই থাকে আৰু নিজৰ উত্তৰ পুৰুষৰ বাবে এৰি যায় কেৱল ঋণ, ৰোগ আৰু দাৰিদ্ৰ্য। নিজৰ হাতভঙা পৰিশ্ৰমৰ বিনিময়তো সি উপযুক্ত পৰিমাণে খাবলৈ নাপায়। উৎপাদনৰ অসম বিতৰণে মাটিৰ মালিকক কৰে অধিক চহকী আৰু কৃষকক কৰে অধিক দুখীয়া। লোকৰ মাটিত সি লোকৰ বাবে ফচল ফলায়। নিজৰ দেহা মাৰি অৰ্জা উৎপাদনেৰে তাৰ প্ৰভুসকলে আনন্দে খায়, কিন্তু সি নিজে

সংযোগে থাকে। শিক্ষা-দীক্ষা বিহীন এই সাধাৰণ কৃষকৰ সৰ্বহাৰা হাহাকাৰ কৰি ভৱপ্ৰসাদে কবিতাৰ কেনভাচত আঁকিছে

"দিব লাগে একেৰি মাটিৰ খাজনা অপাৰ
কিন্তু কিমান ফচল পাওঁ নিবিচাৰে তাৰ
পিছিবলে নাই কটাকানি, বেমাৰত কত হয় হানি
কই দিওঁ, দাই লৈ যায়, দুখৰ ভৰিত হোৱা সুখৰ সম্ভাৰ
অশিক্ষিত খেতিয়ক পৰিচয় এয়েই আমাৰ।"

(পৰিচয়)

অমূল্য বৰুৱাৰ দৰে কবি ভৱপ্ৰসাদেও বুজি পাইছে যে উৎপাদনৰ অসম বি[illegible]ণেই সকলো প্ৰকাৰ সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ মূল কথা। স[illegible]ৰ শ্ৰেণীৰ প্ৰতি তেওঁৰ অন্তৰংগতা বেছি, কিন্তু [illegible]ভদ্ৰলোকৰ মুক্তি বিচাৰি কৰি অমূল্য বৰুৱাৰ দৰে তেওঁ ব্যাকুল হোৱা নাই। যথাযথ ভাবে সৰ্বহাৰাৰ ছবি আঁকিয়েই তেওঁ সন্তুষ্ট হৈছে। কিন্তু বিদ্ৰোহী বিধৱা কবিতাত তেওঁৰ চি[illegible] বিপ্লৱমুখী হৈছে। সামাজিক অবিচাৰৰ বলি ষোড়শী বিধৱাক তেওঁ বি[illegible] কৰিবলৈ উদগাইছে। কবিতাৰ শৈলীৰ ক্ষেত্ৰত ভৱপ্ৰসাদে অনুপ্ৰাস-[illegible] [illegible]ন ছন্দৰীতিকে গ্ৰহণ কৰিছিল। মুক্তক ছন্দ বা স্পন্দিত গদ্য ছন্দৰ [illegible] সজাগ নাছিল।

জ্যোতিপ্ৰসাদ আগৰৱালা

[illegible]হ বা শিল্পৰ ভাব-চিন্তাই মূৰ্তিমান হৈ উঠিছিল কবি জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত। কাব্য, জীৱন আৰু সমাজ তিনিও ক্ষেত্ৰতে জ্যোতিপ্ৰসাদে এটা প্ৰগতিবাদী আদৰ্শৰ পোষকতা কৰিছিল। এই যুগৰ অন্যতম শ্ৰেষ্ঠ কলাকাৰ বুলি খ্যাতি লাভ কৰা এই কবিজনে তেওঁৰ উদাৰ দৃষ্টিৰে বুজি পাইছিল যে সমাজ মানসত এক বিৰাট পৰিবৰ্তন আগবাঢ়ি আহিছে আৰু সেই পৰিবৰ্তনক সহজসাধ্য কৰি তুলিবলৈ হলে এটা বিপ্লৱৰ অতি প্ৰয়োজন। তেওঁৰ সমস্ত কবিতা, গীত-নাটৰ মাজেদি কবিয়ে বিদ্ৰোহৰ অগ্নি স্ফুলিংগ জ্বলাই তুলিছে। অমূল্য বৰুৱা বা জ্যোতিপ্ৰসাদেও শ্ৰেণী সংগ্ৰামৰ আৱশ্যকতা উপলব্ধি কৰিছিল আৰু অজ্ঞতা, দাৰিদ্ৰ্য আৰু সামাজিক

অবিচাৰত জৰ্জৰিত সৰ্বহাৰা শ্ৰেণীক সহানুভূতিৰে আঁকোৱালি লৈ তেওঁলোককো আধুনিক কবিতাৰ বিশাল ৰংগমঞ্চত ঠাই দিছিল। পগলা খেতিয়ক, মাতাল বনুৱা, স্বদেশমুক্তিৰ ব্ৰতত ব্ৰতী ভলন্টিয়াৰ চাহ বাগানৰ ছোৱালী, মটৰ ড্ৰাইভাৰ আদি সংগ্ৰামী শ্ৰেণীৰ সুকীয়া স্বৰৰ লোক সকলক তেওঁ ঠাই দিছে। এজন খেতিয়ক পাগল হ'ল কাৰণ তেওঁৰ সম্পত্তি খাজনা দিব নোৱাৰা অপৰাধত মৌজাদাৰে নীলামত দিলে। তেওঁৰ দোষ আছিল যে সময়মতে খাজনা শোধাবলৈ তেওঁ ব্যৰ্থ হৈছিল। নিজৰ চকুৰ আগতে হোৱা মৌজাদাৰ দেউতাই হুকুম দিয়া নীলামত নিজৰ সম্পত্তিৰ পৰা বঞ্চিত হৈ খেতিয়ক জনৰ মূৰ বেয়া হৈ গল। তেজপুৰৰ মেণ্টেল হস্পিতালৰ এটা বন্ধ কোঠাত লোহাৰ দুৱাৰত খুন্দিয়াই খুন্দিয়াই সেই পগলা খেতিয়কে কৈছে —

* * *

'হাবকতি মোৰকতি বাঁহৰ শল।
বৰ ধন মহৰী কাল শল।'
খেজেনাকে খেজেনা
খেজেনাকে খেজেনা
বোজনা বেজেনা গেণ্ডতী তিতা
নীলাম নীলাম নীলাম
মোৰ চকুপানী কাকনো দিলাম ?
ক্ৰোক্ ক্ৰোক্ ক্ৰোক্
মৌজাদাৰৰ বৰপেটটো ফোৰোক্।
অলৌ লৌ নাই—
ভলৌ লৌ নাই—
মোৰে বাপুক মোৰে পুপুক।
কঁকালৰ ভেটিতে ভিকাছন ভাগিলে,
বাপেৰৰ গোচনাত
টকা অনা পইচা নাই ঔ নাই।"

খেতিয়কৰ অন্তৰৰ তিক্ত ঘৃণা আৰু ক্ৰোধ, 'মৌজাদাৰৰ বৰপেটটো ফোৰোক'—এই বাক্যাংশটিতে প্ৰকাশ পাইছে। এই পগলা খেতিয়কজন যেন নিষ্পেষিত অসমীয়া খেতিয়কৰ সামূহিক প্ৰতীক। প্ৰকাশ ভঙ্গীত

আড়ম্বৰহীনতা, শব্দচয়নৰ সাঙ্গীতিক মাধুৰ্য্য আৰু শব্দসমূহৰ যথোপযুক্ত চিত্ৰৰ তৈয়াৰ কৰিব পৰা ক্ষমতা আৰু এটা প্ৰচণ্ড বিদ্ৰূপ পগলা ঘোঁৰাৰ কবিতাটিত প্ৰকাশ পাইছে।

জ্যোতিপ্ৰসাদ বিপ্লৱী কবি। তেওঁৰ বিপ্লৱৰ প্ৰকাশ দ্বিধা বিভক্ত। তেওঁৰ বিপ্লৱৰ প্ৰথম লক্ষ্য হ'ল—বিদেশী শাসকসকলৰ বিপক্ষে আৰু দ্বিতীয়তে তেওঁৰ বিপ্লৱৰ পটভূমি হ'ল সমগ্ৰ মানৱ সমাজ। তেওঁ বিপ্লৱৰ যোগেদি মানুহক তাৰ সামাজিক আৰু অৰ্থনৈতিক বান্ধোন, বুৰ্জোৱা শোষকৰ অত্যাচাৰ আৰু পুঁজিপতি দালালৰ অত্যাচাৰৰ পৰা মুক্ত কৰিবলৈ বিচাৰিছিল। তেওঁৰ কবিতাবোৰৰ মাজত এটা প্ৰতিজ্ঞাৰ বাণী পাওঁ য'ত তেওঁ নৱজীৱক নতুন গঢ় দিবলৈ সাজু হৈছে। তেওঁৰ এই গভীৰ অঙ্গীকাৰৰ দীপ্ত প্ৰকাশ হৈছে শিল্পীৰ আলেকিবাত্ৰা কবিতাত।

'জনতাৰ কপালৰ আত্মাৰৰ ভাগ্যলেখা
পোহৰেৰে ধুই মই
ভুবন বিজয়ী লেখনীৰে
মহাজীৱনৰ এক মহাভাগ্যলেখা
অঙ্কিত কৰি থৈ যাওঁ।
বোধ কৰিবলৈ য'ত
আত্মাৰৰ দৈত্যদানৱ
জ্যোতি মন্ত্ৰে
বিপ্লৱৰ শঙ্খ বজাও।
ব্যক্তিস্বাৰ্থ জীৱনৰ লোহাৰ দুৱাৰ ভাঙি
সমূহীয়া স্বাৰ্থৰ মহান জীৱনলৈ' মই ব্যাপী যাও
তেতিয়াহে ব্যক্তিত্বৰ সত্যমূল্যে স্বাধীনতা পাও,
ব্যক্তিত্বৰ পূৰ্ণ প্ৰকাশ
ব্যক্তিত্বৰ মহান বিকাশ
জনতাৰ বাইজৰ অন্তৰত পাওঁ।"

জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল য় কলাৰ জৰিয়তে জনতাক উদ্বুদ্ধ কৰি বিপ্লৱলৈ সাজু কৰি তুলিব পাৰিলে সমাজৰ জৰাজীৰ্ণ শৃঙ্খল। আঁতৰাই এক

নতুন সমাজ ব্যৱস্থা গঢ় দিব পৰা হ'ব। জনতাৰ ওপৰত কৰিব অপাৰ আশা, গভীৰ বিশ্বাস আৰু তেওঁলোকৰ প্ৰতি সীমাহীন ভালপোৱা। ৰাজনৈতিক জীৱনত জ্যোতিপ্ৰসাদ প্ৰথমতে গান্ধীবাদৰ ভক্ত আছিল, কিন্তু পিছলৈ তেওঁ মাৰ্ক্সীয় দৰ্শনক আপোন কৰি ল'লে। জনতাৰ কাৰণে যি তেওঁলোকক নিচুকাই দি জ্যোতিয়ে আত্মসৰ্বস্ব ভণ্ড নেতাক সাৱধান কৰি কৈছে

" * * *

মহাজনতাই

মহাশক্তিৰ মহাসন্ধান পাই

বুকুত বান্ধিলে

চক্ৰবৰ্তী শত সম্ৰাটৰ

বিশ্ব বিজয়ী নব অৰ্জুনৰ

পৃথিৱীৰ এই প্ৰদক্ষিণৰ

স্ব প্ৰণোদিত

আত্মনিহিত বল।

হেৰ' স্বাৰ্থ ক্ষমতা-অৰ্থলোভীয়া অন্ধ।

মই জানোঁ। তই জনসেৱকৰ মুখা পিন্ধি,

যি ত্যাগ কৰিলে তই তিনিগুণ লাভ পাৱ

আগ ডুবাবেদি তাকে তই

পাছ ডুবাবেদি গৈ

মদে-ভাতে ভোজ খাৱ।

ৰাষ্ট্ৰনীতিৰ

সমাজনীতিৰ

ৰাজনীতিৰ

অৰ্থনীতিৰ তোৰ

যি যে কোপোলা জ্ঞান,

জনতা পূজাৰ তাও দি, তাও দি

নেদেখুৱাবি

ঘৃণিত তোৰ অহংকাৰৰ নেতৃত্বাভিমান,

জনতাই তোৰ স্বৰূপ চিনিছে
সাবধান সাৱধান।"

জ্যোতিয়ে দেশৰ যুৱক শক্তিক বৰ ভাল পাইছিল। তেওঁলোকক স্বাধীনতা সাম্য-মৈত্ৰী আচৰণ কৰিবৰ বাবে আগবাঢ়ি যাবলৈ তেওঁ অনুপ্ৰেৰণা যোগাইছিল। যুৱক শক্তিৰ আহ্বান কৰি তেওঁ দহোটা কবিতা লিখিছে। তেওঁৰ মতে যৌবন আৰু বিপ্লৱ একেটা মুদ্ৰাৰে দুটা পিঠি মাথোন। বিপ্লৱ আৰু পৰিৱৰ্তন এৰিব নোৱাৰা ঐতিহাসিক প্ৰয়োজনীয়তাহে। তেওঁ বিশ্বাস কৰিছিল যে নতুন পৃথিবী নতুন কিৰণেৰে (যিটো নতুন ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাৰ প্ৰতীক) [illegible] ঈপ্সিত বস্তু দিব পাৰিব। এই নতুনত্বৰ [illegible] নৱবিপ্লৱী বুলি জাগো [illegible]।

* * * *

নতুন বাসনায় [illegible]
[illegible]
জনা যায় ধৰিত্ৰী
নৱ [illegible]
[illegible] গেছে নবীন দল
এক দেশ বেশ নতুন গায়ত্ৰী
[illegible] সুৰেৰে গা নবীন [illegible] গান

কবি জ্যোতিপ্ৰসাদ [illegible] শব্দ আৰু ছন্দ মুক্ত [illegible] অনুপ্ৰাস সম্পন্ন ছন্দ [illegible] ব্যৱহাৰ কৰিছিল [illegible], বৰ্ণ আৰু অক্ষৰৰ বিষমতাৰ মাজেদি [illegible] কৌশলেৰে এনে ধৰণৰ ব্যঞ্জনা পাঠকৰ অন্তৰত দি যায়, যাৰ তুলনা নাই। শব্দ চয়নতো কবি পাৰদৰ্শী। সংস্কৃত মূলজ শব্দ ব্যৱহাৰ কৰিলেও সহজ [illegible] সাধাৰণ মানুহৰ মুখৰ ভাষাৰ লগত আপোন কৰি তেওঁ ৰচিব পাৰিছিল। জ্যোতিয়ে শব্দবোৰক জাতত তুলি লৈয়েই সিহঁতক অভিজাত বুদ্ধি নিষ্ঠা আৰু সজীৱতাৰ সাজ-পাচাকপিন্ধাই ধনীয়া কৰি তুলিছিল। আলংকাৰিক সুষমতা আৰু বৈচিত্ৰ্য

জ্যোতিপ্ৰসাদৰ কবিতাৰ প্ৰাণ। নিম্নোক্ত কাব্যাংশবোৰে তেওঁৰ বৰ্ণনাভঙ্গীৰ কমনীয়তা আৰু কাব্যকীৰ্তিৰ পৰিচয় দিব

(ক) "শৈলজা পয়োধৰ।
"পয়ৃৰ সলিল।
সুৰধুনী গঙ্গা,"

(খ) বাজে ৰুদ্ৰতাল
নাচে মহাকাল
অভিনৱ তাণ্ডৱ
বিবিধ বিভঙ্গ
উলঙ্গ বলঙ্গ।

(গ) আসুৰীয সভ্যতাৰ পাৰস্থ-বিলাস।

(ঘ) "চটা স্বভাৱেই বাজধনৰ হাত-ভৰি পাছি
।ম।

(ঙ) "মই আজি ... লে ৰ কুঞ্জৰ বাহিনী
জল-গা ... তীৰ্থ গামিনী।

(চ) 'মই—
যন্ত্ৰাগৰ মোহনমন্ত্ৰ ম
মন বিমানৰ মধ্যেই সাৰথি হ'ব,
বিজুলী ৰথৰ ... হাৰথী মই
জীৱনৰ ৰণ জিং
বিদাৰিম মই সমাজতন্ত্ৰ
ৰচিম নতুন মানৱতন্ত্ৰ
বিজ্ঞান স্বগজিৎ।
মই জ্ঞানৰ ইন্দ্ৰজিৎ।

ধীৰেন্দ্ৰ নাথ দত্ত

ধীৰেন্দ্ৰ নাথ দত্ত (১৯২০-১৯৭২) ই মাৰ্ক্সবাদক জীৱনৰ আদৰ্শবাদ হিচাপে গ্ৰহণ কৰিছিল আৰু হয়তো সেইবাবেই তেওঁৰ কবিতাত বঞ্চিতা শ্ৰেণীৰ মুক্তিৰ

আকাঙ্ক্ষা যব সবৰবহী ভাবে প্ৰকাশ পাইছে। কবিয়ে শ্ৰমজীৱি মানুহৰ দুখ বুজিছিল। নিস্পেষিত এই বহুৰ। শ্ৰেণীটোৱে কেৱল অৰ্থনৈতিক শোষণত লিপ্ত হৈয়েই বোৰা নাছিল, নিপীড়ণ আৰু নিস্পেষণৰ কোবত সিইতে আপোন সত্বাৰ পৰিচয়ো হেৰুৱাই পেলাইছিল। এই বিষয়ে লেনিনে বচিয়াক কৈছে—"Only the Philosophic materialism of Marx has shown the Proletariat a way out of that spiritual Slavery in which upto now all oppressed classes have been sleeping Only the economic theory of Marx has explained the actual situation of the proletariat in the general structure of Capitalism

ধীৰেন দত্তই তেওঁৰ কবিতাৰ মাজেদি শ্ৰমজীৱি শ্ৰেণীক মোহভঙ্গ কৰি সিইতৰ আপোন সত্তাৰ মুক্তিৰ পথ দেখুৱাইছিল। তেওঁৰ কাঠমিস্ত্ৰীৰ ঘৰ নামৰ কবিতাত কবিয়ে এজন অৰ্দ্ধভুক্ত হতভাগা কাঠমিস্ত্ৰীৰ দৈন্য বৰ্ণাইছে। আধুনিক সভ্যতাৰ বাবুশ্ৰেণীৰ উপযোগী টেবুল, চেয়াৰ, আলনা, ড্ৰয়াৰ, চাহৰ টি-পয় সাজি দি কাঠমিস্ত্ৰীয়ে নিজে দুখ ভোগী থাকে। কাঠমিস্ত্ৰীয়ে সাজি দিয়া আৰামী চকীত হেলান দি বিলাসী প্ৰভুৱে প্ৰেমৰ সংগীত গায়, বিৰহ-মিলনৰ মূৰ্চনা তোলা মুহূৰ্তত কাঠমিস্ত্ৰী লঘোণ দি থাকে। পিচ্ছ আৰু নিস্পেষিত সৰ্বহাৰা শ্ৰেণীক কবিয়ে আত্মমুক্তিৰ সন্ধান কৰিবলৈ উদগাইছে। সৰ্বহাৰাৰ আত্মপ্ৰতিষ্ঠাৰ সময় সমাগত। কঁহাৰ, কমাৰ, মিস্ত্ৰী সকলোৱে অতীতৰ অন্ধকাৰ নেওচি নতুন পৃথিৱীৰ বাবে যুঁজিবৰ সময় হ'ল। ধীৰেন দত্তই স্পষ্টকৈয়ে কৈছে

'উঠা মিস্ত্ৰী কহাঁৰ, কমাৰ
আন্ধাৰৰ শেষ আহিল তোমাৰ
লোৱা অধিকাৰ নিজ বাহুবলে
নিজে কৰা কৰ্মৰ
কাঠমিস্ত্ৰীৰ ঘৰ।

কেতিয়াবা তেওঁৰ আহ্বান অতিশয় বলিষ্ঠ হৈ উঠে আৰু তেনে মুহূৰ্তত তেওঁ হয়তো শ্ৰমজীৱি মানুহৰ দাবী প্ৰতিষ্ঠাৰ কাৰণে সহিংস বিপ্লৱকো পোষকতা কৰে। লোকৰ শ্ৰমৰ অৰ্জন খাই শামুক ভঙা চৰাইৰ দৰে যুৱা

মালিকসকলৰ বিৰুদ্ধে যুঁজি নিজৰ দাবী সাব্যস্ত কৰিবলৈ তেওঁ সিহঁতক উদগাইছে।

'উঠ খেতিয়ক নাঙল চলা
লগাই দে ভাই গণ্ডগোল
নতুন যুগৰ বাবুক দেখি
ফাকত পৰি নকৰ ভুল। উঠ খেতিয়ক
ভাৰাজ্ঞানী ভদ্ৰলোকৰ
কথাৰ কমতি নেপাৰ ভই,
গোলামিত ভাই পাকৈত হইত
দহ টকাতে বাবু হয়। উঠ খেতিয়ক
চহা অ' ভাই চহা মাটি
মাটিয়ে খাটি বুজি ল ভই,
মাটিত থাক ভই মৰি যুজি
স্বাধীন ভাৱে নাঙল লৈ। উঠ খেতিয়ক
দেশৰ মালিক চহাবোৰেই
হহা কথা নহয় ভাই,
*শোষক ভণ্ডা নহয় মালিক
চৰিফুৰে লোকৰ খাই। উঠ খেতিয়ক
প্ৰণমো ভাই দুঃখী কৃষক
প্ৰহলাদৰূপী অৱতাৰ,
অনাহাৰত চহায় মাটি
শস্য দিয়ে ভাৰেভাৰ। উঠ খেতিয়ক ”

প্ৰাচীন ভাৰতীয় মহাকাব্যিক পৰম্পৰাৰ পৰা প্ৰহলাদ, বলোৰাম, দধীচি আদিক আনি তেওঁলোকক বৰ্তমানৰ শ্ৰমজীৱি মানুহৰ প্ৰকাশ প্ৰতিভূ কৰি তেওঁ তেওঁৰ কবিতাৰ বাবে এক নতুন ইতিহাসৰ সন্ধান কৰিছিল। কিন্তু সেই সন্ধানৰ মূল আছিল মানুহ বা সৰ্বহাৰা শ্ৰমিক। অভিযান নামৰ তেওঁৰ কাব্যগ্ৰন্থৰ পাতনিত কবিয়ে নিজে কৈছে—"আজি আমাৰ ধৰ্ম-কৰ্ম, সমাজ সকলোতে দেখা দিছে এটা অৱসাদ-গ্লানি। চাৰিওফালে পুঞ্জীভূত

অন্ধকাৰ—যানি নিচিগাকৈ তৰঙ্গৰ পাচত তৰঙ্গ তুলি কোন অন্ধকাৰৰ গভীৰ গাঁতৰ কালে ঠেলি দিছে।

দৰিদ্ৰ কৃষক, খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, কিন্তু দেখিবা মুখত খোদৰ হাঁহি, মৰিবৰ কাৰণেই যেন সৃষ্টি, মৰাতেই যেন ইহঁতৰ সাৰ্থকতা। আনফালে দেশৰ ধনী মানী শিক্ষিত সম্প্ৰদায় খেতিয়ক সকলৰ পৰা ক্ৰমাৎ আঁতৰি গৈ আছে। তেওঁলোকৰ প্ৰতি যে কিবা কৰিবলগীয়া আছে, সেই সম্বন্ধে শিক্ষিত সম্প্ৰদায় একেবাৰে অচেতন॥

যুৱকসকল একেবাৰে জড়-অচল। যৌৱনোচিত উদ্যম, চেষ্টা সকলো ৰহিত॥। এইবিলাক দৈন্যই আমাক বিৰাট দৈত্যৰ দৰে হেঁচামাৰি ধৰিছে।

কিন্তু, সঁচাকৈ আমি মৰিমনে? যদি মৰিবলগীয়া হয়েই, এবাৰ ভালকৈ যুজ দি মৰিম। মৰিব লাগিলে বীৰৰ দৰে মৰিম। এই যুদ্ধৰ উদ্দীপনাই মোৰ মনত যি ধুমুহাৰ আৱৰ্তৰ সৃষ্টি কৰিছিল, তাৰপৰাই হৈছে এই কবিতাৰ সৃষ্টি। মোৰ অভিযান সকলোপ্ৰকাৰ জড়তা দীনতা হীনতাৰ বিৰুদ্ধে, সমাজৰ কঠোৰ বান্ধোনৰ বিৰুদ্ধে।

প্ৰকাশভঙ্গীৰ সবলতা তেওঁৰ কবিতাৰ আকৰ্ষণী শক্তি। শব্দ বিন্যাস মধুৰ। অনুপ্ৰাসৰ মাধুৰ্য্যৰে তেওঁৰ কবিতাবোৰ ৰঞ্জিত। তেওঁৰ দুই/এটা কবিতাই (স্বাধীন বায়ুত, শুনা শুনা বদ্ধ দেৱতা) বা লাৰ কৰি নজৰুল ইচলামলৈ মনত পেলায।

অজিত বৰুৱা

বুৰ্জোৱা সমাজৰ আধিপত্যৰ বিৰুদ্ধে থিয় দিয়া আন এজন কবি হ'ল অজিত বৰুৱা। কবি বৰুৱাই বিশ্বাস কৰে যে এখন নতুন পৃথিৱীৰ শুভাৰম্ভ হবলৈ বেছি সময় নাই আৰু সেই শুভাৰম্ভৰ লগে লগে শ্ৰমিকদলৰ দুৰ্দশা আৰু নিৰ্য্যাতনৰ অন্ত পৰিব। ভুক্তভোগীয়া শ্ৰমিকসকল যি সকলে নিজৰ শ্ৰমৰ বিনিময়ত উপযুক্ত পাৰিতোষিক নাপায় আৰু নিজৰ গাৰ ঘামেৰে যি পুঁজিপতি প্ৰভুসকলৰ আৰাম যতাই তোলে, তেওঁলোকৰ দুখ-দুৰ্দ্দশাই কবিক বিচলিত কৰি তোলাৰ প্ৰমাণ পোৱা যায় হাতুৰী আৰু তীখা কবিতাত। বৰুৱা শ্ৰেণীক তেওঁ আশ্বাস দিছে যে প্ৰাচীন অন্ধ জৰাজীৰ্ণ সমাজ ব্যৱস্থাৰ

অৱসান হব। শ্ৰমজীৱি মানুহৰ দাবী প্ৰতিষ্ঠা হব আৰু সৰ্বহাৰা শ্ৰেণী এক নতুন ভৱিষ্যতৰ অধিকাৰী হব।

* * *

দৃপ্ত হাতৰ হাতুৰিৰ কোৰ—
ফিৰিঙতি সৌ ছিটিকি পৰে,
বন্দী তীখা পিটি বিজয়ী মানুহে
নতুন যুগৰ ভিত্তি গঢ়ে।
তীখা এৰি থৈ আজিৰ মানুহে
কাঠ আৰু মাটি লব?
সবল মানুহে টান বুলি তাক নকৰে ভয়
ইস্পাত লব।
সবল মানুহে জানে,
মানুহ বিজয়ী, যন্ত্ৰ নহয়,
লৌহ দানৱে চলাব লাগিব বিজয়ৰ ৰথ তাৰ
সুনিশ্চিত তাৰ জয়।
আজিৰ মানুহে জানে,
কিহৰ কাৰণে তীখাত মামৰে ধৰে
পচা অতীতৰ সমাজৰ বাধা
তাৰ সি মৃত্যু আনে।
বিজয়ী মানুহ নগলায় জানা
তাৰ সাধনাৰ মূল্য সি জানে
বন্দী তীখাৰ মুক্তি আনিব যি
অতীতৰ সি যৱনিকা টানে।

(তীখা/অজিত বৰুৱা)

অজিত বৰুৱাৰ কবিতাৰ সংখ্যা কম। কিন্তু এই কম সংখ্যক কবিতাৰ জৰিয়তে তেওঁৰ প্ৰগতিবাদী সুৰটো স্পষ্টকৈ ধৰাব পাৰিছিল। সেইহে কবি বৰুৱাই কেইটামান উজ্জ্বল সফল impressionistic কবিতা লিখে।

আব্দুছ ছাত্তাৰ

পৰৱৰ্ত্তী কালত সাহিত্য সমালোচক আৰু শিক্ষাবিদ বুলি প্ৰতিষ্ঠা লাভ কৰা আব্দুছ ছাত্তাৰে কেইটামান বিশেষ গুণসম্পন্ন কবিতাৰে প্ৰগতিবাদী কবিদলৰ লগ লাগে। এসময়ত আব্দুছ ছাত্তাৰেও ৰোমাণ্টিক পূৰ্বসূৰীসকলৰ পদাংক অনুসৰণ কৰি কবিতা লিখিছিল। কিন্তু পিছলৈ তেওঁৰ কবিতাতো প্ৰগতিবাদী সুৰ বাজি উঠে। বঞ্চিত আৰু লাঞ্ছিত মানৱৰ নিকৰুণ হা-হুমুনিয়াহ তেওঁৰ কবিতাত পৰিবেশিত হৈছে। তেওঁৰ প্ৰগতিবাদী কবিতা সমূহৰ ভিতৰত অ'কে কবিতাৰ মূল্য অপৰিসীম। সৰ্বহাৰা শ্ৰেণীৰ জীৱন যাত্ৰাৰ ই এক নিষ্ঠুৰ দলিল। তিনিদিন অনাহাৰে থকা মাগনী বুঢ়ী একনীৰ জীৱন নাটকৰ আধাৰত ৰচিত এই কবিতাটোৰ প্ৰভাৱ পাঠকৰ অন্তৰত চিৰদিনলৈ থাকি যায়। দ্বিতীয় মহাযুদ্ধৰ কালছোৱাত যেতিয়া অসমলৈ আমেৰিকান সৈন্যবোৰ আহিল, তেতিয়া সিঁহতৰ মুখত সঘনাই অ'কেই আবৈক্ষ্টা দিছিল। সিঁহতক শুনি শুনি বাবুশ্ৰেণীৰ অসমীয়াই অ'কে কবলৈ শিকিলে। আনন্দ, সুখ আৰু স্বাচ্ছন্দ্যৰ প্ৰকাশ হিচাপে অ'কে শব্দ মানুহৰ মুখৰ পৰা সময়ে-অসময়ে বৰকৈ ওলাইছিল। সমকালীন সমাজৰ ভদ্ৰলোক নামধাৰী ভণ্ডবিলাকৰ বিৰুদ্ধে তীব্ৰ বিদ্ৰূপ এই অ'কেৰ ভঙ্গিয়তেই সিদ্ধ হৈছিল। বাটে-ফুটপাথে পৰি মৰা মানুহৰ কৰুণ জীৱন আৰু সুবিধাবাদী এ শ্ৰেণী লোকৰ বিলাসী জীৱন দুয়োটাৰে তুলনা এই কবিতাত আছে। সৰ্বহাৰাৰ দুখ শুনোতা কোনো নাই।

* * *

তিনিদিন অনাহাৰে থকা
গাল মুখ সোমাই সোৰা
একনী বুঢ়ী—
এটি হাড়ৰ জকা।
ঠিক যেন মৰণৰ অপেক্ষাত
বই থকা॥
কাৰেদি ভব্য-সভ্য বাবুজন যোৱা দেখি

পাওঁ বুলি—এমুঠি পেটৰ ভাত
লগতে এযাৰি মৰমী মাত,
নহলে—নহলে বাবুৰ জেপৰ
এটি পইচাৰ আশা কৰি
তাইৰ সুৰহীন জীৱনৰ
ক্ষীণ সুৰেৰে কয়,
"বাবু তিনিদিন ভাত নাই"
বুঢ়ীৰ আৰু মাত নোলায়,
বাবুৱে হাঁহি মাৰি কই যায়—
'অ' কে' ॥
বাবু অদৃশ্য হই মিলি যায়
দূৰৰ জনতাত,
নিজৰ সুখৰ জীৱনৰ
ছন্দোময় সোঁতৰ সুৰত ॥
তাইৰ হিয়াত তেতিয়া
তাই সুৰুজা 'অ-কে' উৰ্কৰি পৰে।
তেতিয়া ?
আৰু তাইৰ একো নাই,
নিষ্পেষিত, নিৰাহাৰ, পৰি থকা—
এটি জীৱন্ত কঙ্কাল
পিচ্‌ঢলা বাস্তাৰ সেই—
ক'লাবোৰৰ নিচিনা
তাইৰ নিৰ্য্যাতিত দুখে-গঢ়া জীৱন
আৰু সেই সুৰুজা 'অ'-কে'ৰ
বুজি পোৱা সুৰ।
আৰু একো নাই—
আছে বহি কিবা-কিবি—'অ'-কে' ॥

ক্ষুধাৰ চিত্ৰ হিচাপে অ'কে নিসন্দেহে এখন তাৎপৰ্য্যপূৰ্ণ চিত্ৰ। ভুক্তিকত পীড়িত মানবাত্মাৰ ছবি হিচাপে অ'কে বৰ উজ্বল। আৰু এইটো কথা

জানি ভাল লাগে যে উনৈশ শ তিয়াল্লিশ চনত বঙ্গদেশত যি দুৰ্ভিক্ষ হৈছিল, সেই দুৰ্ভিক্ষৰ কালছোৱাৰ মাজতেই এই কবিতাটো ৰচিত হৈছিল। এই কবিতাৰ মাগনী বুঢ়ীজনী যেন সেই দুৰ্ভিক্ষত জাহ যোৱা একনী সৰ্বহাৰা শ্ৰেণীৰ তিকতা আৰু বাবুজন যেন একজন মজুতদাৰী পুঁজিপতি শোষক।

সিদ্ধেশ্বৰ তামুলী

প্ৰগতিবাদৰ মূল সূত্ৰৰ প্ৰতি গভীৰভাবে ধাবিত হৈ যিসকল কবিয়ে এই কালছোৱাৰ ভিতৰত লিখিছিল, তেওঁলোকৰ ভিতৰত সিদ্ধেশ্বৰ তামুলীৰ নাম সবাতোকৈ আগত ল'ব লাগিব। যুগৰ আহ্বানত সংশ্লিষ্ট হোৱা তেওঁৰ কবিতাবোৰে সামাজিক সচেতনতা আৰু বৈপ্লৱিক পৰিবৰ্তনেৰে সমৃদ্ধ ভোৰ. ভবিষ্যতৰ ইঙ্গিত দিয়ে। তেওঁৰ সমসাময়িক অন্য দুজন কবিবাদৰে সিদ্ধেশ্বৰেও ৰোমাণ্টিক কবিতাৰে নিজ জীৱনৰ পাতনি মেলিছিল আৰু প্ৰগতিবাদীলৈ উত্তৰণ কৰি অসমীয়া আধুনিক কবিতাৰ সৃষ্টিলৈ বৰঙণি যোগাইছিল। তেওঁৰ সমকালীন অন্য কবিসকলৰ দৰেই তেওঁৰ কবিতাৰ আলোচ্য বিষয় মানুহ— লাঞ্ছিত, বঞ্চিত, নিপীড়িত, নিষ্পেষিত মানুহ। **কুলি**, **আইচক্ৰিমৱালা**, **বেশ্যা** আদিয়ে তেওঁৰ পৃষ্ঠপোষকতা লাভ কৰি আধুনিক অসমীয়া কবিতাত তেওঁলোকৰ দাবী প্ৰতিষ্ঠা কৰিলে। **কুলি** কবিতাটোত কবিৰ নব্য মানৱতাবাদী চিন্তাধাৰাৰ আভাস আছে। বিষয়বস্তু আৰু আঙ্গিক দুয়োকালৰ পৰা কবিতাটোত নতুনত্ব আছে। শ্লেষ আৰু ব্যাজস্তুতি অলংকাৰক ৰূপক হাতেৰে ব্যৱহাৰ কৰি কবি তামুলীয়ে এই কবিতাটো ৰচিছে। কুলি শব্দৰ এটা শ্লেষ আছে। কুলিয়ে গছৰ ডালত থকা কুলি অৰ্থাৎ কোকিলক বুজায় আৰু একে সময়তে একে বানানেৰেই চাহ বাগানত কাম কৰা কুলি অৰ্থাৎ মজদুৰক বুজায়। গছৰ কুলি আৰু শ্ৰমিক কুলি দুয়োকে একেলগে উপস্থাপন কৰি কবিতাটোত এটা কৰুণ মধুৰ পৰিবেশ সৃষ্টি কৰা হৈছে। ভোকত নেই পুৰি থকা বন্ধুৱা কুলিয়ে গছৰ কুলিক সম্বোধন কৰি কৈছে

*　　　*　　　*

ঘূৰি ঘূৰি,
থাকা ঘূলি অৱকা ঘূৰত
মই ৰখো পেটৰ জোকত,
মই কৰোঁ পৰিশ্ৰম
ৰক্তপাত কৰি,
"মেচিনৰ" সৈতে চলে
মাংসপেশী মোৰ
তীব্ৰ ৰূপে বিদ্যুৎগতিত।
তাৰ বিনিময়ে
নাম মাত্ৰ পাৰিশ্ৰমিকেৰে
মূল্য নিৰূপণ কৰে
গাধা খাটনিৰ,
—যাৰ পৰা
দুসাজ ভাতৰে মোৰ
নহয় সংস্থান
অভাৱৰ তাড়নাত
জ্বলি পুৰি যায় মোৰ
ক্ষুধিত পৰাণ।
এঘণ্টাৰ—
—অতি বেচি দুঘণ্টাৰ
শ্ৰমৰ জোখাৰে
দিনে মই দৰ্মহা পাওঁ,
বাকী মোৰ অতিৰিক্ত শ্ৰমে
গঢ়ি দিয়ে পুঁজিপতি
শোষক শ্ৰেণীৰ
হিমাদ্ৰীৰ দৰে ওখ
ধনৰ মন্দিৰ।
আমি কাৰো পৰিশ্ৰম

শৰীৰৰ ৰক্তপাত কৰি,
পুঁজিপতি কোটিপতি হ'তে
বিলাসী বিশ্ৰাম কৰে
আমিয়েই বাট দিয়া
তপে তপে দৌলতৰ
পৰিবেষ্টনিত,
—বেডিয়া আমাৰ ভাগে
কঙ্কালৰ হাড়,
কলিজাৰ মজ্জা তেজ
টোপা টোপে সৰে,
কেতিয়াবা তাপ হৈ উৰে ;
উৰি উৰি শোষকৰ
শীতল হিয়াত
তুলীয়া আকাৰ ধৰি
জমা হৈ ৰয় ,
সিঁহতৰ আলসুৱা দেহা
তেজেৰেই ফুটো ফুটো হয় ।
তুমি কবি
তোমাৰ মাতত উঠে
কবিতা কুসুম কলি ,
তাকে সযতনে গাঁথি
আকুল কৰিয়ে
কবিতাৰ সাতশৰী গাথে ।
মই কুলি,
সমাজত অনাদৃত
সামান্য মজুৰ কুলি ,
দিয়া নাই "ৰোমাণ্টিক"
কবিৰ প্ৰাণত
কবিতাৰ প্ৰবাহ বোৱাই ।

মাৰ্ক্সীয় আদৰ্শবাদত উদ্বুদ্ধ কবি তাঁহানীয়ে উৎপাদনৰ উদ্বৃত্ত [illegible] পুঁজিপতিৰ হাতত জমা হৈ ভোগী আৰু বঞ্চিত এই দুই শিবিৰত ভাগ হৈ পৰা শ্ৰেণী সংগ্ৰামৰ মূল কাৰণ বুজি পায়। তুলি কবিতাত সৰ্বহাৰা আৰু পুঁজিপতি সংগ্ৰামৰে যেন প্ৰতীকী ব্যাখ্যা আছে। গছৰ তুলি যেন পুঁজিপতি দালাল আৰু মাটিৰ তুলি বহুৱা যেন সৰ্বহাৰাৰ প্ৰকাশ প্ৰতিভূ।

অসমীয়া কবিতাৰ এই প্ৰগতিবাদী সুৰ চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, কেশৱ মহন্ত, ৰাম গগৈ, হেম বৰুৱা আদি কবিসকললৈকো বিয়পি পৰিছিল। তেওঁলোকৰ কবিতাৰ সম্যক অধ্যয়ন পৰৱৰ্তী অধ্যায়বোৰত কৰা হৈছে। প্ৰগতিবাদৰ লগতে তেওঁলোকৰ কবিতাত আধুনিকতাৰ অন্যান্য সুৰ বাজি উঠিছিল আৰু সেইবাবে তেওঁলোকক প্ৰগতিবাদী বুলি, ন'কৈ এটা নব্য সম্প্ৰদায়ত অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰাসঙ্গিক টোকা

অমূল্য বৰুৱাৰ জন্ম হয় ১৯২২ চনত যোৰহাটত। পিতৃ প্ৰবোধচন্দ্ৰ বৰুৱা। ১৯৪৫ চনত বি এ পাছ কৰি অমূল্য বৰুৱা কলিকতালৈ যায় আৰু তাত এম এ আৰু আইন শ্ৰেণীত ভৰ্তি হয়। বৰ পৰিতাপৰ কথা যে কলিকতাত পঢ়ি থকা অৱস্থাতে ১৯৪৮ চনৰ ১৮ আগষ্টৰ দিনা এদল সাম্প্ৰদায়িক সংঘৰ্ষকাৰীয়ে কলেজ হোষ্টেলতে অমূল্যক হত্যা কৰে। অমূল্যই কাব্য চৰ্চাৰ পাতনিত কবি গণেশচন্দ্ৰ গগৈ আৰু যতীন্দ্ৰনাথ দুৱৰাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ৰোমাণ্টিক সুৰীয়া কবিতা লিখিছিল। কবি গণেশ গগৈৰ কবিতাৰ সংকলন এটা ৰূপজ্যোতি নাম দি তেওঁ সম্পাদনা কৰিও উলিয়াইছিল। অমূল্য আৰু জনচেৰেক সাহিত্যপ্ৰেমী ছাত্ৰই ব'হাগি চ'ৰা নাম দি এটা সাহিত্যানুষ্ঠানো গঢ়ি তুলিছিল। অসমীয়া সাহিত্যৰ সমকালীন বৈশিষ্ট্য-সমূহ অধ্যয়ন কৰাটো ব'হাগি চ'ৰাৰ এটা লক্ষ্য আছিল। অমূল্য বৰুৱাৰ সমসাময়িক কবি ৰ'ভিনাৰায়ণ শৰ্মাৰ পৰা জনামতে ৰোমাণ্টিকতাৰ পৰা প্ৰগতিবাদলৈ উত্তৰণৰ আছিলা অমূল্যই বিচাৰি পায় পশ্চিমীয়া প্ৰগতিবাদী কবিতাৰ অধ্যয়নৰ জৰিয়তে। সাহিত্যিক মুনীন বৰকটকীয়ে এই বিষয়ত অমূল্যক অনুপ্ৰেৰণা যোগাইছিল। সেই সময়ত অসমত সামাজিক আবহাৱাৰ

আকৃ পৰিবৰ্ত্তন হৈছিল আৰু ইয়াৰ মূল কাৰণ আছিল দ্বিতীয় মহাসমৰৰ লগে লগে অহা সংঘাত আৰু পৰিবৰ্তিত মূল্য-বোধ। প্ৰগতিবাদী চিন্তেৰে যৈচে অমূল্যই সামাজিক বৈষম্যৰ চৰ্চা কৰিছিল। ১৯৪৩ চনৰ কোনোবা এটা দিনত যোৰহাটৰ বিহুবাম বৰুৱা হলৰ সন্মুখৰ ডাষ্টবিন এটাত এটুকুৰা পেলাই দিয়া কটীৰ বাবে মানুহ আৰু কুকুৰৰ যুঁজ এখন দেখি বিচলিত হৈ পৰা কৰি অমূল্যই তেওঁৰ বহু প্ৰশংসিত কুকুৰ কবিতা লিখিবলৈ অনুপ্ৰেৰণা পায়। যুদ্ধ বিধ্বস্ত যোৰহাট আৰু দুৰ্ভিক্ষগ্ৰস্ত কলিকতা এই দুই ঠাইৰ পৰিবৰ্তিত অৱস্থাই অমূল্যক গভীৰ ভাৱে ভৰাই তুলিলে। সাধাৰণ সৰ্বহাৰা শ্ৰেণীৰ মানুহৰ প্ৰতি তেওঁৰ গভীৰ কৰুণাৰ উদ্ৰেক হ'ল। সৰ্বহাৰা শ্ৰমিক মজদুৰ আদিৰ প্ৰতি গঢ লোৱা আবেগেৰে তেওঁ নানানটা কবিতা লিখিলে। ১৯৪৬ চনত অচিনা নামৰ তেওঁৰ কবিতাৰ সংকলন এখন প্ৰেছৰ বাবে সাজু হৈছিল, কিন্তু দুৰ্ভাগ্যৰ বিষয় হোষ্টেলত সংঘটিত হোৱা অমূল্যৰ সেই নিষ্ঠুৰ হত্যাকাণ্ডৰ পাছত অচিনাৰ পাত এখিলাও পোৱা নগ'ল। আমাৰ অনুৰোধত পশ্চিমবংগ চৰকাৰৰ মুখ্য সচিবৰ নিৰ্দেশত কলিকতাৰ চোৰা - চোৰা বিভাগৰ উপায়ুক্তই কলিকতাৰ সম্ভৱপৰ সকলো ঠাইতে বিচাৰ খোচাৰ কৰিও অচিনাখনৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। অৱশেষত অধ্যাপক নন্দ তালুকদাৰে অমূল্য বৰুৱাৰ কেইটামান প্ৰকাশিত কবিতাৰ সংকলনে এটা অচিনা নাম দিয়েই প্ৰকাশ কৰিছে। কিন্তু এই সংকলনত অমূল্য বৰুৱাৰ প্ৰকাশিত সকলো কবিতা অন্তৰ্ভুক্ত হোৱা নাই। অমূল্য বৰুৱাই ইংৰাজী ভাষাতো কবিতা লিখিছিল। অমূল্য এজন ভাল পঢ়ুৱৈ আছিল। সমকালীন কবিতা, মাৰ্ক্স আৰু ফ্ৰয়েড তেওঁ ধৰচি মাৰি পঢ়িছিল।

২ শিল্প কাৰখানাৰ প্ৰসাৰণৰ লগে লগে উদ্ভূত হোৱা সংঘাত সমূহেও কৰিক আমনি দিছিল। শিল্পোদ্যোগ বিলাকে শ্ৰম আৰু পুঁজিৰ ভিত্তিত পাৰ্থক্য বঢ়াই নি সামাজিক ঐক্য বিনষ্ট কৰি পেলায়।

৩ তেওঁৰ গীতৰ ভিত্তিত 'ন যোৱান ই হিন্দ' আৰু 'বিশ্ব বিজয়ী নৱ যোৱানত' গানৰ সুৰ তীব্ৰভাৱে ফুটি উঠিছে।

তিনি

নব্য সম্প্ৰদায়

পূৰ্ববৰ্তী অধ্যায়সমূহত যিসকল আধুনিক কবিৰ কাব্যকৃতিৰ আলোচনা কৰা হ'ল সিবোৰত বিষয়বস্তুৰ নতুনত্ব আৰু যাইকৈ প্ৰগতিবাদী চিন্তাধাৰাৰ প্ৰবৰ্ত্তনেই যাই কথা আছিল। তেওঁলোকৰ বিশিষ্ট লক্ষণ আছিল সৰ্বহাৰা শ্ৰেণীৰ সৈতে নিভাঁজ আত্মীয়তা। নব্য সম্প্ৰদায় বুলি চিহ্নিত কৰা যিসকল কবিৰ কবিতাৰ আলোচনা এই অধ্যায়ত আগবঢ়োৱা হৈছে সেইসকল কবিৰ কবিতাত কবিতাৰ আঙ্গিক আৰু বিষয়বস্তু উভয়ক্ষেত্ৰতে অধিক পৰিবৰ্ত্তন লক্ষ্য কৰা যায়। নব্য সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত কবিসকলে বিষয়বস্তু আৰু আঙ্গিকৰ ক্ষেত্ৰতে যিমানবোৰ নতুন বৈশিষ্ট্য হ'ব পাৰে সকলোবোৰকে পৰীক্ষা নিৰীক্ষা চলালে। প্ৰতীকবাদ (Symbolism) অভিব্যক্তিবাদ (Expressionism) চিত্ৰকল্পবাদ (Imagism) আদি কঠিন মতবাদসমূহ পাশ্চাত্য আধুনিক কবিতাৰ পৰা আহি অসমীয়া কবিতাতো দখলকৈ বহিল। মানুহৰ মনোৰাজ্যৰ অৱচেতন দিশ, ক্ৰম আৰু তাৰ বিকাশ লিবিডোৰ কলা-কৌশল আদি অসমীয়া আধুনিক কবিৰ আলোচ্য বিষয় হ'ল। আৰু কবিতাই সময়ে সময়ে অধিক বাস্তৱ সচেতন হৈ পৰিল। আধুনিক কবিতাৰ জগতখন যেন এখন দুৰূহ ৰাজ্য হৈ পৰিল। সমকালীন সমাজৰ নানানটা সমস্যা, ৰাজনৈতিক অভিশাপ বৰ্ণবৈষম্য আণবিক যুদ্ধৰ ভীতি আদি অসমীয়া কবিতাৰ নিত্য-সম্পদ হৈ পৰিল। আধুনিক অসমীয়া কবিয়ে কোৰিয়াত জবাসন্ধৰ কংকাল দেখি উচপ খালে, অসমৰ পথাৰৰ দাৱনী সোণজীৱা যাইয়ে আফ্ৰিকাৰ নিগ্ৰোসকলৰ ওপৰত হোৱা অত্যাচাৰক নিজৰ বেদনা বুলি অনুভৱ কৰিবলৈ ধৰিলে, ভিয়েটনামৰ যুদ্ধত নিহত হোৱা সৈনিকক প্ৰশস্তি জনাই অসমীয়া কবিয়ে কবিতা লিখিলে। অসমীয়া কবিতাৰ দিগন্ত এতিয়া বিস্তৃত হ'ল, কবিসকলৰ অনুভূতি হ'ল গভীৰতৰ আৰু কল্পনাৰ ঠাইত বুদ্ধিনিষ্ঠাৰ সঘন প্ৰয়োগ হ'ল।

হেমকান্ত বৰুৱা

নব্য সম্প্ৰদায়ৰ কবিতাৰ সাৰ্থক উন্মেষ হয় কবি হেমকান্ত বৰুৱাৰ হাতত। তেওঁৱেই এই সম্প্ৰদায়ৰ অগ্ৰণী সংগঠক আৰু শক্তিমান কবি। তেওঁৰ কাব্য চৰ্চাৰ আৰম্ভণীতে হেম বৰুৱাই ৰোমাণ্টিচিজিমৰ কালে কোনো প্ৰকাৰ চাল লোৱা নাছিল। আধুনিক বা প্ৰগতিবাদী হিচাবে তেওঁ গা দেখা দিছিল আৰু কবিতাৰ মাজত আধুনিকতাৰ বিবিধ উপাদান পুষ্ট কৰি আধুনিক অসমীয়া কবিতাৰ স্বৰ্ণসৌধ নিৰ্মাণ কাৰ্য্যত ব্ৰতী হৈছিল। তেওঁ এদল নতুন কবিক বাট দেখুৱালে, পৃষ্ঠপোষকতা দিলে আৰু আধুনিক কাব্যান্দোলনক বিকাশৰ নিজৰ গতি এটা চিনাই দিলে। হেম বৰুৱা কবিজনক জনাৰ আগতে হেম বৰুৱা মানুহজনক জনাবো দৰকাৰ।

হেম বৰুৱা অসমৰ প্ৰতিভাশালী লোকসকলৰ অন্যতম। ৰাজনীতি আৰু কবিতাৰ সমন্বয় হৈছে তেওঁৰ কবিতাত। ১৯১৫ চনত তেজপুৰত হেম বৰুৱাৰ জন্ম হয়। ১৯৩৬ চনত ইংৰাজীত অনাৰ্চ লৈ তেওঁ বি, এ, পাছ কৰে আৰু ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম, এ, উপাধি লয়। এম, এ, পাছ কৰাৰ পিছত অলপ দিন ঘৰত এনেয়ে থাকি তেওঁ সন্দিকৈ ছোৱালী কলেজত ইংৰাজী সাহিত্যৰ অধ্যাপক নিযুক্ত হয়। আৰু অলপ দিনৰ পিছত একে চাকৰিতে তেওঁ যোৰহাট জগন্নাথ বৰুৱা কলেজলৈ আহে। এই সময়তে তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰে আৰু এবছৰ কাৰাবৰণ কৰিব লগীয়া হয়। জেলত থকাৰ কালছোৱাতে হেম বৰুৱাই সেই সময়ৰ অসমৰ বিখ্যাত লোকসকল গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস, দেবেশ্বৰ শৰ্মা আৰু গড়মূৰীয়া সত্ৰাধিকাৰ প্ৰভুৰ সংস্পৰ্শলৈ আহিবৰ সুযোগ পায়। স্বনামধন্য জৱাহৰলাল নেহৰুৰ দ'ৰেই হেম বৰুৱাই' ও জেলত থকা দিন কেইটা গভীৰ অধ্যয়নৰ মাজেদিয়ে কটালে। গান্ধীৰ ওপৰত তেওঁৰ অধ্যয়নো এই সময়তে সম্পূৰ্ণ হয়। জেলৰ পৰা ঘূৰি আহি হেম বৰুৱাই জগন্নাথ বৰুৱা কলেজৰ পূৰ্বৰ চাকৰিত যোগ দিবৰ সুবিধা নেপালে। কি কৰোঁ কি নকৰোঁ ভাবি থকা অৱস্থাতে ১৯৪৪ চনত গোপীনাথ বৰদলৈৰ পৃষ্ঠপোষকতাত হেম বৰুৱাই গুৱাহাটীত নতুনকৈ খোলা বৰুৱা কলেজৰ ইংৰাজী সাহিত্যৰ অধ্যাপকৰ চাকৰি এটা পালে। এবছৰৰ পাছত

সেই কলেজতে তেওঁ অধ্যক্ষ হয় আৰু বাৰ বছৰ ধৰি (১৯৪৫-৫৭) সেই পদত থাকে। ১৯৫৭ চনত তেওঁ লোকসভাৰ সদস্য নিৰ্বাচিত হয়। ভাৰতীয় সংসদলৈ নিৰ্বাচিত হোৱাৰ আগমুহূৰ্তলৈকে হেম বৰুৱা স্বৰূপাৰ্থত শিক্ষাবিদহে আছিল, যদিও ছচিয়েলিষ্ট পাৰ্টিৰ লগত তেওঁৰ আন্তৰিক বিনিময় বহুত দিনৰ পৰা চলি আছিল। সংসদৰ সদস্য নিৰ্বাচিত হৈ তেওঁ অধ্যক্ষৰ চাকৰি এৰি ৰাজনীতিৰ কণ্টক সমাকীৰ্ণ গহন বনত প্ৰবেশ কৰিলে। সংসদৰ মজিয়াত হেম বৰুৱাৰ প্ৰখৰ ৰাজনীতি জ্ঞান আৰু বাগ্মীতা সৰ্বজন সমাদৃত হৈছিল। তেওঁ সংসদলৈ তিনিবাৰ নিৰ্বাচিত হয় আৰু ১৯৭১ চনত নিৰ্বাচনত হাৰি সংসদী জীৱনৰ ওৰ পৰে। ১৯৭২ চনৰ পৰা অলপদিনৰ আগলৈকে তেওঁ Assam Express কাকতৰ সম্পাদনা কৰিছিল। কবি ৰাজনীতিজ্ঞ হেম বৰুৱাদেৱে অসম সাহিত্যসভাৰ ধুবুৰী অধিবেশনৰ (১৯৭২) সভাপতিত্ব কৰিছিল। ১৯৭৭ চনৰ এপ্ৰিলমাহৰ ১২ তাৰিখে হেম বৰুৱাৰ মৃত্যু হয়। ভাৰতৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী জৱাহৰ লাল নেহৰুৱেও বৰুৱাৰ ৰাজনৈতিক প্ৰতিভাৰ শলাগ লৈছিল। অধ্যয়ন, ৰাজনীতিৰ উপৰিও ভ্ৰমণো কবি বৰুৱাৰ এটা ডাঙৰ চখ আছিল। তেওঁ পৃথিৱীৰ বহুতো দেশ ভ্ৰমণ কৰিছিল আৰু ভ্ৰমণলব্ধ জ্ঞানেৰে সৈতে তেওঁ ভ্ৰমণ সাহিত্য এখানি লিখি উলিয়ায়।

চল্লিশৰ দশকত হেম বৰুৱাৰ কাব্যিক প্ৰতিভাৰ উন্মেষ হয়। ১৯৪০ চনৰ মাৰ্চ মাহৰ আৱাহনতে 'বান্ধৱ' নামৰ তেওঁৰ কবিতাই এটা নতুন ধাৰাৰ কবিতাৰ শুভাৰম্ভ কৰে। বান্ধৱ কবিতাতে অসমীয়া কবিতাই ৰোমাণ্টিকতাৰ পৰা আঁতৰি অহাৰ বুজ পোৱা গৈছিল। বৰুৱাৰ কবিতাৰ আদি কাল-চোৱাৰে পৰা তেওঁৰ সামাজিক সচেনতা লক্ষ্য কৰা যায়। পূজা, গুৱাহাটী ১৯৪৪ আৰু জোন পূৰ্ণিমা, আদি কবিতাত তেওঁৰ সমাজ সচেতনতাৰ পৰিব্যাপ্ত ৰূপ আছে। সেই সময়ৰ পৰা হেম বৰুৱাই বহুতো কবিতা লিখিলে। জয়ন্তী, পছোৱা, আৱাহন আৰু ৰামধেনু আদি সাহিত্য পত্ৰিকাই হেম বৰুৱাৰ কবিতাৰ পৃষ্ঠপোষকতা কৰিছিল। জয়ন্তী পছোৱা আৰু ৰামধেনুৱেই হেম বৰুৱাৰ নব্যানুভূতি সম্পন্ন কবিতাসমূহক পাঠকৰ অন্তৰত সৰৱৰহী কৰি তুলিলে। সম্পূৰ্ণ এক আচহুৱা নব্যানুভূতি প্ৰকাশ কৰি সেইসময়ৰ আলোচনীবোৰো বিৰূপ সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল। বালিচন্দা (১৯৫৯) আৰু মন ময়ূৰী (১৯৫৬) এই দুখনেই বৰুৱাৰ

কাব্য সংকলন। তদুপৰি ১৯৮০ চনত তেওঁ অসমীয়া কবিতাৰ সংকলন এটা ইংৰাজী ভাষালৈ অনুবাদ কৰি উলিয়াই।

অসমীয়া কবিতালৈ হেম বৰুৱাই নতুন বাৰ্তা কঢ়িয়াই আনে। অসমীয়া জনতাৰ বাবে তেওঁ নতুন স্বপ্ন, নতুন আশা, নতুন প্ৰতিজ্ঞা আৰু নতুন উদ্যম লৈ আহে। একে সময়তে আৰম্ভ হোৱা কবিতাৰ প্ৰগতিবাদী সুৰটো হেম বৰুৱাৰ অজানা নাছিল। নব্য মানবীয় দৃষ্টিভঙ্গীক সাৱটি লৈ সেইসময়ৰ কবিসকলে যি কবিতা লিখিছিল সেইবোৰ কবিতাত লাঞ্ছিত আৰু নিপীড়িত মানুহৰ বাবে নতুন আশাৰ বাণী শুনোৱা হৈছিল। জনতাৰ কাষত ঠিয় দি হেম বৰুৱাইও নিৰ্ভীক ভাবে তেওঁলোকক আশ্বাস দিছিল আৰু জনতাৰ বাবে নতুন স্বপ্ন আৰু প্ৰতিজ্ঞা ৰচিছিল।

> "আমাৰ চকুত আশাৰ নেজাল তৰা
> এই জলে। এই মৰে
> বাণিমাহীৰ যন্ত্ৰচালিত, ৰুদ্ধ পৰাণত সাত সাগৰৰ বান
> নামে। মৰিকলঙত ৰৰবাৰ ঢল। পাৰত, বিহু-মেটেকাৰ
> পোহাৰ বহিছে। জনতাৰ হৈচ'-ঠেলা।
> তোমাৰ লাৱণী ভুৰাহুত একোটা মেটমৰা ডাঙৰীৰ বল
> আমাৰ বাহুত
> হেজাৰ যুগৰ শৌৰ্য্য-বীৰ্য্য। হাতত তোমাৰ কাচিৰ নাচ
> চকুৰে নমনা সোণালী ধান। কপালত কেচ মুকুতাৰ থোপা
> চেনাই ঐ, মৰণা মাৰোঁগৈ আহা।
>
> (জাবৰ দিনৰ সপোন)

জনতাৰ ওপৰত কবিৰ বিশ্বাস আছে, তেওঁলোকৰ শৌৰ্য্য-বীৰ্যৰ ওপৰতো কবিৰ গভীৰ আস্থা। জীৱন, কাব্য আৰু ৰাজনীতিত সমাজবাদী আদৰ্শৰ পোষকতা কৰা কবি হেম বৰুৱাই হয়তো সমাজবাদৰ বৰষাৰ ঢলে অসমৰ ৰাজনীতিৰ মৰি কলঙত নতুন বাণ অনাৰ স্বপ্ন দেখিছিল। হেম বৰুৱাৰ কবিতাৰ আলোচনা প্ৰসংগত ড° মহেন্দ্ৰ বৰাই কৈছে: "তেখেতৰ কবিতা যেন পচু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ওপৰত খহি পৰা এটা বিৰাট অভিশাপ। বৰ্ত্তমানৰ সমাধিৰ ওপৰত তেখেতে নতুন দিনৰ সুস্থ সমাজ গঢ়ি তোলাৰ

সপোন দেখে। কুমাৰী পৃথিবী, বকৰাৰ চকুত, নতুন সম্ভাৱনাৰে অজস্ৰ। কদৰ্য্য পৃথিবীৰ অশ্লীল উম্মা আৰু দিন সলনিৰ সপোন বকৰাৰ কবিতাত সদায় ওচৰা-ওচৰিকৈ থাকি থাকে। এই উম্মা আৰু এই সপোন তেওঁৰ ব্যক্তি মানসত প্ৰতিফলিত হোৱা জনজীৱনৰ বেদনাৰ বিকৃত প্ৰকাশ।"*

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্ত্তী কালচোৱাৰ পৰা ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগলৈকে এই কালচোৱাঅসমীয়া মানুহৰ আৰু সমাজৰ বাবে বৰ বৈশিষ্ট্যপূৰ্ণ কাল। নতুন নতুন সামাজিক আদৰ্শবাদ, নতুন মূল্যবোধ আৰু নিত্যনতুন পৰিবেশে অসমৰ গ্ৰামীণ আৰু নগৰীয়া উভয়ক্ষেত্ৰৰ সভ্যতা আৰু সংস্কৃতিৰ ৰূপটো বদলাই পেলাইছিল। সেইসময়ত দেখা দিয়া অৰ্থনৈতিক বিপৰ্য্যয়, মুদ্ৰাস্ফীতি, পুঁজিপতি সকলৰ শোষণ, হিৰ'চিমা আৰু নাগাচাকিত আক্ৰমণকাৰী দস্যুদলে নিক্ষেপ কৰা আণবিক বোমাত মানুহৰ জীৱন ছাই হৈ যোৱা কাৰ্য আৰু নিৰীহ অসমীয়া ভলন্টিয়াৰৰ ওপৰত বৃটিছ ৰাজশক্তিৰ পুলিচে কৰা অমানুষিক অত্যাচাৰ এই সকলোবোৰ গোটেইখাই অসমীয়া মানুহৰ জীৱন কগ্ন আৰু ক্ষয়িষ্ণু হৈ পৰিছিল। দুৰ্যোগৰ কবলত থকা জনতাই এই সকলোবে পৰা নিস্কৃতি পাবৰ বাবে যত্ন কৰি থাকি থাকি স্বপ্নৰ জাল গুঠি গুঠি বাট চাইছিল। স্বপ্নাতুৰ জনতাই এখন নতুন আদৰ্শ আৰু সাহসী পৃথিবীৰ স্বপ্ন দেখিছিল। তেওঁলোকে নতুন দিনৰ ন সুৰুয সমাগত বুলি ভাবিছিল। দেশে স্বাধীনতা লভাৰ লগে লগে ভবিষ্যতৰ আশাও তীব্ৰতৰ হৈ উঠিল। জনতাই মুক্তিৰ বাট বিচাৰিলে। জনতাই বুজি পালে যে সামাজিক বৈষম্য, অত্যাচাৰ, দাৰিদ্ৰ্য আৰু লাঞ্ছনাৰ পৰা মুক্তি পাব নোৱাৰিলে মুক্তি বিচৰাৰ অৰ্থই মিছা। হেম বকৰাই জনতাৰ এই মৰ্ম-ব্যথা বুজি পাইছিল আৰু সহানুভূতিপূৰ্ণ অন্তৰৰ সৈতে তেওঁ জনতাক উদ্বুদ্ধ কৰিবলৈ চাইছিল।

"সোণপাহী তুমি আহিছা। আঁহা। তোমাৰ হাতৰ কাচিত
হেজাৰ যুগৰ শান।" (উজায়ে আহিছে চ'ৰা নাওখনি,
উজায়ে আহিছে টিঙ)।

আমাৰ চকুত আশাৰ নেজালতৰা, এই জলে। এইয়ৰে
বালিমাহীৰ মন্ত্ৰচালিত, কম্ব পৰাণত সাত সাগৰৰ বান

* মহেন্দ্ৰ বৰা সম্পাদিত নতুন কবিতা পৃ ৫

নামে। মৰিকলঙত বাৰিষাৰ ঢল। পাৰত মিহুমেটেকাৰ
পোহাৰ বহিছে। জনতাৰ হেঁচা-ঠেলা।
তোমাৰ লাৱনী হুৰাহত একোটা মেটমৰা তাগুৰীৰ বল আমাৰ বাহুত

হেজাৰ যুগৰ শৌৰ্য্য-বীৰ্য্য। হাতত তোমাৰ কাচিৰ নাচ
চকুৰে নমনা সোণালী ধান। কপালত কেচা মুকুতাৰ টোপাল
চেনাই ঐ মৰণা মাৰোঁগৈ আহা।

ডুহালৰ ডুই পোহৰত তুমি। মোৰ পৰাণৰ নিফুট কোনত
জুঁই জুইৰ জুই জলে। উস তোমাৰ বৰষ সেমেক ওঁঠ
মৰা পৃথিবীত তেজৰ আৱৰ্তি। এটা টুনী আছে দুটা টুনী আছে।

এটা ধান নিয়ে। দুটা ধান নিয়ে। ধানৰ দ'মত তেজপিয়াৰ
ৰণচালি। তেজপিয়াৰ বংশনাশলৈ কিমান দিন
বাকী? আৰু কিমান দিন?

শীতৰ অন্তত আকৌ আহিব নিলাজী ফাগুন। বহাগী বিহু
বাঙলী দিন। কপৌফুল। কুলিকেতেকীৰ গানৰ শৰাই
আকৌ আনিব দিপৌত বান। কমৰেড শ কা কিহৰ?

(জীৱন দিনৰ সপোন)

কৃষক, শ্ৰমিক আৰু আৰ্তজনৰ গুনীয়া চিত্ৰ কৰি বৰুৱাই আঁকিছে। মজদুৰ, কৃষক আৰু প্ৰাক্তন সৈনিকসকলৰ জীৱনৰ ৰূপ দিয়াত তেওঁ সাৰ্থক হৈছে। পুঁজিপতি শোষকৰ অত্যাচাৰত দৰিদ্ৰ জনসাধাৰণে মুক্তিৰ বাট বিচাৰি নেপাই জীয়াতু ভুগিছে। এই দৰিদ্ৰ লোকসকল আৰু তেওঁলোকৰ তেজ শুহি পোৱা শোষকদলৰ কবিয়ে লেখ লৈছে। ধানৰ দ'মত তেজপিয়াৰ ৰণচালি দেখি তেওঁ ক্ষোভিত হৈছে—সেয়েহে তেওঁৰ প্ৰশ্ন—'তেজপিয়াৰ বংশ-নাশলৈ আৰু কিমান দিন বাকী?' দৰিদ্ৰ, আৰ্ত, নিষ্পেষিত জনতাৰ স্বৰূপ উপলব্ধি কৰি কবিয়ে পুজা কবিতাত কৈছে

"আমি মৰিছো চকুকণা হোৱা
বাটৰ ধূলি খায়।

ৰাস্তাৰ দাঁতিৰ ধূলিৰে ভৰা লেম্প পষ্টটোৰ
কথাই আমাৰ 'ছোটলোকৰ' কথা।
আমাৰ আৰু জীৰ্ণ শীৰ্ণ লেম্প প'ষ্টটোৰ
মাজত কিটো পাৰ্থক্য ?
আমি যোগমৰা ব্ৰেক আউট নিশাৰ
হত-ভাগা লেম্প-প'ষ্ট।"*

পুঁজিপতি দালালবিলাকে দুখীয়া মানুহৰ জীৱন যাত্ৰাৰ প্ৰণালীটো নষ্ট কৰি পেলাইছে। কবিৰ সেইদল মানুহৰ প্ৰতি কিমান গভীৰ বিদ্বেষ জাবৰ দিনৰ সপোন পঢ়ি চালেই গম পোৱা হয়।*

"জুহালৰ জুই পোহৰত তুমি। মোৰ পৰাণৰ নিফুট কোণত
তুঁহ জুইৰ জুই জলে। উস, তোমাৰ বৰফ সেমেকা ওঁঠ।
মৰা পৃথিবীত তেজৰ আৰতি। এটা টুনী আহে। দুটা টুনী আহে
এটা ধান নিয়ে। দুটা ধান নিয়ে। ধানৰ দ'মত তেজপিয়াৰ
বণ-চালি। তেজপিয়াৰ বংশনাশলৈ কিমান দিন
বাকী ? আৰু কিমান দিন ?

কবি হেম বৰুৱাৰ পুঁজিপতি অৰ্থনীতিৰ প্ৰতি থকা বিদ্বেষ, তেওঁৰ হৃদয়ৰ গভীৰৰ পৰা ওলোৱা। অৱশ্যে তেওঁৰ পৰৱৰ্তী যুগৰ কবিসকলৰ দ'ৰে সিবোৰত শ্ল'গান-ধৰ্মীতা দেখা পোৱা নাযায় আৰু সেইবাবে কোনো কোনো সমালোচকে হেম বৰুৱাৰ কবিতাত সমাজ সচেতন কবিৰ কণ্ঠস্বৰ বিচাৰি নেপায় হতাশো হোৱা দেখা যায়।

পুঁজিপতি অৰ্থনীতিৰ প্ৰতি কবিৰ ক্ৰোধ সহজে অনুমেয়। যিজন মানুহে গোটেই জীৱন সমাজবাদী অৰ্থনীতিক সাৱটি ধৰি পুঁজিবাদক ঘৃণা কৰিছিল আৰু যিজনে ভাৰতবৰ্ষত এখন সঁচা সমাজবাদ গঢ় লৈ উঠাৰ স্বপ্ন দেখিছিল তেওঁ তেজপিয়া পুঁজিপতি বিলাকক দেখিব নোৱাৰাটো স্বাভাৱিক। সমাজৰ বৰ্তমান ব্যৱস্থাৰ আশু পৰিৱৰ্তন তেওঁ বিচাৰে। পৰিৱৰ্তন মানে

---

* আধুনিক অসমীয়া কবিতা (যতি নাৰায়ণ শৰ্মা সম্পাদিত) পৃঃ ১১৭।
* "বিশ শতাব্দীৰ অসমীয়া সাহিত্য" আৰু "অসমীয়া কবিতাৰ কাহিনীৰ" প্ৰাসঙ্গিক আলোচনাসমূহ দ্ৰষ্টব্য।

সাধাৰণ পৰিৱৰ্তন নহয় এক বৈপ্লৱিক পৰিৱৰ্তন—যিটোৱে অপমানিত আৰু লাঞ্ছিত জীৱনটোলৈ সম্পূৰ্ণ নতুনত্ব লৈ আহিব তেনে এক পৰিৱৰ্তনকে—কবিয়ে বিচাৰিছিল। বিজয় দিনাৰ গান নামৰ কবিতাত কবিয়ে বন্যা পৃথিৱীৰ মানুহ বা তৃতীয় ৰূপত দেখা পাবলৈ উদগ্ৰীৱ হৈ উঠিছে।

অসমীয়া কবিতাত পৰিৱৰ্তনৰ বা বিপ্লৱৰ বাৰ্তা বৰ নতুন কথা নহয়। ৰোমাণ্টিক যুগতে কবি চন্দ্ৰকুমাৰ আগৰৱালাই সমকালীন সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিপ্লৱী হৈ উঠিছিল। কিন্তু চন্দ্ৰকুমাৰৰ আহ্বানত প্ৰয়োজনীয় সাহসৰ অভাৱ আছিল। তেওঁৰ আন্তৰিকতা আছিল সঁচা কিন্তু বিপ্লৱীৰ কাৰণে যি দুৰ্দম সাহস লাগে সেই সাহস চন্দ্ৰকুমাৰৰ নাছিল। হেম বৰুৱাৰ কিন্তু সাহস আছিল। তেওঁ সাহস আৰু বিশ্বাসৰ কবি। সামাজিক পুনৰ গঠনৰ কাৰণে প্ৰয়োজন হ'লে তেওঁ শ্বহীদও হ'ব পাৰে। তেওঁ তেজৰ নিমন্ত্ৰণো শুনিছে। আৰু সময়ে সময়ে তেওঁ বৰ লুইতখনকে তেজেৰে ৰাঙলি কৰি দিয়াৰ প্ৰয়াস পাইছে। ৰোমাণ্টিক যুগৰ শেষৰ ফালৰ কবি দেৱকান্ত বৰুৱাইও এদিন লুইতৰ বগা পানী ৰঙা কৰি মৰাৰ প্ৰতিজ্ঞা কৰিছিল। ভাৰতত ১৯৪৬ চনলৈকে চলি থকা স্বাধীনতা আন্দোলনৰ কথা সন্মুখত ৰাখি বিচাৰ কৰিলে সাহসিকতাৰ বাণীসমূহক উপেক্ষা কৰিব নোৱাৰি। হেম বৰুৱাই জনতাৰ মৰণহীনতাৰ কথা বুজি পাইছিল। হিৰোচিমা আৰু নাগাচাকিত আণৱিক বোমাই লাখ লাখ মানুহক ধ্বংস কৰিলে। কবিৰ মতে এই মৃত্যু জনতাৰ হোৱা নাই—হৈছে মাথোন ভীৰু কাপুৰুষ বৈজ্ঞানিকদলৰ। জনতাৰ প্ৰতি কবিৰ প্ৰেম, আন্তৰিকতা আৰু সহানুভূতিৰ মূলতে হৈছে তেওঁৰ চাৰিওফালৰ জগতখনৰ প্ৰতি কবিৰ বাস্তৱ সচেতন দৃষ্টিভঙ্গী। হেম বৰুৱা যুগ সচেতন কবি। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিয়ে কল্পনাৰ কুঁৱলীৰ পৰা ওলাই আহি বাস্তৱতাৰ আলোক উজ্জ্বল ৰ'দালিত থিয় দিছিলহি। অসমীয়া আধুনিক কবিতাত বাস্তৱতাৰ সুপ্ৰয়োগ কৰাৰ কৃতিত্বও হেম বৰুৱাৰে প্ৰাপ্য। হেম বৰুৱা আৰু অমূল্য বৰুৱা এই দুজন কবিয়ে অসমীয়া পাঠকক ৰোমাণ্টিকতাৰ গুণগুণনি এৰি বাস্তৱৰ সন্মুখীন হৈ জনতাৰ সংগ্ৰাম আৰু দুৰ্যোগৰ লগত আত্মীয়তা স্থাপন কৰিবলৈ শিকালে।

সমাজবাদী বৈপ্লৱিক চিন্তাধাৰাৰ কবিতা লানি বাদ দিলে আমি হেম বৰুৱাৰ কবিতাত পাওঁ অতীত স্মৃতি, ভবিষ্যতৰ স্বপ্ন, যৌৱনৰ সৌৰভ,

বিপ্লৱৰ প্ৰয়োজনীয়তা আৰু এনে এটা ব্যক্তিগত চিন্তাৰে পৰিপুষ্ট কবিতা-সমূহ। চৈনিক কবি লি পো আৰু এজৰা পাউণ্ডৰ মৌলিক প্ৰতিভাসৰ আঁৰত বৈ লিখা মমতাৰ চিঠিত কম বয়সীয়া ছোৱালী এজনীৰ জীৱনলৈ নমা বৈধব্য তাড়না যথাৰ্থকৈ চিত্ৰিত হৈছে। দাম্পত্য প্ৰণয়ৰ কাবেৰী জোঁৱাৰত উটি বুৰি ফুৰা সাত বছৰৰ আগৰ স্মৃতি মনলৈ আনি মাজৰাতি মমৰ পোহৰত মমতাই তাইৰ মৃত স্বামীলৈ চিঠি এখন লিখিছে। বিৰহৰ যন্ত্ৰণা সহ্য কৰিব নোৱাৰি কাতৰ হৈ পৰা মমতাই তাইৰ মৃত স্বামীলৈ চিঠি এখন লিখিয়েই নিজক প্ৰবোধ দিছে। তাইৰ এতিয়া তেওঁক কবলগীয়া বহুত কথা আছে—বাবুলটো বৰটো হৈছে, তাৰ দাঁত গজিছে ইত্যাদি, ইত্যাদি।

*   *   *   *

তোমাৰ বাবুল এতিয়া বৰটো হৈছে।
তাৰ ওপৰ পাৰিত এখনমান ডালিম গুটি
যেন দাঁত অকনি গজিছে। সি মোক একেবাৰে এৰিবকে
নিদিয়ে। (কেতিয়াবা মোৰ যে খং উঠে,
তুমি নাই নহয়, সেই কাৰণে।)
সি বাৰু মোৰ বগা সাজযোৰলৈ এনেদ'ৰে তধালাগি
চাই থাকে কিয়? তাৰ ওপজাৰে পৰা এইযোৰ কাপোৰ
চিনাকি,—সেইকাৰণে নহয়? বাবুল এতিয়া বৰটো
হৈছে, বুজিছা? (আৰু ডাঙৰ হ'লে ইস্কুলত তাক
নাম লগাই দিম। ইস্কুলত সি থকা সময়খিনি
মোৰ যে বুকুৰ মাজেৰেই উদং হৈ থাকিব, ভাই)"

মমতাৰ চিঠিত প্ৰকাশ পোৱা কৰুণ ৰস বৰ মধুৰ ভাৱে ক্ষৰিত হৈছে। সীমান্ত, [illegible], [illegible] আদি কবিতাত কবিয়ে চিত্ৰকল্পবাদী প্ৰকাশ কৌশলেৰে [illegible] তুলি ধৰিছে। ইন্দো-পাক সীমান্তত লগ পোৱা বগা শাৰী-পিন্ধা সৰু ছোৱালীজনীয়ে কবিক দেহ আৰু মনৰ বাস্তৱৰ পৰা মুক্তিৰ কথা শুনাইছে। '[illegible]' চহৰত লগ পোৱা ছোৱালীজনীয়ে কবিক খ্ৰীষ্টান সন্ন্যাসিনী [illegible] হ'বে পবিত্ৰ বিশুদ্ধভাৱে আবৰি ধৰিছে আৰু মদনপুৰ বাগানৰ চনিয়াই কবিক শ্ৰমজীবি যুৱতীৰ দেহৰ ভাঁজে ভাঁজে

বঞ্চিত হোৱা সৌন্দৰ্য্যৰ আভাস দিছে। সাপ নামৰ আন এটা কবিতাত কবিয়ে সাপ এটাক প্ৰতীক কৰি মানুহৰ সীমাহীন অজ্ঞতাক প্ৰকাশ কৰিছে। আদৰ্শ আৰু অনুপ্ৰেৰণাৰ বাবে মাজে সময়ে হেম বৰুৱাই টি এচ ইলিয়ট আৰু এজৰা পাউণ্ডলৈ ঘূৰি চাইছিল। আৰু সেইবাবেই ইলিয়ট-পাউণ্ডৰ বৌদ্ধিক বিস্তাৰ হেম বৰুৱাৰ কবিতাতো কেতিয়াবা আহি পৰে। বৌদ্ধিক সচেতনতাৰে লিখা জেনে কবিতাক বুজাত পাঠকৰ শ্ৰম হয় কঠিন, বৌদ্ধিক সচেতনতাত কবিৰ সমানে সমানে আগবাঢ়িব লাগে আৰু তাকে নহলেই পাৰস্পৰিক বুজাবুজিৰ ভুল আৰম্ভ হয়। এটা আবিষ্কাৰ, জানুৱাৰী ৩০, চাইক্লন আৰু সাপ ইত্যাদি জেনে কবিতা—য'ত বুদ্ধিনিষ্ঠা তীব্ৰ।

আঙ্গিকৰ দিশতো হেম বৰুৱাই নতুনত্ব আনিছিল। শব্দ-চয়ন, ভাষা আৰু পৰিবেশ চিত্ৰণত নতুনত্ব দেখা পোৱা গৈছিল। তেওঁৰ ব্যৱহৃত শব্দসমূহ সৰল আৰু সিৰিলাক মানুহৰ সাধাৰণ কথা বতৰাৰ অনুসাৰী। স্পন্দিত গদ্য ছন্দক তেওঁ ব্যৱহাৰ কৰিছে আৰু সেই ব্যৱহাৰ হৈছে তেওঁৰ পাৰদৰ্শী হাতৰ চিনাকি। তেওঁৰ বৰ্ণনাৰ কৌশল গদ্যানুগ হোৱাৰ বাবে পাঠকসকলে তেওঁৰ কবিতা ছদ্মবেশী গদ্য বুলি অভিযোগ তুলিব খোজে। যিকোনো কাব্য আন্দোলনৰে অগ্ৰণীজনৰ সঠিক পাঠকসকলে একেদিনাই উপযুক্ত মৰ্য্যাদা দিব নোৱাৰি ভুল ধাৰণা লোৱাটো নিতান্তই স্বাভাৱিক কথা। হেম বৰুৱাৰ ক্ষেত্ৰতো সেয়ে হৈছিল।

হেম বৰুৱা নিসন্দেহে প্ৰতিভাশালী কবি। তেওঁৰ কবিতাৰ বৌদ্ধিক মননশীলতা আৰু বৰ্ণাঢ্য উপমা তেওঁৰ কবি প্ৰতিভাৰ জলন্ত সাক্ষী হৈ ৰ'ব। তেওঁৰ উপমাসমূহত এনে এটি নতুনত্ব আছে যিটি তেওঁৰ আগৰ কবিসকলৰ কাৰো কবিতাত দেখা নাযায়। দিল্লীৰ ৰাজ-আলিত পৰা বৰষুণৰ টোপালৰ নাচনী ছেওৰ লগত বৰদৈ বাগিছাৰ কিশোৰী আইকণৰ অন্তৰৰ নাচনী আনন্দৰ মিল হৈছে। টাপুৰ-টুপুৰ শব্দ কৰি অহা দিল্লীৰ ৰাজ আলিৰ বৰষুণে আইকণৰ নাচনী ভৰিৰ ছেওবোৰ ক'ত শিকিলে

"এই আছে এই যায়
এইয়া দিল্লীৰ বৰষুণ
এই আছে এই যায়
এইয়া বৰদৈ বাগিছাৰ আইকণ।"

একেধৰণেৰে কবিয়ে একজনী সৰু ছোৱালীৰ মৰম লগা মুখখন কি তুলনা কৰিছে আলি আকবৰ খানৰ সৰোদৰ এটা নিজম মূৰ্চ্ছনাৰ লগত।

"মুখখন তাইৰ
আলি আকবৰ খানৰ সৰোদৰ এটা
নিজম মূৰ্চ্ছনাহে যেন।"

প্ৰাচীন কাব্য, মহাকাব্য, পুৰাণ আৰু বাইবেলৰ পৰা অনা প্ৰতিচ্ছবি কিছুমানো তেওঁৰ কবিতাত সোমাইছে। কিন্তু তেওঁৰ কবিতাৰ চমক আকৰ্ষণী শক্তি হ'ল তেওঁৰ বিচিত্ৰ শব্দচয়ন যিবিলাকে আমাৰ মন এক কাব্যিক উচ্চতালৈ লৈ গৈ কবিৰ বৰ্ণিত বিষয়ক আমাৰ অন্তৰত আপোন কৰি তোলে। নিম্নোক্ত বাক্যাংশ আৰু শব্দচয়নলৈ চালে এই কথাৰ যথাৰ্থতা দেখা যায়।

(১) প্ৰণয়ৰ কাবেৰী জোঁৱাৰ
(২) কুঁৱলীৰ গীৰ্জা ঘৰ
(৩) মানুহৰ মন হ'ল সূৰ্য্যমুখী ফুল
(৪) পৃথিৱীৰ মৰম নেওচি উৰা মাৰ'ব বনৰীয়া বাজহাঁহ জাক।
(৫) সেউলীয়া স্মৃতি
(৬) তাৰা মোৰ টেমচ নৈৰ পানী হৈ বৈছে।
(৭) ময়নামতী জোনাক।

এনেধৰণৰ বিচিত্ৰ শব্দচয়নে পাঠকৰ মনত সহজে পৰিবেশ সৃষ্টি কৰি তুলিব পাৰে। মৃত্যুৰ অলপ দিনৰ আগৰ পৰা হেম বৰুৱাৰ কাব্য সৃষ্টি অলপ ক্ষীণ হৈছিল। আনহাতে সাংবাদিকতা ভ্ৰমণ কাহিনী আৰু সাহিত্য সমালোচনাৰ পৰিসৰ বাঢ়িবলৈ ধৰিছিল। সেয়ে হলেও কবিৰ কাব্য সৃষ্টিৰ ক্ষীণ গতিয়ে তেওঁৰ সামগ্ৰিক গৌৰৱ অৰ্জনৰ পথত বাধা দিব পৰা নাছিল।

নৱকান্ত বৰুৱা

নৱকান্ত বৰুৱা ৰোমাণ্টিক কবি দেৱকান্ত বৰুৱা'ৰ অনুজ আৰু এওঁ হে অৰণ্য হে মহানগৰ (১৯৫১) নামৰ কাব্য সংকলনৰ জৰিয়তে আধুনিক

অসমীয়া কবিৰূপে প্ৰতিষ্ঠা লাভ কৰে। নগৰীয়া জীৱনৰ দ্বন্দ্ব আৰু সংশয়ৰ ক্ষেত্ৰ কবি ৰচিত হোৱা হে অৰণ্য হে মহানগৰ এখন সম্পূৰ্ণৰূপে ভিন্নসুৰীয়া কবিতা। কবি নৱকান্ত বৰুৱাৰ কবি প্ৰতিভাৰ উন্মেষ হৈছিল পঢ়োৱা আৰু জয়ন্তীতে। নৱকান্ত বৰুৱাৰ জন্মস্থান হ'ল নগাঁও আৰু নগাঁৱতে তেওঁৰ স্কুলীয়া শিক্ষা আৰম্ভ হয়। তেওঁ প্ৰতিভাসম্পন্ন ছাত্ৰ আছিল আৰু কলিকতা, বিশ্বভাৰতী আৰু আলিগড় এই তিনিওটা বিশ্ববিদ্যালয়তে শিক্ষা গ্ৰহণ কৰা'ৰ সৌভাগ্য তেওঁৰ হৈছিল। আলিগড় বিশ্ববিদ্যালয়ৰ পৰাই তেওঁ ইংৰাজী সাহিত্যত এম এ উপাধি লয়। এম এ পাছ কৰি তেওঁ প্ৰথমে শিকোহাবাদৰ এ কে কলেজত আৰু তাৰ পিছত যোৰহাটৰ জে বি কলেজত ইংৰাজী সাহিত্যৰ অধ্যাপনা কৰে। তাৰ পিছত তেওঁ গুৱাহাটীৰ কটন কলেজৰ ইংৰাজী বিভাগত যোগ দিয়েগৈ আৰু যোৱা দুই দশক ধৰি তেওঁ তাতে অধ্যাপনা কৰি আছে। অধ্যাপনাই যোগোৱা অৱসৰে নৱকান্তৰ কবি প্ৰতিভাৰ বিকাশ সহজসাধ্য কৰি তুলিছিল। তেওঁৰ প্ৰকাশিত কবিতা পুথি হ'ল হে অৰণ্য, হে মহানগৰ (১৯৫১), এটি দুটি এঘাৰটি তৰা (১৯৫৭), যতি আৰু কেইটামান ক্ষেত্ৰ (১৯৬১), ৰাৱণ আৰু সম্ৰাট (১৯৬১), বৰ্তমানে মোৰ আৰু পৃথিৱীৰ নাম দি তেওঁৰ সমগ্ৰ কবিতা সমূহৰ সংকলন এখন প্ৰকাশ হৈছে (১৯৭৩)।

নৱকান্তৰ কলিকতাত থকা কালচোৱাই কবি আৰু কাব্য দুয়োকো সমৃদ্ধ কৰিলে। আপাতত কম জটিলতাপূৰ্ণ নগাঁও চহৰৰ পৰা গৈ কবি নৱকান্তই কলিকতাত নগৰ জীৱনৰ উগ্ৰ কঠোৰতাৰ লগত ভেটাভেটি হ'ল। কলিকতাৰ দ'ৰে মহানগৰৰ বৈচিত্ৰ্য আৰু জটিলতাই কবিক বাৰুকৈয় আকৰ্ষণ কৰিলে। তদুপৰি শিল্প কাৰখানা বোৰত সময়ে সময়ে হোৱা শ্ৰমিকৰ অশান্তি, অৰ্থনৈতিক অসাম্যৰ কদাকাৰ ৰূপ আৰু ভণ্ড ৰাজনীতিজ্ঞৰ দুৰ্নীতিপূৰ্ণ জীৱন আৰু জনতাৰ জীৱনত দেখা দিয়া দুৰ্যোগে কবিক ভৱাই তুলিলে। স্বাভাৱিকতেই লাঞ্ছিত আৰু অপমানিত সৰ্বহাৰা জনতাৰ কাষতে তৰুণ কবিয়ে ঠাই দিলে। প্ৰাণ গংগাৰ বন্দৰ নামৰ কবিতাত মহানগৰৰ বিচিত্ৰ আৰু কদৰ্য্য জীৱন প্ৰবাহৰ যথাৰ্থ ছবি কবিয়ে আঁকিছে।

"দুপৰৰ এই মৃত্যু নীৰৱ বীভৎসত
প্ৰাণ গংগাৰ বন্দৰ, ভগীৰথ।

বক্‌চাৰ আৰু পলাশীৰ আৰু ইয়াণ্ডাবুৰ ইতিহাস
জগৎশেঠৰ কেশৰ চকাত ডুবে :
যায় সাগৰত লোহাৰ জাহাজ পাছ
মৰৰ পণ্য প্ৰাণ কপে নিষ্ফল !
শৰশয্যাত নীলাকাশ জৰ্জৰ
নজগাৰা যদি তুই আছে, হেৰা,
তুই থক তুই থক
খিদিৰপুৰৰ ডক।

আধুনিক জীৱন আৰু জগতৰ অন্তঃসাৰ শূন্যতা, বাহিৰৰ ৰংচং আৰু ভিতৰৰ কোপোলা আকাৰ আৰু ম'ৰাবীৰ নিখুঁট প্ৰকাশ হৈছে সঁন্ধ্যাৰ চিলঙ কবিতাত। চিলঙৰ এটা বিষণ্ণ সন্ধিয়াত কৱিয়ে চিলঙীয়া জীৱনৰ ম'ৰাবিৰ মাজত প্ৰেম আৰু কবিতাৰ সন্ধান কৰিছে :—

"বিষণ্ণ সন্ধিয়া নামে
অৱসন্ন কেৰাণীৰ লিৰিভোৰ আসন্ন সংকেত
নগৰীৰ হুচকুত
উজাগৰ নাৰ্চৰ স্থবিৰ জড়তা ;
বিস্তশাখা কছু নয় পাইনৰ ফাঁকে ফাঁকে
সূৰ্য্য নাই , সূৰ্য্যৰ আভাস।
গোমানীল আকাশৰ ভাৰৰৰ অৰ্থহীন লিপি
লাবানৰ একাঁ-বেকাঁ বাটৰ সাঁখৰ
মছি নিয়ে কুঁৱলীৰ ৰঙে।
ডায়োলৰ পিক আৰু ধোঁৱা আৰু সুহুৰিৰে
নিজকে সিঞ্চাৰে এই সন্ধ্যাৰ চিলঙে।
বালিৰ কণাত কত নাবিকৰ হাড়
ওপৰত উৰে টাসিং আৰু জাপানৰ বত চিলা
মাটিত বগায় কুমজেলেকুৱা দুটি
বিয়াল্লিচৰ জোবাবতো হেৰা বহল ইয়াত
ন ইতিহাসৰ কটি
সিয়পিত কোন লোকে ?

জগৎশেঠৰ ক্ৰেণৰ চকন্ত তেজৰ চৰি
প্ৰতিয়াও কোনন
দিয়ে

মহানগৰৰ জীৱনৰ প্ৰতি কৱিৰ শিহেৰ আক বৈৰাগ্যই শেহান্তৰত গৈ এক তীব্ৰ অনীহাৰ ৰূপ লৈছেগ। মহানগৰৰ নগত সংলগ্ন বন্দৰৰ ষ্টাৰ্লিং আক ডলাৰৰ চিলা উৰা চাই আক পুঁজিপতি শোষক জগত শেঠৰ ক্ৰেণৰ চকা । তেজৰ চৰিয়ে চালক শক্তি বৃদ্ধি কৰা দেখি কৱিয়ে দুখ পাইছে। মহানগৰৰ যান্ত্ৰিক সভ্যতাৰ অপায়বোৰ কৱিয়ে দেখিছে। বিবৰান্দ সমুদ্ভূত মহ ীৰ জীৱনৰ প্ৰানিয়ে কৱিক আবুৰাইছে আক তেওঁক বিষণ্ণ আক নি কৰি তুলিছে। মৃত্যুৰ ভয়ে তেওঁক প্ৰায়ে খুন্দিয়াইছে। আনহে নেলাগি টুকিকৰ দূৰৰ স্পন্দনেও তেওঁৰ মনত ভীতি সঞ্চাৰ কৰে।

পথ আক উপপথ গলি আক এভিনিউ
যাব প্ৰান্ত অন্ধকাৰ
পিচল মৃত্যুৰ সাপ ভৰিৰ তলেদি যায়

(পোহৰ পোহৰ ক'ত)

টুং চেং টুকিকৰ দূৰৰ স্পন্দনে
ভয় আক আশ্বাসৰ জটিল উৎকণ্ঠা আনে
(তৰংগৰ চকু জলে বতুৰ আক মেচেক ৰ)
জীৱন জীয়াই থাকে। তথাপি জীয়াই থাকে
আক থাকে জীৱিকাৰ সন্ধান আৰু
অমৃতৰ পুত্ৰ আমি
মৃত্যু মাত হে মহানগৰ।"

(হে অৰণ্য, হে মহানগৰ)

একেদৰেই নাগৰিক জীৱনৰ মানসিক সংকোচন কৱি চিত্ৰিত কৰিছে কৱি একৰাই 'সন্ধ্যাৰ চিন্তা' নামৰ কবিতাত —

কমেৰা প্ৰখৰ দৃষ্টি বন্দেশিনী ৰ গিনীৰ
লাইনউড্ হোটেলৰ উজ্জ্বল কাউন্ত
বধু ভাবন্তুক

ভুমুকা সেহৰ ঢাকে শ্বাসীৰ ইংগিত
কাৰকোটে কম্পিৰী উদৰ
মুন [illegible] উপবাসী
উপবাসী ভৃষামৰ স্মৃতি
[illegible]
ডুবেৰী [illegible]
আকাশ [illegible] নাই
প্ৰেমৰ কবিতা নাই
বামপন্থু [illegible] কুৰুলীৰ [illegible]
চাৰ্কাচৰ বাবিনীৰ চকুৰ [illegible] জলা
বুকুত হানি দি যায় সন্ধ্যাৰ [illegible]।

সন্ধ্যাৰ [illegible]

'ইয়াত নদী আছিল' [illegible] নকমাৰ [illegible] কবিতা। এই কবিতাই পাঠকক [illegible] 'Wasteland' ক [illegible] মনত পেলায়।

ম'বাবিৰ উৎকট প্ৰকাশ, বিৰক্তি, [illegible], একাকীত্ব [illegible] আৰু [illegible] [illegible] আৰু [illegible] সাক্ষী হল **আলিবাটৰ গান**। [illegible] নিজক সম্পূৰ্ণ একাকীত্বৰ অনুভৱ [illegible] সহ [illegible] আনি দিছে অক্ষমনীয় [illegible]

নৱকান্ত বৰুৱাই [illegible] কেইটামান [illegible] লিখিছে। **ত্ৰিশঙ্কুৰ আত্মজীৱনী** শীৰ্ষক কবিতাৰ [illegible] বাক্যাংশটিয়েই কবিৰ [illegible] বাক্যত নীৰৱ [illegible] সূচনা কৰিছে —

* * *

সুন্দৰৰ এই [illegible]
জনালে [illegible] মনত
সেই অনিৰ্বচনীয় সংকেতৰ দীপাৱলী ?

কত লক্ষ বছৰ তপস্যাৰ ফলত
ফুলিছে এই লাইলাক
জিনিয়াৰ পাহিবোৰ নোমাল কোমল
এচ্ কিমো ছোৱালীৰ বুকুৰ কাঁচলিৰ দ'ৰে
ৰবৰৰ পৰা উকৰি অহা পোহৰত
মোৰ চকু মুদ খাই যায়
অক্ষমতাৰ অশ্লীল টোপনিত্ মগ্ন
মোৰ অনুভূতিৰ থাঁহবোৰ
টোপনি গ্লানিৰ টোপনি—
নীৰৱ
ভেকুৰামৰ নীৰৱতা
অথচ ময়োতো পাইছো
সুন্দৰৰ আশীৰ্বাদ (?)
উপহাৰ
এই ফুলৰ
(কেনেকৈ বিশ্বাস কৰো যে জীৱনটো এপ্ৰিলফুল নহয়)
লাইলাক আৰু জিনিয়া
কত লক্ষ বছৰৰ
এই ফুল গ্ৰহণৰ যোগ্যতা মোৰ জানো আছে ?
(অক্ষমতাৰ অশ্লীল টোপনিত মগ্ন
মোৰ অনুভূতিৰ থাঁহবোৰ
টোপনি—গ্লানিৰ টোপনি—)"

(ত্ৰিশঙ্কুৰ আত্মজীৱনী)

নৱকান্ত বৰুৱাই তেওঁৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ সুপ্ৰয়োগ কৰিছে। প্ৰতীকবাদী কবিতা হিচাবে বোধিদ্ৰুমৰ ঋষি আৰু কাউৰী অসাধাৰণ প্ৰতিভাৰ চিনাকি। কোনোবা সুদূৰ দেশৰ পৰা কাউৰীটো দূত হৈ আহিছে। স্বৰ্গ আৰু মৰ্ত্য এই দুইৰ মাজত 'জীৱাত্মাৰ যি পবিত্ৰতা' কাউৰীটো তাৰেই প্ৰতীক আৰু কাউৰীৰ পাখিৰ পৰা বিচ্ছুৰিত হোৱা বহু জীৱাত্মাসমূহৰ প্ৰতীক মাথোন। কাউৰীটোৱে আকাশৰ অসীম নীলাৰ

কালে গতি-কৰি উৰি উৰি যেন বিশ্বপ্ৰবাহৰ লগত আমাৰ হেৰাই যোৱা এনাজৰিডালৰ সন্ধান কৰিছে। বোধিদ্ৰুমৰ খবি বুদ্ধক পটভূমিত লৈ ৰচিত হোৱা মানুহৰ সনাতন জ্ঞান স্পৃহাৰ তীব্ৰ প্ৰকাশ। জ্ঞানৰ মহত্তম ঐশ্বৰ্য কৰিয়ে সচেতন ভাৱে উপলব্ধি কৰিব পাৰিছে। ক্ষুদ্ৰ এক মুহূৰ্তৰ ভিতৰতে আনুভূতিক আৰু বৌদ্ধিক সচেতনতা জগাই তুলি কৰিব বৰ্ণিত বিষয়লৈ পাঠকক মোহাবিষ্ট কৰি লৈ যোৱাৰ ক্ষমতা নৱকান্ত বৰুৱাৰ আছে। চিত্ৰকল্পৰ তেওঁ ডাঙৰ শিল্পী। চিত্ৰকল্পৰ সুচতুৰ প্ৰয়োগৰ কাৰণে পৰা বৰ্ণিতত পিকনিক্, ক্ৰমশঃ, এদিন আমি নাৰেবে, শৱণীয়াত সন্ধ্যা, এই দুটি এযাবটি তৰা, আৰু এটা প্ৰেমৰ পদ্ম উল্লেখযোগ্য। কৰিব বৰ্ণনাৰ চাতুৰ্য্য, কৌশল আৰু সামগ্ৰিক অনুভূতিৰ কাৰণেও উক্ত কবিতাসমূহে শ্ৰেষ্ঠতা দাবী কৰিব পাৰে। শৱণীয়াত সন্ধ্যা কবিতাৰ প্ৰভাৱ দুৰন্ত।

শৱণীয়াত সন্ধ্যা

"এচপৰা আকাশৰ সোণ
 খহি পৰি বয় ভুবৰিত
জোনাকীৰ দুটা জিলমিল
 নিম... ভূমৰ দুভৰিত।
সন্ধিনৰ উল্লাস্য ভাঁজত
 ... মনে পৰাবি জনায়,
সন্ধ্যা... ... ... ৰ নব আ... লিবে
 পাহৰ ৰৰ নিপাবে লুকায়।

বেলৰ আলিৰ ওপৰে ওপৰে চুপি চুপি সন্ধ্যা আহি শৱণীয়া পাহাৰৰ আঁৰত লুকাই পৰা এটি অপূৰ্ব কল্পনাৰ চিনাকি। গুৱাহাটীত শৱণীয়া পাহাৰৰ কাষে কাষে সমান্তৰাল গতিত গৈ থকা ৰেললাইন যি দেখিছে তেওঁ এই কবিতাটোৰে বিস্তাৰ কৰা ঐন্দ্ৰজালিক মাধুৰ্য্য এবাৰ্ই মাৰ নোৱাৰে।

প্ৰাচীন কাব্যসমূহৰ পৰা নৱকান্তই তেওঁৰ আধুনিক কবিতাৰ সকল গোটাইছে। তেওঁৰ কাৰণ আৰু সম্ৰাট মহাকাব্যিক পৰম্পৰাৰ ওপৰত গঢ়ি উঠা বস্তু। নিজস্ব দৰ্শন আৰু বোধি ফুটবাট তেওঁ দুইৰ মহাকাব্যৰ

দুজন নায়ক ৰাৱণ আৰু ধৃতৰাষ্ট্ৰক নতুন ৰূপত আৱিষ্কাৰ কৰিছে। ৰাৱণ কাব্যগ্ৰন্থত ৰাৱণৰ পৰিচয় হ'ল সৌন্দৰ্যৰ অনুধাৱক হিচাপে। অভিশপ্ত ৰাক্ষস সেই নহয়। [illegible] ৰাক্ষসৰ পৰা আঁতৰি আহি ৰাৱণক চোৱাৰ বাবে বাল্মীকি [illegible] ৰাৱণৰ এই নতুন ৰূপ আৱিষ্কাৰ কৰিছে। একেদৰে কৰিয়ে [illegible] প্ৰতি [illegible] দৃষ্টি দিছে কবিৰ মতে ধৃতৰাষ্ট্ৰ হ'ল ৰাজনৈতিক কাপুৰুষতাৰ চূড়ান্ত নিদৰ্শন। তেওঁ এটা diplomatic inertia ৰোগত ভুগিছে। [illegible] দৃষ্টিভংগী দি বিচাৰ কৰি কবিয়ে যুক্তি পাইছে যে প্ৰাচীন ৰাজনৈতিক [illegible] মূল আধাৰ হ'ল অতীত। আৰু যিজনে ৰাষ্ট্ৰৰ ভৱিষ্যতৰ কথা চিন্তা কৰে তেওঁ [illegible] ৰাজনৈতিক অনুষ্ঠানৰ উৰ্দ্ধত ৰাখি বিচাৰ কৰিবলৈ সমৰ্থ হ'ব লাগিব। কবি নৱকান্তই অন্ধৰাজ ধৃতৰাষ্ট্ৰৰ জীৱন আৰু দৰ্শন সু [illegible] ভাৱে ব্যাখ্যা পাইছে। ৰাষ্ট্ৰৰ প্ৰধান হিচাবে আইন আৰু শৃংখলাৰ [illegible] ধৃতৰাষ্ট্ৰই [illegible] কিবা এটা নীতি ঠিক কৰিব খুজিছিল সেই মুহূৰ্তত [illegible] পিতৃসত্তাটোৱে তেওঁক বাট ভেটি ধৰিছিল। [illegible] ৰাষ্ট্ৰৰ [illegible] এসময়ত পৰিয়ালৰ প্ৰধানৰ ওচৰত আত্ম সমৰ্পণ কৰিলে। [illegible] হিচাবে এই দুই ভিন্ন-মুখী আদৰ্শৰ সংঘাতত ধৃতৰাষ্ট্ৰ [illegible] হৈছিল [illegible] সম্ৰাট ধৃতৰাষ্ট্ৰৰ জীৱনৰো চৰম ট্ৰেজেডিৰ [illegible] ধৃতৰাষ্ট্ৰই এনেদৰে কৈছে—

*   *   *   *

প্ৰজাৰ [illegible], [illegible], [illegible]
সম্ৰাটৰ আসনৰ পৰ।

যেতিয়া চৰমক্ষণ আহিছিল সম্ৰাটৰ
পিতৃত্বৰ নৈতিক গৌৰৱ [illegible],
তেতিয়া সম্ৰাটে আহি [illegible] পিতাৰ কণ্ঠ
ক'লে কানে কানে—ৰাষ্ট্ৰৰ [illegible] নাই,
ৰাষ্ট্ৰৰ সৌজন্য এক [illegible] ৰাষ্ট্ৰনীতি।
নাৰীৰ [illegible] হ'তে
[illegible] প্ৰান্তৰৰ নগ্নতাৰ [illegible] নাই।
ৰাষ্ট্ৰ পিতা, কন্যাৰ নগ্নতা পিতাৰ সহজ অভিজ্ঞতা
মানুহৰ গ্লানি য'ত, ক্লীৱতাৰ তাতেই মৰ্য্যাদা।

নীতিৰ নামত মই বিশ্বাসেৰে খেলিলোঁ হেতালি
সকলোটি হ'ল খেলি মেলি
কোন সত্য ? নীতিৰ ক্লীবতা নতু হৃদয়ৰ পৰম নির্ভৰ
আজি মোৰ অন্ধ চুচকুত নামিছে নতুন অভিজ্ঞতা।
হে সঞ্জয়, আজি মই জানো, স্বপ্ন কিনো ?
স্বপ্নই সানিলে আহি কল্পনাৰ তুলসী চন্দন—
অন্ধ অভিজ্ঞতা বি।। হ'ল শালগ্ৰাম
স্বপ্নৰ দিলেহি দৃষ্টি জীৱনত আলোক বঞ্চিত এই
জৰদগৱ অন্ধ সম্রাটক
সপোন আহিছেহ নামি
তীব্ৰ তীব্ৰ এন এটি জ্যোতিৰ বৃহই
বৃবজীৰ মৃত শৰীৰৰ শত ব্যাপ্তিৰ মাজত
বিচাৰি ফুৰিছোঁগৈ কোনো এক মুহূর্তৰ
এক পিতা, পিতা হৈয়ো সম্রাট বিজন
সম্রাট হলেও পিতা।

ধৃতৰাষ্ট্ৰৰ জীৱনৰ এই কাৰুণ্য ক আবেগে, কৌশলী কৰিৰ কাপেদি নিগত হে'ৰ। অন্ধৰাজৰ অনুতাপে পাঠকৰ অন্তৰ গভীৰ ভাবে স্পর্শ কৰি যায়। পিতা আৰু সম্রাটৰ দ্বৈত ভূমিকাত অৱতীৰ্ণ হৈ ভুল কৰা দূৰ অতীতৰ এই অন্ধ সম্রাটলৈ সকাৰে পুতৌ ওপজে। অনুতপ্ত হৃদয়েৰে তেওঁ যি ক'লে তাৰ পৰা অনুমান হয় যে তেওঁ অন্ধ চকুহালৰ ধাৰত এখনি উদাৰ অন্তৰ আছিল। যিখন অন্তৰে তেওঁৰ অতীতৰ ভুল ধৰিব পাৰিছিল। সাম্প্ৰতিকে তেওঁ লিখি উলিওৱা ৰামায়ণৰ দস্যু ৰত্নাকৰৰ archetypeত ৰচিত **'ৰত্নাকৰৰ দুঃস্বপ্ন'** নামৰ কবিতাত স্পষ্ট ৰহস্যৰ নতুন ব্যাখ্যা সম্বলিত এক উপাদেয় কাব্যসম্ভাৰ আগবঢ়াইছে। আধুনিক বিজ্ঞানভিত্তিক সভ্যতাৰ প্ৰভাৱে গভীৰ মনন আৰু সংশয়ৰ দ্বিধাৰে ভাৱাক্ৰান্ত কৰা কৰিৰ অন্তৰে সৃষ্টি আৰু কামজ পৰিবৃদ্ধিৰ মাজত বিৰাট ব্যৱধান দেখা পাইছে।

"ধৱন পুৰাণৰ পৰা উঠি আহিল স্ৰষ্টা
কণ্ঠত নির্লিপ্ত উচ্ছ্বাস
মই স্ৰষ্টা। মই জন্মা নাই কোনো পিতাৰ কামনাৰ পৰা।

মোক সৃষ্টি কৰিছে

মোৰ মাতৃয়ে অতৃপ্ত বঞ্চনাৰপৰা।

তোমালোকে যাক সৃষ্টি বোলা সি কেৱল কামজ পৰিবৃদ্ধি।

মই ঘোষণা কৰিছো নতুন সৃষ্টি নিৰ্মাণ।

সকলো চপৌৰুষেয় পদাৰ্থই জড়

সকলো ঐশ্বৰ্য্যই স্থাণু

তোমালোকে তাতে তাক আহৰণ কৰি আনিবা

পৰিৰ অপৰাজিত বসুন্ধৰা

পৃথিৱীৰ সুন্দৰ পৰা

পৰিবৃদ্ধিহীন, অম্লান, চ্যুতিময়

তোমালোকে এই দেখুৱাই দিম

পদাৰ্থৰ মাজত নিহিত শক্তিৰ উৎস

সক্ষম সন্তান, ক্ৰমস্থ কুশল

ৰূপান্তৰৰ যাৰ বিকাশ

বিনিময়ৰ মূল্যৰে যি মূল্যান্বিত

নিৰ্মাণেই যাত সৃষ্টি।

(মাহেকীয়া কবিতা, ফেব্ৰুৱাৰী ১৯১৪)

অবকিউছুৰ দ'বে এক একান্ত স্বতন্ত্ৰ দৰ্শনৰ পোষকতা কৰি কৰিয়ে, এতিয়া পূৰ্ণতাৰ অভিমুখে যাত্ৰা কৰি নিকতৰ সংশয়ৰ সতে মুখামুখি হৈছে। পদাৰ্থৰ ৰূপান্তৰণ কাৰ্য্যত ঈশ্বৰৰ অৱদান বিচাৰি কৰিব মন তীব্ৰ সংশয়ত উদ্বিগ্ন।

"মোৰ অন্ধকাৰ কোটৰত

শম্ভু আৰু ঈশ্বৰৰ গভীৰত

অনুভৱ কৰো। বস্তু পিণ্ডৰ আলোড়ন

মোৰ কণ্ঠৰপৰা নিগৰি এলোৱা বাণী যেন পদাৰ্থৰ ৰূপান্তৰ

সি জানো নিৰিক্ত হ'ব ঈশ্বৰৰ বাঁধোৱে?

যি পূণতাৰ অভিমুখে গতিহীন বেগেৰে মই যাত্ৰা কৰিছো

সেই বাক্তিত নৱজন্ম মোৰ পৰিবৃদ্ধি নে পৰিবৰ্তন?

কাক মই গ্ৰহণ কৰিম?

বস্তুৰ অম্লান দ্যুতি নে শক্তিৰ চিৰন্তন নশ্বৰতা ?
সৃষ্টি নে নিৰ্বাণ—কাক মই ভোট দিম ?"

সকলোজন পাঠকৰ অন্তৰত সহজে সমানুভূতিৰ সৃষ্টি কৰিব নোৱাৰা এই 'ৰত্নাকৰৰ দুঃস্বপ্ন' কবিতাটি কিন্তু নৱকান্ত বৰুৱাৰ জটিল কবিতাসমূহৰ অন্যতম বুলি ক'ব পাৰি। সেয়ে হলেও, জটিলতাৰ বেৰা এবাৰ কবিৰ আপোন ভাৱৰাজ্যত প্ৰৱেশ কৰিব পাৰিলে দেখা যায় যে, এই কবিতা যুগজয়ী প্ৰতিভাৰো স্বাক্ষৰ। এই কবিতাত কবিৰ চেতনা আৰু অভিজ্ঞতাই এক বিশাল কেনভাচ জুৰি বহিছে। ইতিহাস চেতনা, বিজ্ঞান-চেতনা, সৃষ্টি-ৰহস্যৰ সন্ধান আৰু শিল্প কৰ্মৰ হেতু আদি বিভিন্ন ভাব আৰু চেতনাৰ দ্বাৰা ই পৰিপুষ্ট হৈছে। "মানৱ চেতনাৰ কিছুমান দাবী বা প্ৰয়োজন আছে আৰু সেইবোৰৰ পৰিপ্ৰেক্ষিততহে চেতনাই অভিজ্ঞতাৰ মূল্য নিৰ্ণয় কৰে আৰু তাৰ ভিত্তিতহে অন্তৰত নানা অনুভূতিৰ মূৰ্চ্ছনা উঠে। বাস্তৱতাক কবিয়ে কেৱল বাস্তৱতা বুলিয়ে নকয়, তাক নিৰ্মম বা নিষ্ঠুৰ বাস্তৱতা বা অন্য কোনো আবেগময় বিশেষণ দিহে দেখে। কবি হৃদয়ে নিজৰ ভিতৰত থকা দাবীৰ, প্ৰেৰণাৰ, কল্পনাৰ বা আদৰ্শৰ লগত বাস্তৱক বিজাইহে সেই বিশেষণ দিয়ে। গতিকে কবিতাত বাস্তৱৰ উপৰিও অন্তৰ-বাঞ্ছিত কোনো আদৰ্শৰ বা জীৱনৰ মহত্ত্ববোধৰ প্ৰেৰণা, সঙ্কেত বা পটভূমি থাকে। কবি-হৃদয়ত এই জীৱনৰ মূল্যবোধৰ পটভূমিয়েই কবিতাৰ মূল্য নিৰ্ণয় কৰে।"* আধুনিক জীৱনৰ মূল্যবোধৰ পটভূমিত বিচাৰ কৰিলে, সেইবাবে এই কবিতাৰ মূল্য অসীম বুলি পৰিগণিত হয়।

বুৰঞ্জী, সমসাময়িক ৰাজনীতি আৰু দৰ্শন এই সকলোবিলাকেই নৱকান্ত বৰুৱাৰ কবিতাক সমৃদ্ধ কৰিছে। তেওঁৰ কবিতাবোৰৰ মাজে মাজে এনে কিছুমান থৰৰ আছে যিবোৰৰ উপলব্ধি গভীৰ বুদ্ধিনিষ্ঠাৰ জৰিয়তেহে বুজা সম্ভৱপৰ। তেওঁৰ কবিতাৰ পৰিবেশ আৰু পৰিবেশন ৰীতিলৈ চাই কেতিয়াবা মনত হয় যে ৰবীন্দ্ৰনাথ, টি এচ ইলিয়ট ৰুচিয়াৰ কবি মায়াকোভস্কি আৰু লেবাননৰ কবি খলিল জিব্ৰান আদিৰ কাব্যকৃতিৰ লগত নৱকান্ত বৰুৱাৰ আন্তৰিকতা আছে। দেশ-বিদেশৰ কোনোবা কবিৰ প্ৰতিভাৰ ব'হালিয়ে সামান্যকৈ চুই গলেও এটা কথা কিন্তু ঠিক যে নৱকান্ত

* ভবানন্দ দত্ত / অসমীয়া কবিতাৰ কাহিনী ১ম সং, পৃ ৭৫।

বৰুৱাৰ কাব্যসম্পদ সম্পূর্ণ মৌলিক। প্ৰতিভাৰ স্বকীয়। নৱকান্তৰ কাব্য শৈলী বিচিত্ৰ। তেওঁৰ শব্দচয়ন বৈচিত্ৰ্যপূর্ণ। তেওঁৰ কাব্য ছন্দিত শব্দসমূহে কেতিয়া বা উচ্চাঙ্গ সংগীতৰ অনুভূতি দান কৰে। কেতিয়াবা সেই-বিলাক হৈ পৰে জটিল আৰু দুৰ্বোধ্য। [illegible] দেশৰ নানান প্ৰসিদ্ধি আৰু প্ৰসংগৰ কোনো কবিতাৰ পাঠকৰ বোধগম্য নহ'ব পাৰে। মুক্তক ছন্দ আৰু অনিয়মিত ছন্দ উভয়বিধ ছন্দৰ সফল প্ৰয়োগ কৰিছে। চমু কথাত ক'বলৈ গ'লে নৱকান্ত বৰুৱা আধুনিক অসমীয়া কবিতাৰ সাৰ্থক শিল্পী। সাৰ্থকতম শিল্পী

মহেন্দ্ৰ বৰা

আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত কাম কৰা দুজনমান ইংৰাজী অধ্যাপক হ'ল—মহেন্দ্ৰ বৰা। ডিব্ৰুগড় জিলাৰ টিংখাঙত ১৯২৮ চনত জন্মলাভ কৰা মহেন্দ্ৰ বৰাই ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম এ ডিগ্ৰী লাভ কৰে। তেওঁৰ অধ্যাপনাৰ জীৱন আৰম্ভ হয় দৰং কলেজত। ডিব্ৰুগড়ৰ কানৈ কলেজ, গুৱাহাটীৰ কটন কলেজ আদিতে অধ্যাপনা কৰি শ্ৰীবৰাই গোৱালপাৰা কলেজত অধ্যক্ষৰ চাকৰি কৰিছিল। বৰ্তমান তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক। গল্প ৰচনাতো সমানে [illegible], সফল অনুবাদক মহেন্দ্ৰ বৰা এজন ছান্দসিক পণ্ডিত। ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁৰ অসমীয়া ছন্দৰ ওপৰত লিখা পাণ্ডিত্যপূৰ্ণ গৱেষণাৰ বাবে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। বৰাৰ কাব্য সংকলন **জাতিস্মৰ** আৰু **এই নদীয়াদি**। তদুপৰি আধুনিক কালৰ অসমীয়া কবিসকলৰ কবিতাৰ এখন মনোগ্ৰাহী সংকলন **নতুন কবিতা** নামেৰে প্ৰকাশ কৰে। মহেন্দ্ৰ বৰাৰ কাব্য প্ৰতিভাৰ উন্মেষ আৰু বিস্তৃতি হয় চল্লিশৰ দশকৰ শেষৰ বছৰ কেইটাত। প্ৰগতিবাদী কবিসকলৰ দৰে তেওঁৰ কবিতাত সমসাময়িক ৰাজনৈতিক বিপৰ্যয়ৰ চিত্ৰ কম আৰু আনহাতে তেওঁৰ কবিতাত প্ৰতীকৰ যুক্তিনিষ্ঠ সচেতন চেষ্টাও কম বৰাক স্বৰূপাৰ্থত এজন imagist বা চিত্ৰকল্পবাদী বুলি ক'ব পাৰি।

জাতিস্মৰৰ কবিতাবোৰ কিছুমান ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত ৰচিত।

জীৱনৰ বিভিন্ন মুহূৰ্তত বিভিন্ন ক্ৰিয়া প্ৰক্ৰিয়া আৰু ব্যক্তি বিশেষে তেওঁৰ মনৰ ওপৰত যি চাপ বহুৱাইছে তাক তেওঁ আনুভূতিক সৰলভাৱে সৈতে চিত্ৰিত কৰিছে। কোনো এক মুহূৰ্তত কৰা এটা কথাত কোনো এজন ব্যক্তিয়ে যি দৰে প্ৰণয় নিবেদন কৰি গ'ল, হৃদয়ত যি সংবেদনা জন্মালে তাক মুহূৰ্তৰ দৃষ্টিভংগীৰে কবিতাৰ মাধ্যমত কঠাত বন্দী কৰি ৰাখিলে। অভিব্যক্তিৰ নীতি হিচাপে কবিতা তেওঁ লিখিছে সেই সকলোবোৰত অপাৰ আনন্দ আৰু কমনীয়তাৰ স্থিতি আছে। প্ৰেম, বন্ধুত্ব, স্বপ্ন আৰু প্ৰাকৃতিক দৃশ্যাৱলী তেওঁৰ কবিতাৰ সঘন ব্যৱহৃত বস্তু। তেওঁৰ প্ৰেমৰ কবিতা-বিলাকৰ ভিতৰত বিদায় অনন্যমনা, মধুমালতীৰ চিঠি, চকুপানী যযাতি চলিহাৰ আৰু Come my beloved বৰ মৰ্মস্পৰ্শী। বিচ্ছেদৰ আশংকাই কবিক বৰকৈ খুন্দিয়াইছে। বিচ্ছেদৰ চকুপানীৰ ভয়ত সন্ত্ৰস্ত হৈ উঠা তেওঁৰ প্ৰেমিকাক কবিয়ে এইদৰে আশ্বাস দিছে—

"তোমাৰে মোৰে দীঘল নিশাৰ নীৰৱ যন্ত্ৰণাৰ গীতি কবিতাৰ
ছন্দ হেৰোৱাৰ ভয়নাই সো, মনটো মাথোন মাজে মাজে
এনেয়ে দাপোন চাওঁতে চাহাৰ লগে। মধুমালতীৰ মনচুন নাথি
সেই কুণ্ডবাৰ সংযোগ কি গলে, তুমি দুখ নকৰা জানো তুমি?"

(মধুমালতীৰ চিঠি)

জাতিস্মৰ কবিতাত যি মনোৰম চিত্ৰকল্পসমূহ তৈয়াৰ কৰা হৈছে সিবোৰে পাঠকৰ মনত নতুন ভাৱে ক্ৰিয়া কৰে। স্থানীয় বস্তুৰ বৰ্ণনাত, অতীতৰ মধুৰ সৌৰভ আৰু কবিৰ অতীত জীৱনৰ সৌৰভণীয়ে কবিতাটো মধুৰৰ পৰা মধুৰতৰ কৰি তুলিছে। কোনোবা জনমত বালিমাহী আৰু ঘৰ শালিকাৰ ডেউকা পিন্ধি জোনৰ দেশলৈ উৰা মৰাৰ অতীত স্বপ্নই কবিক উন্মনা কৰিছে। জোনৰ কোলত থকা শহা পহু এটা ঘাঁহ খাবলৈ নামি অহাৰ কথাও কবিয়ে জানে।

"নীলচীয়া এটি কণীৰ কুহুম প্ৰাণৰ উমেৰে উমাল কৰি
আকৌ আহিলে। মই বালিমাহী ঘৰ শালিকাৰ ডেউকা পিন্ধি
উৰি গ'লো কি জানিবা চুব পাৰো আকাশৰ কপালত সেন্দুৰৰ ফোঁট
উৰ ল'লো জোনৰ দেশত সোণ শেতেলিত শুই

ব'হাচোন খুটিৰ তলতকৈয়ে মনত পৰিছে মোৰ
জোনৰ কোলাত থকা শহা সহ এটা নামি আহিছিল যাঁহ থাবলৈ।"

(জাতিস্মৰ)

মহেন্দ্ৰ বৰাৰ প্ৰেমৰ পৰিধি বিশাল। সি এই জীৱনৰ পৰা অনন্ত জীৱনলৈকে সামৰিব পাৰে। জীৱন, সময় আৰু প্ৰেম কবিৰ মতে একেটা সুঁতিতে বোৱা বস্তু। অনুভূতিৰ চৰম শিখৰত উঠি কবিয়ে বিস্নোৰ মধুৰ চিত্ৰ আঁকিছে সেইবোৰে পাঠকৰ হৃদয়ত তন্ময়তা আনি দিয়ে। এক শান্তিময় সুস্থিৰ ভাৱাবেগে পাঠকৰ হৃদয় সমাহিত কৰি ৰাখে। মহেন্দ্ৰ বৰাৰ প্ৰিয় কবি হ'ল ডাইলান টমাছ। ডাইলান টমাছৰ দ'ৰে মহেন্দ্ৰ বৰায়ো কবিতা লিখিছে সেই একে সুৰতে—কেতিয়াবা লৌকিক, কেতিয়াবা আধ্যাত্মিক, মাতৃগৰ্ভৰ পৰা কবৰলৈকে, জীৱনৰ আৱৰ্ত্তীৰ পৰা অতিপ্ৰাকৃতলৈকে, সৃষ্টিৰ পৰা ধ্বংসলৈকে বিভিন্ন বিষয়ৰ ওপৰত সিবোৰ পৰিব্যাপ্ত। প্ৰাৰ্থনা, ঈশ্বৰৰ অস্তিত্ব আদি বিষয়ো তেওঁৰ কবিতাত আছে। কিন্তু বৰা ধৰ্মীয় চিন্তাপ্ৰৱণতাৰ কবি নহয়। তেওঁ গুৰুগিৰিও কৰা নাই। কবিতাৰ মাজেদি ইমপ্ৰেচন সৃষ্টি কৰিয়েই তেওঁ সুখ পায়। ডাইলান টমাছৰ কবিতাৰ দ'ৰে বৰাৰ কবিতাতো মৃত্যু সচেতনতা আৰু জীৱনৰ ক্ষণ ভঙ্গুৰতাই বিষণ্ণ কৰি তোলা কবিমনৰ সকৰুণ প্ৰকাশ দেখা যায়। নৰকৰ ভীতি, চিত্ৰগুপ্তৰ তুলাচনীৰ জোখ, যমদূতৰ আগমণ, জীৱনৰ পিয়ল আদি নানান প্ৰতিভাসৰ মাজেদি কবিৰ মৰণ-চেতনা আৰু তজ্জনিত বিষণ্ণতা প্ৰকাশ পাইছে।

জাতীয় আৰু ঐতিহাসিক কাহিনী, সাধুকথা আৰু কিংবদন্তী প্ৰাচীন গ্ৰন্থৰ প্ৰসিদ্ধি আদিৰে তেওঁৰ কবিতাসমূহ পুষ্ট হৈছে। **তেজীমলা, মৎস্য-কন্যা, চাদুবাই, জংগম্লান আৰু ফাউষ্ট** আদি তেওঁৰ কবিতাত myth হৈ ধৰা দিছে। কবিৰ মতে তেজীমলা হ'ল এটি মুক্ত আত্মা যি মানুহৰ নিষ্ঠুৰতা সহ কৰিব নোৱাৰে। কবিয়ে তেওঁৰ কাৰণে এটুকুৰা ব'হতৰা আশ্ৰয়ৰ ঠাই নিৰ্দেশ কৰিছে। তেজীমলাৰ নিৰ্য্যাতনৰ এতিয়া ওৰ পৰিল।" হয়তো প্ৰাচীন কাহিনীৰ তেজীমলাৰ মুক্তিৰ মাজেদিয়েই কবিয়ে অধুনা কালত বহুকথিত নাৰী মুক্তিৰ জয়গানেই গাইছে।

"উভটি আহিবা তুমি-ফুল হৈ নালাগে ফুলিব আৰু
চিৰকাল নালাগে ফুলিব

নাৱেৰে উজাই গ'লে লগ পাম সক এটি পকীঘাট
ঘাটৰ পাৰতে আছে এখনি চোতাল
পূৰ্ৱতী নিশাতে উঠি নালাগে সাৰিব তুমি
বেলিৰ পোহৰে মচে তৰাৰ পোহৰে ধোৱে
কৰকাল এখনি চোতাল
ঢেঁকীতো নেলাগে থ'ব তোমাৰ ভৰিৰ পতা
সোণৰ শালত বহি তুমি যাথো বৈ লবা
এসাজ মেখেলা বিছা আঁচু দিবা সোণৰ সুতাৰে

উভটি আহিবা তুমি ফুল হৈ নেলাগে ফুলিব আৰু
চিৰকাল নেলাগে ফুলিব

(তেজীমলা)

প্ৰাচীন আখ্যানৰ চাম্বৰাইক আনি কবিয়ে সমস্ত সাহসিকতাৰ প্ৰতীক কৰি ঠিয় কৰাইছে। আনহাতে কাউণ্ট হ'ল মানুহৰ চিৰন্তন জ্ঞানৰ অপৰিপক্কতাৰ এক জলন্ত প্ৰতীক। প্ৰাচীন মহাদেশীয় প্ৰসিদ্ধিক আনি এক নিভাঁজ অসমীয়া ৰূপত গঢ় দি কবিয়ে এক কাব্যিক দাৰ্শনিকতাৰ ভাগী কৰি কাউণ্টক চিত্ৰিত কৰিছে। মানুহৰ জ্ঞানৰ সাধনা চিৰন্তন অপূৰ্ণ হৈ থাকে যিহেতু মানুহৰ জীৱন মৃত্যুৰ প্ৰেমত বন্দী আৰু কেতিয়াবা কোনো মুহূৰ্তত জ্ঞানৰ প্ৰয়োজনহীনতাই স্বতঃস্ফূৰ্তভাৱে অন্তৰত ধৰা দিয়েহি। পৰিচিত জগতৰ মাজৰ পৰা অপৰিচিত জগতলৈ যাবৰ বাবে যেতিয়া আহ্বান আহে তেতিয়া জ্ঞানৰ এৰখাৰ প্ৰয়োজন অথবা সময়েই বা কত? কবিৰ কাউণ্টে সেয়ে কৈছে:—

"• • • •

তনা সূচিকাৰ নিজকে নিজেই পূৰিছো ইমান দিনে
বাতুৰ বেদৰ সেই মহজ্ঞান পুনি হোৱানাই লেৰ
বাকী থকা এই টুকুৰাজোখৰ দুবাই নিয়াহি তুমি
মোৰ বাবে তুমি নেলাগে আনিব নতুন একান কৰ
পোহৰৰ আৰু নাই প্ৰয়োজন পাইছো পোহৰ মই

খিৰিকি খনেৰে বেলিটোৱে আহি যাচিছেহি মোক
হুগুনি হুগুনি পাহৰি পেলোৱা সুহুৰি এটাৰে।”

(কাউই)

নৈৰ archetype অৰে সৈতে তেওঁ কেইবাটাও কবিতা সজ্জিত হৈছে। অন্ততঃ তিনিটা কবিতাৰ নামটোতে নদীৰ উল্লেখ আছে।- এই নদীয়েদি, অপৰূপ এই নদী আৰু ইতিকথা নদী আৰু মানুহৰ এই কবিতাত্ৰয়ত নদীৰ বিশিষ্ট ভূমিকা উল্লেখযোগ্য। জন্ম আৰু মৃত্যুৰ গিৰিশৃঙ্গক নেওচি বৈ যোৱা জীৱনপ্ৰবাহৰ অখণ্ডনীয় সোঁতৰ archetypal প্ৰকাশ হ'ল এই নদী। নদীৰ সোঁতৰ গতি যিদ'ৰে অবিচ্ছিন্ন মানুহৰ জীৱন সোঁতৰ গতিও সেই একেদ'ৰে চিৰপ্ৰবাহমান। নৈৰ সোঁতৰ জিৰণিৰ সময় নাই—আৰু আহিছে মানুহ গৈছে মানুহ—মানুহ সোঁতৰেই বা ব্যতিক্ৰম ক'ত? [illegible] তাৰ উৎপত্তিৰ উৎস বা গতিৰ শেষ লক্ষ্যস্থল ক'ত তাক ভাবি মূৰ নঘমাই। মানুহৰ জীৱনো অনেকদূৰ তেনেকুৱাই। শাশ্বত গতিধৰি মানুহৰ জীৱন সোঁত চলমান। নিৰ্বিকাৰ।

* * *

সন্ধ্যা হ'লে এই নদীয়েদি ভাহি যায়
পুৰি যোৱা জীৱনৰ এমুঠি চিতাৰ ছাই
গোমা গধূলিৰ সতে লাহে লাহে নামি আহে
ছাঁমায়া কুঁৱলীৰ ধোঁৱলীয়া ৰাতিৰ আভাস
অপৰূপ এই নদী
ইয়াৰ বুকুতে আছে জীৱনৰ কলতান মৰণৰ নীৰৱ আবৃত্তি।”

(অপৰূপ এই নদী)

সময়ে সময়ে বৰাৰ কবিতাত এটা ইঙ্গিতপূৰ্ণ চিন্তাকুল সুৰ বাজি উঠে। আৰু তাৰ লগত তেওঁৰ বিচিত্ৰ বৰ্ণনাভঙ্গী জড়িত হৈ মধুৰ ব্যঞ্জনাৰ সৃষ্টি কৰে। তেওঁৰ ছন্দৰ ভাজে ভাজে সাংগীতিক সুষম লয় ব্যাপি থাকে যিটোৱে পাঠকৰ প্ৰথম দৃষ্টিতে মোহিনী মাৰি তেৰা লগাই লয়। যদিও মহেন্দ্ৰ বৰা আধুনিক কবি, যদিও আধুনিকতাই তেওঁৰ শ্ৰেষ্ঠ কীৰ্ত্তি তথাপিও তেওঁৰ কবিতা সম্পূৰ্ণভাৱে ৰোমান্টিক গুণগুণনিৰ পৰা মুক্ত নহয়। সাংগীতিক

গীতিময়তা আৰু ৰোমাণ্টিক চঞ্চলতা দুয়ো লগলাগি তেওঁৰ চঞ্চলতা কবিতাক এক মধুৰ আমেজেৰে ভৰাই তুলিছে।

"মোৰ বাগানত ফুল ফুলা নাই
এপাহ মাথোন পপি
উমান লওঁতে বতাহ অহাৰ
ফুলটো উঠিল কঁপি

সময় নহয় কওঁ কেনেক'ই
ফাগুন আহিল বুলি
এই বতাহৰ আমেজ ইমান
মনটো উঠিল দুলি

মনৰ মাজত উঠিল জ্বলি
মধুৰ হাঁহিৰ ৰেখা
দূৰ সুদূৰৰ সাগৰ পাৰত
এবাৰ মাথোন দেখা

* * *

মোৰ বাগানত ফুলৰ অভাৱ
এপাহ মাথোন পপি
উমান লওঁতে কোমল খোজৰ
মনটো উঠিল কঁপি।"

বৰ্ণাঢ্য উপমা, সাঙ্গীতিক লয় আৰু ৰোমাণ্টিক অনুভূতিৰ প্ৰভাৱত কবিতাটি পাঠকৰ অন্তৰত এবাৰ সোমোৱাৰ প'ছত ওলাবলৈ বাট বিচাৰি বিফল হয়। আধুনিক কবিতাৰ মাজে মাজে আহি পৰা ৰোমাণ্টিক প্ৰতীকবাদ আৰু মহাদেশীয় কবিতাত সিম্বলৰ পূৰ্ণ পয়োভৰ ৰবাই আন্তৰিকতাৰে লক্ষ্য কৰিছিল। ৰবাৰ কাব্যকৃতিৰ কেনভাচখন বৰ বহল। অত্যাধুনিক কংক্ৰিট কবিতা, লিমাৰিক আৰু হাইকু প্ৰভৃতিৰ কবিতাও তেওঁ লিখিছে। তেওঁ অসমীয়া আৰু ইংৰাজী উভয় ভাষাৰ সমন্বয় ঘটাই শব্দবোধক অধিকতৰ পটু আৰু অধিক হাস্যমাধুৰী কৰি তোলাৰো চেষ্টা কৰে।

"আছিল একজনী মিচ লেডী টাইপিষ্ট
ভুল কৰি কপি কৰে ভোটাৰৰ লিষ্ট
ষোচ খাই কিচমিচ্
হ'ল তাই ডিচমিচ্
গালি পাৰে চাহাবক পঘা থোৱা বীষ্ট্"

ৰোমাণ্টিক যুগৰ কবি লক্ষ্মীনাথ বেজবৰুৱাইও অসমীয়া শব্দৰ মাজে মাজে ইংৰাজী শব্দ সুমুৱাই কেইটামান কবিতাত হাস্যৰসৰ অৱতাৰণা কৰিবলৈ চেষ্টা কৰিছিল। কবি মহেন্দ্ৰ বৰাই এই কৌশলটো তেওঁৰেই পৰা শিকিলেনেকি ?

মহেন্দ্ৰ বৰাৰ সাৰ্থক সৃষ্টি কি ? এই প্ৰশ্নটো যদি মোক কোনোবাই কৰে—তেতিয়াহলে মই কম নিসন্দেহে 'ফাউষ্ট'। ২৬৮ লাইনত সজ্জিত হোৱা এই কবিতাটোত প্ৰকাশ পাইছে কবিৰ বিক্ষিপ্ত বিষণ্নতা, ৰোমাণ্টিকতা, আপোনাৰ প্ৰতি পুজো, নিউৰটিক চিন্তাৰ অসংলগ্নতা, জীৱন আৰু মৃত্যুৰ দ্বান্দ্বিক ব্যাখ্যা আৰু এক বিমূৰ্ত সংশয়। অশান্তি আৰু সন্দেহৰ বাটে বাটে কবিৰ গতি। সন্দেহ এই নিষ্ঠুৰ জগতত কবিৰ নিজ জীৱনৰ মূল্য কি তাৰ অৱস্থিতিয়েই বা কিমান মূল্যবান ? প্ৰাচীন myth আৰু archetype অৰো সমাবেশ কৰি কবিয়ে কবিতাটো ওজস্বী কৰি তুলিছে। নিসঙ্গ তাৰে জীৱনৰ যাত্ৰা পথত বাট বোলা কবিয়ে লুচিকাৰক মাগিছে সাহায্য আৰু উপদেশ বিচাৰি। বিজ্ঞান আৰু যুক্তিবাদী দৰ্শনে বহুতৰ জীৱনৰ আনন্দ হৰণ কৰিছে। microscope এটাৰ মাজেদি নিজৰ অন্তৰখন চাই কবিয়ে দেখিছে যে তেওঁৰ হৃদয় বোলা বস্তুটো কেৱল "ঠাল ঠেঙুলিৰে ওলোটা একোপা গছ মাথোন।" কবিক আধুনিক জীৱন আৰু জগতৰ তুচ্ছতা আৰু অসাৰতাই আমুৰাইছে। তেওঁ এতিয়া অতীতলৈ উলটি যাবলৈ বিচাৰে যি অতীত সত্য আৰু সুন্দৰৰ, বিশ্বাস আৰু গভীৰ নিষ্ঠাৰ।

হৰি বৰকাকতি

আধুনিক কবিতাৰ বুদ্ধিনিষ্ঠ জটিলতা আৰু প্ৰগতিবাদী আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ মাজত থিয় দি কবি হৰি বৰকাকতিয়ে ৰোমাণ্টিক মধুৰতাক বুকাই

আনিবলৈ বিচাৰিলে। উজনি অসমৰ ভুমভুমাত জন্মলোৱা বৰকাকতিয়ে ১৯৪৭ চনত কটন কলেজৰ পৰা বি এ পাছ কৰে আৰু ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা দর্শন শাস্ত্ৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। অলপ দিন অধ্যাপনা কৰি অসম প্ৰশাসনীয় সেৱাত যোগ দিয়ে। বর্তমান শ্ৰীবৰকাকতি এজন উচ্চ পদস্থ চৰকাৰী বিষয়া। বৰকাকতি পঞ্চাশৰ দশকৰ কবি। ৰামধেনুৰ জৰিয়তে তেওঁৰ কাব্য প্ৰতিভাৰ উন্মেষ হয়। ১৯৭০ চনত প্ৰথম প্ৰকাশিত কোনোবা নীতৰ এটা বগা সন্ধ্যাত তেওঁৰ একমাত্ৰ কাব্য সংকলন।

বৰকাকতিয়ে আধুনিক অসমীয়া কবিতাৰ পৰা বিচ্ছিন্ন হৈ পৰা ৰোমান্টিক আবেগৰ সুৰ পুনৰ প্ৰবৰ্তন কৰে। কিন্তু ৰোমান্টিক যুগৰ কবিসকলৰ সৈতে তেওঁৰ কবিমানসৰ হুবহু মিল পোৱা নাযায়। মহেন্দ্ৰ বৰাৰ কবিতাত যি এটা ৰোমান্টিক অভিব্যক্তিবাদৰ আমেজ আছে এনেধৰণৰ আমেজ এটা বৰকাকতিৰ কবিতাতো পোৱা যায়। কিন্তু বৰকাকতি যুগ আৰু সমাজ সচেতন কবি। তেওঁ নিজৰ যুগৰ বিসঙ্গতি, ম'বাৰি আৰু কোপোলা আভিজাত্য ভাল দ'ৰে চিনি পায়। বহুজনৰ সমাদৃত প্ৰিয়াৰ চিঠি নামৰ কবিতাত তেওঁ, তেওঁৰ প্ৰেয়সীৰ স্বাৰ্থ সৰ্বস্বতা আৰু প্ৰৱঞ্চনাক উদঙাই দেখুৱাইছে। প্ৰেমিক কবিলৈ তেওঁৰ প্ৰেয়সীয়ে দিয়া চিঠিখন কাৰ্বন কপিৰ সপ্তম নকল মাথোন।

> "কাজলবৰ্ণীয়া চকু ৰাতিৰ দুহাতে সোণ ধৰিছে যদাই
> তুমি শুই পৰা সোণ, তুমি শুই পৰা।
> ৰাতি সাৰে থক। আৰু সাৰে থক
> সাতখন কাৰ্বনৰ শেষৰ পৃষ্ঠাত লিখা
> তোমাৰ প্ৰথম প্ৰেম। এপিটাফ বিজয়ী প্ৰেমৰ।"
>
> (নতুন কবিতা, পৃ ২৮)

সন্ধ্যি নামৰ কবিতাত কবিৰ আকুল হেপাহ তেওঁৰ প্ৰিয়তমাৰ প্ৰতি তীব্ৰগতিত ধাবিত হৈছে। ৰোমান্টিক অনুভূতিৰ তীব্ৰ প্ৰকাশ ইয়াত আছে। প্ৰেয়সীৰ প্ৰতি কবিৰ আকুল আহ্বান। পুনৰাবৃত্তিৰ জৰিয়তে এক আলংকাৰিক পৰিবেশ বৰ্ণাঢ্য হৈ দেখা দিছে।

"তুমি আঁহা সোণপাহী
এয়েই সময়,
এয়েই সময় সোণ'
এয়েই সময়।'

ৰোমাণ্টিক ভাৱবিলাসী স্বপ্নাতুৰ কবিৰ বাবে এনেধৰণৰ আশা আৰু এনে আপুৰুগীয়া ভাষা তেওঁলোকৰ নিজস্ব সম্পদ। আধুনিক যুগমানসৰ উপযোগীকৈ বৰকাকতিয়ে নতুন নতুন উপমা, ৰূপক আদি অলংকাৰৰ আৰু নতুন ধৰণৰ শব্দচয়নৰ সমাবেশ ঘটাইছিল। তলত বৰকাকতিৰ কবিতাৰ ভেনে কিছুমান উদাহৰণ দাঙি ধৰা হ'ল।

(১) 'ভুজবঙা ব্লাউজৰ অপাৰ সমুদ্ৰ।
(২) বন্ধ্যা চাহাবাৰীত সন্ধ্যা নামিছে স'উ
(৩) এটা যেন ম'হৰ শিংৰ দ'ৰে জান দুপা কোনো বাৰ বনিতাৰ খিৰিকিত জঁৰ, আৰু চাৰি মহলাৰ।
(৪) [illegible] হৰিণী চকুৰ অপৰূপ [illegible]।
(৫) মোৰ ধমনীৰ তেজত উতলা চোতাৰ চেণ্টিগ্ৰেড।
(৬) শিৰা মাজ ইঁহে, অভিধান কৰ' কয়।

বীৰেশ্বৰ বৰুৱা : দীনেশ গোস্বামী

বীৰেশ্বৰ বৰুৱা আৰু দীনেশ গোস্বামী যদিও আধুনিক কবি তথাপি তেওঁলোকৰ কাব্যবীণাত ৰোমাণ্টিকতাৰ সুৰ অধিক তীব্ৰ, অধিক প্ৰকট। দুয়োজনেই উচ্চ শিক্ষিত আৰু দুয়োজনেই অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়া। নিৰ্জন নাগৰিক আৰু আলোড়িত অন্তৰৰ মন লৈ বীৰেশ্বৰ বৰুৱা আৰু দীনেশ গোস্বামীৰ কবিতাৰ সৃজন। বীৰেশ্বৰ বৰুৱা এজন ইমপ্ৰেচনিষ্ট কবি। প্ৰেম, প্ৰকৃতি, বন্ধুত্ব, সৌন্দৰ্য আদি নানান ভাৱৰ প্ৰতীত ইমপ্ৰেচনেৰে তেওঁৰ কবিতাসমূহ সমৃদ্ধ। তেওঁৰ কবিতাৰ ভাষা সৰল। বুদ্ধিনিষ্ঠ বাগাড়ম্বৰ সিবোৰত নাই আৰু তেওঁৰ বৰ্ণনাৰ ভঙ্গীও মিহি আৰু তৃপ্তিদায়ক। মুক্তক ছন্দ আৰু সময়ে সময়ে পৰ্য্যায়ৰ মিল থকা অনুপ্ৰাস যুক্ত মিলিতাক্ষ ছন্দ সজ্জাও তেওঁ ব্যৱহাৰ কৰিছে। চিন্তাৰ সৰসতা, প্ৰকাশৰ নিৰ্ভীকতা আৰু অনুভূতিৰ উদাৰতা বীৰেশ্বৰ বৰুৱাৰ কবিতাত লক্ষণীয় বিষয়। [illegible] সংস্তাৰ ফল-

কাৰখানা, চিম্‌নিৰ ধোঁৱা আৰু শ্ৰেণী সংগ্ৰামৰ বিষবাষ্পৰ পৰা আঁতৰি তেওঁ প্ৰকৃতিৰ বুকুত, নদীৰ অন্তৰংগতাত, পাহাৰৰ লগত নিবিড় আত্মীয়তাত বান্ধখাই থাকিব বিচাৰে। তেওঁ জান দুবি-পাহাৰৰ, বসন্তৰ, মেঘদূতৰ সৌন্দৰ্য্য লৈ কবিতা লিখিছে, যি মুহূৰ্তত তেওঁৰ সমসাময়িক কৱিসকলে ব্যস্ত ৰাজপথ, কোলাহলপূৰ্ণ মহানগৰী আৰু আনৱিক যুদ্ধৰ কথা গাইছে। প্ৰত্যাবৰ্ত্তনৰ গান নামৰ কবিতাত কবিয়ে প্ৰকৃতিৰ উমাল মৰমী বুকুত আশ্ৰয় লৈছেগৈ

"এতিয়া চোৱাৰ পাল জীৱনৰ প্ৰান্তৰে প্ৰান্তৰে
ঘাঁহৰ সেউজী আভা, ধানৰ সোণালী ৰং
হালধীয়া পখী যেন সৰিয়হ ফুলবোৰ,
ফাগুনৰ উতলা বাসনা
বৰ্ষাৰ ক্লান্তিৰ সুৰ, ডাউকীৰ ক্ৰন্দৰৰ, সন্ধ্যাৰ আন্ধাৰ
আৰু বন গে লাপৰ ডালে ডালে কেতেকীৰ
ফুল হৈ সুগন্ধা পেহবোৰ
এতিয়া চোৱাৰ পাল ধুমুহাৰ ফাঁকে ফাঁকে নিয়ন আলোক
ফুল আৰু পখিলাৰ জাক
পৃথিৱীৰ বাটে বাটে বনৰীয়া ফুলৰ সুৰভি।

এনেধৰণৰ সংবেদন, প্ৰকৃতিৰ এনেকুৱা নিবিড় আত্মীয়তাৰ সৈতে জড়িত হোৱাৰ বাসনা আগৰ যুগৰ ৰোমান্টিক কৱিৰ অন্তৰৰ নিত্য সম্পদ আছিল। কিন্তু বীৰেশ্বৰ বৰুৱাৰ ৰচনা ৰীতিত ময়াচিত নিশালতা নাই, বৰ্ণনাৰ সংযম সিবোৰত স্পষ্ট। সামাজিক সচেতনতাৰ প্ৰকাশ হোৱা বীৰেশ্বৰ বৰুৱাৰ একমাত্ৰ কবিতাটো হল জন্মৰ আগৰ প্ৰাৰ্থনা। এই কবিতাত কৱিয়ে উপলব্ধি কৰিছে যে আধুনিক সভ্যতাৰ কুৎস্ন মহানগৰবোৰেই আধুনিক জীৱন যাত্ৰা দুৰ্বহ কৰি তুলিছে আৰু সেইবাবে কবিয়ে ঈশ্বৰক খাটিছে যেন একে পলকতে তেওঁ মহানগৰবোৰ ধ্বংস কৰি দিয়ে।

দীনেশ গোস্বামীৰ কবিতাত সন্নিবিষ্ট হৈছে প্ৰেম, সৌন্দৰ্য্য আৰু প্ৰকৃতিৰ বিভিন্ন প্ৰবাহ। দীনেশ গোস্বামীৰ দৃষ্টিবহুল আৰু ৰোমান্টিক আবেগৰ বশবৰ্তী হলেও তেওঁৰ কবিতাত আধুনিক সভ্যতাৰ বিপৰ্য্যয় আৰু বিসঙ্গতি সমূহৰ ঢোকা সমালোচনা মাজে মাজে ধৰা পৰে। দলিল কবিতাত কবিয়ে

আৱৰ্জনাময় বপ্পাবিষ্ট নগৰ জীৱনক ধিক্কাৰ দিছে। নগৰ কেন্দ্ৰিক যান্ত্ৰিক সভ্যতাৰ অভিঘাত এই কবিতাত স্পষ্টকৈ ধৰা পৰিছে। ৰোমাণ্টিক আবেগ সম্ভূত পূৰ্বৰাগ আদি কবিতাত দেখা পোৱা ওজস্বীতাই কবি দীনেশ গোস্বামীৰ আপোন বৈশিষ্ট্য। পূৰ্বৰাগ কবিতাত কবি গোস্বামীয়ে তেওঁৰ প্ৰেয়সীৰ চকুৰ "নাৰ্জিফুলৰ হাঁহি" আনি পাঠককো বিলাইছে। এই কবিতাত ৰোমাণ্টিক আবিলতাৰ পৰা বাস্তৱৰ কঠোৰতালৈ প্ৰব্ৰজনৰ ক্ষিপ্ৰ আভাস আছে।

"হে মানসী মোৰ,
তোমাৰ চকুৰ নাৰ্জি ফুলৰ হাঁহি
মোৰ চকুতো এবাৰ দৈ যোৱা।
তোমাৰ নাম শুনিছিলো কোনদিনা,
সেই গধূলিৰ স্মৃতি এতিয়াও মোৰ হৃদয়ত
শিলালিপিৰ দ'ৰে আছে লেখা .
আদিগন্ত চঞ্চলতা, নিৰ্মেঘ আকাশ
এটি দুটি তৰা জ্বলে।"

এই ৰোমাণ্টিক স্মৃতি-চাৰণৰ পিচত কবিৰ উত্তৰণ হৈছে বাস্তৱৰ যথাৰ্থ সত্যলৈ। জীৱন আৰু জগতৰ নৱজন্মৰ আশ্বাস দি কবিয়ে এতিয়া প্ৰেয়সীক কৈছে .

"ভয় কিহৰ মানসী, ভয় কৰা কিয় ?
* * * *
আজি মই বিচাৰি পালে।
জীৱনৰ বাবে মৰা জনতাৰ কত শত ভুল
নকৰিবা কোনোভয়, নতুন আশ্বাস
আজি মই তোমাক আকৌ দিছো,
অনেক জন্মৰ পাচত নৱ এক জন্মৰ সূচনা
মেৰে মেৰে আজি চোৱা।
স্তিমিত চেতনা আজি জাগি উঠ পুনু
(প্ৰত্যেকৰ অন্তৰে অন্তৰে
একে সুৰ, একে ভাষা একে অনুভূতি

জীৱনৰ বাবে মৰা জনতাৰ ভূম।)
মুখ তুলি চোৱা।
জীৱনৰ উত্তাপ আৰু সোণালী ধানৰ স্বপ্ন
আঁকিলোৱা চকুত এবাৰ।"

এই সকলোবোৰ কোৱা'ৰ পাছতো কিন্তু এটা কথা ক'ব লাগিব। কবি বীৰেশ্বৰ বৰুৱা, দীনেশ গোস্বামী, হৰি বৰকাকতি আদিৰ কবিতাত প্ৰকৃতিৰ লগত ৰজা আত্মীয়তাৰ সুৰটোৱেহে পাঠকক অধিক আকৃষ্ট কৰে। আৰু সেইবাবে কোনো কোনো সমালোচকে, তেওঁলোকক আধুনিক কবিৰ স্বীকৃতি দিয়াত উদাৰতা দেখুৱাব নোখোজে। কিন্তু এইটো কথা মনত ৰখা ভাল যে, আধুনিক কবিতাৰ প্ৰকৃতিৰ লগত কোনো বিৰোধ নাই। এইখিনিতে আধুনিক কালৰ ভাৰতীয় সমালোচক সকলৰ অন্যতম ড বিনায়ক কৃষ্ণ গোকাকৰ মন্তব্য এটি তুলি দিয়াৰ হেঁপাহ এৰাব নোৱাৰিলো—"Again, it is not necessary that a poet should reject sunsets and sunrises and peacocks and nightingales and direct himself to computers and caravelles and neutrons and electrons Computers, caravelles, neutrons and electrons are, no doubt, the Peculiar heritage of modern times and their use for purpose of poetic imagery is a part of modern sensibility But we should not forget that sunsets and sunrises and peococks and nightingales have persisted in their grandeur, beauty and melody even in the modern world and are as modern as computers A writer may have his own predilection for modern imagery and his poetry will be more relevant to the modern world on that account A poet who writes almost exclusively about sunsets, peococks and nightingales, forgetting the great achievements of modern man, will naturally cease to be modern, loose his relevance to the modern world But this does not mean that sunsets, peacocks and nightingales should be kept out of one's poetry Every writer, even a modernistic writer, has to be

aware of the totality of life Modernity consists neither in being a modernist nor in being a modernicide It consists in just being modern, aware of the problems and pressures of one's times—without forgetting to be human, that is, aware of the perenial values that persist through the ages "* আৰু এনে এক দৃষ্টি সন্মুখত ৰাখি বিচাৰ কৰিলেহে আমি প্ৰকৃতি আৰু ৰোমাণ্টিকতাৰ কালে হালি পৰা কবিসকলৰ স্বৰূপ উপলব্ধি কৰিব পাৰোঁ।

বীৰেন্দ্ৰনাথ বৰকটকী

বীৰেন্দ্ৰনাথ বৰকটকীয়ে পছোৱা আলোচনীৰ দিনতে আধুনিক অসমীয়া কবিতাৰ ৰংগমঞ্চত প্ৰৱেশ কৰে। বৰকটকীয়ে সুদীৰ্ঘ কাল ধৰি কবিতা লিখিছে। কিন্তু তেওঁৰ কাব্যিক একিলিয়েচন এতিয়াও নিৰ্ণিত হোৱা নাই। ইমপ্ৰেচনিষ্ট-ইমাজিষ্টসকলৰ লগতেই তেওঁৰ মিল অধিক হলেও মাজে সময়ে তেওঁৰ কবিতাত প্ৰগতিবাদ আৰু প্ৰতীকবাদৰ এনে মোহন মূৰ্চ্ছনা শুনা যায় যে একে আষাৰে তেওঁক এটা নিৰ্দিষ্ট থূপত ৰাখিব নোৱাৰি। কেতিয়াবা ৰোমাণ্টিক আবেগৰ বিজুলী এচাটিয়েও তেওঁৰ কবিতাত খেলি যায়হি। মন্বন্তৰ (১৯৫৭) বৰকটকীৰ একমাত্ৰ কাব্য সংকলন

বৰকটকীৰ ইতিহাস সচেতনতা মন কৰিবলগীয়া। মন্বন্তৰ নামৰ কবিতাত তেওঁ ভাৰতবৰ্ষত হোৱা মানবীয় সভ্যতাৰ প্ৰগতিৰ সুন্দৰ অভিলেখ দাঙি ধৰিছে। ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতিষ্ঠাপক কৃষ্ণ আৰু বুদ্ধ আদি মহামানৱসকলৰ অৱদান তেওঁ শ্ৰদ্ধাৰে সুঁৱৰিছে। সুন্দৰৰ কলাকাৰ শ্ৰীকৃষ্ণৰ অন্যায়ৰ কুৰুক্ষেত্ৰত ন্যায়ৰ জয়ডঙ্কা বজোৱা কাৰ্য্য আৰু শাক্যমুনি গৌতমৰ মহতী প্ৰতিভা আধুনিক কবি বৰকটকীৰ হাতত সুপ্ৰতিভাত হৈছে।

"দুষ্কৃতিৰ কুৰুক্ষেত্ৰ জিনি
সুকুমাৰ কৃষ্ণ জয় হয়
বুদ্ধই সপোন দেখে অনাদিযুগৰ।

* Modernity and Contemporary Indian Literature, P 265

হিমালয় উচ্চ শিখৰত
তুষাৰ মানৱে শুনে
পৃথিৱীৰ উৰ্বৰা ভূমিক
মুখৰিত কৰি গোৱা
মানুহৰ সমদল গান।
নদীৰ মৰমে বাচে
মানুহক জয়ৰ উল্লাস
দুহাতেৰে ধৰি থকা [illegible]কবোৰ খহিপৰে
ভীখাৰ পৰীক্ষা হয়, মানুহৰ মৰমী বুকুত
মন আৰু বাস্তৱৰ সৰাইঘাটত।"

(মন্বন্তৰ পৃ ২)

প্ৰাণগঙ্গাৰ বন্দৰ নামৰ কবিতাত কবি বৰকটকীয়ে নিজৰ আৰু আগন্তুক জনতাৰ বাবেও এখন নতুন পৃথিৱীৰ স্বপ্ন দেখিছে। কবিয়ে দেখিছে—জীৱনৰ অনুৰ্বৰ প্ৰান্তৰসমূহ উৰ্বৰকৈ তুলিব পৰা বিভিন্ন উপাদান এতিয়াও বিদ্যমান। নতুন পৃথিৱীৰ কামনা কৰিলেও বৰকটকীৰ স্বপ্ন প্ৰগতিবাদীসকলৰ সমানে উজ্জ্বল নহয়। বৰকটকীৰ কবিতাৰ ভাষা সৰল, শব্দচয়ন সুষম আৰু বৌদ্ধিক কাৰসাজিৰে ভূষিত নহয়। লোকৰঞ্জনৰ ফালৰ পৰা বৰকটকীৰ কবিতাৰ দাম বেছি। তেওঁৰ কিছুমান কবিতা সহজ অৰ্থত ক'বলৈ গ'লে drawing room অৰ কবিতা।

কল্লোল, দিনপঞ্জিকাৰ পাণ্ডুলিপি, মহাসাগৰৰ সেতু আদি কবিতাত এক ৰোমান্টিক সুষমতা বিৰাজমান। কল্লোল কবিতাত কবিয়ে ৰোমান্টিক প্ৰণয় কবি সকলৰ দ'ৰেই কলঙ পাৰৰ প্ৰেমৰঙা স্মৃতিৰ পলাশ ফুটালিছে:

"জীৱনৰ উপকণ্ঠত কল্লোল কিহৰ ?
প্ৰেমৰঙা স্মৃতি জানো কলঙ পাৰৰ
সপোনৰ মাধুৰীৰ পলাশ বনৰ
ভৰাবছা আকাশৰ শাৰদী জোনৰ ?
মনৰ দিগৌৰ বুকু ফাগুনে কপালে
কল্পনাৰ কঁহুৱাৰ অলেখ পাপৰি

ঊৰি ঊৰি শূন্যত মিলিল
জীৱনৰ পথ বঁকা গুৰুতৰা পথহাৰা হ'ল।
সময়ৰ সাগৰত অবিৰাম প্ৰশ্নৰ জোৱাৰ
অলকাপুৰীৰ ১ ৰ মেনকা সুন্দৰী
সাৰ পাই তুঁ গ উচুপি উঠিল।
বসন্তৰ ফুলি উ ৰ ফুলনিত***"

(মন্বন্তৰ, পৃ ২১)

হোমেন বৰগোহাঁই

কথাসাহিত্যিক আৰু সাংবাদিক হোমেন বৰগোহাঁয়ে এসময়ত কবিতা লিখিছিল। সংখ্যাৰ ফালৰ পৰা তেওঁৰ কবিতা কম কিন্তু গুণৰ ফালৰ পৰা সিহঁতৰ মূল্য অধিক। তেওঁৰ কবিতাবিলাকৰ সৰহভাগেই নিৰ্জন মনৰ গভীৰতাৰ পৰা ওলোৱা। অনিকেত মনোভাব, দেহজ কামনা, প্ৰতিষ্ঠিত মূল্যবোধত সংশয়, প্ৰেমৰ শৰীৰ সৰ্বস্ব ৰূপৰ প্ৰত্যক্ষীকৰণ, মাৰ্ক্সীয় চিন্তাধাৰাৰ আভাষ আদি বিভিন্ন উপাদানেৰে হোমেন বৰগোহাঁইৰ কবিতা সমৃদ্ধ হৈছে। অৰণ্য, ৰাতি, সাপ, মহানগৰ আদি কবিতাত প্ৰতীক আৰু বেঁধিৰ গভীৰ প্ৰভাৱ পৰিলক্ষিত হয়। প্ৰতীকি দুৰ্বোধ্যতাই তেওঁৰ এই চাৰিটা কবিতাক আচ্ছন্ন কৰি তুলিছে। একেদ'ৰে অৰ্জুনৰ বিশ্বৰূপ দৰ্শন ভাৰতীয় ধৰ্মশাস্ত্ৰৰ আধাৰত ৰচিত হোৱা অত্যাধুনিক মানুহৰ জীৱন যাত্ৰাৰ কৰুণ নিৰ্বেদ উপলব্ধি। আনহাতে তেওঁৰ শেহতীয়া ৰচনা মোৰ আইতা আদি কবিতাত অভিব্যক্তিবাদী সৰলতা ফুটি উঠিছে। কবিৰ আইতা সনাতন সৰলতাৰ এটি জলন্ত প্ৰতিমূৰ্তি। পঢ়াশালি নেদেখা গাৱৰ চাৰিসীমা পাৰ নোহোৱা কবিৰ মাতৃৰজনিয়তেই কবিয়ে বিশ্বদীক্ষা লাভ কৰিছে। বৰ্ণনা-ৰীতিত এনে এটা মধুৰ উপাদান আছে যিটোৱে পাঠকক সহজে আকৃষ্ট কৰি পেলায়। জীৱন মৃত্যু, ঈশ্বৰৰ অস্তিত্ব, দেহজ প্ৰেম আদি ভাৱ চিন্তাক ফ্ৰয়েডীয় অৱলম্বিত চেতনাৰ লগত গাঁঠি'ল কৰিয়ে কবিতাসমূহ ৰূপ দিছে। মৃত্যুৰ আশংকাই অন্ততঃ তিনিটা কবিতাত—(অৰণ্য, ৰাতি আৰু মহানগৰ) কবিক বিমোৰত পেলাইছে। জীৱন আৰু পৃথিৱীৰ প্ৰতি কবিৰ অপাৰ

মৰম, অসীম ভালপোৱা। সেয়েহে মৃত্যুৰে তেওঁক এই পৃথিৱীৰ পৰা আঁতৰাই নিয়ে বুলি কৱিৰ উৎকট ভয়। কৱিৰ কাৰণে জীৱন বাস্তৱ আৰু সাৰ্থক। কৱি বৰগোঁহায়ে তেওঁৰ কৱিতাসমূহত ইন্দ্ৰিয়ানুভূতিৰ পৰিসৰ বৃদ্ধি কৰিছে। বিকল্প কবিতাত কৱিয়ে পৰম আশ্ৰয় বিচাৰি পাইছে নাৰী মাংসত, তৰা, ফুল আৰু ৰাত্তিৰ আকাশত।

> "নাৰীৰ দেহৰ উম, ফুল, তৰা ৰাত্তিৰ আকাশ
> মহত্তা দাৱেৰে কিনা সুকোমল তোমাৰ মস্তক
> খুব বেচি দৰকাৰ জীৱনত ইবোৰ বস্তৰ
> হ'ব পাৰে পূৰ্ণতাৰ ঈশ্বৰৰ অসীম বিৰহ।"
>
> (নতুন কৱিতা, পৃ ৫৬)

ড মহেন্দ্ৰ বৰাই হোমেন বৰগোহাঞিৰ কৱিতাৰ প্ৰসঙ্গত কৈছে— বৰগোহাঞিয়ে প্ৰতীকবাদী কৱিসকলৰ দ'ৰে বৰ্ণবহুল শব্দ ব্যঞ্জনাৰে সৃষ্টি কৰে এক ৰহস্যময় জগত। আত্মাৰ গভীৰ কন্দৰত সেই জগত। সেইখন মিষ্টিক জগতত আছে মানুহৰ মনৰ গভীৰতম বেদনা—অন্ধকাৰ কামনা, অৰণ্য-প্ৰীতি আৰু এক মৃত্যুৰ আকাংক্ষা। লৰেন্সৰ জগতখনৰ দ'ৰে আছে এটা মোহময়, আবেশময় মাদকতা সনা সুৰভি। কিন্তু তাত নাই যৌনিক বেদনা, তাত নাই কগ্ন মনস্তত্ত্ব। সেই পৃথিৱীৰ কাল্পনিক মূল্যবোধ আমাৰ পৃথিৱীৰ নৈতিকতাৰ তুলাচনীৰে জখিব নোৱাৰি। সেইবাবে তেওঁৰ কাব্যত যৌনগন্ধী প্ৰতীকপুঞ্জত অযৌন নিৰ্য্যাস পোৱা যায়।"

সময়ে সময়ে বুদ্ধিনিষ্ঠ প্ৰাসঙ্গিক উল্লেখেৰে তেওঁৰ কৱিতা ভাৰাক্ৰান্ত হৈ পৰে। মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ পৰা তেওঁৰ ওফেলিয়া কৱিতা বৰ মূল্যবান। আধুনিক যুগৰ নিউৰ'টিক নাৰীৰ প্ৰতিনিধি হ'ল ওফেলিয়া। এই আধুনিক নাৰী ওফেলিয়াই জীৱনৰ বিস্তৃত ঐশ্বৰ্য্য দেখিছে, আধুনিক সভ্যতা আৰু সংস্কৃতিৰ কত কঠিন সংঘাত দেখিছে আৰু নিয়তিৰ নিৰ্মম তাড়না উপভোগ কৰিছে। বহু বৈচিত্ৰ্যপূৰ্ণ আধুনিক জগতখনত তাইৰ জীৱনৰ কোনো মূল্য নাই আৰু তাইৰ প্ৰাৰ্থনা-নিৰৰ্থক আকুতি মাথোন তাক শুনোতা কোনো নাই। তাইৰ বাবে জীৱনটো এটা দুঃস্বপ্ন—এটা nightmare। হয়তো তেওঁলোক যুগসন্ধিৰ বলি। এই ওফেলিয়া দলে

আশা কৰে যেচি, পায় কম। আৰু এক নিউৰ'টিক আত্ম-প্ৰত্যয় লৈ জীয়াই থাকে। কবিয়ে এই ওৱেষ্টেৰ্ণৰ্য় দলৰ-মানসচিত্ৰ সুন্দৰ ভাৱে আঁকিছে.

"চকুত টোপনি নাই, ঈশ্বৰো, নীল সমুদ্ৰৰ
হৃদয় অস্থিৰ আজি, কোন সেয়া আছে চুপি চুপি,
আপোন আত্মাৰ ভীতি, সেয়া কি প্ৰেতৰ ছায়া, প্ৰীতি
নৰকণ স্থিত, এনচিনোৱৰ উজাগৰ***
জ্যোতি নাই হৃদয়ৰ বাহিৰে, ভিতৰে, সেয়ে
এতিয়া প্ৰাৰ্থনা কৰা, মগ্ন চৈতন্যৰ এন্ধাৰত
আছেনেকি উৰসীৰ উদাত্ত আলোক বাণী কিবা
পৰম সত্তাৰ, থাক দেখা যায় তিমিৰ ৰাত্ৰিৰ
দীৰ্ঘপথ পাৰহৈ পাপক্লান্ত আপোন আত্মাৰ
অথবা বিকল্প যিবা, শিষে মৃত্যু মানবিকতাৰ
শান্তিৰ আশ্বাস নাই, জীৱনৰ ধ্ৰুপদী বিশ্বাস
আত্মাৰ ঐতিহ্য, প্ৰেম, বিষ যন্ত্ৰণাত জৰ্জৰ
বুদ্ধিৰ আলোক ব্যৰ্থ, অৰ্থহীন কৰ্মৰ প্ৰেৰণা
সঁচা নেকি নিয়তিৰ একমাত্ৰ অমোঘ সংকেত ?
প্ৰশ্নকৰ –(দেহৰ বিলাস বৃথা), হোৱা সন্ন্যাসিনী
উন্মাদিনী ? সিও ভাল—গোৱা গান প্ৰাচীন দিনৰ
প্ৰেতাকীৰ্ণ এন্ধাৰত ৰুদ্ধশ্বাস এনচিনোৱৰ
জীৱন দুঃস্বপ্ন মাথো, মৃত্যু ? সিও নিষ্ফল আশ্বাস।'*

কবি ডাইলান টমাছৰ কবিতাত নিশ্চিত হোৱা জন্ম মৃত্যুৰ ধাৰণা আৰু যৌনতাৰ উত্তাপ বৰগোহাঞিৰ কবিতাৰ মাজতো মাজে সময়ে ভুমুকি মাৰেহি। মনোবিজ্ঞানী য়ুঙৰ মানৱ-মনৰ archetype বিলাকেও তেওঁৰ কবিতাত আশ্ৰয় পাইছে। তেওঁৰ কবিতাত এটা সংযম পোৱা যায় আৰু পোৱা যায় প্ৰাচীনতাৰ পৰা আঁতৰি আহিবলৈ কৰা সুন্দৰ সকৰুণ চেষ্টা। পৰিবেশন ৰীতিত তেওঁ সৰহভাগ গদ্য ছন্দকে ব্যৱহাৰ কৰিছে। কিন্তু তাতে অনুপ্ৰাসৰ কৌশল লৈ শেহৰ বৰ্ণৰ মিলৰ চ ড়তে এটি ধ্বন্যানুপ্ৰাসিক সমতা স্থাপন কৰিব পাৰে। এদিন কবি দেৱকান্ত বৰুৱাই তেওঁৰ কবিতাসমূহত

এই কৌশল ঘটুৱাইছিল। কবি ৰবগোঁহায়ে তেওঁৰ কবিতাবোৰতো প্রতি বাক্যৰ গতিৰ লেহুত সাঙ্গীতিক লয় আৰু অনুপ্রাসৰ মালিচ দি নিমজ কৰি তুলিবৰ চেষ্টা কৰিছিল।

"*　　　　*　　　　*　　　　*

উন্মাদৰ দ'ৰে মই ভাল পাওঁ ৰাতিৰ এই বক্তৰাত অন্ধকাৰ,
যেনেকৈ ভালপাওঁ এটি মন, আলকাতৰাৰ দ'ৰে গাৰ বং কোনো এক বেশ্যাৰ।
স্বপ্নৰ অৰণ্যত বিচৰণশীল এটি উজ্জ্বল সোণালী সাপ
তাৰ চৌপাশ ঘেৰি এক সোনালী স্তব্ধতা, দুঃসহ বিস্ময়, আৰু উত্তাপ
অন্ধকাৰ আৰু অন্ধকাৰ
মই ভাল পাওঁ ৰাতিৰ দ'ৰে কোনো এক বেশ্যাৰ
গলিত হৃদয় যেন, মৃত্যু আৰু সৌন্দর্য্যৰ এই সমাহাৰ।"

চৈয়দ আব্দুল মালিক

জয়ন্তী-পছোৱা যুগটোতে আধুনিক কবিতাৰ পাতনি তৰা অন্য এজন কবি হ'ল চৈয়দ আব্দুল মালিক। তেওঁ প্রগতিবাদী চিন্তাধাৰাৰে আধুনিকতাৰ শুভাৰম্ভ কৰিছিল। মালিকৰ কবিতাত বৈবিধ্য আছে। তাৰাহুভূতিৰ উজ্জ্বল বং আছে, আৰু আছে মার্ক্সীয় চিন্তাধাৰাৰ প্রতি সঁচা আবেগ। মালিক শ্রেণী সচেতন কবি, মধ্যবিত্ত শ্রেণী জীৱনৰ কোপোলা নীতি সর্বস্বতা, তুৱা আদর্শ আৰু ভণ্ডামি তেওঁ বঢ়িয়াকৈ লিপিবদ্ধ কৰিছে। মধ্যবিত্তৰ সন্তানৰ কোনো চৰিত্র নাই সি সর্বহাৰা জনতাৰ আগতো দৌৰে আৰু পুঁজিপতি প্রভুৰ পিছতো দৌৰে। দ্বিতীয় মহাযুদ্ধ, দেশৰ ৰাজনৈতিক অভ্যুত্থান স্বাধীনতা সংগ্রাম, পৰিবর্তিত মূল্যবোধ আদিৰ বেহুত সোমাই আধুনিক মধ্যবিত্তই পেপুঁৱা লাগি খেলুৱাবিৰ হাতৰ বান্দৰৰ দৰে পৰিস্থিতিয়ে যিহকে কৰিবলৈ কয় তাকে কৰি কোনো মতে বাচি থাকে।

"উত্তম নহয়, অধম নহয়, মই মধ্যবিত্ত
অদ্ভুত মই, কিম্ভূত মই আদর্শবাদৰ ভৃত্য।
লযোণত ঘূৰা কমিউনিষ্টক চুৰকৈ থুৱাওঁ ভাত
বকবা মেধি কংগ্রেছীকো জনাও প্রণিপাত।***

চহিয়েলিষ্টক মিঠা ভাষাৰে জনাও সম্ভাষণ,
লীগৰ লিডাৰ আহমদকো বাচোঁ আসনখন।...
কেপিটেলিষ্ট কংগ্ৰেছ ৰাজৰ যোৰ নিন্দা কৰোঁ
জৱাহৰলাল অহা শুনিলে চাবলৈ লৰ ধৰোঁ।
ঘৈনীৰ গহনা বন্ধকত থৈ ত্ৰয়িংকম চেট কিনোঁ,
ৰেডিঅ'ৰ কথা নভবাকৈ নেযায় এটি দিনো।
আপত্তিহীন নেপটিজমে ভাৰত নিলে তল,
চোৰাং বজাৰৰ অত্যাচাৰত স্বাধীনতা ৰসাতল।
ঘোচখোৰ আৰু মুনাফা খোৰৰ অবাধ স্বাধীনতা,
ৰামৰাজ্যৰ ৰাৰহাত জালৰ চাৰে তেৰহাত কটা।
ল'ৰাটোলৈ চাকৰি বিচাৰি প্ৰাইভেট চিঠি লেখোঁ
চৰ্কাৰী দোকানৰ পাৰ্মিট বিচাৰি লাভৰ সপোন দেখোঁ।
বেৰত আঁৰো ফ'ৰ্ডৰ ছবি, পঢ়োঁ কাৰ্ল মাৰ্ক্স,
হিচাপ কৰোঁ কিমান হৈছে বিফিউজিৰ ইনফ্লাক্স।
দুকুৰিটকীয়া চাকৰি কৰি, কোৰিয়াৰ যুদ্ধ ভাবোঁ
তৰ্ক কৰোঁ মাও-চে-তুং কোন, কোন এটলী বাবু।
ছয় বগফুট ঘৰত থাকি, অসীম ঈশ্বৰ ভাবোঁ
ধৰ্মশাস্ত্ৰৰ নাম নুশুনো, গোসাইৰ আগত কাবু।
চিন্তৰ কমালত ঢেকীয়া বান্ধোঁ, কাগজত বান্ধোঁ মাছ,
পেটত জ্বালা, মুখত হাঁহি, ফটুৱা ভৰিৰ নাচ।
আদৰ্শবাদৰ তৰ্কসভাত শানিত যুক্তিধাৰি,
কংগ্ৰেছমাৰ্কা চেণ্ডেল পিন্ধি উঠোঁ মটৰ গাড়ী।
ভণ্ড নহওঁ, চণ্ড নহওঁ, বিবেক বিশ্বাৰ ওজা।
দুৰ্বল মই মধ্যবিত্ত সভ্যতাৰ মহাবোজা।
ধনীদলৰ পাশাখেলত মই জয়ৰ পচিশ
গৰীবদলৰ আন্দোলনৰ মহয়ে নকল নবিশ।"

(ৰামধেনু, ৭ৰ্থ ব, ২য় সং, পৃ ১৯৮)

দ্বিতীয় মহাযুদ্ধৰ পৰবৰ্ত্তী আৰু ভাৰতৰ স্বাধীনতা লাভৰ পূৰ্বতীৰ কালছোৱাৰ অসমীয়া উচ্চ মধ্যবিত্ত সম্প্ৰদায়ৰ জীৱনৰ নিখুঁত চানেকি এই কবিতা। এনে

মধ্যবিত্তৰ কোনো চৰিত্ৰ নাই, তাৰ মেৰুদণ্ডৰ নমনীয়তা অতি তীব্ৰ। মধ্যবিত্তৰ জীৱনৰ এই ভণ্ডামি সহৰিকৈ ‘দেখুৱাই কবিয়ে তেওঁলোকৰ প্ৰতি তীব্ৰ কটাক্ষ হানিছে। অসমীয়া মধ্যবিত্তৰ আত্মজনাময় জীৱনৰ প্ৰতি কটাক্ষ হানি এদিন কবি প্ৰসন্নলাল চৌধুৰীয়েও তীব্ৰবোধত জ্বলি উঠিছিল—

"কোন অকিচন্ত কাকত লিখিলি
ফাইলৰ বোজা ভুলি উভতিলি—
মানে অপমানে ভৰা হেৰ' ক্ৰীতদাস!
হেৰা শিক্ষিত ভাণ্ডৰীয়া দল

মনৰ বাস্ত হলেৰে সুধালে, নিজকে কাৰাল পৰ
অপমান তোৰ গৌৰৱ হ'ল লজ্জা অলঙ্কাৰ,
ভাইৰ বুকুৰ তেজ শোহা তোৰ ব্যৱসা হ'ল
পীডিত মাতাৰ বুকেদি চলালি লাহ বিলাহৰ গধুৰ কল ”

ভাণ্ডোনধৰা অসমীয়া মধ্যবিত্তৰ জীৱনৰ প্ৰকাশত জুয়োজন কৱিৰ পাৰ-দৰ্শীতা সমানে লক্ষণীয়।

একেদ'ৰেই নিম্ন মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ কাৰুণ্য আৰু নিৰ্য্যাতন দেখা যায় তেওঁৰ অন্য কবিতাবোৰকত। প্ৰেমৰ পৰিবৰ্ত্তিত মূল্যবোধ আৰু অৰ্থ-নৈতিক অস্থিৰতা আৰু আধুনিক মানুহৰ জীৱনৰ বিসঙ্গতিয়ে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ পৰা অহা এজন কেৰেণীক কি শিকাইছে তাক ধুনীয়াকৈ প্ৰকাশ কৰিছে ফুল শয্যাৰ ৰাতি কবিতাত ফুল শয্যাৰ ৰাতি প্ৰেমিক কেৰেণীয়ে প্ৰিয়াক সম্ভাষণ কৰি কৈছে—

"সাদিন পাছত শেষ হব ছুটি
আঁতৰা আঁতৰি হ'ম আমি দুটি
তোমাৰ হাতত ৰব চক ছাই
মোৰ হাত কলা কলম ডিয়াই।
কাগজত মই আঁক পাৰি যাম
এহাতেৰে মচি কপালৰ ঘাম

সেই আঁকবোৰ তুমি আৰু মোৰ
কপালতো হ'ব লেখা
যদি ছুটি দিয়ে যুৰি কাগুনত
হব পুনবায় দেখা।"

কবিতাটিত জীয়া বাস্তৱ আৰু কেচা মৰম দুয়ো একেলগ হৈছে। যুদ্ধ পূর্বযুগত প্রেমে ইমান কঠোৰ বাস্তৱৰ মুখামুখি হ'ব লগা কোনো দিনেই নহৈছিল। দ্বিতীয় মহাযুদ্ধই ভাৰতবৰ্ষ আৰু অসমৰো সমাজ জীৱনত বহুধা পৰিবৰ্তন সাধিলে।

গণতন্ত্ৰৰ নামত ৰাজনীতিৰ তালি-তাপলি মাৰি (Political patch workings) দেশৰ জনতাৰ অৱস্থা পানীত হাঁহ নচৰা কৰা আধুনিক ব্যৱস্থা কবিয়ে ভাল নেপায়। এনে ধৰণৰ গণতন্ত্ৰই কবিক আমুৰাইছে। আৰু সেয়েহে আধুনিক মহাদেশীয় কবি লুই আৰাগ, স্পেণ্ডাৰ, অডেন আৰু ইশাৰ উদ প্রভৃতিৰ দ'ৰে তেওঁও সাম্যবাদত-আশ্রয় বিচাৰিছে। কিন্তু কবি মালিকৰ বাবে সাম্যবাদ বৌদ্ধিক আশ্রয়হে ৰাজনীতিৰ চাল নহয়। **মই এটা মৰা মানুহ** নামৰ কবিতাত কবিয়ে পুঁজিপতি প্রভুসকলৰ হাতত নিপীড়িত ভাৰতীয় জনতাৰ কৰুণ ছবি এখন দাঙি ধৰিছে। বুর্জোৱা শ্ৰেণীৰ অত্যাচাৰতেই তেওঁ মৃত্যুৰ মুখলৈ ক্ষণে ক্ষণে আগবাঢ়ি গৈ আছে। কিন্তু মৰিবৰ বাবে তেওঁৰ নিজৰ ইচ্ছা নাই। তেওঁৰ নিজৰ ওপৰত অপাৰ বিশ্বাস। কবিয়ে ভাবে তেওঁ এটা আগ্নেয়গিৰি। তেওঁ এটা জলন্ত ফুলিংগ। সেই ফুলিংগৰ পৰাই এদিন প্রচণ্ড অগ্নিবর্ষণ হব আৰু যি সকলে আজি তেওঁৰ শৱ সংকাৰৰ আয়োজন কৰিছে তেওঁলোককহে পুৰি মাৰিব।

* * *

হঠাৎ মই জ্বলি উঠিম
এডাল শুকান কাঠ জুই হৈ যাব।
মই তপ্ত উজ্জ্বল জুই হৈ যাম—
আৰু মই পুৰি নিম—
ঘৰ—চহৰ—দেশ।
মই এটা মৰা মানুহ।
মই এটা শিল হৈ যাম।

কোনোৱা দিনা—
অন্ধ ক্ৰোধে শিৰত খঁহনি খাই
মোৰ দেহাত ব্যাপ্ত হৈ থকা—
অগ্নিস্ফুলিংগ জমক কৰি জ্বলি উঠিব।
মই জুই হৈ যাম।
মই পুৰি নিম—
ঘৰ—চহৰ—দেশ।
মই এটা মৰা মানুহ।
মোৰ ভিতৰত জুই আছে
অনিৰ্বাণ অগ্নিশিখা।
মোৰ অন্তৰে অন্তৰে আছে
অদৃশ্য দাহিকা শক্তি।
জীৱনৰ অন্তহীন বেদনাৰ জুয়ে
মোক পুৰি মাৰিলে,
মই এটা মৰা মানুহ।

মই জুই হৈ যাম—
আগ্নেয়গিৰিৰ জুই।
যি জুই কাহানিও নুনুমায়।

(ৰামধেনু, ১১ ব, ৩ সং, পৃ ১৭৮-৭৯)

সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি মালিকৰ উদাৰ সহানুভূতি। পেৰলো নেৰুডা আৰু নাজিম হিকমেতৰ দ'ৰে তেওঁ সৰ্বহাৰা শ্ৰেণীৰ সংগ্ৰাম আৰু সংসিদ্ধিৰ ভাগ লব পাৰিছে। মালিকে পেৰলো নেৰুডাৰ কবিতা কিছুমান অসমীয়ালৈ অনুবাদ ও কৰিছে। বেদুইন (১৯৪৬) আৰু [illegible] (১৯৬৪) তেওঁৰ কবিতা সংকলন। কবি বুলি স্বীকৃতি পালেও মালিকৰ যশস্যাৰ প্ৰধান উপকৰণ হ'ল তেওঁৰ গল্প আৰু উপন্যাসসমূহহে। মালিকৰ কবিতাৰ আটাইতকৈ বিশিষ্ট লক্ষণ হ'ল যে সিবোৰ বুদ্ধিনিষ্ঠ দুৰ্বোধ্যতাৰ পৰা মুক্ত। আধুনিকতাৰ

মায়াজালৰ পৰা মুক্ত হৈ ৰোমাণ্টিক সুৰত লিখা মালিকৰ মই অসমীয়া আদি কিছুমান কবিতাই তেওঁৰ জনপ্ৰিয়তা দুগুনে বঢ়াই তুলিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

জনতাৰ কাষত থিয় দি জনতাৰ মুক্তিৰ দাবী কৰা কবিসকলৰ ভিতৰত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ নাম উল্লেখযোগ্য। জয়ন্তী আৰু পছোৱাত তেওঁৰ কবি জীৱনৰ আৰম্ভণী হৈছিল। প্ৰগতিবাদী সুৰেৰে অসমীয়া কাব্যবাণীক সমৃদ্ধ কৰিবলৈ বিচৰা কবি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই নিপেষিত মানুহৰ জয়ৰ আশাৰে আশান্বিত। তেওঁৰ আশাবাদ সবল আৰু গভীৰ বিশ্বাসত— প্ৰোথিত। জনতাৰ সোণালী ভৱিষ্যতৰ দাবী তেওঁ কৰিছে।

"আমি বহুৱাম জনতাৰ দৰবাৰ,
আমি বহুৱাম জনতাৰ চৰকাৰ
পুৰনি দৈন্য দুহাতে পুৰিম নতুন সাহস ঢালি।
শত জাতি মিলি গু ঠিম লগেৰে মহাজীৱনৰ ছবি।
আমি স্বাধীন যুগৰ বিপ্লৱী বীৰৰ দল
মুখত আমাৰ জীৱনৰ বাণী, চকুত সৃষ্টিৰ ঢল।
হাতৰ মুঠিত ধ্বংস গঢ়নৰ আশাৰ বিশাল বল।
তেল কয়লা চাহ বনুৱাই যচাব জীৱনৰ মান।
পাহাৰীয়ে ল ব নিজে জীয়াই থকাৰ সুবিধাৰ মহাদান,
কৃষকে ল'ব নিজে মাটিৰ স্বত্ব, তিৰোতাই লব নিজে মুক্তি।
আমি বচিম জনতাৰ শক্তি
অসম ভূমিত পাতিম আজি মহা সাম্যৰ মেলা।
নতুন অসম, সোণৰ অসম জয় আই অসম বোলা।"

তেল-কয়লা আৰু চাহ বনুৱা, পাহাৰী আৰু ভৈয়ামৰ, পুৰুষ আৰু নাৰীৰ মধুৰ সমন্বয়ত গঢ়ি উঠা আবেগিক ঐক্য সম্ভূত সাম্যবাদী আদৰ্শৰ দ্বাৰা সীমিত এই গীতত কবিৰ উদাৰ দৃষ্টি পোৱা যায়। চল্লিশ আৰু পঞ্চাশৰ দশকত অসমৰ চ'চিয়েলিষ্ট পাৰ্টিৰ লোকসকলৰ মুখে মুখে এই গীতে আখৈ ফুটা দিছিল।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য সমাজবাদী আৰু মানৱতাবাদী। পুঁজিপতি প্ৰভুৰ বিনাশ আৰু সৰ্বহাৰা শ্ৰেণীৰ বিজয় উল্লাস তেওঁৰো কাম্য। কেইটা কবিতাত তেওঁ পুঁজিপতি শোষকৰ ধ্বংস সমাগত বুলি বিজ্ঞপ্তি থাঁপিছে। কবি ভট্টাচাৰ্য্য অধ্যয়ন পুষ্ট মানুহ, জন মঙ্গলৰ বাবে মাৰ্ক্সীয় বুনিয়াদ কেনেকৈ গঢ়িব লাগে তাক তেওঁ জানে। জনতাই তেওঁৰ একমাত্ৰ বন্ধু আৰু তেওঁ-লোকৰ এশ এবুৰি সমস্যা, ঘাম আৰু তেজৰ দামেই কবিৰ স্পন্দন। জনতাৰ আশা আকাংখ্যাৰ, হতাশা আৰু দুৰ্য্যোগক কবিয়ে অমিয়া মাধুৰী দি পাঠকৰ ওচৰ চপাই দিছে। তেওঁৰ বহু প্ৰশংসিত বিষ্ণুৰাভা এতিয়া কিমান ৰাতি কবিতাত বিপ্লৱৰ আহ্বান আৰু এক নতুন ৰঙা ভৱিষ্যতৰ লক্ষ্য নিৰ্দিষ্ট হৈছে। বিষ্ণু ৰাভা—জন শিল্পী বিষ্ণুৰাভা—গণ সংগ্ৰামী বিষ্ণুৰাভা-কমিউনিষ্ট বিষ্ণু ৰাভা—হাজাৰ জনতাৰ বুকুৰ আপোন নেতা বিষ্ণুৰাভা, জনতাৰ এটি মূৰ্ত প্ৰতীক, পুঁজিপতি শাসক আৰু শোষকৰ নিৰ্মম কৰুণ অত্যাচাৰৰ প্ৰতীক বিষ্ণু ৰাভা তেওঁ আজি কাৰাগাৰত বন্দী। চাৰিওফালে আন্ধাৰ। এই পৰিবেশৰ মাজতে কবিতাটোৰে জন্ম লভিছে। কবিয়ে জানিছে আন্ধাৰ আৰু বেছিদিন থাকিব নোৱাৰে—পোহৰ আহিবই (পোহৰ! পোহৰ! উদয়াচলত ৰবি)। পোহৰ আহিছে, আনহে নেলাগে কাৰাগাৰৰ ৰঙা বেৰ বোৰতো 'ডাচ কেপিটেল'ৰ সপোন খোদিত হৈছে। ৰঙা সুৰুযৰ চিকমিকনি দূৰৰ পৰা চকুত পৰে। মুক্তিয়ে দুৱাৰত খুন্দিয়াইছেহি আৰু সঁচা আবেগত জনতাৰ মুখবোৰ ৰঙা হৈছে। মাজৰাতি হাজাৰ হাজাৰ জনতাই শোভাযাত্ৰা কৰি কাৰাগাৰৰ ফালে গৈছে। সিহঁতৰ মুখত পোহৰৰ দাবী। মুক্তিৰ দাবী।

"তুমি য'ত আছা সেই কাৰাগাৰ,
ঠিয় একেখনি ইটাৰ দেৱাল।
আমি য'ত আছো বৰপোতাশাল
শত নাগ পাশে বন্ধা।

তোমাৰে আমাৰে বিহু সম্মিলন হ'বলৈ বেলি নাই,
হিয়া হালধিৰে দেহমন ধুই,
আমি গোট খাম,
নৱজীৱনৰ পূজা।

বিষ্ণু ৰাভা লোৱা ঘূৰণীয়া বেলি,
ৰঙা মুখ ফুটে গঁচা আৱেগত,
মুক্তিৰ কঁপনি।
শেহ নিশা লৈইয়া অখ্যাত জনৰ সমদল সমাগত
সমস্বৰে ফুটে পোহৰ। পোহৰ ॥
জীৱনৰ জয়ধ্বনি।”

(বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি ?)

চৈয়দ আব্দুল মালিকৰ দ’ৰে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰো কথা সাহিত্যইহে প্ৰতিভাৰ প্ৰথম স্বাক্ষৰ।

ৰাম গগৈ

জীৱন আৰু কাব্য উভয়তে মাৰ্ক্সীয় চিন্তা প্ৰবাহক আদৰি লোৱা কবি ৰাম গগৈৰ **মাটিৰ স্বপ্ন** নামৰ কাব্য সংকলনত জনতাৰ মুক্তি সংগ্ৰামৰ আৰু এক বৈপ্লবিক মানৱ তন্ত্ৰ প্ৰতিষ্ঠাৰ সপোন আছে। কবিয়ে বিপ্লৱৰ বাটলৈ জনতাক উদ্বুদ্ধ কৰিবলৈ বিচাৰিছে। কবিৰ ইতিহাস চেতনাও মাৰ্ক্সীয় দৰ্শনৰ অনুগামী। **ইতিহাস** নামৰ কবিতাত কবি গগৈয়ে ইতিহাসক **শ্ৰেণী চেতনাৰে যৌত মুক্ত তৰোৱাল** বুলি অভিহিত কৰিছে। মাৰ্ক্স আৰু এঙ্গেলছলৈ লাল চালাম আগবঢ়োৱা কবি ৰাম গগৈয়ে জনতাৰ হে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মানৱ দৰদী এই নেতা দুজনলৈ শ্ৰদ্ধা আগবঢ়াইছে আৰু জনাইছে যে বিপ্লৱৰ বাটে বাটে তেজৰঙা ফুল গোটাবলৈ তেওঁলোক সাজু।

ইতিহাস এটা মহৎ শক্তি। কিন্তু এই মহৎ শক্তিৰো বাহন হ’ল সমাজ। সমাজক বাদ দি ইতিহাসৰো মূল্য নাই। গতিকে ইতিহাসৰ নিৰ্দেশ মানি সামাজিক শ্ৰেণী বৈষম্য আঁতৰাই সৰ্বহাৰা শ্ৰেণীৰ অধিকাৰ এদিন সাব্যস্ত হ’বই।

কেশৱ মহন্ত

নতুন সমাজ ব্যৱস্থা আদৰি আনিবলৈ এক বৈপ্লবিক পৰিবৰ্তনৰ প্ৰয়োজন সঘনে অনুভূত হৈছে কবি কেশৱ মহন্তৰ কবিতাত। গীত ৰচক আৰু কবি,

ম হৈ একালত প্ৰেছিডেন্সী দেশৰ কলিকতা অফিচৰ সহযোগী সম্পাদক আছিল। বৰ্তমান তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ লগত জড়িত আৰু গুৱাহাটী ভোলা থকা কলেজৰ পাৰ্টটাইম লেকচাৰাৰ।

পূৰণি পৃথিবী খনকে নতুনকৈ চাবলৈ যি বুদ্ধি আৰু আন্তৰিকতাৰ প্ৰয়োজন হয় সেইখিনি কবি মহন্তৰ আছে। তেওঁৰ কবিতাত প্ৰগতিবাদৰ সুৰ খুব স্পষ্ট। আজাৰ পৃথিৱী নামৰ কাব্য গ্ৰন্থত তেওঁ এখন নতুন পৃথিৱীৰ সন্ধান কৰিছে। নতুন পোহৰেৰে উদ্ভাসিত হৈ উঠা মেহনতী জনতাৰ কাৰণে এক সঁচা আশ্ৰয়ৰ পৃথিৱী কবিয়ে সন্ধান কৰিছে। আজাৰ আৰু পোহৰ কবিতাত কবিৰ সহানুভূতি জাগি উঠিছে শোষক শ্ৰেণীৰ ৰথচক্ৰৰ তলত পৰি থকা কুষ্ঠৰোগী, বেশ্যা, মুচি, মদখাই মাতাল হোৱা চাহ-বাগানৰ কুলি আদিৰ প্ৰতি। কবিৰ দৰদ বিস্তৃত তেওঁলোকৰ সংগ্ৰাম আৰু সমস্যা সমূহলৈ। কবি কেশৱ মহন্তৰ প্ৰগতিবাদৰ সুৰ অনেক দূৰ কৰি অমূল্য বৰুৱাৰ নব্য মানৱতাবাদৰ কাষে কাষে গৈছে। তেওঁ জনতাৰ মোহ-ভঙ্গ হোৱাটো বিচাৰে। সেইবাবে জনতাৰ জীৱনৰ এশ এটা বিপৰ্যয় আৰ্থিক নিস্বতা, বঞ্চনা আৰু লাঞ্ছনা উদঙাই দেখুৱাই জনতাক মোহভঙ্গ কৰাব খুজিছে। সুবিধাবাদী শ্ৰেণীৰ ভুৱা-চুৰিত তৈয়াৰ হোৱা জাতি-ধৰ্ম সম্প্ৰদায়ৰ বিভাজনকো কবিয়ে আঁতৰাব বিচাৰিছে। কবিৰ মনৰ পৰিধি বহল। স্বদেশ আৰু স্বজাতিৰ মুক্তিৰ কথা গায়েই তেওঁ শান্ত থকা নাই। আফ্ৰিকাৰ সমস্যা জৰ্জৰ নিগ্ৰো জনতাকো কবিয়ে দুইভপৰীয়া মৰমেৰে সাৱটি লৈছে। ৰাজনৈতিক ছল চক্ৰান্তত পৰি নিৰ্য্যাতিত হোৱা মানুহ এটাৰ জীৱনৰ মূল্য পৰুৱা এটাৰ সমান। সাম্ৰাজ্যবাদী শোষক, উৎপীড়কৰ হাতত পাশাগুটি হৈ সৰ্বহাৰা সাধাৰণ মানুহে নিৰ্যাতন ভোগে। এই নিৰ্যাতন আফ্ৰিকাৰ পৰা অসমলৈকে বিস্তৃত। ৰাজনৈতিক চক্ৰান্তই থকা সৰকা কৰা আফ্ৰিকাৰ জনতাৰ লগত কবিয়ে নিজৰ অন্তৰৰ মিল পাইছে। পুঁজিপতি সাম্ৰাজ্যবাদী অত্যাচাৰী-ইতৰ হাতত পেষ্টিহ দুখুৱাই ভোগ কৰা নিৰ্যাতনৰ ছবি তেওঁ আঁকিছে। কবিয়ে নতুন যুগৰ নতুন জোনক আহ্বান জনাইছে যাতে পৃথিৱীৰ বিপৰ্যস্ত জনপ্ৰবাহে, লাঞ্ছিত আৰু অপমানিত মানৱাত্মাই নতুন পোহৰৰ সন্ধান পায়।

পাঁহীৰ নামৰ কবিতাত কবিয়ে আগন্তুক ৰঙা সুৰুযৰ আগমন লক্ষ্য কৰিছে। তেওঁ চাৰিওফালৰ সৰ্বহাৰা শ্ৰেণীৰ ছবি অঁকাত পটু। এওঁৰ

নিষ অসমীয়া কৃষকৰ দুখ লগা জীৱনটো তেওঁ পাঠকৰ আগত এনে'ৰে দাঙি ধৰিছে—

"টিংবাই ডবলীৰ তিনি পুৰা মাটি
বছৰটো খাটি
ঘিথিনি ভাগত পৰে, তাৰে হেনো
শাওঁনতে টেকেলি কাতি।
বাকী চাৰিমাহ হেনো খিকাৰ লাগে
ইমান খাটনি খাটি লাভ হ'ল কি ?
এনেকৈ থকাতকৈ মৰাৱেই ভাল বুলি
ভাবিলেও থেতি কৰে ঘুৰি বছৰত
নহলেনো বাক
মৰো বুলি নাৰ্জিলে জীলে খাব কি ?

(সোণজিৰা মাহীৰ নাতী)

কেশৱ মহন্তই প্ৰতীকি কবিতাৰো অনুশীলন কৰিছে। চিত্ৰলেখা আৰু ছাঁই আদি এনেধৰণৰ নাম আৰু দাম থকা প্ৰতীকি কবিতা। 'ছাঁই'ত কবিৰ প্ৰতীকি কল্পনা শক্তি টিঙত উঠিছেগৈ। কেৱল প্ৰতীকি বিন্যাসৰ কাৰণেই নহয়, কৌশলৰ গাম্ভীৰ্য্যৰ ফালৰ পৰা ও 'ছাই' কবিতাটো বৰ মূল্যবান। কেৱল চল্লিশটা শব্দৰে কবিতাটো ৰচিত। এই চল্লিশটা শব্দকে এজোপা জীনাই যোৱা তুকান গছৰ লগত ৰহস্য ঘন ভাৱে জুৰি দি কবিয়ে এক মধুৰ কাব্যিক পৰিবেশ তৈয়াৰ কৰিব পৰিছে। শব্দৰ সংযমে মৃত্যুৰ পদধ্বনি আৰু কবিৰ নিষ্ক্ৰিয়তাৰ কথা সৌৰৱাই দিয়ে। কবিয়ে তৈয়াৰ কৰা ৰোধ মাথতে আমি 'ছাই' কবিতাটো পুনৰ বাৰ আগবঢ়ালো।

ছাই

"একাল
কাৰ্য গছত
এটা
শগুন
পৰি আছে। তাৰ

জলৰ
বিৰিনা যনত
মৰি আছে
এজাক
গাভৰু বোৱাৰী, আৰু
মোৰ মানুহ জনীও
মৰি আছে। তাৰ
কাষেদি
এখন নদী। তাৰ
বুকুত
প্ৰচণ্ড ঢৌৰে
দবৰা দবৰি
কৰি আছে। মই
নৈৰ
আনটো পাৰত
বহি আছো।
অকলে। নাই
কন্দা। নাই।"

১৯৬২ চনত সংঘটিত হোৱা চীন ভাৰতৰ যুদ্ধৰ পটভূমিতহে এই কবিতাটো বিচাৰ কৰিব লাগে। শগুনটো হ'ল চৈনিক আক্ৰমণকাৰী আৰু কদম গছজোপা হ'ল ভাৰতবৰ্ষ (যত একালত শ্ৰীকৃষ্ণই লীলা কৰিছিল)। মৰি থকা গাভৰু বোৱাৰী বিলাক হ'ল চীনে কাঢ়ি লোৱা ভাৰতৰ প্ৰান্তৰ বিশেষ। এতিয়া কদম গছত উঠি কৃষ্ণই গোপীসকলৰ লগত আনন্দ কেলি কৰাৰ পৰিবৰ্তে কদম গছৰ মূধত বহি শগুনে গাভৰু বোৱাৰীৰ মৃতদেহ নিৰীক্ষণ কৰিছে। কালৰো কাল। হায় কি বিপৰীতকাল আৰু কি দ'বে ভাৰতৰ গৌৰৱ ভূলুণ্ঠিত হৈছে। এই যে ছাই কবিতাৰ নৈ খন যি খনে আমাক উন্মাদিনী যমুনাৰ কথা সোঁৱৰাই দিয়ে সেই নৈখন হ'ল সময়ৰ গতি প্ৰবাহ। চীনৰ হাতত লাঞ্ছিত হোৱা ভাৰতবৰ্ষৰ এই কৰুণ অপমানৰ সাক্ষী হ'ল ভাৰতৰ প্ৰাচীন সনাতন সত্ত্বা অথবা ভাৰত-আত্মা। কবিৰ নিজৰ মানুহজনী

বোধহয় অসম দেশখন। কোৱা বাহুল্য যে চীনা আক্ৰমণৰ সময়ত বৰ্বৰ হত্যাকাণ্ডৰ পদধ্বনি অসমতো শুনা গৈছিল। লগতে আৰু এটা আকৰ্ষণীয় কথা আছে মহন্ত নিজে দৰং জিলাৰ মানুহ। দৰঙৰ মানুহে চীনা আক্ৰমণৰ খোঁচটো বেছিকৈ পাইছিল। দৰং জিলাৰ তেজপুৰ আদি অঞ্চলৰ মানুহ চীনাহঁতৰ ভয়ত ঘৰ-বাৰী এৰি পলাইছিল। কবিতাটোৰ বুঢ়ী জনসাধাৰণ মানুহৰ প্ৰতীক। তেওঁ কন্দা নাই। তেওঁ কান্দিবও নোৱাৰে কাৰণ তেওঁ গভীৰ আঘাত পাইছে। বৌদ্ধিক চৰ্চাৰ ওপৰত ভৰ দি চালে এই চল্লিশটা শৰৰ প্ৰতীকি ইন্দ্ৰজালৰ মহত্ব বৰ বেছিকৈ ফুটি ওলায়। চল্লিশটা—কেৱল চল্লিশটা শৰবে আমাক এখন মহাভাৰত কৈছে। বহু বাক্য ব্যয় কৰি তেওঁ চৈনিক আক্ৰমণৰ পটভূমি কোৱা নাই, যুদ্ধই অনা ধ্বংস আৰু মৃত্যুৰ কথাও কোৱা নাই। কিন্তু তেওঁ কিছুমান প্ৰতীক আমাক দিছে। প্ৰতিটো প্ৰতীক তাৰ দুৰ্বোধ্য ৰহস্যময়তাৰ পৰা উদ্ধাৰ কৰি আনিলেই আমাৰ চকুৰ আগত সমগ্ৰ চীন—ভাৰত যুদ্ধখন,যুদ্ধৰ ভয়াবহতা আৰু মৃত্যুৰ নৃশংসতা ধৰা দিয়েহি। ছাই এটা মহৎ কবিতা। অসমীয়া প্ৰতীকী কবিতা সমূহৰ ভিতৰত ছাই এটা মহত্তম কবিতা। ছাই কবি কেশৱ মহন্তৰ যশস্যাৰ অগ্নিশিখা।

কিন্তু সাধাৰণতে কেশৱ মহন্তই অজটিল, অপ্ৰতীকী সাধাৰণ ভাষাহে লিখি ভাল পায়। তেওঁৰ শাব্দিক সৰলতা পাঠকৰ আদৰৰ বস্তু। কেশৱ মহন্তৰ কবিতা স্বতঃস্ফূৰ্ত কবিতা। আৰু এইটো সাধাৰণতে দেখা যায় যে যেতিয়া কবিতা স্বতঃস্ফূৰ্তভাবে ওলাই আৰু পাঠক আৰু শব্দৰ মাজত যেতিয়া অনা-কৰ্ষিত (unstudied) সম্বন্ধ থাকে তেতিয়াই কবিতাৰ ভাষা সজীৱ হৈ উঠে। কেশৱ মহন্তৰ ক্ষেত্ৰত এইটো কথা অধিক সঁচা। তেওঁৰ বৰ্ণিত জনতাৰ আৰু বিষয় বস্তুৰ লগত কবিৰ এনে ঘনিষ্ঠ সম্বন্ধ যে সেই আত্মীয়তাই তেওঁৰ কবিতা-বোধক বিষয়বস্তু আৰু আঙ্গিক উভয়ক্ষেত্ৰতে মনোহাৰীকৈ তুলিছে। কেশৱ মহন্তৰ সৰহভাগ কবিতাৰ ভাষা যেন সাধাৰণ মানুহৰ মুখৰ ভাষা। আমাৰ ঘৰুৱা জীৱনৰ সুখ-দুখ হাঁহি কান্দোনৰ ভাষা। সোণজিৰা মাহীৰ মাজনী কবিতাৰ পৰা উদ্ধৃত তলৰ বাক্য সমূহেই কেশৱ মহন্তৰ বৰ্ণনা শক্তিৰ পৰম চাৰুতা আৰু বাঙ্ময় ঐশ্বৰ্য্যৰ সাক্ষী :—

“কাৰোবাৰ জীয়েকৰ চাৰৰ ঘৰলৈ ভৰা দি তাঁতখনি
সোণজিৰা মাহীজনী তাৰেই বোৱনী।

তামোলৰ পিক্ যাৰি পৰৰ ৰাটিত
যোহাৰেৰে চাই লয় যি বোকাখিনি
সোণজিৰা মাহীজনী তাৰেই যোৱনী ।
কপাহী মেখেলাখনি যাৰ বংবঙা
আঁধাৰো অধিক তাৰ বোকাবেই চকা
ঢেঁকী ভাঁত পথাৰৰ কাম যাৰ কলীয়াৰ ধাঁহী
সদায় ওঁঠত যাৰ লাগি থাকে
তামোলৰ বং লাগি যোক তোল যোক তোল খিচ্‌খিচ হাঁহি
সেইজনী লচপচী সোনজিৰা মাহী ।"

কবিয়ে জীৱনৰ নিষ্ঠুৰতা দেখিছে আৰু সেই নিষ্ঠুৰতাক মৰম কৰি তেওঁৰ কবিতাত ঠাই দিছে। জীৱনৰ জীয়া বাস্তৱৰ আঘাটত প্ৰেমৰ মূল্য হেৰাই যায়। পেটৰ ভোকে অন্তৰৰ প্ৰেমক হ্ৰাস কৰে আৰু প্ৰেমিকজনে যন্ত্ৰণা কাতৰ দৃষ্টি লৈ কাতৰ ভাবে চায়। কেশৱ মহন্তৰ জুহাৰি কবিতাত প্ৰেমৰ ক্ষেত্ৰত হোৱা আৰ্থিক সংঘাতৰ ৰক্তচাপ তীব্ৰভাবে ধৰা দিছে।

* * *

আগলতি চিত লবে চৰে মোৰ
কোনোবা আছে নেকি
মাখি হৈ আহি চুমাহিব খুজিছিলা,
আহিবা কলিজা মোৰ ।
চ'তৰে ব'হত চিৰাল কটাদি
লথোনৰ সিৰলু জোৰা মোৰ ছুখনি গাল
তাৰ মাজতে বিচাৰি বহিছে
ঠাই উলিয়াব পাৰা
এটি চুমা কেলে
এস এটি চুমা দিবা,
মোৰ নবীন ঐ
এস এটি চুমা দিবা ।"

(জুহাৰি)

অৰজীৰি মানুহৰ নিৰয় দেহত প্ৰণয়ৰ কাবেৰী ধোঁৱাৰ নামিলে সি অধিক নিৰ্য্যাতনৰ হে সৃষ্টি কৰে।

কেশৱ মহন্তৰ কবিতাৰ আন এটি দিশ হ'ল নগৰমুখী জীৱনৰ প্ৰতি ঘৃণা আৰু বৈৰাগ্য। ধুলি আৰু ধোঁৱাৰে, কোলাহল আৰু আলোকেৰে পূৰ্ণ মহানগৰীৰ পৰা কৱিয়ে নিষ্কৃতি বিচাৰে। চৰাই হৈ পৰিমনেৰে কবিতাত কৱিয়ে ইটাৰ বেৰা আৰু বিজুলী তাঁৰৰ বান্ধোন পাৰ হৈ দুইতৰ পাৰত থকা ভেওঁৰ শান্ত মধুৰ গাওঁখনলৈ ঘূৰি যাবৰ প্ৰয়াস পাইছে। কৱিৰ কাৰণে নিয়ন লাইটৰ পোহৰতকৈ মাটিৰ চাকিৰ পোহৰ মিঠা। কৱিয় সেইকাৰণে মহা-নগৰীৰ পৰা আঁতৰিবলৈ কৰুণ আকুতি —

'আজি মোক ক্ষমা কৰা জ্যোতিৰ্ময় হে মহানগৰ,

ক্ষন্তেক আঁতৰি যাওঁ তোমাৰ কাৰুৰ পৰা বিজুলী তাঁৰৰ' ইত্যাদি।

নগৰ জীৱনৰ বিবৰ্ণ বিষাদে কৱিক হতাশ কৰি তুলিছে। তেওঁ কলিকতা মহানগৰীৰ ইটা আৰু কংক্ৰিটৰ মহানাগৰিক বন্দীশালৰ পৰা আঁতৰি গৈ তুলসীতলৰ নিয়ৰ সেমেকা মনৰ কাষ চাপিব খোজে। দুইতৰ গড়াৰ মন পিচলুৱা স্মৃতি আনি বিষন্ন হৈ পৰে।

নাগৰিক জীৱনৰ উৎকট যান্ত্ৰিকতাই সকলো দেশৰ আধুনিক কৱিসকলক আমনি কৰিছে। সঁচা কথা কবলৈ গ'লে নগৰ জীৱনৰ বহুতোৰ অশান্তি আছে। কান্নাড়া সাহিত্যত আধুনিকতাৰ কথা আলোচনা কৰিবলৈ গৈ ড° বিনায়ক কৃষ্ণ গোকাকে কৈছে—

"Another by—product of advance in technology is the inordinate growth of the world's great cities Great masses of human beings now live in a man-made environment 'Millions of our children have never seen a cow, a fruit-tree or a field of grain ' This results in a narrowing of experience The natural world is almost lost to the inhabitants of the modern metropolises Literature seems to reflect now only the city-dweller's deprivations The city dweller feels chronically lonely because of his sense of unrelatedness "*

* (Modernity and Contemporary Indian Literature, P 266)

শব্দ চয়নত কেশৱ মহন্তৰ অভিনৱত্ব আছে। তেওঁৰ শব্দৰ বিন্যাসৰ পদ্ধতিও বৰ মনোৰম। লয় আৰু বৃত্তি প্ৰধান ছান্দিক কৌশলেৰে তেওঁ পাঠকক বন্দী কৰে আৰু শব্দবোৰে সিহঁতৰ বিচিত্ৰ মধুৰ প্ৰভাৱেৰে পাঠকক চিৰন্তন কালৰ কাৰণে স্বপ্নালু কৰি তোলে। একোটা সামান্য শব্দৰ আবৃত্তিয়েই যে ক্ষেত্ৰ বিশেষে পৰম মধুৰ দ্যোতনা আৰু চৰম মধুৰ পুলক জগাই তুলিব পাৰে তাৰ সাক্ষী কেশৱ মহন্তৰ কবিতা। ৰ, ল, ম আদি কোমল বৰ্ণবোৰৰ মধুৰ সমাবেশেৰে তেওঁ বৈচিত্ৰময় পৰিবেশ সৃষ্টি কৰে।

"* * * *

আঘোণৰ পথাৰত দাৱনীৰ কাম আছে
মুঠি মুঠি কাচি কাচি ডাঙৰি ডাঙৰি,
কাম আছে,
আঘোণৰ পথাৰত কাম আৰু কাম।
আঘোণৰ আকাশেদি কোনোবা বিললে
মন কাটি বনহাঁহ জাকি মাৰি গ'ল।
আঘোণৰ আকাশতো উকলিৰ বাগি আছে,
বাগি আছে,
আঘোণৰ আকাশত বাগি আৰু বাগি,
আঘোণৰ বাটটোহে কুঁৱলীৰে ঢকা,
মন হাঁহ যেদি যেদি বন শেষ হ'ল,
আঘোণৰ কুঁৱলীয়ে বাট ঢাকি ল'লে।"

(আঘোণৰ কুঁৱলী)

অমলেন্দু গুহ

সৰ্বহাৰা কৃষক শ্ৰমিকসকলৰ প্ৰতি বাঢ়ি অহা আধুনিক কবিদলৰ প্ৰীতিৰ অন্য এক বৈশিষ্ট্য ফুটি উঠিছে কবি অমলেন্দু গুহৰ কবিতাত। শ্ৰমজীৱি মানুহৰ-প্ৰতি কবিৰ গভীৰ সংবেদনা। কৃষক, তেলখাদত কাম কৰা বনুৱা, কাঠ কটীয়া, কাম্মাৰমেন এই সকলো স্তৰৰ সৰ্বহাৰা শ্ৰমিকৰ জয় গান গাইছে কবি গুহ ই তেওঁৰ দুইত পাৰৰ গীত নামৰ কবিতাত। কবিয়ে দেখিছে শান্তিৰ বতা

দুৰ্বলৰ সবলেহে আগমনি। পৃথিৱীৰ সমগ্ৰ দেশৰ—হোৱাংহোৰ পৰা মিচি-চিপিলৈকে, লুইতৰ পৰা ভল্গা লৈকে এই বিৰাট ভূখণ্ডৰ শান্তিপ্ৰিয় মানুহে এদিন তাহঁতৰ বাৰুত বাৰু খাব। পৃথিৱীত শান্তি বাঢ়িব। আকাৰ বাতৰিব।

*　　　*　　　*

আমাক নেলাগে যুদ্ধ বনে বনে জ্বলিছে কপৌ,
পাহাৰে পাহাৰে উঠে প্ৰতিধ্বনি প্ৰহৃত আৱাজ
পথাৰত কেচা সোণ কৃষকে তুলিব আকৌ নিজা ওঁৰালত
আমাক নেলাগে ৰণ, ভাল পাওঁ গুৰণি কপৌ।

মোৰ অসমত
একেটি শপত আজি মুখে মুখে বাজি উঠে
ভৈয়ামত, পাহাৰ-বনত।
দিব জান, তেওঁ মান নিদিব কিষাণে
লুইতৰ পাৰে পাৰে গুঞ্জৰিত হাজাৰ বাগানে
বতাহত উৰুৱাব পাৰে বাধাৰ নিচান।
ভাই বুলি মাত শুনি দেশে দেশে হ'ব জন সমুদ্ৰ উদ্বেল,
যুদ্ধৰ বচন লৈ নচলিব খেল।
যি যুৱকে শোষকক ভেটে
আনামৰ ধাননিত, মালয়ৰ টিনৰ খনিত
তেওঁ মোৰ ভাই।
যি যুৱকে স্তালিনগ্ৰাদত আনন্দৰ সৌধ গঢ়ি তোলে
তেওঁ মোৰ ভাই—
যাৰ পদক্ষেপে হয় শাপমুক্তা অহল্যা চাংহাই
তেওঁ মোৰ ভাই।"

(লুইত পাৰৰ গীত)

কবি গুহ এজন সাম্যবাদী। কবিতাৰ মাজেদিয়েই তেওঁ প্ৰত্যক্ষ সংগ্ৰামৰ আহ্বান জনাইছে। তেওঁ খোলাখুলিকৈয়ে পাৰ্টিৰ জয়গান গাইছে। তেওঁ পাৰ্টিৰে মানুহ কমৰেড গাঙুলীৰ প্ৰশস্তি গাইছে। কিন্তু তেওঁৰ কবিতাৰ মূল আলোচ্য বিষয় হ'ল মানুহ। যাৰ অন্য নাম হ'ল মেহনতী জনতা। নাহলে

আৰু নিপীড়িত বঞ্চনাই যাৰ মূলধন। আৰু যাৰ লক্ষ্য বিপ্লৱৰ মাজেদি ঐ ভৱিষ্যতৰ ৰঙা সূৰুযৰ উমাল মৰম লোৱা। কবিয়ে জনতাক শান্তি আৰু প্ৰগতিৰ আশ্বাস দিছে। শান্তি আৰু সমৃদ্ধিৰ শত্ৰুক সাৱধান বাণী শুনাই কৈছে :—

"পৃথিৱীৰ বিহুৱৰ পোহৰাও সাত ভাই মেখি পুৰি এৱাৰ নিশাত
ভেৰ্ভীমলা ভনীটি। সুখৰ টোপনি যোৱা শান্তিৰ কোলাত
আৰু যদি কোনোবাই
তোমাৰ টোপনি কাঢ়ে ন ন বোমা ফুটুৱাই,
মেজিৰ লুইত ধৰি কোটি ভায়ে গাই যামগীত,
'আমাক নেলাগে ৰণ, লাগে শহ কাটিবৰে মিত।'

লুইতৰ পাৰে পাৰে আজি নিশা গীত গাওঁ আঁহা
ৰাকদৰ দিন শেষ নাহৰ ফুল ফুলিবৰ বতৰ
সুৰেৰে উভলা হক মিচিচিপি হোৱাংহোৰ ঢউ,
মানুহৰ ঘৰে ঘৰে নিৰ্বিবাদে দূৰক যঁতৰ।"

(লুইত পাৰৰ গীত)

হেমাঙ্গ বিশ্বাস

একেধৰণৰ আদৰ্শৰে কবি হ'ল হেমাঙ্গ বিশ্বাস। পঞ্চাশৰ দশকত খ্যাতি লভা কবি হেমাঙ্গ বিশ্বাসে জন মানসত ইতিমধ্যে এডুখৰি আচুতীয়া ঠাই কৰি লৈছে। তেওঁ জনতাৰ কবি আৰু মানুহৰো কবি। জনতাৰ গাৰ কাষত বৈ তেওঁ জনতাক বিপ্লৱৰ বাবে সাজু হবলৈ সঁকিয়নি দিছে। সমানেই তেওঁৰ কবিতাৰ কৰ্ষণ ক্ষেত্ৰ, বিবিধ বিষয় আৰু ব্যক্তিৰ ওপৰত হেমাঙ্গ বিশ্বাসে কবিতা লেখিছে। কুলধুৰা, কমবেস্ত বপ্লেৰৰ বাক্তা, মথাই ওজা, বিজু বাক্তা আৰু চাউলৰ কিউত ঠিয় দি থকা বালক এই সকলোবোৰ তেওঁৰ কবিতাৰ সঞ্জীৱনী উম পাই মূৰ্তিমন্ত হৈ উঠিছে। এওঁলোক সকলো হ'ল কবিৰ নিজ জগত থনৰ ব্যক্তি। তেওঁলোকক লগত লৈয়েই কবিয়ে ভৱিষ্যতৰ বিপ্লৱ বৰ্ত্তীন পৃথিৱীৰ কাম কৰিছে, হাডে-হিমজুৰে তেওঁ এজন বাস্তৱবাদী কবি। হেমাঙ্গ

বিশ্বাসৰ কবিতাত ধৰা দিছে সাধাৰণ সৰ্বহাৰা শ্ৰেণী মানুহৰ জীৱন সংগ্ৰাম, নিৰ্য্যাতন আৰু যন্ত্ৰণা। তেওঁৰ ওভতভনি নামৰ কবিতাত কবিয়ে এক বালকৰ ছবি আঁকিছে যি দুই কিলোগ্ৰাম চাউলৰ আশাত ঘৰৰ পৰা ওলাই গৈছিল, বাটতে খাদ্য আন্দোলনকাৰী দল এটাক পাই সি শোভাযাত্ৰাত যোগ দিলে। শোভাযাত্ৰাকাৰীৰ ওপৰত পুলিচৰ আক্ৰমণ চলিল, সেই সৰু ল'ৰাটি নিহত হ'ল। মিউনি-চিপেলিটিৰ নৰ্দমা এটাৰ কাষত হাতত বে'গেৰে সি পৰি আছে। মৃত, অসাৰ। চিৰকালৰ কাৰণে তাৰ পেটৰ জ্বালা প্ৰশমিত হৈছে। আৰু ঘৰত তাৰ ভোকাতুৰ মাকে হাতত চাউলৰ বেগ লৈ ঘূৰি অহা ল'ৰা-টিলৈ বাট চাই বৈ আছে। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত সৰ্বহাৰাই এই দৰেই নিষ্পেষণ পায়। হেমাঙ বিশ্বাস সাহসী কবি। তেওঁ এই ছবিখন মনোৰমকৈ আঁকিছেঃ—

"ল'ৰাটো উভতি নাহিল।
মাথোন ডুকেজিৰ পিযাহ লৈ
গুলিবিদ্ধ উদং মোনাটি
ভৰ দুপৰীয়াত
বোকা সানি পৰি আছে
নৰ্দমা দাঁতিত।
বহেন লাঙনৰ পৰা ল'ৰাটো
আজিও উভতি নাহিল।
লঘোনীযা মাকজনী ভেলেঙী চকুৰে
বাটচাই থাকে—
সি আহিব।
সিদিনা এজাক বৰষুণে
ৰাজআলিৰ শুকান তেজৰ ফোঁট
ধুই নিকা কৰি থৈ গ'ল।
গোবৰা গোৰস্থানত
উকণ্ডা মদাৰৰ কাঁইটে কাঁইটে
ডোঙা ডোঙে তেজ
ফুল হৈ ফুলিল।

সৌৰা বসন্ত আহিল :
ৰঙা নিচানৰ হেন্দোলনি
দূবনিত মিছিলৰ ধ্বনি
তাই ওলাই আহিল।
'সি আহিব ধৰিছে।'

(ওত্ততলি, পৃ ৫-৬)

কাৰুণ্য, দাৰিদ্র্য অন্নাভাৱ, পুলিচৰ ধুমধুন্দা এইবোৰ আধুনিক ভাৰতবৰ্ষত ঘটা নিত্য নৈমিত্তিক ঘটনা। পঞ্চাশ আৰু যাঠিৰ বছৰ কেইটাত দেশত খাদ্য সমস্যাই ভয় কৰ ৰূপ ধাৰণ কৰিছে।- খাদ্যৰ দাবীত আন্দোলন, শোভাযাত্ৰা, ৰেচনৰ দোকানত চকুৰে মনালৈকে 'কিউ', ফুটপাথত অনাহাৰত মৰা মানুহৰ দৃশ্য বৰ সঘন। তদুপৰি মজুতকাৰী আৰু ক'লাবেপাৰীয়ে অৱস্থা আৰু শোচনীয় কৰি তুলিছে। কবিৰ খং এই সকলোবোৰৰ ওপৰত। সকলোবে ওপৰত তেওঁৰ ক্ৰোধ সমানে বৰ্ষিত হৈছে। কবিয়ে ভাবে যে এই সকলোবোৰৰ সমাধান হ'ব ৰঙা পতাকাৰ জড়িয়তেহে আৰু সেইবাবে তেওঁ সকলোকে ৰঙা পতাকাৰ ওচৰলৈ মাতিছে। মাটিৰ অসম আৰু অযুক্তিকৰ বিতৰণে সঘন উচ্ছেদ আৰু ৰায়ত আৰু জমিদাৰৰ মাজত হোৱা সংঘৰ্ষই ।বখাসৰ কবিতাত ঠাই পাইছে। কমবেড্ বন্ধেশ্বৰ বাতা নামৰ কবিতাটো এজন দুখীয়া কৃষকৰ ছবি। তেওঁ তেওঁৰ মাটিৰ পৰা উচ্ছেদিত হৈছে।

বলিয়া হাতীৰ পাল আহে
শুঁৰত মেৰাই তাৰ উচ্ছেদ-নোটিছ
আলফুল কেচুৱা-কুঁহিটি
টানি-ছিঙি গচকি মোহাৰি
কই যায়

এই মাটিত তোৰ আৰু অধিকাৰ নাই।
তথাপিতো থিয়মুৰ দোঁ খোৱা নাই।
বিক্ষত ডালে ডালে
পুনু গজে অগণন পাত।
পুনু শুনো তাত
পখীৰ উকলি।

মই দেখি অহা এক যুগৰ বিম্ব
গ্ৰেনাইট শিলৰ বুকু কালি
থিয় দিয়া অভ্ৰভেদী
সীমান্ত প্ৰহৰী সেই
শালগছজোপা।

মুখত দেখিছোঁ তাৰ দাৰিদ্ৰ্যৰ চেকা
চকুত জিলিকি উঠে ভবিষ্যৰ আভা
নাম তাৰ—
কমৰেড বঙ্গেশ্বৰ বাভা।

'ভিৰ্ব্ৰগড়লৈ' কবি হেমাঙ্গ বিশ্বাসৰ এটা তাৎপৰ্য্যপূৰ্ণ কৱিতা। কৱিতা-টোৰ শিৰত বোমা বোলাৰ বাণী এনেকৈ খোদিত হৈছে। "Where Order is injustice, disorder is the begining of Justice"

কবিয়ে গভীৰ বিশ্বাসেৰে সৈতে উপলব্ধি কৰিছে যে ধ্বংস আৰু অশান্তিৰ জড়িয়তেহে ভবিষ্যতৰ সৃষ্টি আৰু শান্তি সম্ভৱপৰ। হেমাঙ্গ বিশ্বাসৰ কবিতাত ভিয়েটনামৰ সংগ্ৰামী জনতাৰ মৰ্মব্যথা ভালদৰে চিত্ৰিত হৈছে। নিৰীহ ভিয়েটনামী জনতাৰ কলিজাইদি সৰকি যোৱা আমেৰিকান বুলেটৰ শব্দ শুনি লুইতৰ পাৰৰ এই কবিজন চক্‌খাই উঠিছে। শঙ্খ চিলনীৰ গীত, চিৰ বিনিদ্ৰ, বৰদৈচিলাৰ চিঠি এই তিনিটা কবিতাৰ লক্ষ্য হ'ল ভিয়েট-নাম। আৰু তিনিওটা কবিতাতে ভিয়েটকং সকলক কবিয়ে আশা দিছে যে সেই পুঁজিপাতি দালালইতৰ অত্যাচাৰ এদিন বন্ধ হ'বই। ভিয়েটনামৰ সংগ্ৰামী জনতাৰ জয় হ'ব। মানুহৰ জয় হ'ব। গ্ৰামৰ জয় হ'ব। যুঁজৰ কুকুৰা আমেৰিকান ইতৰ পাখিৰ ঢপঢপনি মাৰ বাব। গভীৰ ঘৃণা, ক্ৰোধ আৰু তাপ কাৰে যুদ্ধ বিধ্বস্ত ভিয়েটনামৰ ভাণ্ডৰী ছবি কবিয়ে আঁকিছে।

* * *

কোন বিষাক্ত বাসুকী ফনাই
দিগন্ত দিলে ঢাকি
দিগন্ত দিলে ঢাকি
প্ৰলয়ঙ্কৰ নিশ্বাসতে ধ্বংস বিয়পে ক'

আনবিক সি
দানবিক সি
মৃত্যু নৃত্য নাচি
ধ্বংস নৃত্য নাচি
দাৰুণ অগনি পোৰণি দেৱনি
দগ্ধ ভস্মীভূতা
প্ৰশান্ত ছুহিতা।"

যুদ্ধৰ প্ৰতি তেওঁৰ যি মনোভাব সেই মনোভাবৰ কাব্যৰ পৰা হেমাঙ্গ বিশ্বাসৰ কথাটো কবি দুই আৰাগঁৰ লগত তুলনা কৰিব পাৰি। আৰাগেঁ তেওঁৰ **I Salute my France** নামৰ কবিতাত যুদ্ধ বিধ্বস্ত কথাটো দেশৰ কৰুণ ছবি আঁকিছে। বিশ্বাসে আঁকিছে যুদ্ধ বিধ্বস্ত ভিয়েটনামৰ। ফ্ৰান্স আৰু ভিয়েটনাম দুয়োঠাইতে মানুহেই মানৱতাৰ শত্ৰু। আৰাগেঁ পেৰি নামৰ কবিতাত তেওঁৰ দেশৰ কাৰণে নৱজন্মৰ সপোন দেখিছে। বিশ্বাসে দেখিছে ভিয়েটনামৰ নৱজন্মৰ স্বপ্ন তেওঁৰ ৰৰদৈ চিলা নামৰ কবিতাত।

শিল্প উদ্যোগ আৰু যন্ত্ৰদানৱৰ অত্যাচাৰত প্ৰকৃতি থৰে থৰে কঁপে। প্ৰকৃতিৰ প্ৰাচীন শোভা সংহাৰ কৰি মূৰ তুলি উঠা কল-কাৰখানা, দৈত্যাকাৰ ডেৰিক আৰু চিমনিৰ জীৱনে কৱিক বেদনা দিয়ে। প্ৰকৃতিৰ আগৰ শোভা এতিয়া ম্লান। কবিতাতো প্ৰকৃতিৰ চিত্ৰ এতিয়া দুৰ্বল পৰিবৰ্তন বা **transi-tion** য়ে প্ৰকৃতিকো চুইছেগৈ। কবি বিশ্বাসৰ চকুত এই **transition** ৰৰ কৰুণ ৰূপত ধৰা পৰিছে। তেওঁৰ কবিতাত জনতা আৰু প্ৰকৃতি দুয়োৰো চকু চলচলীয়া হৈ পৰিছে। ডিব্ৰুগড়লৈ নামৰ কবিতাত কৱিয়ে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা মৰমৰ সম্বন্ধ ছিণ্ডি তেওঁৰ পাঠকসকলক প্ৰকৃতিৰ স'তে মুখামুখি কৰাইছে এক নতুন উপলব্ধিৰে। প্ৰকৃতিৰ ৰূপ সৌন্দৰ্য্যৰ স্বাপনৰ কাৰণে মানুহৰ এতিয়া সময় নাই। পেটৰ জ্বালা য'ত তীব্ৰ তাত আকৌ প্ৰকৃতিৰ প্ৰীতি প্ৰকৃতিৰ সৌন্দৰ্য্যত উন্মনা হোৱাৰ অৱকাশেই বা ক'ত। পনীয়া সোণৰ দেশতো, আজি অৰ্থ নৈতিক সংগ্ৰামত ভুকলা জনতাৰ ঘৰত চাকি জ্বলাবৰো উপায় নাই।

"পনীয়া সোণৰ দেশত ৰদি
ঘৰৰ চাকি নজ্বলে,

জুযোৰা খলিতা জুমাই পৰিবা
লেম্প পৰ্চৰ তলে,
যেচন মোনাত মৰমী আৱেৰা
ওপুতে চ　　বয়,
কণ ভাইটি　　চৰ টোপনি
কাণধোবাই কাঢ়ি লয়,
উটুৱাই নিয়ে কাৰ ঘৰবাৰী
কেচুৱাক বেছি খয়,
কোন বাউলি উদাসী আউলী
চিপ জবি বাচি লয়।"

হেমাজ বিশ্বাসৰ কবিতাৰ ভাষা সৰল আৰু জনতাৰ কথ্য ভাষাৰ ওচৰ চপা। কৃত্রিমতাহীন। তেওঁ যি ভাবে তাকে কয়। আৰু সেই কোৱাত অনাৱশ্যকীয় বাক বৈচিত্র্য নেদেখুৱাকৈ কয়। হেমাজ বিশ্বাস জনতাৰ কবি। জনতা তেওঁৰ হিয়াৰআপোন। আৰু তেওঁ জনতাৰ হৃদয়ত চিৰন্তন বন্দী।

চিত্রকল্পবাদী সুৰ : মহিম বৰা আৰু অনেক :

মহিম বৰা, প্রফুল্ল ভূঞা, নলিনীধৰ ভট্টাচাৰ্য্য, বীৰেন বৰগোহাই নির্মল প্রভা বৰদলৈ, পৰেশমল্ল বৰুৱা আদি কেইবাজনেও চিত্রকল্পবাদৰ সুনিপুন মাধ্যমেৰে আৰু মার্ক্সীয় চিন্তাধাৰাৰ পৰা আঁতৰত থাকি এশ্রেণী নতুন ভৰঙৰ কবিতাৰ সৃষ্টি কৰিছে। সুচতুৰ শব্দচয়ন আৰু উন্মুক্ত চিত্র-কল্পৰ জড়িয়তে তেওঁলোক পাঠকৰ অন্তৰত সহজে প্রৱেশ কৰিছে। কিন্তু পাঠক বা জনতাৰ বাবে তেওঁলোকৰ সাবিওকালৰ জগতখনৰ যি য'ত যেনেকৈ আছে সেই অৱস্থিতিৰ ওপৰতে নির্ভৰ কৰি কবিতা লিখিছে। এই কবিসকলৰ দৃষ্টি আছে, দর্শন হয়তো নাই। বৰ্ণনাৰ সুকৌশল আৰু প্রয়োগৰ চিত্রধর্মিতাই তেওঁলোকৰ কবিতাক মহত্ত্ব দিছে।

মহিম বৰা

মহিম বৰাৰ কাব্য চর্চাৰ শুভাৰম্ভ হয় পঞ্চাশৰ দশকত। ৰোমাণ্টিক কবিতাৰ আহিঁত নিজকাব্যৰ পাতনি তৰা কৰি বৰাই সহজতে আধুনিকতাৰ কালে

ঢালনয়। অধ্যাপক ববাই সাম্প্ৰতিকে কবিতাকেও শক্তিশালী কথা শিল্প হিচাবেহে বেচি বশস্তা আজিছে। তেওঁৰ কবিতা আৰু কথা সাহিত্যৰ মাজতো অঁ্যাপ'ল ছাঁত্ৰৰ দিক্ নিৰ্দেশিত অবস্থিতি-বাদী চিন্তাধাৰাৰ আভাস পোৱা যায়। দৃষ্টি কবিতাত কবিয়ে সৌন্দৰ্য্যৰ ওপৰত অবস্থিতিবাদী মত প্ৰয়োগ কৰি এক নতুন ব্যাখ্যা আগবঢ়াইছে। কবিয়ে সৌন্দৰ্য্যক বহুতো বিচাৰিলে বহবাৰ, বহঠাইত। কিন্তু সৌন্দৰ্য্যৰ বহুত পোহাৰ পাৰহৈয়ো ঘূৰি ঘূৰি তেওঁ সৌন্দৰ্য্যক নেপালে। কিন্তু হঠাত এদিন ববষাৰ আবেলিৰ বাগৰে বোলোৱা এগোছা ঘাঁহত সৌন্দৰ্য্যক ধৰা পেলালে।

"ববষাৰ গোটেই আবেলি
পিৰালিত বহি থাকে মোৰ চকুযুৰি,
আবেলিটো বহি থাকে এগোছা ঘাঁহত
মোৰ পিৰালি-কানত—
ইকি—অকস্মাৎ
চকু হাঁত মাৰি গ'ল, সেউজীয়া বিজুলীৰ
চমকনি স্থিৰ
এগোছা বনত।
আকলুৱা তুচকুত দুৰ্বাসাৰ ভোক লৈ
থৰ হ'ল দৃষ্টি মোৰ চকুৰ পতাত
পুলকত।
বিস্ময়ত।
প্ৰথম নিশাৰ প্ৰণয়ত !!!

সৌন্দৰ্য্যৰ বহুত পোহাৰ পাৰ হৈ বজাৰে বজাৰে
কিমান ঘূৰিলো। দৰ-ভাও কৰি কৰি লাগিল ভাগৰ
দোকানে দোকানে গৈ বিকল গ্ৰাহক।
আজি মোৰ পিৰালি কাষত,
সকলোৰে চকুৰ আঁৰত
সেই ৰূপে দিলে ধৰা।
এলাগী ওকোন্দ ভৰা তুচকুত লাজ

অতি সাধাৰণ কোনো প্ৰথমা প্ৰিয়াৰ
ফুচি মুচি ঢাকি ধৰা ৰেণি আঁৰত,
দিয়া নাই সৌন্দৰ্য্যই এইদ'ৰে প্ৰথম চুমুকি
পৃথিৱীৰ জলচাত,
অলা নাই এইদ'ৰে তুচকু
কাজিৰঙা কিম্বা ডবকাত।"

(দৃষ্টি)

প্ৰতীক আৰু archetype-ৰ যথাযথ প্ৰয়োগ মহিম বৰাৰ কবিতাত হৈছে। **উভতি অহাৰ কথা** নামৰ কবিতাত জীৱবিলাকে বাৰে বাৰে সংসাৰলৈ উভতি অহাৰ এটি প্ৰভাৱী ব্যাখ্যা দিয়া হৈছে। পৃথিৱীখন বৰ মৰমৰ আৰু সেইবাবে জীৱসমূহে হয়তো চিৰদিনৰ বাবে এৰি যাবৰ বাবে চেষ্টা নকৰে, বাৰে বাৰে উভতি [illegible] থাকে আৰু [illegible] হোৱাৰ সুখ দুখ ভোগ কৰে। এই যে মমতাময়ী পৃথিৱীখন—এইখন কবিৰ কাৰণে চিৰন্তন [illegible] বাস্তৱ [illegible] আছে।

*   *   *   *

[illegible] আহিব [illegible] নতুন [illegible]
[illegible] উভতি [illegible] বাৰে বাৰে [illegible]
[illegible] কৰে [illegible]
[illegible] একোৰ [illegible]
[illegible] —
[illegible]
[illegible],
[illegible] [illegible]
[illegible] ১২
[illegible]
[illegible], [illegible],
[illegible]।

(নতুন কবিতা, পৃ [illegible])

[illegible] প্ৰকাশ [illegible] প্ৰতিভাশালী। [illegible]

সুক্ষ্মতা আৰু বৰ্ণনাৰ চাকতাই মহিম বৰাৰ কবিতাসমূহক ৰমণীয় কৰি তুলিছে। মধ্যবিত্ত জীৱনৰ সঁচা ছবিও মহিম বৰাৰ কবিতাত আছে। মধ্যবিত্তৰ সুখ-দুখৰ পৰিচয় দি লিখা—মই বিচৰা চিঠিখন নামৰ কবিতা-টোত নিম্ন মধ্যবিত্তৰ জীৱনৰ কৰুণতা আৰু চাৰিওফালৰ সমাজৰ হৃদয়হীনতা অন্তৰস্পৰ্শী হৈ ফুটি উঠিছে। কৱিয়ে বিশেষ চিঠি এখন পাবৰ কাৰণে বৰ ব্যাকুল হৈ আছে। কিন্তু তেওঁ বিচৰা চিঠিখন নাহিল কিন্তু যিখন আহিল সেই চিঠিত আছে দাবী। প্ৰিমিয়ামৰ বিল, বিজুলী বাতিৰ বিল, দুমাহৰ ঘৰ ভড়াৰ বিল, পেহীৰ মাটিৰ খাজনাৰ বিল, ভাই ভাগিনৰ স্কুলৰ ফিজৰ বিল। বিলৰ দাবী আৰু আৰ্থিক বিসঙ্গতিহীনতাৰ মাজতে কবিৰ জীৱন।

* * * *

চিঠি আহে জাপ জাপ, ইনলেণ্ড, কাৰ্ড লেফাফাৰ,
বুক প'ষ্ট, ৰিয়ানি, নামী দামী আৰু
বেনামীও,
প্ৰিমিয়াম লেপচ হোৱ, ইলেকট্ৰিক বিল,
ঘৰভাৰা বাকী দুমাহৰ,
পেহীৰ খাজনা আৰু স্কুলৰ ফিজ
ভাই-ভতিজাৰ।
জীৱনৰ কড়া-ক্ৰান্তি হিচাপৰ কড়াই খোলাত
বুঢা বছা খম খম প্ৰতিটো প্ৰভাত
তেই পুৰি ছাই হ'ল প্ৰতি সন্ধিয়াত,
মন হ'ল উপবাসী।

(বছৰৰ কবিতা ১৯৬৫, পৃ, ৮৩)

'জীৱনৰ কড়া-ক্ৰান্তি হিচাপৰ কড়াই খোলাত' কৱি তেই পুৰি মৰিছে। আধুনিক নগৰীয়া মধ্যবিত্তৰ জীৱনৰ এই আৰ্থিক বিসঙ্গতি এক ডবাৰ দ'ৰে সত্য বস্তু। তাৰ প্ৰভাৱ প্ৰতি ক্ষণে ক্ষণে অনুভৱ কৰা যায় কিন্তু তাৰ পৰা হাত সৰাৰ উপায় নাই।

মহিম বৰাৰ কাব্য কৌশল অনেক পৰিমাণে সহজ আৰু তৰলি। দুৰ্বোধ্যতা কিছু আছে যদিও বৰ প্ৰকট নহয়। তেওঁ কৰ্ষিত ভাষা আৰু কষ্ট কল্পিত প্ৰতীক উপমাৰ ব্যৱহাৰ কৰি ভাল নেপায়। প্ৰাচীন ভাৰতীয় কাব্য আৰু

মহাকাব্যৰ পৰা অনা কিছুমান কবি প্ৰসিদ্ধিও তেওঁৰ কবিতাত সমাবেশিত হৈছে।

প্ৰফুল্ল ভূঞা

অতীতৰ মধুৰ সোঁৱৰণ, প্ৰেম সৌন্দৰ্য আৰু প্ৰকৃতি আদি ভাবৰ ওপৰত প্ৰফুল্ল ভূঞাৰ কবিতাৰ বুনিয়াদ গঢ়া হৈছে। ফ্ৰয়েডীয় মন সমীক্ষণৰ নানান কথা আহি তেওঁৰ কবিতাত সোমাইছে অবচেতন মনৰ এক নিজ্ঞান যাত্ৰা তেওঁৰ কবিতাৰ মাজত পৰিব্যাপ্ত। তেওঁৰ অবচেতন সত্বাত ভৰ দি কৰিয়ে নিজ মাতৃক লগত লৈ আদিম যুগৰ সমাজলৈ ঘূৰি গেছে আৰু সেই অতীত যুগৰ প্ৰাচীন কাহিনী আৰু বীৰত্বৰ গাথাৰ মাজত কৰিয়ে নিজক আবিষ্কাৰ কৰিছে। নীৰবতাৰ মাজেদিয়েই কৰিয়ে নিৰ্দিষ্টতাৰ পৰলৈ উপাট গৈছে এই স্তৰত বৈ কৰিয়ে পৃথিৱীত তেওঁৰ আগমনৰ হেতু বিচাৰি পলেও প্ৰয়াস কৰিছে। পৃথিৱীৰ সৰ্বত্ৰতে তেওঁ তেওঁৰ মাতৃক দেখিছে কবিৰ অবচেতন মনত পক মাতৃৰ গভীৰ ছাপ যোৱাৰ সাপুৰাই কৰিৰ মনত এক প্ৰতীকি প্ৰতিভাস সৃষ্টি কৰিছে নিৰ্জনতা কবিতাৰ পৰা উদ্ধৃত কৰা স্তৱকত সেই বক্তব্য অতি স্পষ্ট

> 'পাহৰিলো আমি তাত আছিলো কিমান দিন
> দুদিন নে দুবছৰ মনত পৰিছে মোৰ
> আছিলো যে আমি তাত অনেক আন্ধাৰ ৰাতি
> অনেক যগান্ত আৰু অনন্ত অনাদি ৰাতি
> সেয়ে মোৰ বাসভূমি, চিৰদিন তাতে থাকো আমি
> তুমি কোন কল্লোলিনী পৃথিৱীত থাকা
> সেই যে সেই যে এক তিলোত্তমা উচ্চবংশ জাত
> সুৰা বিপনিত গৈ অনৰ্গল কথা পাতে
> হাঁহে আৰু গান গায়, বাৰাঙ্গনা বুলি যাক
> মুদ্ৰা যাচে বহুত মানুহে, সেই প্ৰবাদ নায়িকা
> পৃথিৱীত থাকা যদি তুমি "মধ্যাহ্ন সূৰ্যকমই
> কৈছ'লো কথা, যেতিয়া আছিলো আমি

ইকবাৰ বেৰ আৰু খেৰৰ চালেৰে সজা আকাশৰ আভাসত
মা আৰু মই। অনেক অৰণ্য নদীতীৰ্থ আৰু জনপদ
ভ্ৰমন কৰিলো আমি—ভিক্ষাৰী সন্তান আৰু ভিক্ষাৰিণী
আমি দুই নিঃস্ব আত্মা
বহুদূৰ ঘূৰি ঘূৰি আহি পালো প্ৰান্তৰৰ নিৰ্জন প্ৰদেশ।

প্ৰমত্ত সূৰ্য্যৰ প্ৰেম অথবা কামনা
প্ৰান্তৰে পাহৰি গ'লে, প্ৰতি ৰাতি
অন্ধকাৰে হৈ স্বৰঞ্জনা, পোহৰ বিলায়
ঘৰ আৰু আকাশত। বতাহত ভৰিপৰে কুঁৱলীৰ ঘ্ৰাণ
সময়ৰ মৃত্যু হয়, পৃথিবীৰ মৃত্যু হয়
থাবে মাথো প্ৰান্তৰৰ অনুভৱ কৰিবৰ
নিজাতো মা আৰু মই।'

(নতুন কবিতা, পৃ, ৭৮)

কবিয়ে বাস্তৱ পৃথিবীখনক অবচেতন মনৰ জগত খনৰ লগত সাঙুৰি চাইছে। কিন্তু মাজে মাজে imagist ভাব অনুভূতিয়ে তেওঁক অৱচেতনাৰ গভীৰলৈ লৈ যায়। নিজ্ঞানতাত কবিয়ে ডুব—দিযেহি। কবিয়ে জীৱন আৰু জগতৰ জটিল দ্বান্দিক পৰিক্ৰমাৰ ৰহস্য বিচাৰে। তেওঁ নিজৰ চাৰিওফালে এটা মানসিক দুৰ্গ তৈয়াৰ কৰি লৈছে। এই দুৰ্গ গঠনত ব্যৱহৃত হৈছে তেওঁৰ নিজ জীৱনত লাভ কৰা অভিজ্ঞতাৰ ইটা আৰু পোৰা মাটি। নিজ্ঞানতাৰ জড়িযতে আদিম জগতলৈ উলটি যোৱা কৰি ভূঞাই কোনো আদিম নাৰীৰ প্ৰেমৰ কথা ভাবি নাইবা কোনো পুৰণি শিল বা গুহাত খোদিত চিত্ৰ চাই সান্ত্বনা লভে। আদিম যুগৰ অৱচেতন মন আৰু বৰ্তমানযুগৰ অত্যাধুনিক সচেতন মন এই দুয়োটাৰ সুমধুৰ সমাবেশ হৈছে প্ৰফুল্ল ভূঞাঁৰ কবিতাত।

নলিনীধৰ ভট্টাচাৰ্য্য

নলিনীধৰ ভট্টাচাৰ্য্যই আধুনিক কবিতাৰ সুঁতিত সুদীৰ্ঘদিন অৱগাহি আছে। imagist romanticism অৰ পৰা ছুৰ্জেৰ প্ৰতীকীবাদলৈকে আধুনিক কবিতাৰ নানা ভাব তৰঙ্গেৰে তেওঁ তেওঁৰ কবিতাক সমৃদ্ধ কৰিছে।

কিন্তু এতিয়ালৈকে তেওঁ কোনো এটা [illegible] প্ৰভাৱত আত্মপ্ৰকাশ কৰা নাই। তেওঁ বহুসংখ্যক কবিতাৰ স্ৰষ্টা [illegible] কিন্তু তেওঁৰ কবিতা সাধাৰণতে কথিত আৰু ভাব অনুভূতিতকৈ [illegible] কথানহে সিবোৰত প্ৰাধান্য লভিছে। অ[illegible]নহে নেলাগে [illegible] কবিতা [illegible] তেওঁৰ কবিতা এক বিশেষ [illegible] পন্থ যেনহে অনুভূত হয়। তেওঁ নিজৰ কবিতাত এক [illegible] বৈশিষ্ট্য ফুটাই তুলিব নোৱাৰা বাবেই [illegible] হয় [illegible] আধুনিক কবিতাৰ সমালোচক আৰু স[illegible] সকলৰ হাতত তেওঁ কম মৰম পাইছে। [illegible] আজি [illegible] মানৱ পৰা [illegible] ভট্টাচাৰ্য্যৰ কবিতাই [illegible] বস্তুবাদৰ আৰু শ্ৰেণী চৈতন্যৰ প্ৰতি [illegible] তেওঁ নতুন [illegible] কয় [illegible] [illegible] চৈতন্যৰ কবলৰ পৰা মুক্ত কবিতাৰ [illegible] আত্মপ্ৰকাশ [illegible] —

[illegible]

[illegible]

[illegible]

[illegible]

[illegible] অতুল [illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible] নিৰ্জন [illegible] উজ্জ্বল

[illegible] প্ৰনয় সুৰ

[illegible] তোমাৰ [illegible]

সমুদ্ৰত [illegible],

[illegible] আঁচলত

[illegible]

[illegible] সপ্ত [illegible] পূৰ

মুক্তি [illegible]

এই প্ৰতীক্ষাৰ নাই জানো দাম ?
বন্দী আত্মা নপৰে ভুৰ
নপৰে জৰ নহয় স্থিৰ
সূৰ্য্য সখি কপাই তোলা পখীৰ স্থবিৰ নীড
থিৰ চঢ়কুত জ্বাক উল্কা
বাটে ঘাটে তাৰ পৰি ফিৰিঙতি
দগ্ধ পথ কোটৰত গজল নতুন বনস্পতি
সূৰ্য্য সখি তুমি জানো বাক আহিবা নামি ?
ভগ্ন স্বপ্ন কৰে, সাৰ্থক ন মজিযাত বহি।"

(বহুবৰ কবিতা, পৃ, ৩৩ ৩৬)

বীৰেন বৰগোঁহাই

পঞ্চাশৰ দশকত প্ৰাধান্য লভা আন এজন imagist কবি হ'ল বীৰেন বৰগোঁহাই। বৰ্ত্তমানে তেওঁৰ কাব্য বীণা নীৰব। তেওঁৰ কবিতাৰ সংখ্যাও সৰহ নহয় কিন্তু ফ্ৰয়েডীয় মনোজৈবিক চিন্তাধাৰাৰে তেওঁৰ কবিতা পুষ্ট। অতীত প্ৰীতি, অতীত স্মৰণ প্ৰেমৰ স্বাদু সংবেদন আৰু বন্ধুত্বৰ নিৰ্য্যাস তেওঁৰ কবিতাৰ উপভোগ্য বস্তু প্ৰেমৰ স্মৃতিয়ে বন্দৰৰ কাষ চপা আকলুৱা নাৱিকৰ মনৰ পাল নিৰ দ'বে কঁপিব পোৰে। তেওঁৰ প্ৰেম কিন্তু তুচ্ছ নহয় প্ৰেমৰ এটি সূক্ষ্ম পলকেই কবিক অনন্তৰ সন্ধান দিয়ে। প্ৰেমৰ প্ৰাঞ্জল অভিজ্ঞতাই তেওঁক বাস্তৱৰ পৰা আঁতৰাই আনি এক স্বৰ্গীয় দিব্যানুভূতিৰ সৈতে মিলিত কৰায় নিবেদিতা বৰুৱা নামৰ তেওঁৰ এটা ধুনীয়া কবিতা আছে। এই কবিতাত কবিৰ প্ৰেম ব্যাপক। নিবেদিতা বৰুৱাৰ প্ৰেমৰ মাজত তেওঁৰ সমগ্ৰ বিশ্ব সত্তাৰ প্ৰতিফলন পাইছে। নিবেদিতা তেওঁৰ কাৰণে জনম আৰু মৰণ চেৰাই যাব পৰা অশৰীৰি অনুভূতি। সাঙ্গীতিক লয় ধৰ্মীতাৰ ক্ৰমেৰে শব্দ নিবেদিত বৰুৱাৰ ছবিখন অতিশয় মধুৰ আৰু সহজে পাঠকক মোহাবিষ্ট কৰি তুলিব পৰা বিধৰ।

নীৰব নগ্ন, মগ্ন ধৰিত্ৰীৰ চূৰ্ণিৰ সাগৰত ঢেউ খেলি
বিচাৰি পালো চেতনৰ পাৰাপাৰ। চেতনাৰ আলোক পথত

দেখা দিলা তুমি, সেন্দুৰ-ৰঙা আশাৰ নক্ষত্ৰ।
পথ মোৰ পৰি ৰ'ল। মই ভোল গ'লো। নিবেদিতা,
এমুখ হাঁহিলৈ তুমি সন্ধান দিলা চুচকুৰ নীলা।
উদাত্ত গম্ভীৰ আৰু লীলায়িত দেহৰ ভংগীৰে
দেখুৱালা সৃষ্টিৰ সৌন্দৰ্য্য। প্ৰেম আৰু দেহাতীত
সৃষ্টিৰ চেতনা সনা তোমাৰ দৃষ্টিত, মোৰ মন কঁপে
আন্ধাৰৰ তৰংগত তৰাৰ পাপৰি কঁপে।
নিবেদিতা, তোমাৰ চুলিত আঙুলি বুলাই মৰা নক্ষত্ৰৰ
কত কথা ক'লো মোৰ বিলুপ্ত হৃদয়, নিমীলিত চকু আৰু
মোৰ বিলীন স্বপ্নাকাঙ্ক্ষা (এইবোৰ সাধু হ'ল)
যেনেকৈ হয়, কোনো এক আশ্চৰ্য্য ৰাত্ৰিৰ প্ৰেমৰ গভীৰ কথা
অনৰ্গল কৈগ'লে, হাজাৰ বছৰৰ কথা বাদামী ৰঙৰ ৰাতি
উজাগৰে ভাবি গ'লে।
নিবেদিতা, হাজাৰ ধূসৰ নিশাৰ অলস সপোন লৈ
তুমি যদি নাও মেলি দিয়া পথ বিস্মৃত নাবিকৰ দ'ৰে
সোন, জোনৰ পোহৰতো তুমি মৃত্যু মলিন সপোন
সৰীসৃপ কামনাই স্বপ্নময় কৰিব সৃজন * * *

নিসন্দেহে নিবেদিতা বৰুৱা কবিৰ শ্ৰেষ্ঠ কাব্যকীৰ্ত্তি। যদিও প্ৰেমৰ ইন্দ্ৰিয়ানুভূতিৰ দিশটো এওঁৰ ৰচনাকি তথাপিও প্ৰেমৰ বাস্তব আৰু কঠোৰ ৰূপটোও কবিয়ে নজনা নহয়। আধুনিক কালত প্ৰেমৰ দাম কমিছে। অৰ্থনৈতিক তাড়নাৰ ত্ৰাহি মধুসূদন অৱস্থাত পৰি নাৰীৰ জীৱন হৈছে পণ্য সামগ্ৰী। স্খলন আৰু নিৰ্য্যাতন তেওঁলোকৰ বাবে সদা সংঘটিত কথা। নাৰীৰ ব্যক্তিত্বৰ সন্মানৰ প্ৰতি কবি সচেতন হৈ উঠিছে ৰাতিৰ কবিতা নামৰ কবিতাত

'বাটে বাটে ঘুৰি ফুৰে বেডুইনৰ দল
সুপ্ত ৰজনী জুৰি বৈ আছে গুপুত সন্ধানী
জোনাকীৰ জ্যোতিত ফুলে গনিকাৰ
হাঁহিৰ পদুম। ধ্বংস হয় হাজাৰ নতুন জন্ম

বাটে বাটে জাৰজ সন্তান।
উটি যায় ভ্ৰূণহত্যা, অপমান নাৰীৰ দেহৰ।"

(আকাশৰ চিঠি, পৃ, ৩৫)

এই কবিতাটি ৰচনা কৰাৰ সময়ত কবি তৰুণ। তৰুণ মনে বিদ্ৰোহৰ পোষকতা সহজে কৰিব পাৰে। নাৰী জীৱনৰ ওপৰত হোৱা ঘৃণিত লাঞ্ছনা দেখিও, যেন কবিৰ অন্তৰ বিদ্ৰোহী হৈ উঠিছে। 'চিৰ-নমস্য মাতৃমূৰ্তিৰ' প্ৰতি সশ্ৰদ্ধ কবিয়ে যেন দেহাৰ বেহা কৰি পেটৰ ভোক উপশম কৰা নাৰী জীৱনক ক্ষমা কৰিব পৰা নাই। মানুহৰ মানুহ ৰূপ হেৰাই গৈছে। মানুহৰ জীৱন আধুনিক সভ্যতাৰ বালি বলুকাত পৰি থকা ভগা খোলাকটি মাথোন। দাম তাৰ তুচ্ছ। প্ৰাৰ্থনা : মৃত্যুৱে নামৰ কবিতাত কবিয়ে সভ্যতাৰ ঘৃণিত ৰূপ দেখি চকখাই উঠিছে আৰু মৃত্যু লাভ কৰি পুনৰ বাৰ জন্ম লাভৰ আশা কৰিছে। কবি হয়তো জন্মান্তৰ বাদৰ প্ৰতি সমৰ্থনকাৰী।

নিৰ্মলপ্ৰভা বৰদলৈ

আলোচ্য যুগটোৰ শীৰ্ষ স্থানীয়া মহিলা কবি নিৰ্ম্মল প্ৰভা বৰদলৈ এগৰাকী শক্তিমান imagist কবি। মানুহৰ মনোজগত আৰু তেওঁৰ চাৰিওফালৰ জগতখন কবিৰ আলোচনাৰ বিষয় মুক্তক ছন্দ তেওঁৰ কাব্য ৰীতিৰ নিৰ্মাণ কৌশল। মধ্যবিত্ত জীৱনৰ প্ৰতিকূল পৰিবেশ, অৰ্থনৈতিক তাড়না, নগৰ জীৱনৰ প্ৰতি বিদ্বেষ আৰু নগৰ সভ্যতাৰ স'বাবি আৰু প্ৰতাৰণা তেওঁৰ কবিতাৰ উপভোগ্য সামগ্ৰী। কম শব্দত সুসংহত গাঠনিৰে তৈয়াৰ কৰা তেওঁৰ কল্প চিত্ৰসমূহে পাঠকৰ মনত তীক্ষ্ণ ছাপ বহুৱাই। কেতিয়াবা কেতিয়াবা তেওঁ মনো-জৈৱিক স্তৰৰ পৰাও উপমা আৰু চিত্ৰকল্প গ্ৰহণ কৰে। জন্মৰ প্ৰাক্ আৰু পৰ মুহূৰ্তৰ ছবি এখনো তেওঁৰ কবিতাত ফুটি উঠা দেখা যায়। তোমালৈ কবিতাত কল্পচিত্ৰৰ মৃদু সৌৰভ সহজে অনুমেয়। বিজু, বৰষা শেষৰ গান, অপৰাজিত, আজৰিৰ গীত,আদিত ধুনীয়া আৰু সৰস চিত্ৰকল্পৰ সমাবেশ হৈছে। ৰোমান্টিক পৰিবেশৰ স্ফুৰণে তেওঁৰ চিত্ৰকল্প বোৰক সমৃদ্ধ কৰিছে। ভাবানুভূতিৰ সুচতুৰ প্ৰয়োগেৰে সু-সিদ্ধ এই চিত্ৰ সমূহে পাঠকক এক নান্দনিক ঐশ্বৰ্য্যৰ ভোক্তা কৰি পেলায়।

মধ্যবিত্ত জীৱনক লৈ লিখা কবিতাৰ ভিতৰত প্ৰফেচাৰ কবিত
আকৰ্ষণীয় কবি নিজেও এগৰাকী অধ্যাপিকা। ড সমৰ কলেজবোৰত
এনৰ লগত মনৰ সমৰ কৰি কবি চাই ই একা এই শিক্ষক শ্ৰেণীৰ ভূপ দাবিয়া
ক নাঙ্গন কৰিব ভানিৰ দক্ষিণ য দমহাৰ পইচাৰে প্ৰফেচাৰ
তেওঁৰ মাহেকীয় বাজেটখন সমৰ্থন নকৰে পৰিয়ালৰ কাৰণে লগা
ত আৱশ্যকীয় প্ৰোটিন মাছ কণ দিব তেওঁ নিমিশাৰ নোৱাৰে। ফটা
স্কুল অক চাৰ্ট পিন্ধি তেওঁৰ ঘৰ ছাৱালী বাহিৰত ঘূৰি ফুৰে। এইদৰে
প্ৰফেচাৰ জীয়াই থাকে আৰু তেওঁ ডায়াৰীখনত এটা সন্মানীয়তা (?)
আছে। তেওঁৰ মুখত মাত্ৰ এক মাত্ৰ তেওঁৰ স্লোগান হ'ল—
"Man does not live by bread alone তেওঁ শিষ্যৰ এখন ডাঙৰ
জাহাজ বহুত কথাই কৈ U N O, লাউচ, ভাৰত নাটাম
চেখ-বে ডম মাৰেই ভক্ত স ইত্তা একাডেমীৰ পুৰস্কাৰ topless
বক্তাৰত লাগুৰ দাম ... জৰ চুৰাৰ শ্ৰীমতী অনামিকাৰ পিছত লাগি
যবাৰ নামে তেওঁ জানি এই কবিতাটি ত বিদ্ৰোহৰ অন্তৰ্ভুক্তি
সমানে প্ৰবল

বিনৰ ... নীলমনি ফুকন কবি নিৰ্মল প্ৰভা
আঁকিছে তেওঁ এগৰ গীত ক কবিতা উভা ক্ষেত্ৰত
তেওঁ সুনিৰ্বাচিত সুবিন্যস্ত ... ঠকক তীব্ৰ আকৰ্ষণ কৰে। ভাৰতী
মহাকাব্যসমূহৰ ... কাহিনী, চৰিত্ৰ আৰু প্ৰসিদ্ধি নিৰ্মল
প্ৰভাৰ কবিতাত প্ৰকাশ পা প্ৰাচীন মহাকাব্যৰ নাৰীসকল যেনে
দ্ৰৌপদী, গান্ধাৰী ... মূল্যাংকন তেওঁ কৰিছে। তেওঁৰ মতে
... সন্ধান এই পদ উচ্চ নাৰী, গান্ধাৰী ধৰ্মীয় আৰু
... অন্ধবিশ্বাসৰ ... যথেচ্ছাচাৰ আৰু উৎপীড়নৰ বিৰুদ্ধে
... নিৰ্মল প্ৰভাৰ কবিতা সহজবোধ্য। বুদ্ধি নিষ্ঠতাৰ
...
... নিৰ্মল ... গৰাকী পণ্ডিত ব্যক্তি অসমীয়া কবিতাত
... গুৱাহাটী
... ডিগ্ৰী পাইছে। লোক সংস্কৃতিৰ চৰ্চা
... তেওঁৰ সুনাম আছে

নীলমণি ফুকন (কনিষ্ঠ)

নীলমণি ফুকন অসমীয়া আধুনিক কবিতাৰ প্ৰতীকবাদী—তবজৰ সাৰ্থক-তম শিল্পী। ৰোমাণ্টিক ভাবানুভূতিৰে impressionistic কবিতা কিছু মানেৰে তেওঁ কাব্য চৰ্চ্চাৰ পাতনি মেলে। **সূৰ্য্য হেনো নামি আহে এই নদীয়েদি** তেওঁৰ প্ৰথম কাব্য সংকলন। এই সংকলনৰ কবিতাসমূহ ঘাইকৈ ৰোমাণ্টিক অভিব্যক্তিবাদৰ কবিতা। পৰৱৰ্তীকালত ফুকনে প্ৰতীকবাদলৈ উত্তৰণ কৰিলে। প্ৰতীক, myth আৰু archetype অৰ বিচিত্ৰ মধুৰ সমাহাৰেৰে তেওঁৰ কবিতাসমূহসমৃদ্ধ। বৰ্তমানে প্ৰকাশ পোৱা তেওঁৰ তিনি-খন কাব্য সংকলন **নিৰ্জনতাৰ শব্দ, আৰু কি নৈশব্দ** আৰু **ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ কালে** সংকলনে প্ৰতীকবাদী কাব্যান্দোলনৰ এক নতুন মহিমা বিস্তাৰ কৰিছে। শব্দ বিন্যাসত কবি ফুকনৰ হাত পকা। মহৎ কবি-সকলে সুপ্ৰতুল আৰু সুচতুৰ বিন্যাসৰ জৰিয়তে প্ৰাচীন শব্দবোৰৰে ওজস্বীতা বঢ়াই তোলে। ফুকনে কৌশলী হাতেৰে শব্দবোৰ সজায় আৰু ফুকনৰ হাতৰ বিন্যাস লাভ কৰি শব্দবোৰে নতুন পৰিবেশ তৈয়াৰ কৰি সেইবোৰৰ শাব্দিক অৰ্থক চেৰাই গৈ এক নতুন ব্যঞ্জনাৰ সৃষ্টি কৰে। শব্দ আৰু পৰিবেশৰ বিচিত্ৰতা ফুকনৰ কবিতাসমূহৰ ঘাই বৈচিত্ৰ্য। **সেই ৰহস্য নীল ধুতুৰা** নামৰ কবিতাত কবিৰ শাব্দিক উদাৰতা সাগৰ হৈ বৈছে। এনেধৰণৰ বিন্যাস ৰীতিয়ে সচাঁ শিল্পীক গঢ় দিয়ে। **নিৰ্জনতাৰ শব্দ** আৰু **আৰু কি নৈশব্দ** এই দুই গ্ৰন্থত শাব্দিক ইন্দ্ৰজাল বহুধা বিস্তৃত। এইখিনিতে কবি ফুকনৰ ৰহস্যময় নীল ধুতুৰা পাঠকৰ আগত দাঙি ধৰাৰ লোভ সামৰিব নোৱাৰিলো।

সেই ৰহস্য নীল ধুতুঁৰা

অহৰহ মই সেই আবহমান কালৰ অনুসন্ধান কৰোঁ
ৰাতিৰ অতল তলিত ফুলি থকা চিৰকালৰ এটা বিৰাট
নীল ধুতুঁৰা,
সেই ৰহস্য

চিৰকালৰ এটা বিৰাট নীল ধুতুঁৰাৰ মই অনুসন্ধান কৰোঁ

তাৰ গৰ্ভলৈ মই সোমাই যাবলৈ বিচাৰোঁ
যত অন্তৰ্হিত হৈ আছে অসংখ্য ৰক্তাক্ত শব্দৰ শংখ
শংখৰ ভিতৰত চিৰন্তন মানুহৰ নিৰ্জন আৰ্তি

নীল ধুতুঁৰা
সেই ৰহস্য

শব্দৰ শংখ
সেই ৰহস্য
নিৰ্জন আৰ্তি
সেই ৰহস্য

অহৰহ মই সেই আগমান ৰহস্যৰ অনুসন্ধান কৰোঁ।

ফৰাচী দেশীয় প্ৰতীকবাদী সকলে তেওঁলোকৰ কবিতাক প্ৰতীকৰ জৰিয়তে এক ঘনীভূত ব্যঞ্জনাৰ উত্তৰাধিকাৰী কৰিছে। কবি নীলমণি ফুকনে একে কৌশলেৰে প্ৰতীকৰ ব্যৱহাৰ কৰিছে। তেওঁৰ দৃষ্টিৰ সূক্ষ্মাতি সূক্ষ্ম পৰিব্যাপ্তিৰ নিদৰ্শন হ'ল তেওঁৰ দ্বাৰা ব্যৱহৃত প্ৰতীকসমূহ। এই প্ৰত্যক্ষমান জগতখনৰ সৌন্দৰ্য্যৰ আঁৰ ঢাকি থকা এক তুৰীয় (transcendental) অৱস্থানলৈ যাবলৈ কবিয়ে চেষ্টা কৰিছে, তেওঁৰ কবিতাবোৰত সেইবাবেই ব্যঞ্জনা আৰু অনুপ্ৰেৰণ আছে। সাধাৰণ খুচুৰা শব্দৰ দলিল সিবোৰ নহয়। তেজ নামৰ কবিতাটো কবিৰ জীৱন চক্ৰৰ প্ৰত্যক্ষ প্ৰকাশ, কবিয়ে ভাবে যে তেওঁৰ জীৱন অনন্ত জীৱনৰ অংশত সংগঠিত। দিনৰ পিছত দিন, মাহৰ পিছত মাহ, বছৰৰ পিছত বছৰ ভুৰি কৰিযে সান্ত্বনা আৰু নীৰৱতাৰ মাজেদি অভিজ্ঞতা আৰু অনুভূতিৰ মাজেদি জীৱন প্ৰবাহ চলাই নিছে। এই কবিতাত ব্যৱহৃত শোভাগহীন যুক্তিনিষ্ঠ প্ৰতীকসমূহে অনুৰাগী পাঠকক ভাবিবলৈ আৰু ভাবি ভাবি আৱিষ্কাৰ কৰিবলৈ বাধ্য কৰে।

"ভগা টোপনিৰ আয়নাত
নিয়ৰৰ গভীৰতা
এটোপাল ঘামত মোৰ তেজৰ গভীৰতা।

সিন্দুগছৰ মঙহত
অগনণ—
বাৰবীৰ বাতিৰ জুই—

তেজৰ মাজৰ শূণ্যতা
এটা গধুৰ চকা
চলি যায়

কাটি যায়,
সাতোটা দঁতাল হাতীয়ে
টানি নিয়ে—

এটা গধুৰ চকা
চলিযায়
মোৰ তেজৰ মাজেৰে

অনন্তশায়ী জীৱনৰ
নাভি কমলত
মোৰ তেজৰ জন্ম।

নিসন্দেহে উপৰোক্ত বাক্যাংশ সমূহত ফুটি উঠা ঘণীভূত ব্যঞ্জ গভীৰ অনুধাৱনৰ বিষয়। দহজন ভেকা মানুহৰ প্ৰত্যাবৰ্তন নামৰ অন্য এটা প্ৰতীকী কবিতাত মানৱ সভ্যতাৰ গোটেই বৃত্তটোকে আঁকি দেখুওৱা হৈছে। বহুতোবোৰ প্ৰতীকৰ সঘন সমাবেশ ইয়াত দেখা যায়। ক'লা শিল, যাড় গৰু, কফিন, পাঁচটা মৃত গাধ, সমুদ্ৰ, ভগ্ন মন্দিৰ আৰু এগৰাকী উন্মাদ নাৰীয়ে প্ৰতীকৰ কাম কৰিছে। এই প্ৰতীক সমূহক এক সুষম সজ্জিত বাক্যি পেলোৱাত কবি সাৰ্থক হৈছে। কিন্তু এই কবিতাটো অনেকাংশে দুৰ্বোধ্য হৈ পৰিছে কাৰণ কবি ফুকনে প্ৰতীক নিৰ্বাচন কৰোতে সদায় সমান মনোযোগ নিদিয়া যেন অনুমান হয়। তদুপৰি তেওঁ কিছুমান Private Symbol ব্যৱহাৰ কৰে। Wallace Fowlie আদি প্ৰতীকী পৰম্পৰাৰ পণ্ডিতসকলে প্ৰতীকৰ একেৰূপতা আৰু ঐক্যৰ যি দাবী কৰিছে সেই দাবী অনেক কবিয়ে মানি ল'ব নোখোজে। কবি ফুকনেও এনেধৰণে প্ৰতীকৰ একে ৰূপতাকে

লক্ষ্য নাবাথি উদ্দিষ্ট প্ৰতীককে ব্যৱহাৰ কৰিছে। ফলস্বৰূপে লিগক আৰু পাঠকৰ মাজত জটিলতা বাঢ়ে। তাৰ কবিতাবোৰ দুৰ্বোধ্যতালৈ নামে। যদি কবিতাত ব্যৱহৃত প্ৰতীকে পাঠকৰ ওচৰত দুৰ্বোধ্য সাঁথৰ হৈয়ে থাকে তেতিয়াহলে প্ৰতীকবিলাক যিমানেই কলাসন্মত নহওক লাগিলে পাঠকৰ ওপৰত সিবোৰৰ প্ৰভাব নপৰে। স্বপ্ন আৰু বাস্তৱতাৰ মাজতো স বাত লাগি ফুকনে কিছু মান কবিতা ৰচনা কৰিছে। কবি W B Yeatsয়েও তেওঁৰ The Double vision of Michael Roberts নামৰ কবিতাত স্বপ্ন আৰু বাস্তৱৰ মধ্যপ্ৰান্তৰত বৈ কবিতা ৰচিছে। কবি ফুকনৰ মনো ও মাজে মাজে স্বপ্ন আৰু বাস্তৱৰ মধ্যস্থলত বৈ যায়। নিজৰ স্বপ্নৰ ইন্দ্ৰজালত নিজে বন্দী হৈ কবিয়ে শ শ ৰূপহীন সৌন্দৰ্য্যৰ আভাস পায় আৰু সিবিলাকে সমৰূপ কৰিক প্ৰতীক আৰু চিত্ৰকল্প যোগান ধৰে। আধ্যাত্মিক অনুভূতি অৰু আত্ম প্ৰণোদিত আনন্দৰ ছাপ এনেকুৱা কবিতাবোৰত সহজে ধৰা পৰে। চিত্ৰকল্পৰ প্ৰয়োগতো কবি কৌশলী। তলত কেইটামান উল্লেখ দিয়া হ'ল—।

(১) সাপেধৰা বেঙৰ মাতত
কাতৰ দুপৰ

(২) শূণ্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰণ্ময় হৃদয় পাত্ৰ

(৩) মুৰৰ ওপৰৰ সূৰ্য্যলৈ মুখকৰি
থিয়দি আছে।
এজন নিসঙ্গ মানুহ

(৪) পৃথিবীত ভৰাবোৰৰ
একমাত্ৰ প্ৰতিদ্বন্দ্বী
এই বুটাম কইটা

(৫) ওখ ওখ এজাৰ গছৰ ছাত
মূৰ্চা গৈ পৰি আছে
মোৰ শৈশৱ

কিছুক্ষেত্ৰত নীলমণি ফুকনক ৰুচিয়াৰ কবি আলেকজেণ্ডাৰ ব্লখৰ (Alexander Block) লগত তুলনা কৰিব পাৰি। ব্লখৰ দৰে ফুকনেও এটা হতাশা আৰু মোহভঙ্গৰ বেদনাত ভুগিছে। ব্লখ আৰু ফুকন দুয়োজনৰেই কবিতা সমানে ব্যক্তিধৰ্মী। C M Bowraই আলেকজেণ্ডাৰ ব্লখৰ কবিতা আলোচনা কৰাৰ প্ৰসঙ্গত কৈছে যে ব্লখৰ কবিতাৰ বিষণ্ণতাৰ মূল কাৰণ হ'ল তেওঁৰ মোহভঙ্গ। কবি নীলমণি ফুকনৰো এই কাব্যিক বিষণ্ণতা বোধ হয় তেওঁৰ চাৰিওকালৰ জগতখনৰ লগত হোৱা মোহ ভঙ্গৰেই ফল। আধুনিক যান্ত্ৰিক সভ্যতাৰ অভিঘাত আৰু সংঘাতে, নৈৰাজ্যবাদী দৰ্শনে, প্ৰাচীন মূল্য-বোধৰ ওপৰত অনাস্থা আৰু সংশয়ে আধুনিক কবিসকলক কিদ'ৰে মোহভঙ্গ কৰি তুলিছে তাক আগতে কৈ অহা হৈছে। ফুকনৰ কবিতাতো সেয়েই হৈছে। কবিফুকন অধ্যয়ন পুষ্ট ব্যক্তি আধুনিক কালৰ কবিতাৰ লগত তেওঁৰ চিনাকি উদাৰ। কাৰো কবিতাৰ প্ৰত্যক্ষ প্ৰভাৱ তেওঁৰ কবিতাত নাই ফুকনৰ কবিতাৰ আৰু এটা বৈশিষ্ট আছে তেওঁৰ কবিতাত বুদ্ধিনিষ্ঠতাৰ লগত সাঙ্গীতিক গীতিধৰ্মিতাৰ ঐক্য স্থাপিত হৈছে। বয়সত নবীন এই কবিজনৰ কাব্যকীৰ্তিৰ সম্পৰ্কে এতিয়াও শেষ কথা ক'বৰ নৌহয় এখোন।

হীৰেন্দ্ৰনাথ দত্ত

বিষণ্ণতা আৰু নান্দনিক আবেগৰ বশৱৰ্তী হৈ লিখা হীৰেন্দ্ৰ নাথ দত্তৰ কবিতাসমূহত সৌন্দৰ্য্যৰ অনুধাৱন, অতীত স্মৃতিৰ নিসঙ্গতা আৰু প্ৰকৃতি প্ৰীতি ধ্বনিত হৈছে। হীৰেন দত্তই মাজে সময়ে প্ৰতীকীবাদতো হাত বুলাই চায়। বনবীয়া উজান আদি কবিতাত তেওঁৰ চাৰিও কালৰ জগতখনৰ নান্দনিক সৌন্দৰ্য্য সত্তাৰৰ লেখ লোৱা হৈছে। হাস্পাতাল নামৰ কবিতাত কবিৰ বুদ্ধিনিষ্ঠা, হতাশা আৰু জীৱনৰ ওপৰত সংশয় ফুটি উঠিছে। আধুনিক কবি মনৰ জটিলতা, দ্বিধা, অনীহা আৰু সংশয়ৰ চিত্ৰ হিচাপে হাস্পতাল কবিতাটি প্ৰাণপৰিতোষী।

'এনমে' প্লেটৰ আড়ালত
ভূতৰ ডাবুৰি দেখি বিচিত্ৰ ভঙ্গীত
আৰু দেখি চকুৰদ্ কাচৰ চটাত

বিৰ বিৰ্ কৰি ফুৰা জাকে জাকে আলৰণীবোৰ
বিজ্ঞানৰ শালগ্ৰাম থাপনাত ৰইছোঁ হাউলি

ঔষধৰ ধাতৱ নিৰ্য্যাস
পূজাৰ মৃত্তিকা আৰু চকুলোৰ গঙ্গাজল সানি
পৰি আছোঁ। দণ্ডৱত তীৰ্থৰ জালত
ৰসায়ন নিৰ্মালিৰে বৈ উপবাসে
ভ্ৰুকুতিৰ আণ্ঠাৰে কলাধোঁৱা উৰিলেং
মেলিছো লেবেলা হাত এককণা ক্ষততে বিচাৰি
সাময়িক সঞ্জীৱনী সূচ্যাগ্ৰ আশাৰ
যদি ওবা নেদেখী খোপাৰ নামনিত
শিৰৰ সেন্দুৰী আলি
চকুলোৰ ঢলে উটুৱাব
তথাপিও বাসনাৰ ৰক্তবীজ সেই পলসত
মৰিবলে অমৰন হয়

তাবেই জাননী
অদূৰত প্ৰথম ওজৰ কোনো নবজাতকৰ
সন্মুখত এই অপূৰণ শেষ দৃষ্টিপাত
মাজেদিয়ে বৈযোৱা বৈতৰণী প্ৰাণ-লালসাৰ।

কিন্তু তথাপিও আত্মাশৰীৰৰ পৰা যাচিছে। প্ৰণাম
মোৰ আৰু বহুতৰ হাড়- মঙহৰ পৰিত্ৰাতা হেৰা
শালগ্ৰাম থাপনাৰ একান্ত ভকত
মুখা—পিন্ধা নিৰ্মোহ সন্ন্যাসী
হাতত দয়ালু চুৰি চিৰ আশাবাদী
চাৰিপাক ঘেৰি যাব বহুতো সেবিকা
মন্দিৰৰ নাচনীৰ দৰে
আৰু তপত তপস্যা যাব
নিষ্ঠাৰ বেজালি এৱা

ঘূৰি ঘূৰি অহেহন
অৰ্থক্লান্ত আৰামী মৃত্যুৰ।”

(বছৰৰ কবিতা ১৯৬৫, পৃঃ ১১৫)

কিছুমান সুচতুৰ শাব্দিক চিত্ৰ কৌশল সৃষ্টি কৰাত হীৰেন দত্তৰ প্ৰতিভা দেখা যায়। বিষাদগ্ৰস্ততা, স্মৃতি ৰোমন্থনৰ কাৰুণ্য হীৰেন দত্তৰ কবিতাৰ প্ৰাণ। স্মৃতিৰ সকৰুণ আবেগৰ সৈতে আলফুলীয়া কোমল শব্দৰাজিৰ সৃষ্টি কৰি কৰিয়ে পৰিৱেশন কৰা কবিতাসমূহত এক অৰ্থাতিৰিক্ত ব্যঞ্জনা ফুটি উঠে সোমখিৰিৰ সোঁৱৰণী নামৰ কবিতাটোত তেনে এক কৰুণ কোমল কাব্যিক পৰিৱেশত কবিৰ স্মৃতিৰোমন্থন আৰু অহেতুক বিষাদ তীব্ৰ হৈ উঠিছে

‘বগলীয়ে বেগাবেগি কৰি
বহুদূৰ গৈ বাট হেৰুৱাত
সিহঁতকে বিচাৰি যেতিয়া
আহিছিল তুৰলীয়া সপ্তমীৰ জোন
তেতিয়াবে দেখিছিলো ভবিষ্যত
গুহাছানি ধৰা—
এখন ৰূপালী মকৰা জাল
জিক্‌মিক চিক্‌মিক্
কন কন চিকুনিৰ
চকুপানী পৰি

(সোমখিৰীৰ সোঁৱৰণী)

তেওঁৰ সমসাময়িক কবি সকলৰ পৰা হীৰেন দত্তৰ এটা পাৰ্থক্য সহজে চকুত পৰে—তেওঁৰ কবিতাত জটিলতা কম আৰু কৰ্ষিত শব্দচয়নৰ প্ৰতি মোহ নথকা হেতুকে তেওঁৰ কবিতা সৰল। তেওঁৰ কবিতাৰ মাজেদি প্ৰাচীন কাব্যকাৰ সকলৰ কবিতাৰ ধ্বনিৰ বিং একোটাইতো প্ৰতিধ্বনিত হয়। চিত্ৰকল্পৰ নিৰ্মাণ বা প্ৰতীকৰ ব্যৱহাৰতো তেওঁ নিতান্ত নিজৰ মাটিৰ ধনুৰা উপাদানহে গ্ৰহণ কৰিছে। তেওঁৰ পোখন—কবিতাৰ এই কল্পচিত্ৰটিকে চাওঁক—

“এইদৰে আন্ধাৰ লেহন এৰি
কুমলীয়া চেউৰীৰ মুখ যেন
কমলিনী পুৱা আহে।”

কুমলীয়া চেউৰীৰ মুখৰ বঙা ৰং আৰু পুৱাৰ কমল বঙা সুৰুযৰ তুলনাৰ কেনে বিচিত্ৰ অভিব্যক্তি।

পৰেশমল্ল বৰুৱা

যাযাবৰ যুগত কৃষি প্ৰতিভাৰ উন্মেষ হোৱা কবি পৰেশমল্ল বৰুৱা এজন অভিব্যক্তিবাদী কবিৰূপেই প্ৰতিষ্ঠা লাভ কৰিছে, কিন্তু বৰ্তমানে তেওঁ প্ৰতীকবাদী চেতনা এটা জগাই তোলা যেন অনুমান হয়। বৰ্তমান সময়ত তেওঁ লিখা কবিতাসমূহত ঘনীভূত ব্যঞ্জনা আৰু প্ৰতীক প্ৰকাশ পাইছে। এটা প্ৰাগ ঐতিহাসিক প্ৰাণী, এজাক বনৰীয়া ৰাজহাঁহ আৰু কেৱল এটা শব্দ আদি কবিতা প্ৰতীকবাদৰ সুমধুৰ প্ৰকাশ। তেওঁ Conventional প্ৰতীক ব্যৱহাৰ কৰে আৰু Private প্ৰতীকৰ ব্যৱহাৰ নোহোৱাৰ বাবে তেওঁৰ কবিতাসমূহ সুখপাঠ্য।

হীৰেন গোঁহাই

মাৰ্ক্সীয় আশাবাদ আৰু ইলিয়টীয় নৈৰাশ্য—এই দুয়োটাৰে সনাসনি প্ৰভাৱত কবি হীৰেণ গোহাইৰ কবিতাসমূহ পুষ্ট হৈছে। তেওঁৰ কবিতাত সামাজিক দায়বদ্ধতাৰ স্বৰূপ ভালদ'ৰে ফুটি ওলাইছে। কবি গোঁহায়ে বৰ্তমানৰ সমাজ ব্যৱস্থাৰ আশু পৰিবৰ্তন বিচাৰে। নিপীড়িত জনগণৰ মুক্তিৰ দাবী তেওঁৰো দাবী। বৰ্তমানৰ সমাজ ব্যৱস্থাৰ গভীৰ বিসংগতিয়ে কবিৰ মনত গভীৰ বেদনাবোধৰ সৃষ্টি কৰিছে—তেওঁৰ কাব্যিক চেতনাত এটা খিৰা ঘা সংশয়ো দিছে। এনে কবিতাৰ উদাহৰণ হ'ল উত্তৰ ৰবীন্দ্ৰ। আনহাতে গোবিন্দ কাকতিৰ স্বগতোক্তি আদি কবিতাত এটা অহেতুক Cynicism, এটা ঘৃণা আৰু Satire ও পৰিলক্ষিত হয়। গোবিন্দ কাকতিৰ তাৰ চিন্তা অনেক পৰিমাণে ইলিয়টৰ কবিতাৰ J Alfred Pruffock ৰ চিন্তাৰ লগত মিলে। ক্ৰান্তিক, মধু মামিজী আদি কবিতাৰ সুৰ আৰু ভাবানুভূতি অৱশ্যে বেলেগ। ইয়াৰোৰত নব্যানুভূতিৰ সোঁত কোবাল।

ভবেন বৰুৱা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ভবেন বৰুৱাই সুদীৰ্ঘ দিন ধৰি কবিতা লিখিছে। তেওঁ তেওঁৰ কবিতাত অনেক পৰীক্ষা নীৰিক্ষা চলাইছে। শব্দৰ সুপ্ৰয়োগৰ দ্বাৰা ব্যঞ্জনাৰ বিস্তাৰ কৰিবলৈ তেওঁ অনেক কৌশল সৃষ্টি কৰিছে। তেওঁ কবিতাৰ কৌশলী শিল্পী—কিন্তু তেওঁৰ কাব্য নিৰ্মাণত কৃত্ৰিমতাও নথকা নহয় আৰু সেইবাবে সময়ে সময়ে তেওঁৰ কবিতা সম্পূৰ্ণ উপভোগ্য হৈ নুঠে। শব্দৰ নবীনত্বৰ প্ৰয়োগ দেখুৱাবলৈ গৈ তেওঁ অনেক কবিতাতে অযথা জটিলতাৰ সৃষ্টি কৰিছে আৰু সিবোৰে পাঠকৰ অন্তৰত সমানুভূতিৰ সৃষ্টি কৰাত ব্যৰ্থ হৈ পৰে। ভবেন বৰুৱাৰ অনেক কবিতাত বিমূৰ্ত অৱচেতনাৰ এটি গভীৰ প্ৰবাহ আছে। উদাহৰণ স্বৰূপে তেওঁৰ **অশ্বাৰোহী** কবিতাটি ল'ব পাৰি। এই কবিতাত কবিৰ উপলব্ধি হৈছে—

"আকাশ আৱৰি বোৱা বিশাল তিমিৰ কালি
দুহাতেৰে টানিবলৈ কুঁৱলীৰ জাল
দানৱী নিশাৰ শত শত ঢুক ঢুক অন্তৰৰ ধ্বনি
ডুবালে এতিয়া কোনে সমুদ্ৰ জালত ?
শেষ হ'ল কান্তাৰৰ পথ   সংগী মোৰ
এই অশ্ব—সংগী মোৰ ৰক্তৰ শ্বাসৰ।

একেধৰণৰ আবেগেৰে গ্ৰথিত হোৱা তেওঁৰ **শিলাস্তম্ভৰ সন্মুখত** কবিতাটিও এটি ভাল কবিতা। শ্ৰাব্যকল্পনাৰ বিস্তৃতিৰ (auditory imagination) জৰিয়তেও, কবি বৰুৱাই তেওঁৰ কবিতাসমূহক অৰ্থবহ কৰি তুলিব পাৰিছে।

হীৰেণ ভট্টাচাৰ্য্য

ষাঠি আৰু সত্তৰৰ দশকতে কবি হীৰেণ ভট্টাচাৰ্য্যৰ কাব্যিক প্ৰতিভা সম্পূৰ্ণৰূপে বিকশিত হয়। **মোৰ দেশ মোৰ প্ৰেমৰ কবিতা** নামৰ কাব্য সংকলনৰ জৰিয়তে তেওঁ পাঠকৰ অন্তৰত এডুখৰি নিজস্ব আসন কৰি ল'ব পাৰিছে। তেওঁৰ কাব্যবাণীৰ মূল আলোচ্য বিষয় হ'ল প্ৰেম, সৌন্দৰ্য্য আৰু

স্বদেশপ্ৰীতি ।সমকালীন সমাজ ব্যৱস্থা বা অৰ্থনৈতিক বিষমতাৰ পৰা আঁতৰি এক কল্পনা মধুৰ জগত গঢ়ি তুলি, কবিয়ে তাতে আশ্ৰয় লৈছে। আৰু সেই বাবেই তেওঁৰ কবিতাত অযথা জটিলতা নাই। জাপানী কবিতাৰ আহিঁত মিহি আৰু সুকৌশলী শব্দ বিন্যাসেৰে তেওঁ তেওঁৰ কবিতাসমূহ সমৃদ্ধ কৰিছে। প্ৰেম আৰু যৌৱনক তেওঁ এক নতুন মূল্যৰে মূল্যায়ণ কৰিবলৈ বিচাৰিছে। ডক্টৰ হীৰেণ গোঁহাইয়ে তেওঁৰ কবিতাৰ আলোচনা প্ৰসঙ্গত তেওঁক "এক এৰক আৰু অনুপম প্ৰতিভা" বুলি আখ্যা জনাইছে। ৰোমাণ্টিক বিষাদ, প্ৰণয়-জৰ্জৰ কৰুনতা, স্বপ্ন, আৱেগ আৰু যৌৱনৰ উচ্ছলতা তেওঁৰ কবিতাবোৰৰ মাই ভুনিয়াদ। কবিৰ অতীত প্ৰিয়াৰ প্ৰগলভ প্ৰেমে তেওঁক পুৰি ছাই কৰি, নিশেষ কৰি দিবলৈ বিচাৰে।

মোৰ অনুভৱে অনুভৱে
তোমাৰ প্ৰেমৰ গুণ গুণ শব্দ
এনেকৈ ক কৰাই গলে
যে তাৰ ছাঁই ভৰি পৰে
মোৰ বুকৰ ভিতৰে বাহিৰে।
সম্ভৱতঃ তোমাৰ প্ৰগলভ প্ৰেমে
মোকছাই কৰি পুৰি নিব ক্ৰমে।

(প্ৰেমৰ কবিতা)।

চাৰি

বিভিন্ন কোবাচ

এই অধ্যায়ত আলোচনা কৰিবলৈ লৈছো, সেইসকল আধুনিক কবিৰ কবিতা যিসকলৰ কাব্য বাণীত আধুনিকতাৰ সুৰ বিভিন্ন আৰু বিচিত্ৰভাৱে বাজি উঠিছে। কবিতাৰ বিষয় বস্তু আৰু আঙ্গিক উভয়ক্ষেত্ৰতে তেওঁলোকে আধুনিকতাৰ সৃষ্টি কৰিছে কিন্তু এতিয়াও এই সকল কবিয়ে এটা Settled idiom আবিষ্কাৰ কৰি লব পৰা নাই। তেওঁলোকৰ কবিতাৰ উপাদানো বিস্তৃত আৰু বহুধাব্যাপক। কৌশলৰ ফালৰ পৰাও তেওঁলোকে কেৱল চিত্ৰকল্প আৰু প্ৰতীকৰ মাজতে আবদ্ধ নাথাকি নিত্য নতুন কৌশলৰো উদ্ভাৱনা কৰিছে এওঁলোকৰ হাতত আধুনিতাৰ সংজ্ঞাবেই যেন অধিক বিস্তৃতি ঘটিছে। নিৰাসক্ত চিত্তৰে সৈতে বাস্তৱক বিশ্লেষণ দিয়াতো এই কবিসকলৰ দক্ষতা সহজে চকুত পৰে। আনহাতে এই সকল কবিৰ ওপৰত সমকালীন দেশী-বিদেশী কবিৰ প্ৰভাৱ খুব কম। আধুনিক সংঘাতময় জগতখনৰ চতুৰ্দিশে সিচৰতি হৈ পৰা ক্লান্তি, হতাশা, দুখ-কষ্ট, অভাৱ-অশান্তি আদিৰ পৰা এৰাই নিজৰ মনৰ গহনত সোমাই আশ্ৰয় বিচৰা দুই এজন কবিকো আমি এই অধ্যায়ত লগ পাম।

পবিত্ৰ বৰা

কথা সাহিত্যিক মহীচন্দ্ৰ বৰাৰ পুত্ৰ পবিত্ৰ বৰা কটন কলেজৰ ছাত্ৰ হৈ থকা অৱস্থাতে কলেজ হোষ্টেলৰ পৰাই নিৰুদ্দিষ্ট হয়। মেধাৱী ছাত্ৰ পবিত্ৰ আধুনিক কবি হিচাপেও উজ্জ্বল সম্ভাৱনাৰ অধিকাৰী আছিল। কৈশোৰৰ দেওনা পাৰ হ'বলৈ ধৰা এই কবিজনৰ ছাত্ৰ-জীৱনৰ ঘনিষ্ঠ সহযোগী আছিল হোমেন বৰগোহাঞি আৰু হীৰেন দত্ত। বৰগোহাঞি পবিত্ৰতকৈ জ্যেষ্ঠ আছিল আৰু তেওঁৰ প্ৰভাৱ পবিত্ৰৰ ওপৰত পৰিছিল বুলি সততে অনুমান কৰিব পাৰি। মহেন্দ্ৰবৰাৰ যত্নত পবিত্ৰবৰাৰ বাদুৰৰ আৰু এপিটাফ—এই কবিতা দুটি নতুন কবিতা নামৰ সঙ্কলনত সন্নিবিষ্ট হৈছে। বাদুৰৰ গভীৰ-ভাৱে প্ৰতীকধৰ্মী কবিতা। তৰুণ কবিৰ মনত হৈছে এই পৃথিবীখন এক

যাযাবৰ যাত্বঘৰ। সেই যাত্বঘৰৰ স্বৰূপ হ'ল এটা দীপ্তিমান লেম্প পষ্টৰ দৰে। তাৰ পৰা বিচ্ছুৰিত সেউজীয়া আশাৰ পোহৰে কিন্তু কবিক প্ৰেৰণা দিব পৰা নাই : তেওঁৰ মনত হৈছে সভ্যতাৰ সূৰ্য্যটোৰ পোহৰো মিছা।

মোৰ চেতনাৰ এই দীৰ্ঘ আন্ধাৰ পথত
যাত্বঘৰ, তুমি লেম্প পষ্ট
তাত আছে সেউজীয়া আশাৰ পোহৰ।
মোৰ কামনাৰ সেই বগা ইতিহাস—
তোমাৰ বুকুত আছে পাণ্ডুলিপি তাৰ।
পথৰ কাষত ডাষ্টবিনে কথা কয়—
সভ্যতাৰ সূৰ্য্যটোৰ মিছা পোহৰৰ
প্ৰেমবোৰ অসূয়া মিশ্ৰিত
(নিৰুপায় পৃথিৱীৰ)
যাত্বঘৰ,

পবিত্ৰৰ অন্যটো কবিতা এপিটাফত কবিৰ মৰণ চেতনা উদগ্ৰ হৈ বাজিছে। আনহাতে এই কবিতাত ব্যৱসায়ীক জ্ঞান ভাণ্ডাৰতকৈ অজ্ঞতাবে দাম বেছি বুলি ঠাৱৰ কৰা হৈছে।

'অজ্ঞতাই পোহৰ বিলায। গুটি ছটিয়াই।
আশাক্ৰমে কৰে স্থিতিৰ প্ৰয়াস।
হে অজ্ঞতা তোমাক প্ৰণাম
অন্তহীন উৎস তুমি জীৱন প্ৰেমৰ।'

জ্ঞান-সাধনাত কাঠোৰভাৱে ব্ৰতী শুকানমুখৰ ইনটেলেকচুৱেলতকৈ অজ্ঞজনৰ জীৱন চেতনা বেছি চৈতন্যময়। জ্ঞানে মানুহক জীৱন বিমুখ কৰাবো ভয় থাকে। অজ্ঞজনৰ অজ্ঞতাৰ মাজেদিয়েই এক সৰল অকৃত্ৰিম সুখৰ উদয় হয়। কবি নৱকান্ত বৰুৱাইবো 'চিৰশিশু মানুহৰ মহামূঢ়তাত' সুখৰ উদয় দেখা পাইছে। যাত্বঘৰ কবিতাৰ প্ৰতীকী নিৰ্মাণ কৌশলৰ ওপৰতো অলপ ক'ব খুজিছো। ড: মহেন্দ্ৰ বৰাই পবিত্ৰৰ যাত্বঘৰ আৰু হোমেন বৰগোহাঞিৰ সাপ দুটা সুন্দৰ প্ৰতীকবাদী কবিতা বুলি অভিহিত কৰিছে। আমাৰ বোধেৰে যাত্বঘৰৰ প্ৰতীকী ৰহস্যঘনতা আৰু অনুভূতিৰ বিভূতি বহুতো সমকালীন কবিতাতকৈ ওপৰত। আমাৰ কবিসকলৰ বহুতবে ক্ষেত্ৰত যেতিয়া প্ৰতীক বা symbol

এটা 'stylistic device' মাত্ৰহে হৈ আছিল, সেই সময়তে পশ্চিমেই প্ৰতীকক এক গভীৰ অৰ্থদৃষ্টিসম্পন্ন কলা কৌশলৰূপে ব্যৱহাৰ কৰি তুলিছিল আধুনিক কাব্যজগতত symbolistic imaginationএ কেনেদৰে বিশিষ্টতা পাইছে, সেই বিষয়ে আমেৰিকান সমালোচকCharles Fiedelson (Jr) অৰ মন্তব্য এষাৰি ইয়াতে তুলি দিলোঁ—The symbolistic outlook involves much more than the stylistic device which is ordinarily called "symbolism" , the physics of symbolistic literature depends on its metaphysics It is not surprising to find that the idea of symbolism has a kind of prestige in contemporary philo-sophy ***When the philosopher changes his problems, the literary critic changes his method, and the writer also begins to approach the world with new questions He asks the questions by assuming a new stance viś a viś the world, and he receives the answers in a new literary structure The symbolistic poem or novel gives the world a distinctive shape-which we try to describe in our current theories of paradox, ambiguity, metaphor, tension and the like—because the writer is confronting the world in a particular fashion, and the work itself thus comes into being by a particular path " (Symbolism and American Literature, 1st edition, p 49) প্ৰতীকী পৰম্পৰাৰ কবিৰ চকুত পৃথিৱীখনৰ যি বিশিষ্ট ৰূপ জিলিকি উঠিব লাগে বুলি, উপৰোক্ত উদ্ধৃতিত কিড্‌লছন চাহাবে কৈছে, সেইয়া যেন মাষ্টুৰৰ কবিতাত স্বৰূপাৰ্থত ব্যক্ত হৈছে। তেওঁৰ ৰচিত মাষ্টুৰবতে পৱিত্ৰ অমৰ হৈ থাকিব বুলি আশা কৰিব পাৰি।

কবি যাদৱ বৰদলৈৰ কাব্যকৃতিৰ সোণালী সময় হ'ল ৰামধেনু যুগ। ৰামধেনুৰ পাতত কবি বৰদলৈয়ে কেইবাটাও বিশিষ্ট কবিতা লিখিছে। 'নিত্য-বৰ্তমান', 'বন্দ্ৰজয়' আৰু 'সেতুবন্ধন' আদি কবিতাত কবি বৰদলৈৰ গভীৰ প্ৰত্যয় আৰু কাব্যিক কৌশলৰ চাকতা লক্ষ্য কৰা যায়। 'বন্দ্ৰজয়' কবিতা নিসন্দেহে বৰদলৈৰ শ্ৰেষ্ঠ কবিতা। এই কবিতাত কবিয়ে দেখুৱাইছে অতীত সভ্যতা আৰু সংস্কৃতিৰ পতনৰ আসন্নতা আৰু এক পুনৰুদিত বিশ্বৰ আগমনৰ

তত্বাৰ্তা। কবি পৰিবৰ্তন প্ৰয়াসী। সমাজ পৰিবৰ্তনৰ পটভূমি আৰু ইতিহাসৰ গতি সলনিৰ ইঙ্গিত দি তেওঁ এই কবিতাটো নিৰ্মিত কৰিছে। স্পৰ্শকাতৰ অন্তৰেৰে কবিয়ে প্ৰাচীন সভ্যতাৰ পতন নিৰীক্ষা কৰিছে। অথচ উদাৰ অন্তৰেৰে নতুনৰ আহ্বান কৰিছে।

স্বপ্নভঙ্গ (ৰামধেনু ৫ম বছৰ, ৩য় সংখ্যা)

‘হে সাগৰ
হে মহানগৰী
আজি মোৰ স্বপ্নভঙ্গ।
শতিকাধক্লান্ত পদক্ষেপ
ইতিহাসৰ স্থবিৰ ছন্দ,
(মৃত্যুৰ দৰে মূক আৰু জড়)
আৰু আমি।
আমাৰ ওঁঠত ওমৰৰ সুধা পিয়লা।
আমি উৰি ফুৰাপখিলাৰ দল।
(শূণ্যৰ দৰেই ৰিক্ত আমাৰ ইতিহাস)
আমাৰ সাগৰত বডা ব্লাউজৰ জোৱাৰ
বতাহত—
নাৰ্চিচাচৰ কামনাৰ সাতৰঙী ছন্দ।
চাৰ্লিৰ মঁাচিয়ে ভাৰ্ত্তৰ নগ্ন প্ৰশ্নবোধক
আমাৰ পাথেয়।
(“পূৰ্ণৰ পৰা পূৰ্ণতৰ। পূৰ্ণতৰৰ পৰা পূৰ্ণতম।)
—আমাৰ কণ্ঠত অজন্তাৰ ভাষাহীন সুৰ,
আমি অমৃতৰ সন্তান।”
—নেজানেকি ?
কোনে ক’লে ?
হে অৰণ্য, হে হিমালয়।
ভেবেলি লতা ফুলিছে।
অনাগত দিনৰ ইতিহাসৰ বিহঙ্গীয়ে তুমি আহিবা
আমাৰ হাতত তেজিয়া থাকিব
নতুন জেতুকাৰ বোল।

আহিবা কিন্তু।

(তোমাৰ মনে প'লে, মোৰো মনে প'লে

কি কৰিব কলিতাৰ ফুলে ?')

১৯৫৩ চনতে ৰচিত কবি বৰদলৈৰ এই কবিতাত 'নতুন জেতুকাৰ বোল'ৰ অন্বেষণ কৰিব পৰাৰ সৎসাহস নিশ্চয় প্ৰশংসনীয় কথা। বৰদলৈৰ এই কবিতাটোত মাৰ্ক্সীয় ইতিহাস চেতনা আছে আৰু কবিৰ পৰিবৰ্তন প্ৰয়াসী মনৰো সাৰ্থক ৰূপায়ণ আছে কিন্তু সেইবুলি তেওঁ উগ্ৰসাম্যবাদী নহয়। বাস্তৱ বৰদলৈৰ এই চিন্তাধাৰা হয়তো কবি W H Audenৰ দৰে—কবি অডেনে মানসিকতাৰ পৰিবৰ্তনৰ ভবিষ্যতে সমাজ পৰিবৰ্তনৰ কামনা কৰিছিল। কবি বৰদলৈয়েও একেদৰেই মানসিকতাৰ ক্ৰমাগত পৰিবৰ্তনত জোৰ দিছে। সেইবাবে তেওঁৰ কবিতাত বিপ্লৱৰ উন্মুক্ত চিৎকাৰ নাই। বৰদলৈৰ কাব্য-ৰচনা সাম্প্ৰতিকে নীৰৱ হৈ আছে। হয়তো আমাৰ কবিতাত ঘনিষ্ঠ হৈ অহা মাৰ্ক্সীয় চেতনাৰ উগ্ৰক্ষুৰণলৈ, তেওঁ উত্তৰণৰ চেষ্টা নকৰি নীৰৱ হৈ ৰ'ল।

বাণী বৰুৱা

'হে নদী দৈগ্ৰোং' কবিতাৰ ভবিষ্যতে অসমীয়া পাঠকসকলৰ মনত গভীৰ চাপ বহুৱাবলৈ সমৰ্থন হোৱা কবি বাণীবৰুৱাই ৰামধেনুৰ পাততে প্ৰথমে আত্মপ্ৰকাশ কৰে। তেওঁ এজন ইমাজিষ্ট কবি। চিত্ৰকল্প আৰু প্ৰতীকৰ যথাৰ্থ আৰু বৰ্ণাঢ্য ব্যৱহাৰেৰে তেওঁৰ কবিতাসমূহ গঠিত হৈছে। শব্দ চয়নৰ সুকুমাৰতা বাণী বৰুৱাৰ কবিতাৰ ঘাই বৈচিত্ৰ। জনজীৱনৰ প্ৰতি বৈপ্লৱিক অভিনন্দন নাইবা দাৰ্শনিক ভাৱ-চিন্তাৰ উদ্ভাৱন এটাও তেওঁৰ কবিতাত নাই। তাৰ পৰিবৰ্তে তেওঁৰ কবিতাত আছে মানুহৰ জীৱনৰ সাধাৰণ অস্তিত্বৰ ভিতৰেদিয়েই বিচ্ছুৰিত হৈ থকা অমৃতৰ অমিত নিৰ্য্যাস। তেওঁৰ আই কবিতা, কবিৰ অন্তৰৰএটি সুকোমল ভাৱানুভূতিৰ মিহি প্ৰকাশ মাতৃস্নেহৰ বন্যাত ডুবি থকা সৰলমনা কবিৰ উপলব্ধি হৈছে, যে, তেওঁ মাতৃ স্নেহৰ সমুদ্ৰত পাৰি দিয়া এক নিৰ্ভিক নাবিক।

"* * * *

"স্বৰ্গ তুমি

তুমি এক নিবিবিলি শান্তিৰ আশ্ৰয়,

তুমি যেন স্নেহ-প্ৰীতি মমতাৰ বিশাল সমুদ্ৰ,
আৰু সেই সমুদ্ৰত
চেনেহ আশীষ লৈ ডিঙা মেলা
এটি নাবিক মই—
অক্লান্ত, নিৰ্ভীক।"

(ৰামধেনু, ১৩ৰ, ৯স, পৃ ৮৪৩)

প্ৰকৃতিৰ ঐশ্বৰ্য্য আৰু চাৰুতাই কবিক এতিয়াও তন্ময় কৰি তোলে। 'হে নদী দৈপ্ৰোং' সেইবাবে কবিৰ এক অক্ষয় মহান-যাত্ৰা। দৈপ্ৰোং নদীৰ অনাবিল প্ৰাকৃতিক সৌন্দৰ্য্য যি এবাৰ দেখিছে, তেওঁ এই কবিতা পঢ়ি মুগ্ধ হ'বই হব।

নিত্যা দত্ত

পান্থশালাৰ কবি নিত্যাদত্তৰ কবিতাৰ মূল সুৰ হ'ল—'আপোন মনৰ একান্ত স্বপ্নৰ অন্তৰঙ্গ প্ৰকাশ।' হৃদয়ানুভূতিৰ বিবিধ চেতনাবে তেওঁ, তেওঁৰ কবিতাক সমৃদ্ধ কৰিছে। "নগৰ জীৱনৰ প্ৰতি অনীহাৰ, আপোন হৃদয়ৰ মাজত বিবাটৰ অন্বেষণ আৰু জনজীৱনৰ মৰ্মবেদনাৰ প্ৰতি গভীৰ সহানুভূতি নিত্যাদত্তৰ কবিতাৰ নিজস্ব বৈশিষ্ট্য।" অতীতৰ প্ৰেম, স্মৃতি, স্বপ্ন আৰু বিষাদৰ চিত্ৰও কবিৰ লিখনীত ফুটি উঠিছে, কিন্তু তেওঁৰ ভাবোচ্ছাস তৰল নহয়। সিবিলাকৰ ভাব গভীৰ আৰু উৎস দ। চিত্ৰকল্পবাদী প্ৰকাশভঙ্গীৰ তেওঁ এজন নিপুণ ধনিকৰ। সময়ে সময়ে অৱশ্যে নিত্যাদত্তৰ কবিতাৰ ৰোমান্টিক ভাবৰ আবিলতালৈ নামি যায়। ভাব, ভাষা আৰু শব্দৰ প্ৰয়োগত নিত্যা-দত্তৰ গভীৰ মিল পৰিলক্ষিত হয় কবি মহেন্দ্ৰ বৰাৰ লগত। প্ৰত্যাবৰ্ত্তন কবিতাত কবি অন্তৰৰ ৰোমান্টিক আবিলতা প্ৰকাশ পাইছে, এনেদৰে—

"চিপ্ চিপ বৰষুন নামিছিল—
পাভল এখন বগা কাপোৰৰ
অদৃশ্য ফুটাবোৰেদি।
নিলাজী বনবোৰ জাপখাই পৰিছিল,
পাহাৰটোৰ শিখৰত।
থোলাধিৰিকীত হেলান দি বৈছিল

এজনী ছোৱালী। হাতত তুলিকা
আৰু প্লেটত বিভিন্ন বং লই
আঁকিবৰ চেষ্টা কৰিছিল।

*　　　　*　　　　*

অযাচিতে তাইৰ কোমল চকুযুৰিত
মোৰ চকু পৰিল। এয়া দেখো বনানী চৌধুৰী
কিবা যেন খেলি-মেলি একক নিসঙ্গ।"

(বহুবৰ কবিতা' ৬৬, পৃ ৩২)

দীলিপ বৰুৱা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° দিলীপ বৰুৱাই বামধেনুৰ পাতত আত্মপ্ৰকাশ কৰে—আধুনিক কবি হিচাপে। তিনিকুৰিৰ কেইবাটাও কবিতা তেওঁ বামধেনু যুগতে লিখি উলিয়াই। তদুপৰি মহাদেশীয় কবিতাৰ অনুবাদকাৰী হিচাপেও বৰুৱাৰ নাম আছে। এলিয়টৰ The love Song of J Alfred Pruffock কবিতা বৰুৱাইয়ে প্ৰথমে অসমীয়ালৈ ভাঙে, আধুনিক কবিতাৰ সমালোচনাতো বৰুৱাৰ হাত আছে।

যশোধৰা (বামধেনু, ফাগুন ১৮৭১) কনকাই (উক্ত, আহিন ১৮৮২) আৰু জন্মদিন (উক্ত, পুহ ১৮৮২) তেওঁৰ তিনিটি বিশিষ্ট কবিতা, উগ্ৰপ্ৰতীকবাদীতা নাইবা আবেগ সম্ভূত সাম্যবাদী ধ্বণি ছুয়োটাৰ মাজত বৈ কবি দিলীপ বৰুৱাই তেওঁৰ কাব্যক গঢ় দিছে। সাম্যবাদী শ্লোগান আওঁৰোৱা নাই যদিও তেওঁ জনতাক, সাধাৰণ মানুহক ভাল পায়। সভ্যতাৰ বথৰ চকাৰ তলত পৰি যুগে যুগে নিস্পেষিত হৈ অহা কনকাইৰ দৰে সৰু সৰু মানুহৰ জীৱনৰ প্ৰতি কবিৰ আদৰ আৰু মোহ আছে। প্ৰাচীন জীৱনধাৰা আৰু সংস্কাৰৰ প্ৰতি তীব্ৰ আনুগত্য, ঈশ্বৰৰ লগত তদাত্মবোধ, সৰলতাৰ প্ৰতি আকৰ্ষণ আৰু নেদেখাজনৰ ওচৰত সৰ্বস্ব সমৰ্পণ কৰি সুখী হৈ থাকিব পৰা মানুহ কনকাই। প্ৰগতিৰ ধুমুহা আহি কনকাইৰ বাৰীৰ কাকিনী জোপাক লৰাব নোৱাৰে, আৰু প্ৰগতিৰ সুৰে কনকাইকো ব্যাকুল নকৰে। তেওঁ নিজতে সন্তুষ্ট।

"জেওৰা জপনা কাণ্ডি সাতোটা পুকৰে ঘোৰা
কনকাইৰ ছুহালিছা মাটি
সযতনে বাখিছে সাজেৰে
ইয়াত নগজে যদি সোণৰ চেকুৰা
গজে চাঁদাপাত লগাৰ জোখাৰে
ইয়াৰ সাহতে তেওঁ যোৰা তিনিকুৰি বছৰত
পুৰাতেই সশস্ত্রে পলাই
পৰাভূত কৰিছে সদায়
কালিৰ উৎকণ্ঠা আৰু আজিৰ অন্যায়
কনকাই তোমাৰ বাৰীৰ সোঁ কাকিনী জোপাই
বছৰত কেইটা ধুমুহা পাই
লেখ তাৰ ৰাখানে সদায় ?

ফণী তালুকদাৰ

অসমীয়া ৰোমান্টিক কাব্যধাৰাৰ শেহতীয়া যি ক্ষীণ সুঁতিটি বৈ আছিল, ফণী তালুকদাৰে সেই সুঁতিটিৰ পোষকতা কৰিহে তেওঁৰ কাব্য জীৱন আৰম্ভ কৰিছিল। কিন্তু সময়ৰ লগে লগে সুঁতি সলাই, তেওঁ বৰ্তমানে আধুনিক কবিতাৰ এজন একনিষ্ঠ সেৱক বুলি নিজকে প্ৰতীয়মান কৰিব পাৰিছে। মূলতঃ নাট্যকাৰ আৰু সাংবাদিক এই কবিজনে,কেৱল কবিতা লিখিয়েই নহয়, উড়িয়া কবি সুশ্ৰী সুজাতা প্ৰিয়ম্বদাৰ সৈতে লগ-লাগি ভাৰতীয় আৰু মহাদেশীয় কবিতাৰো বহুখিনি অনুবাদ কৰি অসমীয়া পাঠকৰ মনৰ পৰিধি বঢ়োৱাত সহায় কৰিছে, তেওঁৰ অনুবাদৰ এটা সাৱলীল গতি আছে। কবিতাৰ অনুবাদ দুৰূহ কাম—কাৰণ কবি মানসত এটা এটা শব্দৰ আৰ্থিক ব্যাপ্তি বৰ বিশাল—অনুবাদকে কবিৰ আহিঁ ব্যঞ্জনা ভালদৰে অনুধাৱন কৰিব নোৱাৰিলে, অনুবাদ নিখুঁট হ'ব নোৱাৰে,কিন্তু তালুকদাৰৰ হাতত অনুবাদ উপভোগ্য হৈছে। নিজৰ কবিতাত তালুকদাৰৰ বৰ্ণিত বিষয় বিশেষত কোনো এক নিৰ্দিষ্ট বিষয় বস্তু বা ধাৰাৰ ওপৰত তেওঁৰ কবিতাবোৰ সীমিত নহয়। কাব্যশৈলীৰ ক্ষেত্ৰতো তেওঁ নানান পৰীক্ষা-নীৰিক্ষা চলাইছে।

কিছুমান কবিতাৰ প্ৰকাশভঙ্গী আৰু শৈলীত জ্যোতি প্ৰসাদৰ কাব্য শৈলীৰ প্ৰভাৱ স্পষ্টৈ জিলিকিছে। বহ্নিৰ কবিতা (১৯৬৫)ত সংকলিত হোৱা তালুকদাৰৰ 'মোৰ মেঘদূত' কবিতাত জ্যোতি প্ৰসাদৰ আহিঁৰ ছন্দৰ সাজোন আৰু তাৰৰ আবেগ মন কৰিবলগীয়া।

"এই সন্ধ্যা—

বচোঁ মই নব মেঘদূত

জাগোঁ মই ছন্দত অদ্ভূত

চৰণ তলত মোৰ

অস্ত্ৰ বাজে ঝন ঝনা

জীৱনৰ মই অগ্ৰদূত—

বাধাবন্ধ নমনা

কালৰ শিৰত—

মোৰ নৃত্য উন্মনা

প্ৰলয় ছন্দা।

এই সন্ধ্যা।"

ওপৰৰ পংক্তিটিত বিন্যস্ত হোৱা চিত্ৰস্তনিত ধ্বনিৰ পবিত্ৰ মৰ্মস্পৰ্শীতা অতি উপাদেয়।

নগেন ঠাকুৰ

কবি মহেন্দ্ৰবৰাৰ গভীৰ সাহচৰ্য্য আৰু প্ৰভাৱত গঢ়ি উঠি কবি নগেন ঠাকুৰৰ কাব্যিক প্ৰতিভাৰ উন্মেষ হয় মণিদীপত—আৰু তাতেই তেওঁৰ প্ৰতিভাই পূৰ্ণতাও পায়। তেওঁৰ কাব্যধাৰা চিত্ৰকল্পবাদী। প্ৰতীকৰ সাৰ্থক ব্যৱহাৰো তেওঁ ঠাইবিশেষে কৰিছে, আনহাতে ৰোমাণ্টিক কবিসুলভ এটি বিষণ্ণতাই তেওঁৰ সমগ্ৰ কাব্য চিন্তাক আবৰি আছে। তেওঁৰ কবিতাৰ উপাদান বিবিধ। প্ৰকৃতিৰ হৰিৎবৰ্ণাভা, নদ-নদীৰ কলধ্বনি, মানৱ অন্তৰৰ সহস্ৰ অনুভূতি আৰু ব্যক্তিগত প্ৰশ্ৰ আৰু নিসঙ্গ চেতনা আদি বিবিধ বস্তু সম্ভাৰেৰে তেওঁৰ কবিতা পুষ্ট হৈছে। সোণালী নদীঃ ৰূপালী ঢৌ (মণিদীপ, জুন ১৯৬১), প্ৰাৰ্থনাঃ বিকল জীৱনৰ (উক্ত, মাৰ্চ, ১৯৬১) শ্ৰাৱণ জল (উক্ত, ফেব্ৰুৱাৰী, ১৯৬১), হাফলং পাহাৰৰ পৰা (বহ্নিৰ

কবিতা ১৯৩৫), ভুলবীয়া (মণিদীপ ৩ ব ৪ স.) আৰু নক্ষত্ৰত আন্ধাৰত অন্ধকাৰ (দৈনিক অসম পূ সং) আদি কবি ঠাকুৰৰ বিশিষ্ট কবিতা। অতীত জীৱনৰ ব্যক্তিগত কোনো দুখ চেতনাই দি যোৱা তেওঁৰ ভাৱঘন বিষণ্ণতাই, তেওঁৰ কাব্যক ক্ৰমাৎ কৰুণ কৰি আনিছে। কিন্তু কবি ঠাকুৰৰ শ্ৰেষ্ঠ কবিতা বুলি ভাব হয় 'হাফলং পাহাৰৰ পৰা' নামৰ অনবদ্য কবিতাটো। চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগ, ভাৱানুভূতিৰ সাৱল্য আৰু শব্দৰ যথাৰ্থ প্ৰয়োগে কবিতাটিক মনোৰম কৰি তুলিছে।

*　　*　　*　　*

ধোঁৱাৰে ধূসৰ হৈ সন্ধ্যা নামে পাহাৰত গীৰ্জাৰ চূড়াত আহি
কঁপি কঁপি মাৰ যায় গৃহমুখী বিহংগৰ কাকলিৰে মুখৰিত সান্ধ্য আৰতি
শাল আৰু সৰলৰ পাতে পাতে কুঁৱলীয়ে পাখি মেলি কুচি-মুচি পৰি ৰয়
শুধ-বগা সাজ-পিন্ধা লজ্জাতুৰা কোনো এক ৰমণীৰ দৰে।
নোঁৱাৰো বুজিব এই অৰণ্যৰ নীৰৱ-নিবিড় ভাষ
জীয়াপাখি মন মোৰ উৰি ফুৰে শিখৰে শিখৰে।
হৃদয় ব্যথিত কৰি বনবীয়া সুৰভিয়ে স্বপ্ন আনে ছন্দময়
আদিতম পৃথিৱীৰ প্ৰথম দিনৰ সেই উদ্দাম প্ৰেমেৰে।

কবিয়ে তেওঁৰ চাৰিওকালৰ জগতখনৰ বিষাদগ্ৰস্ত ৰূপ দেখি অসন্তুষ্ট হৈ পৰিছে। তেওঁৰ সন্মুখত আজি অনেক প্ৰশ্ন। জন্ম আৰু স্থিতি চৌদিশৰ যন্ত্ৰণায়িত দীৰ্ঘশ্বাস আৰু আন্ধাৰৰ কোলাহল সকলো মিলি তেওঁৰ কাব্যত এক নৈৰাজ্যবাদী হতাশা আনি দিছে। মোৰ দেশ (২ৰ, ৭ম সংখ্যা) নামৰ পত্ৰিকাত প্ৰকাশ হোৱা তেওঁৰ আন্ধাৰ কবিতা এই বিষয়ত উল্লেখযোগ্য হ'বৰ।

সদা শইকীয়া

"ভ্ৰান্তিহীন সময়ৰ মুকলীত, ৰূপান্তৰৰ ইঙ্গিত পায়" যিজন কবিয়ে অসমীয়া কাব্য বাণীৰ কাষ চাপিছিল, সেইজন কবিয়েই হৈছে সদা শইকীয়া। শইকীয়া ৰামধেনু যুগৰে কবি। আৰু তেতিয়াৰে পৰা তেওঁ পাঠকৰ সন্দেহ দৃষ্টি লাভ কৰি আহিছে। শইকীয়া খাইকৈ মাৰ্ক্সীয় ভাৱাদৰ্শৰ কবি। অন্য দুহজন

সগোত্ৰী কবিৰ দৰে, তেওঁও, যাতনানিৰ্মিত জীৱন দুৰ্গ ভাঙিছিঙি মুক্তি বিচাৰি আগবাঢ়িছে।

ভ্ৰান্তিহীন সময়ৰ যুৱলীত—
ৰূপান্তৰৰ ইঙ্গিত পায়
মোৰ যৌৱনে সাৱটি ধৰে সাহস আৰু উদ্দীপনা।
লগে নতুন দিন নতুন জনম।
যাতনানিৰ্মিত এই জীৱন দুৰ্গ—
স্নায়ৰ কামনাৰে ভাঙি-ছিঙি, অতিক্ৰমি—
হয়তো মইয়ো পাম অৱসান।
অৱসান হ'ব মোৰ ৰুক্ষ পৰিৱেশ।
প্ৰেম উন্মাদনা সিদিনাৰ উজ্জ্বল ফাগুন—
বিজয়ৰ আশা লৈ আকৌ আহিল। প্ৰেম আৰু নাই,
আছে স্থিতিৰ চেতনা।
(ফাগুন আকৌ আহিল, / বামধেনু ৫ৰ, ১১সা, পৃ° ১৭১)

কবি সদা শইকীয়াই ফাগুনৰ অস্তিত্ব চেতনাৰ মাজেদি দেখা সপোনেৰেই নতুনক আদৰিব পাৰিছে। চিচিল-ডে-লুই, ষ্টিফেন স্পেণ্ডাৰ আদি কবিসকলেও এদিন মহাদেশীয় কবিতাত নতুনক আদৰি লোৱাৰ প্ৰতিশ্ৰুতি দিছিল—কাল সংক্ৰান্তিৰ ঘোষণা বলিষ্ঠভাৱে কৰিছিল। সমাজ মানসৰ পৰিবৰ্তনকামী কবি W H Audenৰেও এদিন চিঞঁৰি উঠিছিল—

"Harrow the house of the dead ,
Look shinings at
New styles of architecture, a change
of heart"

কবি শইকীয়াইও সেই change, সেই ৰূপান্তৰ চিনি পাইছে।

তেওঁ সাহসী কবি। জনতাৰ কাষ চাপি থাকি তেওঁ ভাল পায়। জনতাৰ দুখ-বেদনা, হা-হুতাশ, যেনেকৈ তেওঁ বুজি পায়, সেই একেদৰেই জনতাৰ শক্তি আৰু সাহসৰ ওপৰতো কবিৰ গভীৰ আস্থা, অপাৰ বিশ্বাস। 'সংগ্ৰামী চেতনাৰ সৃষ্টিৰে' উদ্বুদ্ধ মন লৈ লিখা তেওঁৰ কবিতা 'কলিকতা, তোমালৈ

লাল-চালাম'ত (দৰ্শক, অক্টোবৰ ১৯৭০, পৃঃ ৮) কবিৰ কঠিন পৌৰুষ বাস্তৱতাৰ সতে মুখা-মুখি হোৱাৰ সাহস ভালদৰে পৰিলক্ষিত হৈছে।

*   *   *   *

মোৰ সহস্ৰ মাতৃ-পিতৃ ভ্ৰাতৃ-ভগ্নীৰ
দেখিলো কি যে কঠোৰ অংগীকাৰ
সিংহৰ বজ্ৰাঘাতে খোলক খোলক আজি
সমতাৰ সূৰ্য্যৰ দুৱাৰ।

নতুন পুৰুষ, তোমাকো চালাম।
মোৰ তেজ উথলিছে, কি বজ্ৰমুষ্টি
হয়তোবা নিমিষতে চাৰখাৰ হৈ যাব
এদল শোষকৰ জীৱনৰ অনাবিল তুষ্টি।

এইয়া যে সন্মুখত জনতাৰ সুনিশ্চিত শক্তিৰ বৃষ্টি
কলিকতা, ঐতিহ্য-গৰ্ভা তুমিজন্মদিলা জনতাৰ বৃষ্টি
তুষ্টি নাই, চৌদিশে মাথো আজি সংগ্ৰামী চেতনাৰ সৃষ্টি।
কলিকতা, জনালো তোমাক আজি মোৰ হৃদয়ৰ
লাল চালাম॥

"এদল শোষকৰ জীৱনৰ অনাবিল তুষ্টি" শেষ কৰিবলৈ নতুন পুৰুষলৈ তেওঁ জনোৱা আহ্বান নিতান্ত সময়োপযোগী হৈছে। সাম্প্ৰতিক কালছোৱাত ৰচিত তেওঁৰ অন্য এটি আকৰ্ষণীয় কবিতা হৈছে ঐক্যতান। এই কবিতাত তেওঁ জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায়ৰ ভেদ পাহৰি—শ্ৰমজীৱি ভাৰতীয়সকলে চেনেহৰ ঐক্যতান বজোৱাৰ ইংগিত দিছে। কবিৰ দৃষ্টিত ৰমজান হুচেইন আৰু ধনীৰাম হাতীবৰুৱাৰ মাজত কোনো পাৰ্থক্য নাই। সহজ, সৰল, ৰুক্ষ শব্দ-সম্ভাৰকে লৈ কবি শইকীয়াই এখন মনোৰম চিত্ৰ আঁকিছে—যাৰ আবেদন শাশ্বত আৰু একান্ত নিৰ্ভৰশীল। কবিয়ে এই কবিতাত জনতাৰ আত্মিক মুক্তিৰ সন্ধান দিব পাৰিছে। জনতাৰ প্ৰতি গভীৰ সঁচা আৰু ৰসঘন সংবেদনা নাথাকিলে, কোনো কবিয়েই এনে ধৰাৰ কবিতা লিখিব নোৱাৰে। প্ৰপাগাণ্ডাৰ বাবে লিখা সকলৰ কথাটো বাক বাদেই দিছো।

*　　　*　　　*

ইগাঁৱৰ আৰতি আৰু সিগাঁৱৰ আজানৰ সুৰ
মিলি যায় শ্ৰমাৰ্দ্ৰ মাটিৰ বুকুত।
তাৰ বাবে
জীৱন ধৰণী এই পথাৰখনিয়ে
কোনো দিনে নাৰাখে মনত
কোনটোনো ৰমজান, ধনীৰাম কাৰ নাম।
সেইদেখি শুনো মই
তাৰ মোৰ জীৱনৰ একক ৰাগিনী
যেতিয়া তাতৰ পাতত বহি
শাঁত পৰি যায় দেহ মন।
মই জানো
মোৰ ন'বাৰ মাকৰ ঘৰে
তাৰো আছে এজনী
ঘৰৰ লখিমী,
যাৰ ওঁঠত এটি শস্য-সোনালী হাঁহি
মোৰ ঘৰে সিও দেখে ধানৰ থোকত।
সেইদেখি সিও ভাবে
মইও ভাবো—
ধানৰ থোকেতো নেজানে
কোনটোনো ৰমজান
ধনীৰাম কাৰ নাম।
কোৰৰ চাৰেৰে
পথাৰত আলি বান্ধি
পঘূলি যেতিয়া মই
ঘৰলৈ উভতি যাওঁ—
সিও যায় মোৰ ঘৰে
কপালৰ ঘামেৰে একেখনি পথাৰ তিয়াই।
পথাৰেতো নাৰাখে মনত

কাৰ ঘামেৰে বাক উৰ্বৰা হ'ল আজি,
ৰমজান হুচেইন নে ধনীৰাম হাতীবৰুৱাৰ।"

পথাৰে, পথাৰৰ সোণোৱালী ধানৰ থোকে ৰমজান হুচেইন আৰু ধনীৰাম হাতীবৰুৱাৰ মাজত কোনো পাৰ্থক্য নেদেখে। পথাৰে দুয়োৰো শ্ৰমিক সত্তাটোহে চিনি পায়। জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায়ৰ পাৰ্থক্যৰ খবৰ পথাৰে-শস্যক্ষেত্ৰই নেৰাখে। সদা শইকীয়াৰ এই কবিতাটিৰ ভাৱে মোক আধুনিক কন্নড় কবি হিৰিমাথৰ (R C Hiremath) কবিতাৰ স্তৱক এটি সোঁৱৰাই দিয়ে। হিৰিমাথে লিখিছিল—

"The spreading earth is the same for all,
The evening sky is the same for all,
High caste and low caste is a fire,
The universe is a garland where all flowers are equal"

ভবিষ্যতৰ মানৱ সমাজেও আকাশ আৰু পৃথিৱীৰ উদাৰভাৱে বিশ্বৰ সকলোকে আপোন কৰি ল'ব পাৰিব। মানুহক তাৰ মানুহ ৰূপতে চিনি পাব। নব্যমানৱতাবাদী কবিসকলৰ এই চিন্তাধাৰাই হয়তো কবি শইকীয়াক প্ৰভাৱান্বিত কৰিছে।

ৰাধিকা মোহন ভাগৱতী

সমসাময়িক জীৱন যাত্ৰাৰ অকাব্যিক গতিয়ে ৰুক্ষ কৰি তোলা কবি ৰাধিকা মোহন ভাগৱতীৰ 'দৈনিকীঃ এক আত্ম প্ৰৱঞ্চকৰ নামৰ কবিতা মণিদীপত প্ৰকাশ হৈছিল। সমসাময়িক জীৱনৰ 'কুৰুক্ষেত্ৰ অস্তিত্ব আৰু অভিশপ্ত আত্মা'ই কবিক আমুৰাইছে। ভাগৱতী প্ৰতীকী কলাকুশলতাৰ কবি। ভেঙৰ ঘৰিয়াল কবিতাৰ (বছৰৰ কবিতা ১৯৬৫) প্ৰতীকী প্ৰভাৱ সহজে অনুমেয়। কবিৰ আধুনিক জীৱনৰ ওপৰত থকা শেষ মোহকনো শেষ হৈ গৈছে এভাৱ কবিতাত (মণিদীপ, মে'১৯৬৫)। জীৱনৰ সমস্ত নিৰ্ভৰতা হেৰুৱাই কবিৰ এতিয়া উপলব্ধি হৈছে

উৰৰ পথত বুলি নিৰ্মম কশাঘাত ছিন্ন জীৱাল আশ্ৰয়ৰ
ছুকাৰে উৎকৰ্ণ দিগন্ত উন্মুখী বিষণ্ণ বিবৰ্ণ

খোজবোৰ হেৰাব, গঁচাৰ আবিৰ্য়া যে এন্ধাৰ আকীৰ্ণ
এতাৰ দিশাৰী হ'ব অলেখ ছুবৰি ফুল-ভৰ নিৰলস বিৰহ।

অনুপ্ৰাস আৰু লুকাইথকা ব্যঞ্জনাৰ মিল আৱিষ্কাৰ কৰি কবি প্ৰতীকৰ ক্ষেত্ৰত যি নতুনত্ব উদ্ভাৱন কৰা হয় সেই কৌশল কবি ভাগৱতীয়ে সাৰ্থক ভাৱে আয়ত্ব কৰি লব পাৰিছে। কিন্তু কেতিয়াবা তেওঁৰ কবিতা শব্দৰ অতিশয় চাতুৰ্য্যৰে সৈতে সমৃদ্ধ কৰিবলৈ যাওঁতে অনৰ্থক জটিলতাময় হৈ পৰে। অসমীয়া আধুনিক কবি অনেকৰে হাতত অত্যাধিক কবিত্ব শব্দচয়নে অথবা জটিলতাৰ সৃষ্টি কৰাৰ উদাহৰণ আছে। কবি ভাগৱতীও তাৰ ব্যতিক্ৰম নহয়। আশা কৰা হৈছে যে অধিক কৰ্ষণেৰে সৈতে তেওঁ তেওঁৰ কবিতাক উন্নত কৰিবৰ সুবিধা পাব।

মহেন্দ্ৰ প্ৰসাদ বৰুৱা

সংখ্যাৰ ফালৰ পৰা মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ কবিতাৰ সংখ্যা তাকৰ কিন্তু গুণগত বিচাৰত, সিবোৰৰ মূল্য উপেক্ষা কৰিব লগীয়া নহয়। তেওঁৰ কবিতাত ৰোমাণ্টিক স্বপ্ন, স্মৃতি, বিষাদৰ অভিলেখ আছে। ৰামধেনুত প্ৰকাশ হোৱা তেওঁৰ বিদায় বেলাৰ এপিটাফ এটা অনন্য সাধাৰণ কবিতা। এই কবিতাত তেওঁৰ মৃত্যু সচেতনতা বৰ প্ৰকট হৈ ধৰা দিছে, একেদৰেই মৃত্যুঃ এটা ইলিজি নামৰ কবিতাটো কবিৰ মৃত্যু সচেতনতা বৰ তীব্ৰ।

"হঠাতেই মেঘ আহে
মেঘ আহে হঠাৎ এদিন
শেষ হয় অভিমানী পোহৰৰ তুচ্ছ অভিসাৰ
নক্ষত্ৰ উধাও হয়
পৰিত্যক্ত কোনো এক দ্বীপৰ সিপাৰে
পাখি ভাগি যায়।"

মৃত্যুসচেতনতা, হতাশা আৰু বিষাদ মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ কবিতাৰ এৰা নোৱাৰা উপাদান। কবি অডেনেও তেওঁৰ কবিতাত মৃত্যুৰ বিমূৰ্ত বি‐ ভাঙি ধৰিছে। মৃত্যুৰ কৰাল গ্ৰাসত পৰি জীৱনৰ অস্তিত্ব হেৰাই। ক অডেনৰ মতে—"Life leaks away"।

প্ৰবীনা শইকীয়া

প্ৰাত্যাহিকভাবে স্থূল দৈনন্দিন ক্ষোভ আৰু হতাশাৰ জগতখনৰ পৰা আঁতৰি এক বিমূৰ্ত জগতৰ অনুধাৱনেৰে নিজৰ কাব্য চিন্তাক সমৃদ্ধ কৰি তোলা কবি প্ৰবীনা শইকীয়াই প্ৰথমে মনিদীপৰ পাতত আত্মপ্ৰকাশ কৰে। আৰু তেওঁৰ কবি কণ্ঠ এতিয়ালৈকে একেদৰেই সৰৱ হৈ আছে। গতানুগতিক মামুলিজীৱনৰ ফ্ৰেমৰ পৰা নিজক মুক্ত কৰি জীৱনক সুন্দৰ কৰি তোলাৰ গভীৰ হেঁপাহ প্ৰবীনা শইকীয়াৰ কবিতাৰ ছত্ৰে ছত্ৰে বিৰাজমান। সামাজিক নানা জটিলতা, জীৱনে ভুগি অহা কঠোৰ মনোবেদনা আদিৰ হাত এৰাই ক[illegible] এক সুন্দৰ, উন্মুক্ত, নিটোল জীৱনৰ কামনা কৰে। 'সমুদ্ৰ বায়ুৰ দ[illegible] জীৱন' কবিৰ কাম্য। 'এজন প্ৰাংশুৰ আগমনত (মনিদীপ, আ[illegible] ১৯৬১) আৰু কিন্নৰী (ৰবিতা ১৫ অক্টোবৰ, ১৯৭০) কবি প্ৰ[illegible]। শইকীয়াৰ দুটি বৰ ভাল কবিতা। শব্দচয়ন আৰু পৰ্ব্ববিন্যাসৰ নি[illegible] এই গৰাকী কবিৰ অন্যতম পাৰদৰ্শীতা। শ্বাসাঘাত প্ৰধান ছন্দলয়ৰ চতু[illegible]ক পৰ্ব্বৰ ধুনীয়া সজা হৈছে কিন্নৰী কবিতাত।

> মোৰ বিষণ্ণ বিষাদৰ নীল সাগৰৰ পৰা
> কচ্ছপৰ দৰে প্ৰসাৰিত গ্ৰীৱাভঙ্গী লৈ
> এই আত্মহাৰা মুক্ত বতাহত এই মুহূৰ্ত্তত,
> মই ভাসমান আকাশত তোমাৰ প্ৰেমৰ।
> সমুদ্ৰৰ লহৰত এটি দুটিকৈ মগ্ন হ'লে
> সুৰৰ স্পন্দন, হে কিন্নৰ কণ্ঠ, খন্তেক পাচতে,
> কচ্ছপৰ দৰে গ্ৰীৱা সংকুচিত কৰি মই ডুব যাম
> মোৰ বিষণ্ণ অটল নীল সমুদ্ৰত।

কহিদে এক অস্বস্তিকৰ বিষন্নতাৰ ভাগি হৈও কেইটামান কবিতা লিখিছে। য'ত তেওঁৰ বিষাদ সচেতনতা আৰু মুক্তিৰ আকাঙ্খা একেলগে মিলি গৈছে।

দেবেন্দ্ৰপতি গোস্বামী

মনিদীপৰ পৃষ্ঠপোষকতাত আপোন কাব্য-প্ৰতিভাক বিকাশ কৰিবলৈ সুযোগ পোৱা আন এজন কবি হ'ল দেবেন্দ্ৰপতি গোস্বামী জনজীৱনৰ

কোলাহলৰ পৰা আঁতৰত প্ৰতিষ্ঠিত হৈছে তেওঁৰ কবিতাৰ ভিত্তি। প্ৰকৃতিৰ বৰ্ণাঢ্য ৰূপ-সুষমা চায় তেওঁ তন্ময় হৈছে—ক্ষণভঙ্গুৰ এই জীৱনৰ মাজৰ পৰাই বিচাৰি অনা দুই এটি হাঁহি আৰু আশাৰ বাৰৰি ফুল বুটলি তেওঁ আহ্লাদ পাইছে। শব্দ-চয়ন, বাক্য বিন্যাস, ৰচনা-শৈলী মানস চিত্ৰৰ গঠন আৰু ছন্দৰ নবীনতৰ বিন্যাস আদিত দেৱেন্দ্ৰপতিৰ আপোন প্ৰতিভাৰ স্বাক্ষৰ আছে। তেওঁৰ কবিতাৰ মাজত এটা বুদ্ধিদীপ্ত মনৰো পৰিচয় পোৱা যায়—যিটোৱে তেওঁৰ কবিতাবোৰক অন্তৰ্মুখী (esoteric) কৰি তুলিছে। **ভীষ্মৰ সঙ্কেত (বছৰৰ কবিতা, ১৯৬৫)** কবিতাত কবিৰ এই অন্তৰ্মুখীনতা বৰ উপভোগ্য হৈছে। জীৱনৰ বিভিন্ন স্তৰ আৰু সময় পাৰ হৈ আহি কবিয়ে, নিজৰ লগত মুখামুখি হৈ মহাভাৰতৰ শান্তনু নন্দন ভীষ্মৰ শৰশয্যাৰ বেদনাৰ দৰে বেদনাকে আকোঁৱালি লবলৈ উদ্যত হৈছে। কবিৰ বক্তব্য

> "সূৰ্য্যক বিচৰা নাই-সূৰ্য্য আহি উদৰত লাজতে লুকায়
> আকাশো নালাগে আজি-হৃদয়ত নিজে নিজে সঙ্কুচিত হয়
> মোক লাগে সেই গান প্ৰানবহ পাতাল গঙ্গাৰ
> সময়ৰ স্তব্ধতাত, প্ৰতিজ্ঞাত মগ্ন হোৱা কোনো এক
> মহাৰ্ঘ ক্ষনত যৈতিয়া নাৰী আৰু ঈশ্বৰে একেলগে
> উদৰৰ তাম গলা জুহালত অকন জিৰায়-পুৰি পুৰি
> সোন কৰি নিজকে পাবলে'-প্ৰতিজ্ঞাৰ সমুদ্ৰৰ
> মুক্তা বুটলিবলে'—মোক লাগে শৰশয্যা—
> যন্ত্ৰনাৰ দুঃসহ সময়।"

আধুনিক জীৱন যাত্ৰাৰ অভিশাপে ব্যক্তিক হতাশ আৰু বিক্ত কৰি তুলিছে। সমষ্টিগত জীৱনৰ পৰা আঁতৰি ব্যক্তিৰ যি ঠেক ছিগা জীৱন তাৰ আশ্ৰয় কেৱল বেদনাতহে। জীৱনৰ আশ্ৰয় আজি নাই। কবিয়ে যি বিচাৰে তাক নাপায়-পায় কেৱল বজ্ৰাঘাত বা এলিয়ট চাহাবৰ ভাষাত —"Dry sterile thunder without rain"। 'এপিয়লা ৰূপোৱালী', 'মেঘ' 'চম্পক ফুলৰ বাতি', 'বিদেশী সপোন', 'নিৰুদ্দেশ নদীৰ সপোন' আদি দেৱেন্দ্ৰপতি গোস্বামীৰ স্মৰণীয় কবিতা।

সুশীল শৰ্মা

সন্তৰ্পন শব্দচয়ন, নিৰূপিত প্ৰকাশভঙ্গী, কল্পনাৰ মোহময়ী বিস্তাৰেৰে সুশীল শৰ্মাৰ কবিতাৰাজি সমৃদ্ধ হৈছে। তেওঁ ইমাজিষ্ট সম্প্ৰদায়ৰ কবি। নতুন কবিতাত সন্নিবিষ্ট হোৱা তেওঁৰ জোনাক ৰাতিৰ আবৰ্ত্তি কবিতাই পাঠক আৰু সমালোচকৰ সস্নেহ সৌহাৰ্দ্দ্য লাভ কৰিবলৈ সমৰ্থ হৈছিল। এই কবিতাত তেওঁৰ দ্বাৰা সৃষ্ট চিত্ৰকল্প সমূহে পাঠকক উপলব্ধি আৰু সুখানুভূতিৰ শিৰ্বিন্দুলৈ লৈ যায়।

> "জোনটো সিপাৰৰ বালিচৰত গা ধুই আছিল,
> আমাৰ চকুৰে চকুৰে পৰিল,
> জোনটিয়ে বৰ লাজ পালে—আৰু
> কহুৱাডৰাৰ মাজত সোমাই পাৰিল।"

ৰোমান্টিক ভাৱঘনতাৰ ওচৰ চপা হলেও, এই কাব্যাংশত চিত্ৰকল্পৰ সুচতুৰ সমাবেশ বহুতো কবিৰ ঈৰ্ষাৰ বিষয় হ'ব পাৰে। কবিতাত চিত্ৰকল্প বা image ৰ ব্যৱহাৰৰ ক্ষেত্ৰত এটা মনকৰিবলগীয়া কথা হ'ল যে ইমেজৰ জৰিয়তে লিখকে বা কবিজনে আমাৰ পূৰ্বজ্ঞান সমৃদ্ধ বস্তু সম্ভাৰবে নতুন ঐশ্বৰ্য্য উদঙাই দেখুৱাই, নতুন আবিষ্কাৰ কৰি তাৰ সুখানুভূতি পাঠকৰ মনত দকৈ সিঁচি দিয়ে। কবি শৰ্মাই image নিৰ্মাণৰ এই কৌশল ভালদৰে আয়ত্ত কৰিছে। বহাগত ('বছৰৰ কবিতা, ১৯৬৫), মই আৰু মোৰ সজী তুলনা (অসমবাণী, বিহু স. ১৮৯১) আদি কবিতাত কবিৰ আত্মিক অনুভূতিৰ বিস্তীৰ্ণ বেদনা আৰু জীৱনৰ ঠেক হেৰুৱা কৰুণ অনুভূতিৰ উপলব্ধি আছে। অতি সাম্প্ৰতিক সময়ত ৰচনা হোৱা তেওঁৰ কবিতা সমূহত শঙ্কা আৰু দ্বন্দ্বৰ উপস্থাপনা মনকৰিবলগীয়া।

মেদিনী চৌধুৰী

গল্পকাৰ আৰু প্ৰাবন্ধিক হিচাপেহে যাইকৈ খ্যাতি লাভ কৰা, মেদিনী চৌধুৰীয়ে ৰামধেনুৰ পাতত কেইবাটাও চিত্তাকৰ্ষক কবিতাৰ অৰিহনা যোগাইছিল। মহাবাল আৰু চিকাৰ আদি কবিতাৰ মাজেদি প্ৰকাশ পোৱা কবিৰ মানসিক দ্বন্দ্ব আৰু প্ৰাচীন সভ্যতা আৰু সমাজব্যৱস্থাৰ ওপৰত তীব্ৰ

অভিঘাত উপভোগ্য হৈছে। চিৰকালৰ এই পুৰণি পৃথিৱীখনে নিৰবিচ্ছিন্ন সংগ্ৰামৰ মাজেদি গৈয়েই পৰিবৰ্তনৰ মুক্তবায়ু বিচাৰি পায়। মহাবাহু কবিতাত কবিয়ে যুগ পৰিবৰ্তনৰ আভাস দিছে। "অলস স্বপ্ন অলকানন্দাক" 'বাঙলী ৰূপ জোঁৱাৰেৰে' শত ঐৰাৱতৰ গৰ্বিত শিৰ নত কৰিবলৈ তেওঁ আহ্বান জনাইছে। চিকাৰ কবিতাত কবিৰ গণ-মুক্তিৰ প্ৰচেষ্টা আৰু এখোপ আগবঢ়া। কবিৰ বিশ্বাস পুঁজিপতি শোষকৰ অৰ্থনৈতিক চিকাৰৰ বলী হৈ সাধাৰণ শ্ৰমজীৱি মানুহে তাৰ সৰ্বস্ব হেৰুৱাইছে। যুগে যুগে চিকাৰৰ এই পুনৰাভিনয় হয়—দেশে দেশে চিকাৰীদলৰ এই নিপীড়ন সমানে চলি আছে। অসমৰ চাহ বাগান, মালয়ৰ ৰবৰ তলি নাইবা, উত্তমাশা অন্তৰীপৰ মুকুতাৰ কাটেকত সকলোতে এই শ্ৰমিক দলৰ ওপৰত শোষকদলৰ চিকাৰী দৃষ্টি সমানে প্ৰখৰ।

* * *

'দুৰ্বোধ জীৱন।
সেই একে পথেৰেই নামি আহে
যুগে যুগে—দলে দলে
অলেখ চিকাৰ
কোজে দ্বীপৰ সেউজীয়া কুঞ্জত।
লক্ষ্য তাৰ
এমুঠি চাউল—পাচোটি ডলাৰ।
অসমৰ চাহবাগানত—
মালয়ৰ ৰবৰ তলীত
সেই একেদৰে
এসাগৰ বেদনাত মেলেহি নিতৌ
সিঁহতৰ মাংসৰ পোহাৰ।
আজিৰ চিকাৰ বন্দী
'আয়নাৰ ভৱন'ত
নদীৰ পাৰ্কত
কৃষ্ণ চকু জ্বলে তাৰ
উত্তমাশা অন্তৰীপৰ বৰণ জালত,

সাগৰৰ ঢৌৰ মাজত—
মুকুতাৰ ফাটেকৰ সোণৰ চেলত
চিকাৰীৰ দুৰ্জ্জেয় কৌশল
দৃঢ়তৰ হয়।
অভিমন্যুৰ জীৱন সংশয়

চিকাৰ আৰু **মহাবান** কবিতা দুটিত প্ৰাচীন ভাৰতীয় কবি প্ৰসিদ্ধি আৰু epic allusion আদিৰ যোগদি, এটি ভাৰতীয় ৰূপ দিবলৈ চেষ্টা কৰা হৈছে। জীৱন সংগ্ৰামত পুঁজিপতি সপ্তৰথী শোষকৰ নিৰ্মম অত্যাচাৰ ভোগ কৰাজন হৈছে অভিমন্যু আৰু উদ্ধত স্বভাৱৰ পুঁজিপতি প্ৰভু সকল ঐৰাৱত। উচ্চ-শ্ৰৱৰ সংবেদনশীল পাঠকৰ বাবে মহাবান শব্দটোৱে প্ৰলয়পয়োধিজলৰ বুকুৰ পৰা নতুন বিশ্বৰ উদ্ভাৱন কৰা allusion টোলৈ স্বভাৱতেই মনত পেলাব পাৰে।

মানিক গগৈ

শেষ কৈশোৰ আৰু আগযৌৱনতে অসমীয়া কবিতাৰ সৃষ্টিত সামগ্ৰিক ভাৱে আত্মনিবেশ কৰা মানিক গগৈয়ে ১৯৫৮ চনতে বীৰেন বৰগোহাঞিৰ সৈতে যুটীয়াভাৱে **আকাশৰ চিঠি** নামৰ কাব্যসঙ্কলন প্ৰকাশ কৰি উলিয়াই। **আকাশৰ চিঠিৰ** কবিতা আছিল সুবিন্যস্ত চিত্ৰকল্পৰ মাজেদি প্ৰকাশ পোৱা কবিৰ "মাটিৰ মোহ আৰু আকাশৰ প্ৰতি কামনা।' কিন্তু তেওঁৰ অতি সাম্প্ৰতিক কবিতাসমূহত কবিৰ উত্তৰণ ঘটিছে, অধিক গভীৰ জীৱন আৰু সমাজ জিজ্ঞাসালৈ। আধুনিক মানুহৰ জীৱনসংগ্ৰাম, হতাশা আৰু ক্ষোভ এতিয়া তেওঁৰ কবিতাৰ বিষয়বস্তু হৈ পৰিছে। ৰোমাণ্টিক ভাৱ সমৃদ্ধ চেতনাৰে সমাচ্ছন্ন হৈ থকা গগৈৰ আগবয়সৰ কবিতাবোৰৰ সংবেদনাও কম নহয়। জীৱনানন্দৰ প্ৰভাৱৰ ক্ষীণ প্ৰতিধ্বনি ক'ৰবাত বাজিলেও, তেওঁৰ কবিতাবোৰৰ এটা নিজস্ব সম্মোহনী আছে। **আবেলিৰ ডায়েৰী** কবিতাত কবিৰ প্ৰিয়া-প্ৰশস্তি গভীৰ আত্মানুভূতিক বিস্তাৰেৰে বিস্তৃত :—

'মই যদি গধূলিৰ সংগীহাৰা চিনাকি পথিক,
আৰু তুমি আসংগ আতুৰ মন শ্যামলী চলিহা,—

ৰিবিকিৰ আকাশত পৰ্দাৰ ভাৱৰ কালি
মোৰ বাবে তুমি ভেনে এটি জোন এখনি মুখৰ।
তোমাৰ দেহৰ ঢ'উ হেমন্তৰ গধূলি-আকাশ—
মনৰ অৰণ্য য'ত সূৰ্য্য-প্ৰতীক্ষাৰ বাবে
আদিম বিপুৰে সতে খ'উকি বাখ'উ কৰি
ভৰি আছে অসীম মায়াৰ ঋতু প্ৰাণ-সাগৰৰ।
সন্ধ্যা মাক হৃদয়ৰ গানৰ কলিৰ বাবে
থাকৰ গীটাৰ বাজে ঠুঠা৲ মাংসল হাতৰ,
অধীৰা, দৃষ্টিৰ আবৰ্ত জুৰি উতলা ফাগুন
পখীৰ কাকলি য'ত গুজৰন নীৰৱ ভাষাৰ।

এক অভিজাত নান্দনিক ঐশ্বৰ্য্যৰ মাজেদি কবিৰ প্ৰিয়া-অন্বেষণ বৰ সুখদ হৈ এই কবিতাত ধৰা দিছে। আনহাতে কোনো এক ভাৰতীয় বিৰহীৰ মন কবিতাত কবিৰ চিন্তাধাৰা কেন্দ্ৰীভূত হৈছে আধুনিক জীৱনৰ কৰুণ কঠোৰ সংগ্ৰামৰ ওপৰত।

চৰা দামে তাৰ মাকক
জীৱিকাৰ পথে পদুলিয়ে
ব্যস্ত কৰিলে বাবে—
জঙ্গাল খাদ্যত কগীয়া তাৰ পিতৃ
ডকাইতৰ গুলীত বিদ্ধ হ'ল বাবে
মাকৰ দুটি স্তনে ৰূপে ল'লে
দোলনাত শুই থকা
কোনো এক নিষ্পাপ শিশুৰ
আলফুলীয়া দুহাতৰ বটলত,
পিতৃৰ মৰম সনা আছে
তাৰ নীৰৱ কান্দনত।
সেই কৃত্ৰিম স্তনধাৰাৰ চিন
আঁকা আছে তাৰ কোৱাবিত
আঁকা আছে তাৰ চকুৰ কোণত।
সংগী তাৰ নিবৰ পুৰণি এটি ঘৰ,

তাৰ মূদি থকা দুচকুৰে
দেখা নাই মানুহৰ যন্ত্ৰই
জ্যোতিষ্কলৈ পথ বিচাৰি ফুৰা
বহুল আকাশৰ শিখা।

সকলো পাইও, সকলো হেৰুৱা বিৰহীৰ দৰে, বৰ্তমান কালৰ শিশুৱেও সকলো পায়, সকলো হেৰুৱাইছে। এই শিশুৰ ৰূপ বৰ কৰুণ। জীৱিকাৰ দায়ে তাৰ মাতৃক পথৰ পৰা বিপথলৈ নিছে ভেজাল খাদ্যই তাৰ পিতৃক কগীয়া কৰিছে আৰু ডকাইতৰ গুলীত বিদ্ধ হোৱা মাকৰ স্তনজুৰিয়ে ৰূপ লৈছে কিডি‌ং বটলৰ।

কবি গগৈৰ উপলব্ধি গভীৰ। শব্দৰ আৰু শব্দ-বিন্যাসৰ সুখকৰ কৌশল তেওঁ আয়ত্ত কৰিছে। শব্দৰ শব্দাতীত অৰ্থবাহিতাই কেতিয়াবা কেতিয়াবা তেওঁৰ কবিতাক পাঠকৰ মনত স্থায়ী ছাপ বহুৱাবলৈ সক্ষম কৰি তোলে। এতিয়া সময় নাই কবিতা, তাৰে এটি উদাৰ উদাহৰণ—

'খোপাৰ লোভাৰ বাবে বন্দী কবি কৰবীৰ জীৱন-যৌৱন
ৰচিবা ইলিজি এটি শলিতাৰ তেলপুৰি শাপমোচনৰ ?
অথবা প্ৰদীপ এটি, সন্ধিয়াৰ ৰঙা ৰং দুয়োহাতে সানি
গধূলি গোপাল জুপি ফুলা দেখি বাট চাবা পদূলি মুৰত।

(আকাশৰ চিঠি, পৃ ৬১)

বেন্দু চিৰিং

হৃদয়াবেগৰ আত্মসৰ্বস্ব প্ৰকাশৰ মাধ্যমেৰে বেন্দু চিৰিঙে তেওঁৰ কবিতা-সমূহৰ ৰূপদান দিছে। তেওঁৰ কবিতা অনেক দূৰ—esoteric (আত্মিক)। 'অমৰ কামনা', 'প্ৰেম আৰু মৃত্যুৰ কাৰণে' আদি তেওঁৰ বিশিষ্ট কবিতা। চিৰিঙৰ কবিতাৰ কেনভাচ বিস্তৃত-তীব্বতীয় লোকগীতি, জাপানী কবিতা আদিৰ প্ৰত্যাভাস আনিও তেওঁ কবিতা লেখিছে। 'এক নিৰ্জন দ্বীপৰ পৰা' নামৰ কবিতাত কবিয়ে প্ৰাচীন ৰহস্যবাদী সকলৰ দৰে নিজৰ আত্মাক বিশ্বাত্মাৰ লগত মিলাবৰ প্ৰয়াস পাইছে। আধুনিক কাব্য-শিল্পী সকলৰ ৰহতেই, বাস্তৱৰ পৃথিৱীখনৰ লগত সংগতি হেৰুৱাই, নিজৰ মনক আধ্যাত্মিক

নিৰ্ভৰতাৰ এক নিৰ্জন পৃথিৱীত প্ৰতিষ্ঠা কৰি শান্তি আৰু নিৰাপত্তা লাভৰ যত্ন কৰিছিল। কবি ইয়েটছে তেওঁৰ **The white Birds** কবিতাত বৰ্তমান যুগৰ সংঘাতত ক্লান্ত হৈ চৰাইহৈ উৰি যাবৰ প্ৰয়াস কৰিছে—

I would that we were, my beloved, white birds
On the foam of the sea !
We tire of the flame of the meteor, before it
Can fade and flee (The Rose)

কবি চিবিডেঞ্চ, প্ৰেম, মৃত্যু আৰু অমৰত্বৰ সন্ধান কৰি কৰি ক্লান্ত হৈ এক নিৰ্জন দ্বীপত আশ্ৰয় লৈছেনেকি ?

বহ্ন ওজা

নাট্যকাৰ আৰু কাহিনীকাৰ বহ্ন ওজাৰ কবিতাসৃষ্টি সম্ভৱতঃ অৱসৰ বিনোদনৰ আহিলা মাত্ৰ—সেয়ে হলেও, তেওঁৰ কবিতাত গভীৰ চিন্তা আৰু অনুধাৱনৰ অভাৱ দেখা নেযায়। ব্যক্তিগত প্ৰেম-প্ৰণয়, আশা-নিৰাশা, মৃত্যু-চেতনা, প্ৰকৃতি-বীক্ষা ইত্যাদি নানান ভাৱৰ সমন্বয়ত বহ্ন ওজাৰ কবিতাসমূহ সমৃদ্ধ হৈছে। ৰূপায়ণ (মধুলিপি, বিহু সং ১৮৮৫), এটি প্ৰেমৰ কবিতা (আ/প্ৰ, ৫ৰ ৩য় সং), জ্যোতিষ্মান দাস (আৱাহন ৩১ বছৰ ফাগুন চ'ত) ছুটি তৰা (উক্ত ১৮৮৪ ফাগুন) ইত্যাদি ওজাৰ লেখত লবলগীয়া কবিতা। অসম সাহিত্য সভাৰ পলাশবাৰী অধিবেশনৰ কবিসন্মিলনত পঠিত ওজাৰ অক্ষয়বৰ্তি নামৰ কবিতাটি কবিৰ স্বদেশ প্ৰীতি আৰু ভাষা প্ৰীতিৰ উজ্জ্বল চানেকি। ৰাজ্যভাষাৰ সন্দৰ্ভত হৈ যোৱা ১৯৬০ চনৰ গণ-আন্দোলনক কবিয়ে এগচি অক্ষয়বৰ্তি বুলি অভিহিত কৰিছে—আৰু সেই গছি বন্তিৰ পোহৰতেই যে অসমীয়াই ভৱিষ্যৎ পোহৰাই লৈ নতুন অসম গঢ়িব লাগিব, তাৰ নিৰ্দেশ কবিয়ে দিছে।

ঈশান বৰুৱা

ঈশান বৰুৱাই সুদীৰ্ঘকাল অসমীয়া কবিতাসৃষ্টিত ব্যস্ত আছে। আত্মপৰিচয়ৰ বাবে সামান্যতমো চেষ্টা নকৰা এই কবিজনৰ কাব্যসৃষ্টিৰ প্ৰতি থকা একান্ত

আসক্তি মনকবিবলগীয়া। তেওঁ বিবিধবিষয়ক বহুসংখ্যক কবিতা লিখিছে কিন্তু সকলো কবিতাতে সমানে গুৰুত্ব লাভ কৰিছে বুলি কোৱাৰ থল নাই। তেওঁক একপ্ৰকাৰ ৰোমাণ্টিক-প্ৰতীকবাদী কবি বুলি অভিহিত কৰিব পাৰি। অৱশ্যে তেওঁৰ শেহতীয়া কবিতাসমূহত সমাজবাদী আদৰ্শ আৰু অত্যাধুনিক নগৰজীৱনৰ ছিন্নমূল অৱক্ষয়ী সচেতনতাৰ প্ৰকাশ আছে। প্ৰকাশভঙ্গী আৰু বাক্-বৈচিত্ৰ্য আৰু ছন্দৰীতিৰ গঠনৰ ফালৰ পৰা তেওঁ সমকালীন কবিসকলতকৈ পৃথক নহয় কিন্তু এটা কথাত তেওঁৰ পাৰ্থক্য লক্ষণীয়—অন্য দুজন কবিৰ দৰে তেওঁ তেওঁৰ প্ৰতীকৰ উৎস আধুনিক ইংৰাজী বা ফৰাচী কবিতাৰ পৰা আহৰণ নকৰি, স্থানীয়ভাৱে প্ৰতীক নিৰ্বাচন কৰিছে। যিবিলাক প্ৰতীক সম্পূৰ্ণৰূপে অসমীয়া বা ভাৰতীয় বুলি ক'ব লাগিব।

ৰবীন্দ্ৰ বৰা

ব্যক্তিগত চেতনা অন্তঃচেতনাৰ পৰা আহৰিত সমলক পৰম নিৰ্ভৰযোগ্য কবি কবিতাত ৰূপ দি আহিছে ৰবীন্দ্ৰ বৰাই। কাব্যৰীতিত তেওঁ চিত্ৰকল্পবাদী অভিব্যক্তিৰ পোষকতা কৰে। তেওঁৰ কবিতা, অন্তৰৰ এক গভীৰ বিশ্বাসৰ আলোৰে আলোকিত-প্ৰকাশভঙ্গীতো এটা অনাড়ম্বৰ, অকৃত্ৰিম সৰলতা লক্ষ্য কৰা যায়। স্বাভাৱিকতা আৰু স্পষ্টতাৰ সমন্বয়ত বৰাৰ কবিতাবোৰ সতেজ আৰু প্ৰাণৱন্ত হৈ উঠিছে। সমসাময়িক অন্য কবিসকলৰ দৰেই বৰাৰ কবিতাতো মুক্তিৰ আকাংখা, আধুনিক জীৱনৰ সংঘাত আৰু দ্বন্দ্ব, রুগ্ন-মানসিকতা আৰু জটিল আবহাওৱাৰ আভাস আছে। সময়ে সময়ে তেওঁৰ কবিতাত সমাজ সচেতনতাইও প্ৰচ্ছন্নৰূপত দেখা দিয়েছি। কবিয়ে গভীৰ উৎকণ্ঠাৰে সমাজ বিৱৰ্তনৰ সোণালী মুহূৰ্তলৈ বাট চাইছে। কাৰণ, বৰ্তমানে তেওঁ অভিশাপৰ অতল গহ্বৰত। ক'লা ক'লা সাপবোৰে তেওঁক মেৰিয়াই ধৰিছে আৰু হিংস্ৰজন্তুৰ দাঁতৰ চেপাত তেওঁৰ প্ৰাণ যোৱাৰে উপক্ৰম।

> ক'লা ক'লা সাপবোৰ
> বগাই আহি
> উপকূলত ঠিয় হৈ থকা
> মানুহবোৰক মেৰিয়াই ধৰিছে।

মগজুৰে মগজুৰে
সাপৰ উজ্জ্বল ৰং জিলিকি পৰিছে।
আন্ধাৰৰ খাঁৰ লৈ ওলাই অহা
হিংস্ৰজন্তুৰ বিশাল দাঁতবোৰৰ
ফাঁকে ফাঁকে বিৰিঙি পৰিছে
মানুহৰ মঙহ পৰা বৈ পৰা
তেজ আৰু তেজৰ চেকুৰা।

মোৰ শিশুটিক আশ্ৰয় দিবৰ বাবে
নিৰাপদ ঠাই বিচাৰি দৌৰি ফুৰিছো।
শিশুটিৰ আহাৰৰ বাবে
সেউজীয়া গছলতাৰ তলে তলে
পোহৰ, পোহৰ বিচাৰিছো।”

(উৎকণ্ঠা, অ/বা, বিহু সং ১৮৯১ পৃ ৪১)

বিজনলাল চৌধুৰী

বিজনলাল চৌধুৰীৰ কবিতাৰ সংখ্যা কম কিন্তু কমসংখ্যক কবিতাৰ মাজতেই তেওঁ আপোন প্ৰতিভাৰ চিনাকি দিব পাৰিছে। তেওঁৰ কাব্যৰীতি চিত্ৰকল্পবাদী। প্ৰসঙ্গান্তৰত তেওঁৰ চিত্ৰকল্প নিৰ্মাণৰ প্ৰতিভাৰ বিষয়ে আলোচনা কৰা হৈছে। ‘শহীদ আৰু আততায়ী’, ‘নৱজাতক’ আৰু ‘বশিষ্ঠত দিনটো’—চৌধুৰীৰ তিনিটা ভিন্নসুৰীৰ উল্লেখযোগ্য কবিতা। ‘বশিষ্ঠত দিনটো’ কবিতাৰ অনুপ্ৰেৰণা বোধহয় কবি নৱকান্ত বৰুৱাৰ বশিষ্ঠত পিকনিক কবিতাৰ পৰা আহিছে। কিন্তু কবি বৰুৱাৰ প্ৰত্যক্ষ প্ৰভাৱ ইয়াত নাই। চৌধুৰীৰ চিত্ৰনিৰ্মাণৰ ক্ষমতাও অপূৰ্ব।

‘কোৰা কথাবোৰ ঝুমলি ঝুমলি
গীত হৈ পাখি মেলিছিল
সেপাৰ মাতত মন কেতেকীত নিতালে থোৱা
সাল সাৰ পাইছিল
কপোৱালী কলা মেলি।’

এনেধৰণৰ বৰ্ণনাবে মৰ্মস্পৰ্শী আৰু পাঠকৰ চকুত এখন চবি তৈয়াৰ কৰিবলৈ সমৰ্থ তাক নকলেও চলে। সংযম আৰু ইক'নমিও তেওঁৰ কবিতাৰ বৈশিষ্ট্য। বশিষ্ঠৰ স্বৰূপ উদ্ঘাটন কৰি কেৱল দুহোটা শব্দৰে এক বৰ্ণাঢ্য চাৰু চিত্ৰ আঁকিছে কবি চৌধাৰীয়ে—

> বনৰ শ্যামল ছাঁয়া পাহাৰৰ নীলা
> আৰু কলস্বৰা শিলা
> এয়েতো বশিষ্ঠ।

বৰ্তমানে কবি চৌধাৰীয়ে জনতাৰ লগত একাত্মীয়তা অনুভৱ কৰি, সমাজ সচেতনভাৱে উত্তৰণ কৰিছে। মনিদীপত প্ৰকাশ পোৱা তেওঁৰ পদক্ষেপৰ শব্দ নামৰ কবিতাত তেওঁ জনতাৰ মুক্তিযাত্ৰাৰ পদধ্বনি শুনিছে।

> "পথাৰত কাৰখানাত আৰু গলিয়ে গলিয়ে
> ধূলিয়ে বালিয়ে একাকাৰ লাখ লাখ সব্যসাচী সাজু,
> মুক্তি যাত্ৰাৰ আয়োজন ব্যাকুল বেগেৰে চলে—
> গনসিন্ধু মগ্ন হয় উত্তেজিত উৰ্মিল কল্লোলে।
> পৃথিবীৰ অৰুন হৃদয় উথল মাথল
> তেজেৰে পিছল বাটে বাটে অগ্ৰণী জনতাৰ সমদল
> মাথো নিৰ্ভীক পদক্ষেপৰ শব্দ কেৱল পদক্ষেপৰ শব্দ "

হৰেকৃষ্ণ ডেকা

হৰেকৃষ্ণ ডেকাৰ স্বৰচিত কবিতাৰ সংকলন এটি বৰ্তমানে স্বৰবোৰ নামেৰে প্ৰকাশ হৈছে। ডেকা মুখ্যত ইমাজিষ্ট কবি। চিত্ৰকল্পৰ সুচতুৰ সমাবেশেৰে ৰসঘন কাব্যানুভূতি সৃষ্টি কৰি পাঠকক বিস্ময় বিমুগ্ধ কৰি তোলাৰ ক্ষমতা তেওঁৰ আছে। সেই বুলি তেওঁৰ কবিতা অকপট ভাবে স্বচ্ছ নহয়—সিবোৰত প্ৰতীকী কৌশলৰ কঠিন চাপো আছে। 'মগজুতে ঘূৰে গানৰ তীক্ষ্ণ ছুৰী'আদি নিতান্ত কৌশলী কবিতা। আনহাতে 'জন্ম', 'যিহেতু হৃদয় আছে' আদি কবিতা আপেক্ষিক ভাৱে সৰল। 'বতাহে মন্থন কৰে তাৰাৰ ঘনগৰ্ভ' এটা বিশিষ্ট সুখপাঠ্য প্ৰতীকী কবিতা।

"যি ভাবহীন শূন্যতাত
ওপজি উঠে তেজৰ ফুল
তাৰ চৌপাশে ঘন হৈ সৰে
নিসাৰ কান্দোনৰ দৰে
নিয়ৰত অস্থিৰ টোপাল।
তেজৰ প্ৰতিটো পাহিত ঢুলি থাকে
ৰাতিৰ স্তব্ধতাত নিৰ্জ্জন
একো টোপাল শীতল পোহৰ।"

মহেশ্বৰ নেওগ

অসমীয়া ৰোমান্টিক কাব্যবানীৰ শেহৰকালৰ শিল্পী মহেশ্বৰ নেওগে ৰাঠিৰ দশকৰ শেহৰ ফালৰপৰা, আধুনিক কবিতাৰ ৰচনাত মনোনিবেশ কৰিছে। প্ৰথিতযশা পণ্ডিত, সমালোচক আৰু গবেষক নেওগ ডাঙৰীয়াৰ এই সক্ৰিয় সহযোগে আধুনিক অসমীয়া কবিতাৰ মৰ্য্যদা নিশ্চয় উন্নত কৰিছে। সম্প্ৰতি তেওঁৰ কাব্যসংকলন মুছাফিৰ খানা প্ৰকাশ হৈ ওলাইছে। মুছাফিৰ খানা কুৰি টা কবিতাৰ সংকলন। সংকলনখনিৰ কবিতাবোৰক ষাইকৈ দুটা ভাগত ভগাইলৈ বিচাৰ কৰিব পাৰি। গভীৰ বা serious ভাবৰ কবিতা আৰু লঘুভাবৰ খেমেলীয়া কবিতা—কিন্তু উভয়বিধ কবিতাৰ ৰচনাতে কবি নেওগৰ প্ৰতিভা সমুজ্জল হৈ আছে।

অন্য আধুনিক কবিসকলৰ দৰেই কবি নেওগো বাস্তব সচেতন কবি। বাস্তৱৰ ওপৰত ভৰ দি তেওঁ চাৰিওফালৰ সমাজ জীৱনৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন সংবেদন সহকাৰে লক্ষ্য কৰিছে। "আমাৰ হাঁহিৰ জানো অৰ্থ আছে" কবিতাত কবিয়ে অতীতৰ সুখৰ দিন আৰু সৰল সহজ জীৱনৰ স্মৃতিচাৰণ কৰি বৰ্তমানৰ নিষ্ঠুৰ বাস্তৱৰ লগত তুলনা কৰি চাইছে। তাহানিৰ ৰুকাদেউতা আৰু আইতাৰ দিনৰ জীৱনৰ প্ৰশান্তি অন্তৰ্হিত হৈছে-তাৰ ঠাইত আহিছে কৃত্ৰিম ৰুঢ় জীৱনৰ কঠোৰতা। কবিৰ মতে—

"কত মোৰ জোনাকী ৰাতিৰ শীতল পাটিত
আইতাৰ জীৱনৰ প্ৰশান্তিৰ নিৰ্ভৰ আশ্বাস?

ক'ত মোৰ ককাদেউতাৰ দুহাল-গুৰিৰ অনুৰক্ত সন্তান হাঁহি ?
তাৰ পৰিবৰ্ত্তে হয়তোবা দেখা পাবা
স্থূলবপু বণিকৰ অট্টালিকা বোৰ,
আত্মাৰৰ বেহা কৰা সাউদৰ ৰচা,
ৰবকৈ নামটি ভৰি নিজকে জাহিৰ কৰা 'নিয়ন্ত্ৰিত দামৰ দোকান',
মূল্য হ্ৰাস হোৱা পইছাৰ তুলাপাত আৰু গাণি বেগ'ৰে
সাত পুৰুষৰ অচিনাকি পথৰা-চাউল-আৰু কষ্টৰ বিচৰা
জীৱনৰ পদূলিত ভিখাৰীৰ শাৰী।
আৰু দেখা পাবা
বেলৰ উৰাত কত দিন কত মাহ স্বপ্ন জপি অহা গৈলাৰ শুৱেৰে কৰা
চাহৰ অমৃতপায়ী কাফেটেৰিয়াত মছগুল দেৱতাৰ দল।
তথাপি আমাৰ হাঁহি এতিয়াও মাৰ যোৱা নাই।
আমাৰ হাঁহিৰ কিবা অৰ্থ আছে শিল বালি খোৱা এই ভাষাৰ হাঁহিৰ ?"

অভাৱ-অনাটন, দুখ-দাৰিদ্ৰ আৰু নিপীড়নৰ মাজত অসমীয়া মানুহৰ মুখত যে অকনমান হাঁহি আছে, সি বৰ [illegible] কথা। কাৰণ, যি অসমীয়া মানুহৰ ঘৰে ঘৰে এনচুটি ধানৰ সুৱাগী চাউলৰ ভাত, বাৰীৰ লাই-লফা, পুখুৰীৰ মাছ আৰু ম'হৰ ঘমা দৈ আছিল, আজি সেই অসমীয়া মানুহে মাৰ্কিনদেশৰ পৰা আহিব লগা চাউললৈ আশাপালি থাকে—

'আমাৰ ভুকভুকী উদং হ'ল
মাৰ্কিন দেশৰ চহকী চাহাবটো
দিয়ে কি নিদিয়ে চাউল ভৰা মোনাটি,
টিৰি পাতি মঙলমন চোৱা।"

('চেৰে কৰে মনত পৰে)

শব্দ-বিন্যাসতো নেওগ কৌশলী শিল্পী। থকৰা সুষম সহজ সৰল শব্দবাজি, যিদৰে তেওঁ ব্যৱহাৰ কৰে, সেইদৰে সমান পাৰদৰ্শীভাৱে তৎ তদ্ভৱ আৰু তৎসম শব্দকো প্ৰয়োগ কৰে, কিন্তু সময় সময়ে দুই-এক কবিতাত তেওঁ শব্দ প্ৰয়োগ অৱশ্যে জটিল হৈ পৰা দেখা যায়। কাজিৰঙা কবিতাত কবি নেওগে কাজিৰঙাৰ যি বৰ্ণনা দিছে, সি বিচিত্ৰ কিন্তু শব্দৰ প্ৰয়োগত অৱশ্যে জটিলতা সৃষ্টি কৰাৰ বাবে সদায় কাজিৰঙা দেখি থকা মানুহেও

"গণ্ডাৰৰ লজ্জাহীন দুৰ্ভেদ্যতা,
আপোন-অঙ্গজ ধ্বংসী ব্যাঘ্ৰৰ হিংস্ৰতা,
মেচেকাৰ ভীৰু কুম্ভীলতা,
দিনে নিশা ৰেৰনিৰে ছাগীৰ সন্ধান-ৰত
ছাগৰ লালসা" বুজিবলৈকে টান পাব।

আনহাতে, একে কবিতাতে, ব্যৱহৃত হোৱা ৰাজবাটৰ অজগৰী গাড়ীটো সৰ্ব্বজনবোধ্য আৰু বৰ সুখদ। কবিৰ কল্পনাত দীঘলীয়া ৰাজবাটটোৰে গাড়ীখন পেটত ভৰাই কেৰমেৰ কৰি কৰি আগবাঢ়ি গৈ থাকে।

"দীঘলীয়া অজগৰ ৰাজবাটটোৰে গাড়ীখন গিলি-গিলি
কেৰমেৰ কৰি কৰি আগবাঢ়ি গৈ থাকে-গৈ থাকে
তাৰ যেন শেষ নাই মাথোন লোৱাৰ।"

নেওগ পণ্ডিত ব্যক্তি। তেওঁৰ মাজত থকা কবিজনক পণ্ডিতজনে দুৰ্বোধ্য শব্দৰ হেঙাৰেৰে বাট ভেটি ধৰাটো স্বাভাৱিক। ইংৰাজীত ৰচিত হোৱা ড নেওগৰ **Under One Sky** নামৰ কাব্য-গ্ৰন্থখনো তেওঁৰ কাব্য-প্ৰতিভাৰ এটি উজ্জ্বল স্বাক্ষৰ।

পাঁচ

সমাজ সচেতন তৰুণ কবিৰ দল

আধুনিক অসমীয়া কবিতাৰ অতি সাম্প্ৰতিক কালছোৱাৰ আটাইতকৈ গুৰু লক্ষণ হৈছে, এদল সমাজ সচেতন তৰুণ কবিৰ আবিৰ্ভাৱ। কবিতাৰ বিষয়-বস্তু আৰু আংগিক উভয় ক্ষেত্ৰতে এই তৰুণ কবিদলে নতুনত্বৰ অৱতাৰণা কৰিবলৈ সমৰ্থ হৈছে। 'সমাজ সচেতনতা' আধুনিক অসমীয়া কবিতাৰ এটা বিশিষ্ট লক্ষণ আৰু চল্লিশৰ দশকৰ কবিসকলৰ হাতত এই সচেতনতাই এটা নিৰ্দিষ্ট লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছিল। প্ৰথম অধ্যায়তে আলোচনা কৰা অমূল্য বৰুৱা, ধীৰেন দত্ত, ভৱপ্ৰসাদ ৰাজখোৱা, আব্দুছ ছাত্তাৰ আদি সমাজ সচেতন কবিৰ কথা এই প্ৰসংগত স্মৰ্তব্য। অৱশ্যে চল্লিশৰ দশকৰ কবিসকলৰ লগত বৰ্তমানৰ সমাজ সচেতন তৰুণ কবিদলৰ পাৰ্থক্য সুস্পষ্ট। এইদল তৰুণ কবি কেৱল সমাজ সচেতনেই নহয়, তেওঁলোক ৰাজনৈতিক ভাবেও অতি সচেতন। ভাৰতীয় জনতাৰ সৰ্বাত্মিক মুক্তিৰ বাবে তেওঁলোকে এক প্ৰচণ্ড বিপ্লৱৰ পোষকতা কৰে। স্বাধীনতা লাভৰ সুদীৰ্ঘ কালছোৱাতো যে দাৰিদ্ৰক্লিষ্ট ভাৰতীয় জনগণৰ অৰ্থনৈতিক পৰিবৰ্তন নহল, অন্নবস্ত্ৰৰ সমস্যাটোৰেইযে সমাধান নহল—তাক দেখি এই কবিদল ক্ষুব্ধ হৈ পৰিছে। তেওঁলোকৰ ক্ৰোধৰ ভিত্তিও সহজে অনুমেয়। এই সকল তৰুণ কবি মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী আৰু বিপ্লৱৰ পথেৰে মুক্তিৰ পথ বুলি তেওঁ-লোকৰ নিশ্চিত ধাৰণা। তেওঁলোক অধিকতৰ বাস্তৱ সচেতন আৰু প্ৰাচীন আচাৰ অনুষ্ঠান, ধৰ্মীয় বিশ্বাস আৰু ঐতিহ্যৰ প্ৰতি তেওঁলোক বীতশ্ৰদ্ধ। জীৱনে তেওঁলোকক এই চৰম নিষ্ঠুৰ সত্যটো শিকাইছে, যে, ক্ষুধাৰ্তৰ ক্ষুধা নিবাৰণ কৰা ন'হলে বাকী ৰাজনৈতিক আৰু সামাজিক অনুষ্ঠান সমূহৰ কোনো মূল্য নাই। সমাজ সচেতন এই তৰুণ কবিদলক আধুনিক কালৰ উৰ্দু সমাজ সচেতন কবিসকলৰ লগত বিচাৰ পাৰি। আধুনিক উৰ্দু কবিতাতো ৰবক, মজাজ, চৰ্দাৰ জাফ্ৰি, মাখদুম, কৈফ আৰু ফিৰাক আদি তৰুণ কবি একলে সমাজ সচেতন হৈ বিপ্লৱৰ বাণী শুনাই আৰু মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আনুগত্য জনাই কবিতা ৰচিছিল। এইদল আধুনিক অসমীয়া তৰুণৰ প্ৰেম,

সৌন্দর্য্য আদর্শ আদিৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস কম। তেওঁলোকে প্ৰাচীন আদৰ্শবাদৰ মূলোচ্ছেদ কৰিবলৈ বিচাৰে। আংগিকৰ ক্ষেত্ৰতো এই কবিসকলে কবিতাক সৰলীকৰণ কৰিবলৈ বিচাৰিছে। অনাড়ম্বৰ সৰল ভাষা, গদ্যানুগ ছন্দৰীতি আৰু অকৃত্ৰিম পদবিন্যাসেৰে তেওঁলোকে কবিতাক জনতাৰ ওচৰ চপাবলৈ বিচাৰিছে। তেওঁলোকৰ বক্তব্যও direct আৰু স্পষ্ট। জ্যোতি-প্ৰসাদ, অমূল্য বৰুৱা, কাজী নজৰুল ইছলাম, সুকান্ত, নাজিম হিকমেৎ, পাবলো নেৰুদা, ইভটুচেংকো আদি দেশ বিদেশৰ কবিসকলৰ আৰ্হি, আদৰ্শ আৰু দৰ্শনো এই কবিসকলে গ্ৰহণ কৰিছে।

হৰপ্ৰিয়া বাৰুকিয়াল

সমাজসচেতন তৰুণ কবি সকলৰ ভিতৰত হৰপ্ৰিয়া বাৰুকিয়াল এটি সুপ্ৰতিষ্ঠিত নাম। তেওঁৰ কাব্যদৰ্শন সম্পূৰ্ণভাবে মাৰ্ক্সীয় ভাৱধাৰাৰে সিক্ত। সাম্যবাদী কাব্য চিন্তা তেওঁৰ বিলাস নহয়, ইয়াক জীৱন বৃত্তৰ পৰিপূৰক বুলিহে তেওঁ গ্ৰহন কৰিছে। সেইবাবে তেওঁৰ কবিতা কৃত্ৰিমতাহীন—সিবোৰ তেওঁ নিজ অন্তৰৰ গভীৰৰ পৰা ওলোৱা, গ্ৰামাঞ্চলৰ নিম্নবিত্ত কৃষি পৰিয়ালৰ (দেউতাক অৱশ্যে স্কুল-শিক্ষক আছিল) পৰা ওলাই অহা এই তৰুণ কবিয়ে গাৱঁৰ জনতাৰ বোধ আৰু বেহ-ৰূপ, তেওঁলোকৰ দৈন্য, হতাশা, নিৰাশা আৰু অৰ্থ নৈতিক শূন্যতা ভালদৰেই বুজি পায়। আৰু সেইবাবে এওঁ মূলত. গ্ৰাম্যজীৱনৰ আধাৰতে কবিতাৰ ভিত্তি তৈয়াৰ কৰিছে—হৰপ্ৰিয়াৰ কবিতাৰ ভিত্তি—সমাগত জনজাগৰণৰ জনতাৰ, আত্ম-প্ৰতিষ্ঠাৰ আৰু নতুন সমাজ ৰচনাৰো ভিত্তি। তেওঁ নতুন পুৱাৰ আগমনৰ বাবে অধীৰ আগ্ৰ-হেৰে প্ৰস্তুতি চলাইছে আৰু জনতাকো নতুন জাগৰণৰ বাবে প্ৰস্তুত হ'বলৈ উচটাইছে:

* * *

"সিহঁতৰ ফুচুলনি শুনি ব'বৰ সকাম নাই
কাচিকটাৰীবোৰ সোনকালে উলিয়াই আন
এয়া শুনাগথা কৰি কাল কটোৱাৰ
সময় নহয়।

জাঁনয়নি। উকথা বুপুৰীটোত আৰু
কিমান দিন থাকিম ?
পচা চালৰ সুৰঙাৰে আকাশৰ তৰা
কিমান লেখিম ?
নতুন ঘৰপন কেতিয়া হ'ব ?
সেয়া শুনিছু, সিহঁতৰ টান মুঠিৰ হাতুৰীৰে
আনিত শিল ভঙাৰ শব্দ ?
ব'ল ব'ল আমাৰে' ব'বৰ সময় নাই
অনাহাৰে মৰা সোনটোৰ চিতাৰ জুইৰে
কলিজাত দিছো শান।
এতিয়াব'ল, উভটি অহাৰ বাটত
আমি মাথো গাম জাগৰণিৰ গীত
নতুন পুৰাৰ।"
(উভটি অহাৰ গীত, আহেকীয়া কবিতা
জানুৱাৰী ৭৪)

চ জনগণৰ মুক্তি ওপৰৰ পৰা পৰা বস্তু নহয়—নাইবা কোনো পৰগণৰ প্ৰদত্ত বস্তুও নহয়—জনগণে নিজে নিজে নিজৰ হাতৰ শিকলি খুলি আগবাঢ়িব লাগিব।

"Ne saviour from on high deliver
No trust have we in prince or peer,
Our own right hands the chains must
Chains of hatred, greed and shiver fear"

কবি বাককিয়ালে জনগণক সেইবাবে নিজৰ মুক্তিৰ বাট নিজে ঠিক কৰিবলৈ উদগাইছে। কিন্তু এই পথ নিৰংকুশ নহয়। সংগ্ৰামী জনতাই হেজাৰ বিপদ বিঘিনি নেওচিহে উদ্দিষ্ট লক্ষ্যত উপনীত হব পাৰে—

"বাৰে বাৰে উজুটি খায়ো আগবাঢ়িছো,
শোষন মুক্তিৰ গান গোৱা
মেহনতী জনতাৰ বুকুৰ তেজেৰে ৰঙীন
সৌ দূৰ পাহাৰৰ জাটৰ।

বন্ধু!

এইযাই সোনালী সময়
সৃষ্টিৰ কঠিয়াতলীত মুক্তিৰ বীজ সিচিব'লৈ
দলে বলে ওলাই অহাৰ।" (স্বীকাৰোক্তি)

আৰু

'মোৰ জনতাৰ হাতত হাত মিলাই
দাঙি ল'লো এইবাৰ কোৰ আৰু কাঁচি
নতুন ক্ষোভৰ
কণ্ঠত কণ্ঠ মিলাই গাই দিলো
পূৰবীৰ টোপনি ভঙা সুকঠৰ
তেজোদীপ্ত গীত
হয়তো পাহাৰৰ শিখৰত
থমকি ৰ'ব এতিয়াই
বুর্জোৱাৰ কামান"

(জাগৰণ, আমাৰ প্ৰতিনিধি ১৪।৭)

কেৱল ৰাজনৈতিক শ্লোগান বোৰক ছন্দৰ ক্ৰমত বান্ধি পেলালেই সিবোৰ আধুনিক বা প্ৰগতিবাদী কবিতা হৈ নপৰাৰ। কাব্যিক ঐশ্বৰ্য্য আৰু বৰ্ণনাৰ চাৰুতাৰ মাজেদিহে সিবোৰে পাঠকৰ অন্তৰত ঠাই পাব পাৰে। আৰু পাঠকৰ অন্তৰত দাঁক বহি, তেওঁলোকক অনুপ্ৰাণিত কৰিব পাৰিলেহে কবিতা সাৰ্থক হৈছে বুলি ক'ব পাৰি। জনতাৰ অন্তৰৰ দাবী কবিৰ অন্তৰৰ দাবীৰ সৈতে একীভূত হ'লে কবি আৰু জনতাৰ কেনে একাত্মীয়তা গঢ়ি উঠে, তাৰ প্ৰমাণ পোৱা যায় কডিৱাৰ কবি মায়াকভস্কিৰ জীৱনত। এই জন কবিয়ে তেওঁৰ কবিতা এটাত লিখিছিল—

"With Lenin in our heads
And a gun in our hands" ইত্যাদি।

সেই সময়ৰ বিপ্লৱী বেড্ ৰ'খিৰ আগত কবিতাটি পঢ়ি শুনাওঁতে, সৈনিক এজনে তাতে আৰু দুশাইন যোগ দি, কবিতাংশ এনেকুৱা কৰি পেলালে—

"With Lenin in our heads
And a gun in our hands

And your poems in our hearts
Camrade Mayakovasky ।"

জনতাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰি, তেওঁলোকৰ আশা-আকাংখ্যাক নিভাজ-ভাবে ডাত্তি ধৰিব পৰাৰ বাবেই মায়াকভস্কিৰ কবিতাৰ ইমান আদৰ আৰু সাধাৰণ সৈনিক এজনৰো তাৰ প্ৰতি ইমান আগ্ৰহ। আশা হয়' কবি বাৰুকিয়ালে কাব্যচৰ্চাৰ গতি অব্যাহত ৰাখিব পাৰিলে, এদিন তেওঁৰ কবিতাই জনতাৰ আশা আৰু ভাষাৰ প্ৰতিনিধিত্ব কৰিব পাৰিব। ইতিমধ্যে তেওঁতকৈ তৰুনতৰ কবিসকলৰ দুই এজনৰ ওপৰত হৰপ্ৰিয়াৰ প্ৰভাৱ স্পষ্টকৈ ফুটি ওলাইছে

দিলীপ ফুকন

সমাজ সচেতন তৰুন কবিসকলৰ ভিতৰত দিলীপ ফুকন বোধহয় আটাইতকৈ বলিষ্ঠ শিল্পী। মাৰ্ক্সীয় জীৱনাদৰ্শ গ্ৰহণ কৰি তাক কবিতাত ৰূপায়িত কৰাত তেওঁ সাৰ্থক হৈছে শোষিত সৰ্ব্বহাৰা শ্ৰেণীৰ প্ৰতি কবি ফুকনৰ সমবেদনা আৰু সমৰ্থন অতিশয় তীব্ৰ। আনহাতে পুঁজিপতি শোষক শ্ৰেণীৰ স্বৰূপ তেওঁ বঢ়িয়াকৈ বুজি উঠিছে। "কুকুৰাবাহীত এদিন' নামৰ কবিতাত কবি ফুকনে ধৰ্মবিপণিৰ হোতা সত্ৰাধিকাৰ এজনৰ চাহ আৰু ধানকলৰ ঘৰ্ ঘৰ আৱাজৰ বিপৰীতে লাওলোৱা ভকতৰ হতাশাৰ ভোৰতাল বজায় শুনাই পাঠকক মুগ্ধ কৰিছে।

কুকুৰাবাহীত এদিন

"মুখেৰে শংখ ফুকি
পেটালে গছকি ধৰে
ত্ৰাসতে ভকতে পৰি পৰি কান্দে.
'গোপাল গোবিন্দ যদু-নন্দন '
এতিয়া ইয়াত কেৱল
ধৰ্মৰ আকিং খুৱাই, অষ্টোপাচী বাহুৰে চেপি ধৰা
সত্ৰাধিকাৰৰ চাহ আৰু ধানকলৰ ঘৰ্ ঘৰ্ আৱাজ

আৰু,

লাওলোৱা ভকতৰ আশাৰ ভোৰতালত
বাজি উঠে হতাশাৰ ভগা-চিগা কোৰ,
অন্ধতা আৰু দৈন্যতাৰ প্ৰকাণ্ড-প্ৰকাশ।
নতুন দিনৰ আকাংখাৰে
প্ৰবৃত্তি চলাই
দিনটোলে ওলাই যাব
জালহ পেন্ট আৰু ফটা জোতা পিন্ধা
জখলা মুৰীয়া পাৰ্টিৰ ল'ৰা
পুৱাতেই
আশাৰ ফেষ্টুন আৰু দাবীৰ নিচান আঁৰি
ওলাই যাব শোভাযাত্ৰা
মেহনতী জনতাৰ
কণ্ঠকাটি নিৰ্গত হব
"নাঙল যাৰ—মাটি তাৰ।"

অসমৰ সত্ৰাধিকাৰ সকলৰ কাৰো কাৰো চাহ বাগিচা ধানকল আছে। এওঁলোকৰ মাজত ধৰ্মপতি আৰু পুঁজিপতিৰ নিষ্ঠুৰ ভূমিকালোৱা লোকৰ সংখ্যা কম নহয়। এই কবিতাত কবি ফুকনৰ প্ৰকাশিকা শক্তি বৰ জোৰাল। মেহনতী জনতাৰ হৈ মাত মাতিবৰ বাবে তেওঁ সাহস আৰু আত্ম-বিশ্বাস পৰ্য্যাপ্ত ভাবে পাইছে। সমকালীন ভূমিব্যৱস্থাৰ নতুন পাতনি চলি থকা সময়তে দৈয়া৲ বনাঞ্চলত চলি থকা কৃষক বাইজৰ ওপৰত হোৱা নিৰ্য্যাতনবো তেওঁ বাস্তৱ ছবি আঁকিছে—"নিশ্বাসৰ জুইত গঢ়া নাঙলৰ ফাল" কবিতাত,

"ভোকৰ তাপত মৰে পেটৰ পোৱালী
তাড়নাত হাৰি-ভাঙি উলিয়ালো মাটি
পিচে—
ভোক লাগিলেই হেও কাৰ্, আমাৰ
জীয়াই থকাৰ অপৰাধ
কি মুৰ্খক চৰকাৰ।
দলে দলে খেদি আছে প্ৰহৰীৰ দল

লাঠি-গুলী বেয়নেটেৰে আমাৰ পিঠিত কৰে
'ভূমি-সংস্কাৰ'।

কোনো সাৰ্থক কবিয়ে তেওঁৰ যুগ আৰু সময়ৰ দাবী এৰাই চলিব নোৱাৰে— বাস্তৱক পিঠি দিও ফুৰিব নোৱাৰে। দিলীপ ফুকন সজাগ শিল্পী আৰু সমাজ পৰিবৰ্তনৰ গতি ধাৰাত বিশ্বাসী। সেয়ে তেওঁ, তেওঁৰ চৰিত্ৰ এটিৰ মুখেদি 'তুখুনি গাঁৱৰ লাহৰী থবৰ' নামক কবিতাত ভাঙৰীয়া সকলৰ লগত প্ৰত্যক্ষ সংগ্ৰামৰ আহ্বান দিছে—

"গমি চাইছেনে? মহাজন ভাঙৰীয়াই আমাৰ
পোনাইতৰ মুৰবোৰ খালে।
বজাই ফাঁচিত দিলেও দিয়ক, বৰশীত
দিলেও দিয়ক। এইবেলি পথাৰনে' আহোঁতেই
মই হলে ভাঙৰীয়াৰ ডিঙিটো বেপিম।।"

দিলীপ ফুকনৰ শব্দ চয়ন যথাৰ্থ আৰু কৃত্ৰিমতাহীন। তেওঁৰ ভাষা সৰল আৰু সাধাৰণ মানুহৰ মুখৰ ভাষা।

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

'সাতটা নিহত শিশুৰ পদশব্দই' নামৰ কবিতাৰে খিয়াতিৰ ক্ৰমবৰ্দ্ধমান উচ্চতালৈ আগবঢ়া কবি যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ কবিতাৰ সংখ্যা কম, কিন্তু এই কবিতাটো লিখাৰ আগে-পাছে একো নিলিখা হেতেনো আধুনিক অসমীয়া কবিতাত তেওঁৰ স্থান স্থায়ী হৈ ৰলহেতেন। 'সাতটা নিহত শিশুৰ পদশব্দই' আধুনিক সভ্যতাৰ এক চূড়ান্ত দলিল বুলি দাবী কৰিব পাৰে। অত্যাবশ্ৰীজৰ তলত পৰি থকা সাতটা নিহত শিশু ৰামু, ভীমু, চিথে, লালা, জিগন, চোখে, ছানাই কবিক ভৰাই তুলিছে। নাটকীয় বিন্যাস ৰীতিত প্ৰতিটি চৰিত্ৰই নিজৰ বক্তব্য কৈছে। ৰামুৱে কৈছে—

"সেয়া মোৰ ভূতে পোৱা মা।
জন্মতে মোক নৰ্দমাৰ ধৰ্ম আৰু গলীৰ বিশ্বাসত
দলিয়াই দি পলাই গৈছিল।

অন্ধকাৰত শতাব্দীৰ মল-মূত্ৰ দুৰ্গন্ধৰ ওপৰত
আৰু চধন মুখৰ প্ৰশ্নই মোক বিদ্ধ কৰিছে দংশনত।"

প্ৰত্যেকটি চৰিত্ৰ আমাৰ সমাজ আৰু সভ্যতাৰ অভিঘাত আৰু কলংকৰ প্ৰতীক। এই নিহত শিশুসমূহৰ পদশব্দই কবিক ব্যস্ত আৰু চিন্তিত কৰি তুলিছে। কাৰণ, এই শিশুবোৰক এক ভয়ংকৰ বৰ্তমানৰ পৰা শুভংকৰ ভবিষ্যতৰ হাতত সমৰ্পন কৰাৰ দায়িত্ব আছে কবিৰ দৰে, লোক সকলৰ ওপৰতেই। কবিৰ উপলব্ধি এয়াছে—

"সাতটা নিহত শিশুৰ মেলামুখৰ বিস্ফোৰণেৰে
সাজি দিছে মোৰ কবিতাৰ ককটেল।
অন্ধাবস্ত্ৰীজৰ তলত সাতটা নিহত শিশুৰ নিশ্বাসত
সাতটা নগ্ন শিশুৰ চেঁচা গাত গা লাগি আছে।
সাতটা নগ্ন শিশুৰ চেঁচা হাতে স্পৰ্শ কৰিছে।
সাতটা নিহত শিশুৰ পদশব্দই অনাগত শিশু অন্ধকাৰ
জলাই দিছে মোৰ স্বদেশ মোৰ পীড়া
মোৰ মৃত্যু নীৰৱ উপত্যকাৰ দংশন।

কবিতাটিৰ প্ৰতীকী অস্তিত্ব সহজ বোধগম্য। কবি বৰগোহাঁই সমাজ পৰিবৰ্তনত বিশ্বাসী। আৰু সেই পৰিবৰ্তনৰ বাবে, তেওঁ, এক বিপ্লৱবো পোষকতা কৰে। পাহৰি নাযাবি (জনতাৰ কবিতা, আহাৰ ১৮৭৭) নামৰ তেওঁৰ শেহতীয়া কবিতাত কবি বৰগোহাঁই য়ে মূক জনতাক বিপ্লৱৰ বাটলৈ মাতু কৰিছে, এইদৰে—

"পাহৰি নাযাবি সময় বুজি শোষকইতে
গোটেই দেশেই কৰিব পাৰে হীন পোতাশাল
সিহঁতে ভাবে লেখক-গায়ক শ্ৰমিক কৃষক
সকলোবোৰেই মহাকাল।
মূক জনতা পাহৰি নাযাবি এই ইতিহাস চকুলোভৰা,
পাহৰিলে তোৰ জনজীৱনৰ ন ইতিহাস নহ'ব গঢ়া।"

জীৱ ৰাজ বৰ্মণ

ভাবৰ সুস্পষ্ট গঢ়নতকৈ কাব্য কৌশলৰ ওপৰতহে অধিক গুৰুত্ব দি কবি জীৱৰাজ বৰ্মনে তেওঁৰ কবিতা সমূহ সজাইছে। কিন্তু সেয়ে হলেও তেওঁৰ

কাব্যত পাঠ সকট নাই সিবিলাকে পাঠকক সহজে ভাবেই আকর্ষণ কবিব পাবে। তেওঁব বর্ণনাকৌশলত জাপানী কবি সুলভ মেহনতী দেখা যায়। কলা চিত্রব গঢ় দিয়াতো তেওঁ ওস্তাদ। তেওঁব ইন্দ্ৰজাল কবিতাব পৰা লোৱা তলত চিত্ৰখিনিয়েই তেওঁ বর্ণনা নৈপুণ্যব পবিচয় দিব :—

"জলকা চকুবে আমিতো নেপালো দেখা
একলা দুকলাকৈ উমি উমি গলি যায়
প্ৰতিপদ, দ্বিতীয়া আৰু তৃতীয়াৰ জোন।
বাতিপুৱা
নাৱৰ টিঙত উঠি কোনো নাহে,
শব্দৰ ধোৱাঁৰ আঙঠি
ফুল হৈ ফুলি বয়
বাগানে বাগানে।"

ৰোমাণ্টিক ইন্দ্ৰিয় আবিলতাৰ স্তৰৰ পৰা তেওঁৰ কাব্য মুক্ত নহয়।' অতি সাম্প্ৰতিক তৰুণ সকলৰ সমাজনৈতিক চিন্তাৰ পূৰ্ণ আভাস এটি তেওঁৰ কবিতাত ধৰাদিবলৈ এতিয়াও বাকী। তেওঁৰ সুবিন্যস্ত কাব্য কৌশলৰ লগত সুসংহত ভাৱৰ সমন্বয় হ'লে তেওঁৰ কবিতা অধিক উপভোগ্য হৈ পৰিব বুলি আশা কৰিব পাৰি।

অশোক কুমাৰ বৰঠাকুৰ

ৰোমাণ্টিক ইমেজ, শব্দৰ সাংগীতিক লয় আৰু আবেগ-বিহ্বল ভাষাৰ মধুৰ সংযোগ হৈছে, কবি অশোক কুমাৰ বৰঠাকুৰৰ কবিতাত। তেওঁৰ সন্ধিয়াৰ আকাশত পাখিমেলি উৰি যোৱা বগলী জাকৰ বৰ্ণনা সঁচাকৈয়ে মনোৰম।

"বগা বগা বগলীৰ জাক উৰি উৰি যায় পাখি মেলি,
চাৰিদিশে নীলিম আকাশ আৰু ক্লান্ত এক আবেলিৰ বেলি।
অবিৰাম সৰল পথেৰে যেন নাবিকৰ গতিৰ সন্ধান,
নীলাভ সাগৰ বুৰি যেতিয়া বাজিছে কোনো বন্দৰৰ গান।
সাগৰৰ সীমাহীন পাৰৰ মাজতো দিশে দিশে লোৱা যায়,
মাটিৰ টুকুৰাখাহেঁ সেউজীয়া দ্বীপে থাকিবৰ ঠাই।

হৃদয়ৰ কাৰাগাৰ প্ৰেম নামে আৰ এক ঘনিষ্ঠ অন্ধকাৰ ,

ভবাৰ শেষত নতুন পোহৰ; আকাশৰ আকাশ পথাৰ ।

নকলেও হয় যে, এই কবিতাৰ গতি আৰু প্ৰকৃতি ৰোমাণ্টিক কবিতাৰ সমধৰ্মী। অন্য যি সকল কবিৰ কবিতাত ৰোমাণ্টিক ভাবৰ বাৰ প্ৰকাশ ঘটিছে, তেওঁলোকৰ সৰহভাগৰেই কবিতাত অতীতৰ স্বপ্ন, স্মৃতি, বিষাদ অনিশ্চয়তা, কাংক্ষিত জনক হেৰুৱাৰ আশংকা আদিয়ে ভুমুকি মাৰে

পুতুল হাজৰিকা

নিপীড়িত জনগণৰ মুক্তি সংগ্ৰামৰ স্বাৰ্থত সাহসেৰে আত্মা সমৰ্পণ কৰি-বলৈ ওলোৱা কবি পুতুল হাজৰিকাৰ দৃষ্টি নিবদ্ধ হৈছে অত্যাচাৰী শ্ৰেণীটোৰ শোষণ আৰু দুৰভিসন্ধিত। তেওঁ জনতাৰ শত্ৰু বেলেগ চিনি পায় আৰু নি-পায় এমুঠিমান দালাল আৰু সামন্ত ভূস্বামীৰ শোষণত পিষ্ট হোৱা জনতাৰ মুক্তি পথ। এই পথ কবিৰ মতে মুক্তিৰ ৰঙা পথ। কবিৰ বাবে কবিতা মধ্যবিত্তৰ স্বপ্নিল বিলাস নহয়—তেনে কবিতা বাস্তৱ আৰু সিঁহিলাক মেহনতী মানুহৰ উত্তপ্ত ৰক্তে তপ্ত।

কমাৰৰ হাতুৰীৰ কোবাল শব্দত
শুনো মই কবিতাৰ ছন্দ।
কবিতাৰ বাবে মই বুটলি আনো
সেই শব্দ
যি শব্দ মেহনতী মানুহৰ
উত্তপ্ত ৰক্তেৰে তপ্ত।
নতুন দিনৰ কবি মই
কবিতা মোৰ
নিষ্পেষিত মানুহৰ মুক্তিৰ স্বপ্নেৰে আবদ্ধ।

আনহে নেলাগে প্ৰেম, সৌন্দৰ্য্য আৰু জীৱন ধাৰাৰ অস্তিত্বও কেৱল বিপ্লৱৰ বাবেহে। তেওঁৰ প্ৰেমৰ পতাকাখনো "সংগ্ৰামত নিহত জনৰ বুকুৰ তেজেৰে ৰঙোজ্জ্বল" হৈছে দেখা দিছে। মাৰ্ক্সীয় আদৰ্শত বিশ্বাসী কবি পুতুল হাজৰিকাৰ ভৱিষ্যত সম্ভাৱনা আশাৰে উজ্জ্বল।

ৰফিকুল হুছেইন

'কাৰখানাৰ ধোঁৱাৰ গোন্ধৰ' পৰা অনুপ্ৰেৰণা লৈ, 'শ্ৰমিকৰ হাতুৰীৰ ইস্পাত সহাঁৰিত' সহাবি দিব পাৰিছে কবি ৰফিকুল হুছেইনেও। তেওঁ দেশৰ বাবে আৰু জনতাৰ বাবে এক নতুন ভৱিষ্যৰ উমান পাইছে। কৃষক, শ্ৰমিকৰ ঐক্যৰ পোষকতা কৰা কবি হুছেইনে নিষ্পেষিত জীৱনলৈ নতুন প্ৰাণ বন্যাৰ আগমন অধীৰ আগ্ৰহেৰে আপেক্ষা কৰিছে

"কিযে এক অসীম প্ৰেৰণা পাওঁ
কাৰখানাৰ ধোঁৱাৰ গোন্ধ আৰু
শ্ৰমিকৰ হাতুৰীৰ ইস্পাত সহাঁৰিত
বাদ্ধে। তোমালোকৰ সোনালী সক্ৰিয়নিত
আজি হাতত বল বান্ধি কৰিছো পণ
এই বেলি একেলগে সকলোটি গোটখাই
নিষ্পেষিত আমাৰ জীৱন জোৱাঁৰত
তুলিম গ্ৰীষ্ম নদীৰ বান।' (গ্ৰীষ্ম নদীৰ বান)

তেওঁৰ কবিতাতো মেহনতী জনতাৰ মুক্তিস্বপ্ন সমুজ্বল। আশা হয়, এই তৰুণ কবিজনৰ কাব্যকৰ্মই গভীৰ নিষ্ঠা আৰু ঐকান্তিক আগ্ৰহেৰে মেহনতী জনতাৰ আশা আকাঙ্খাক ৰূপ দিব।

অতুল শইকীয়া

অতুল শইকীয়াই বেছি কবিতা লিখা নাই, কিন্তু কম সংখ্যক কবিতাৰ মাজেদিয়েই তেওঁ জনগণৰ চেতনা আৰু উদ্দীপনাক সফল ৰূপত প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। বিস্ময়ত (১ব, ৩স১) প্ৰকাশ পোৱা তেওঁৰ খণ্ডশিঙা: খণ্ডশিঙা এটি সাহসী কবিতা। বঙ্গৰ বিপ্লৱী কবি কাজী নজৰুল ইছলামে এদিন এহাতে তৰোৱাল আৰু এহাতে বাঁহী লৈ বিপ্লৱৰ আখৰা দিছিল।

**"I am a poet—a revolutionary,
I have my flute in my one hand
And a sword in the other"**

নজৰুলৰ আহিঁতে অতুল শইকীয়াই এহাতে বংশিঙা আৰু আনহাতে খড়্গ-শিঙা তুলি লৈছে। কিন্তু কবিয়ে জানে যে বৰ্তমান মুহূৰ্তত যেটি প্ৰয়োজন হৈছে খড়্গশিঙাবহে। কাৰণ এইটো তেওঁলোকক জাগ্ৰত কৰাৰ সময়। সেই তেওঁলোক যি সকল দৈন্য, হতাশা, অভাৱ, অন্ধসংস্কাৰ, সামাজিক বৈষম্য, উৎপীড়ন আৰু অত্যাচাৰত তুগি তুগি চেতনাহীন নিদ্ৰালু।

"আজি লৈছো তুলি
মোৰ খড়্গশিঙা
তেওঁলোকক জগাই দিবৰ বাবে
নহলে শৰীৰৰ আঁহে আঁহে সোমাই পৰা কীটবোৰে
তেওঁলোকক খাই শেষ কৰিব।"

কৰবী হাজৰিকা

উদীয়মানা লিখিকা কৰবী হাজৰিকাৰ বাবে কাব্য-সৃষ্টি হয়তো অৱসৰ বিনোদনৰ এটি সাৰ্থক উপায়হে সেয়ে হলেও, মুষ্টিমেয় কবিতা কেইটিৰ মাজেৰে তেওঁ উজ্জ্বল ভবিষ্যতৰ প্ৰতিশ্ৰুতি দিব পাৰিছে। তেওঁৰ কাব্যৰীতি ইমাজিষ্ট-ইমপ্ৰেছনিষ্ট কাব্যৰীতি। ভাব-ঘন সৰু সৰু স্তবকেৰে তেওঁৰ কবিতাবোৰ সম্পূৰ্ণ হয়। মিহি মিহি শব্দৰ সঘন উপস্থাপনেৰে তেওঁ কাব্যিক ইন্দ্ৰজাল তৈয়াৰ কৰিব পাৰে। তেওঁৰ—অৰণ্যৰ পৰা (নীলাচল, অক্টোবৰ ১৯৭৫) নামৰ কবিতাৰ এটা উদাহৰণ দিব খুজিছো।

"অৰণ্যৰ পৰা অৰণ্যলৈ যাওঁ
ৰূপালী আন্ধাৰে জাল পতা ৰাতি,
চুলিৰ আগত গাঁঠি মাৰি থোৱা সোণালী
পোহৰ টোপাটোপে সৰে, জিলিবিলি
কৰে দূৰৰ আলোকলতা
দীপৰ দৰে নিৰ্জনতা
উন্মাদত মৈ আনন্দত হোওঁ অমাল বনৰ
জোনাকে নেদেখা ৰাতি ; মোৰ চিৰ দিন
মোৰ চিৰকাল দূৰৰ হাঁহাই যাওঁ

কৰি তোলা অৰণ্যৰ যেন
সপোন চাৰিনী ৰাতি।

সঞ্জীৱ কুমাৰ কলিতা

সঞ্জীৱ কুমাৰ কলিতাও পৰিবৰ্তন প্ৰয়াসী কবি। কিন্তু তেওঁ পৰিবৰ্তন বিচাৰে, গাৰে, শক্তিৰে। বিপ্লৱৰ ৰক্তেৰে। শাসক আৰু শোষক দলৰ বিপক্ষে direct action ৰ বাবে সাজু হৈ কবি কলিতাই ৰাইজক হাতবাউল দি মাতিছে।

আজীৱন তোৰ তোকেৰে
সিঁহতৰ ভঁৰাল ভৰাইছ
তোকৰ জুইত আজি সিঁহতক জ্বলা
ৰাইজ শুনচোন শুন এবাৰ
বাতৰি আহিছে ধুমুহা অহা। * *
আজীৱন আমাৰ শ্ৰম আৰু তোকেৰে
সিঁহতৰ নাঙঠ শৰীৰ ঢাকিছো
আজি তেজৰ নদীত নৌকা বাম
ৰাইজ, ওলাচোন ওলা এবাৰ
কাৰ কিমান শকতি চাম।

(নতুন পৃথিৱী)

তেজৰ নদীত নৌকা বায় কৃষক-শ্ৰমিক, আৰ্ত্তজনৰ মুক্তি বিচাৰিব খোজা কবিৰ সংখ্যাও বৰ তাকৰ নহয়। কবি কলিতাও সেই উগ্ৰ ভাবাদৰ্শৰে কবি।

মোহন কৃষ্ণ মিশ্ৰ

জাপানী কবিতাৰ আহিৰ সৰু সৰু স্তবকেৰে মোহন কৃষ্ণ মিশ্ৰই তেওঁৰ কবিতা সমূহ তৈয়াৰ কৰিছে। শব্দৰ সুসংহত বিন্যাসেৰে তেওঁ ভাৱৰ বিভূতিতকৈ অধিক জোৰ দিয়ে। মাজে মাজে তেওঁৰ কবিতা esoteric হৈ হৈ পাঠকৰ অন্তৰত সহজে ক্ৰিয়া কৰিব নোৱাৰা হৈ পৰে। সেইতীয়া ভাবে

লিখা তেওঁৰ দুই এটা কবিতাত সাম্যবাদী ভাবচিন্তাৰো প্ৰকাশ ঘটিছে। বিপ্লৱৰ ভাষা আৰু প্ৰয়োজনীয়তা কবি মিশ্ৰই বুজি উঠিছে। তেওঁ জনতাৰ হাততো বাৰুদৰ গোন্ধ পাইছে।

"এতিয়া অৱসাদ আৰু মুহূৰ্তৰ উন্মাদনাৰ ঊৰ্দ্ধত যিসকল
যিসকল বন্ধু কাৰখানাত ঘামত উজ্বলি আছে,
যিসকলে প্ৰখৰ ৰ'দত হাতত কাঁচি লৈ থাকে সংহত শক্তিৰ,
এইসকলৰ হাতত বাৰুদৰ গোন্ধ
সময়ত বাৰুদ নিজেই জ্বলাব লাগিব।"

(উত্তৰণ, আমাৰ প্ৰতিনিধি, শাৰদীয় ১৮৯৬, পৃ ১৩৩৯)

নিপীড়িত জনতাক বিপ্লৱৰ পথলৈ এনেদৰে উত্তৰণ কৰাবলৈ বিচাৰিছিল, এদিন বাংলাৰ কবি সুকান্তয়ো—

"আজকে ভাঙাৰ স্বপ্ন—অন্যায়েৰ দম্ভকে ভাঙাৰ
বিপদ ধ্বংসেই মুক্তি—অন্য পথ দেখি নাকো আৰ।"

(অনন্যোপায়)

গায়ত্ৰী কৌৰৱ

গায়ত্ৰী কৌৰৱৰ কবিতাত সমাজ চৈতন্যতকৈ ৰোমাণ্টিক ভাব ঘনতা আৰু ইমেজ নিৰ্ভৰ ৰচনাশৈলীৰ প্ৰকোপহে বেছি। শব্দৰ সাংগীতিক লয় আৰু আবেগ-বিহ্বল ভাষাৰ মধুৰ সংযোগ হৈছে কবি কৌৰৱৰ কবিতাত। প্ৰেম, স্বপ্ন, বিষাদ আৰু জীৱনৰ পূৰ্ণতা আৰু অপূৰ্ণতাৰ ছবি তেওঁৰ কবিতাত বিদ্যমান। ৰোমাণ্টিক ভাব প্ৰৱণতা আৰু ইমেজ নিৰ্ভৰতাৰ মধুৰ প্ৰকাশ তেওঁৰ—"মোৰ পৃথিৱীত কেৱল তেওঁ" কবিতা।

মোৰ পৃথিৱীত কেৱল তেওঁ
তেওঁৰ জলাশয় দুটি ঘননীল আৱণ্যক চকু
পুঁৱতিত অন্তৰ পৃথিৱী তৰিবায়, প্ৰভাতী পখীৰ সুৰে,
যেৰৰ কাঁকেদি সৰি আছে সোণালী বতৰ ৰ'দ।

তেওঁৰ কবিতাৰ পটভূমি আৰু প্ৰকাশৰীতি ৰোমাণ্টিক কবিসকলৰ অনুবৰ্তী।

গৌতম প্ৰসাদ বৰুৱা

'অনুভৱ'ৰ কবি গৌতম প্ৰসাদ বৰুৱাই লিখা কবিতা সমূহত প্ৰাকৃতিক চৈতন্যৰ ইন্দ্ৰিয়জ লাবণ্যই মূল কথা। তেওঁৰ একাত্ম প্ৰকৃতি প্ৰেম আৰু বিমূৰ্ত উপলব্ধি আৰু তজ্জনিত এটা metaphorical ভাবানুভূতিৰ বিস্তাৰে কবিতা বোৰৰ সৰহঠাই আগুৰি আছে। আনহাতে ব্যক্তিগত প্ৰেম প্ৰণয়ৰ ভাব অনুভাৱো সিবোৰত মিহলি হৈ আছে। তেওঁ 'পূৰ্বকবি অপ্ৰমাদী' সকলৰ পৰা শব্দ চয়ন আৰু কবি প্ৰসিদ্ধিও গ্ৰহণ কৰিছে। শব্দক তাৰ নিজস্ব ব্যঞ্জনাৰ পাগ শালত পগাবৰ চেষ্টা কৰিয়ে কৰিছে। আৰু সেই বাবেই তেওঁৰ কবিতা বোৰত চিত্ৰধৰ্মীতা লক্ষ্য কৰা যায়, আনহাতে সিবোৰৰ মিল ৰোমাণ্টিক কাব্যৰ লগত অধিক আমি বৰুৱাৰ শেষ ছবি কবিতাৰ এটি স্তৱক পাঠকলৈ আগবঢ়ালো।

তুমি আছিলা অৰুন্ধতী
সেউজী নিস্তব্ধতা গছকি
মৃণাল লাৱনী বৰন ক্লান্তিত ম্ৰিয়মান
বুকুত হিল্লোল লুনীয়া জোন্নাৰৰ
প্ৰেম আয়নাত প্ৰতিচ্ছবি
পকা ডিমৰুৰ অন্ত ধ্বনি
দিক্ বলয়ত লুকা ভাকু খেলে
উষাৰ হেঙুল বৰন সানি।

কবিৰ এই তন্ময়তাৰ আনন্দ যি দৰে সহজ সৰল সেই দৰেই সি স্বতস্ফূৰ্তও। কবিৰ এই মুগ্ধ দৰ্শকৰ ভূমিকাই তেওঁৰ বৰ্ণিত বিষয়ক অধিক অনুৰাগী কৰি তোলে।

আনন্দেশ্বৰ শৰ্মা

আনন্দেশ্বৰ শৰ্মাৰ কবিতাইও নতুন পৰিবৰ্তিত জগতৰ পোষকতা কৰে। কবিয়ে সমাজ ব্যৱস্থাৰ পৰিবৰ্তন বিচাৰে। তেওঁৰ 'জিজিৰি আকাশী আশা' নামৰ কবিতাত এক নতুন জগত প্ৰতিষ্ঠাৰ আশা বিদ্যমান। ভুখ, লাঞ্ছনা আৰু অপমান শিৰত লৈ যুঁজি যুঁজি জীহোৱা জনতাৰ সাহসৰ চিত্ৰ তেওঁৰ

কবিতাত আছে। অপৰাজেয় (নতুন পৃথিবী মে, ১৯৭২, পৃ ১৮) কবিতাত কবিৰ উক্তি :—

"আমাৰ ইতিহাসৰ পাতে পাতে আছে
জীৱনৰ ৰক্ত স্বাক্ষৰ।
দণ্ড আৰু লাঞ্ছনা, অপমান আৰু গঞ্জনা
আৰু সমগ্ৰ সংগ্ৰাম আৰু সংগ্ৰামৰ মাজেদি
আমাৰ জন্ম হয়
এটা মৃত্যুঞ্জয়ী দুঃসাহস
আৰু সূৰ্য্যৰ দৰে উত্তপ্ত আৰু উজ্জ্বল
এটা কঠোৰ অংগীকাৰ।

কবি সেইবাবে পৰাজিত হ'ব'ল নিবিচাৰে—তেওঁ সৰ্বহাৰা শ্ৰেণীৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামৰ এজন নিৰ্ভীক সৈনিক।

মিকু সিং ৰাজপুত

বিষয় বস্তুৰ বৈবিধ্য আৰু বৈচিত্ৰ্যৰে মিকু সিং ৰাজপুতে তেওঁৰ কবিতা-বোৰক সজাইছে। ৰচনাশৈলী আৰু শব্দৰ গতিচঞ্চল পৰিবেশনা তেওঁৰ কাব্যধাৰাৰ দুটি নিত্য সম্পদ। ব্যক্তিগত প্ৰেম প্ৰীতি কাৰুণ্যৰ চবি যিদৰে তেওঁৰ কবিতাত আছে, সেই একেদৰেই হতাশা, ক্ষোভ, গ্লানি আৰু ব্যৰ্থতাৰ কৰুণ চিত্ৰও তেওঁ আঁকিছে। লেট চিটি এডিচনৰ দৰে কবিতাত এটি কঠোৰ বিদ্ৰূপৰ সুৰো সদা বৰ্তমান। গুৱাহাটী মহানগৰীৰ ওপৰত লিখা তেওঁৰ উক্ত কবিতাৰ বিদ্ৰূপৰ গতি চাওঁক—

"গুৱাহাটীৰ বয়স কিমান ? নেজানো। মোৰ বয়স ২৮;
১৯৭৪ চন। বিশ্ববিদ্যালয়ৰ অপ্ৰয়োজনীয় স্নাতক ডিগ্ৰী,
পেণ্টৰ ওপৰত শুকছাৰ্ট, এমুখ দাড়ি মোৰ বলিয়ালি।
ফেন্সি বজাৰত শাৰী শাৰী বিপনিৰ সন্ধ্যাশোভা
ৰাস্তাৰ কাষত মোৰ মোৰ তৃষ্ণা, বাতি দুপৰলৈকে
ভৰাযৌৱনৰ দপদপনিত অসমীয়া সংস্কৃতিৰ কেঁকনি
নতুন ৰাজধানীৰ চৰকাৰী দপ্তৰত কাইলৰ বিভূতি

হৈছে কোলাহল কৰ্তৃক্তি মাননীয় মুখ্যমন্ত্ৰীৰ সন্মুখত
কেইশমান থলুৱা লোকৰ যুৱকৰ চৰম-পত্ৰ
ইয়াৰ মাজতে বিনা টিকটেৰে পুৰ বেছি
নলবাৰী—গুৱাহাটী।"

(আসামৰ প্ৰতিনিধি—১৪।১২, পৃ ১৩৩৭)

তৰুণ বৰুৱা

সেই দশকৰ মাজ ভাগৰে পৰা বৰ্তমানলৈকে গভীৰ নিষ্ঠা আৰু চৰম ঐক্য সাধনাৰে লিপি থকা কবিসকলৰ ভিতৰত তৰুণ বৰুৱা অন্যতম। তেওঁৰ সাম্যবাদী আদৰ্শৰ কবিতাৰ সংখ্যা কম কিন্তু হৃদয়াক্ৰিষ্ট কবিতাৰ আহিত লিখা এলানি মধুৰ আৰু ভাৱগধুৰ কবিতাৰ তেওঁ শিল্পী। বহুদূৰত, দুয়োপাৰে মোৰ মই, দুয়োপাৰে মই মোৰ, এদিন প্ৰেম, 'এখন দীঘল হাতৰ যাদু' আদি কবিতাবোৰ তৰুণ বৰুৱাৰ লেখত লবলগীয়া কবিতা।

[illegible] সালৰ ইংৰাজী বিভাগৰ অধ্যাপক চিৰঞ্জীৱ জৈনে কলেজীয়া ছাত্ৰ অৱস্থাতে কবিতা চৰ্চাত প্ৰবৃত্ত হয়। সাম্প্ৰতিকে তেওঁৰ কবিতাৰ এটি নাতিদীৰ্ঘ সংকলন কুঁৱলী ৰবকৰ নদীত প্ৰকাশ হৈ ওলাইছে। বিভিন্ন আলোচনী আৰু বাতৰি কাকত আৰু আকাশবাণীৰ জৰিয়তে, এই কবিতাবোৰ পূৰ্বতে প্ৰচাৰিত হৈছিল। এই সংকলনৰ কবিতা সমূহত কবিৰ কৌশলী হাতৰ কাৰুকাৰ্য্য সহজে ধৰা পৰে। প্ৰতীক আৰু চিত্ৰকল্পৰ ৰুচিসন্মত আৰু যথাৰ্থ ব্যৱহাৰে তেওঁৰ কবিতাসমূহক ওজস্বীতা প্ৰদান কৰিছে। তেওঁৰ শব্দ সংস্থাপনৰ গতি আৰু কৌশল বিচিত্ৰ। কবি জৈনৰ শব্দ ব্যৱহাৰৰ বিশিষ্ট ভঙ্গী দেখি কবি নৱকান্ত বৰুৱাইয়ো প্ৰশংসাৰ বাণী শুনাইছে। প্ৰতীক আৰু চিত্ৰকল্পৰ সু-সমাবেশৰ জৰিয়তে তেওঁ শাব্দিক কৌশলৰ অৱতাৰণা কৰে। আনহাতে জাপানী কবিতাৰ হ্ৰস্বম্যাদী গঠনৰ আৰ্হি পৰিগ্ৰহণ কৰি কবি জৈনে তেওঁৰ পাঠকসকলক নিজৰ কাব্য চেতনাৰ লগত একাত্মীয়তা জোৰ কৰাত অবিহনা যোগাইছে।

'হৃদয় মোৰ জৰাজীৰ্ণ ঘৰ
বহু স্মৃতিকাৰ ধূলিৰে ধূসৰ
এক ৰাত মাথো তনমি বয়
অংকুৰিত স্বপ্নৰ মৃতদেহবোৰ'

আৰু,

'অহৰহ ৰক্তত জীয়াই ৰাখিছোঁ
উক্ষিপ্ত ক্ৰোধৰ কাঁড়হীন ধেনু'

ইত্যাদি স্তবকবোৰে তেওঁৰ কাব্যকৌশলৰ আৰু বাইকৈ প্ৰতীকী ৰূপকল্পৰ আভাস দিয়ে। প্ৰাচ্য আৰু পাশ্চাত্যৰ অনেক কবিৰ কবিতাত দেখা পোৱা আত্মিক বিষাদ আৰু নিঃসঙ্গ চেতনা জৈনৰ কবিতাতো বিৰাজমান। বিষয় বস্তুৰ ফালৰ পৰা নিতান্ত চিনাকি বস্তু সম্ভাৰেৰে তেওঁ, তেওঁৰ কাব্যক সমৃদ্ধ কৰিছে। জৈনৰ কবিতাৰ সম্পৰ্কত অধ্যক্ষ ত্ৰৈলোক্য গোস্বামীৰ মন্তব্য প্ৰণিধানযোগ্য "জ্যোতিপ্ৰসাদ', 'ৰক্তপলাশ' 'আৰুনো কিমান দিন', 'শীত', 'জালুকবাৰী', 'আগন্তুক', 'বেলৰ ৰাতি', 'বৰ্ষা', প্ৰভৃতি কবিতাবোৰৰ মাজেদি এটা ভিন্নসুৰ প্ৰতিধ্বনিত হৈছে। আনবোৰ কবিতাৰ দৰে এইবোৰ আত্ম-চৈতন্য সৰ্বস্ব নহয়। এইবোৰত বাস্তৱতাৰ বুকুত বাজি উঠা সুৰৰ প্ৰতিধ্বনি শ্ৰুতিগোচৰ হয়। সমাজ সচেতনতাৰ স্বাক্ষৰো এইবোৰে বহন কৰিছে। দেশৰ মাটিত গঢ়ি উঠা অনৈক্য, শোষিত জনতাৰ ম্লান মূক বেদনা, শিক্ষিত যুৱক-যুৱতীৰ সপোন আৰু বাস্তৱতাৰ সংঘাত, মানৱজাতিৰ অভ্যুদয়ৰ বুকুত জ্বলি থকা অশান্তিৰ দীপশিখা, জীৱনৰ হাৰ নিঃসঙ্গ বেদনা প্ৰভৃতিৰ চৈতন্য বাস্তৱমুখী চিন্তাধাৰাৰ ভেটিত জীপ লোৱা ভাবৰ মুকুলিত ফুলকলি, মদিৰাসিক্ত নহলেও চিত্তাকৰ্ষক।"

নাহেন্দ্ৰ পাদুন

ষষ্ঠ আৰু সপ্তম দশকত কবিতা লিখি সুখ্যাতি অৰ্জন কৰা কবি সকলৰ ভিতৰত নাহেন্দ্ৰ পাদুন এটি সুখশ্ৰুত নাম। সাম্যবাদী সমাজ সচেতনা আৰু তাৰ লগে লগে চিত্ৰকল্পবাদী ৰোমান্টিক ভাবাবেগ, এই দুই ৰীতিৰ কবিতাই তেওঁ লিখিছে। আৰু দুয়োৰীতিৰ কবিতাতেই কবি পাদুনে সাফল্য লাভ

কবিৰলৈ সমৰ্থ হৈছে। চিত্ৰকল্পনাদী কবিতা হিচাপে লুইতৰ আবেলি (বহুবৰ কবিতা, ১৯৬৫) অতিশয় চাকচিক্যৰ সমাবেশত গঢ়ি উঠা, লুইতৰ বুকুত সুকষৰ মাৰ যোৱাৰ দৃশ্য চাই কবি পাহুনৰ অনুভূত হৈছে

"অসাৱধান ছোৱালী জনীৰ
কপালৰ বঙা সেন্দুৰ বিয়পি
পৰিছে
আকাশে পানীয়ে তাৰ ৰং
টুকুৰা টুকুৰা ৰং বোৰ
পানীৰ কাগজত বিয়পিছে
ঠিক যেন
নতুনকৈ আঁকিবলৈ শিকা
ভাইটিৰ ছবি
গছৰ পাত বোৰত লাগি আছিল
অকমান তাৰ ৰং ***"

চিত্ৰ গঠনৰ এনে চাৰুতাই পাঠকৰ মনত স্থায়ী সুখানুভূতি দিবই দিব। সমাজ সচেতনতাৰ চবি হিচাপে "ডিব্ৰুগড়ত কাৰ্ফিউ: ৫ আগষ্ট" বৰ সাৰ্থক কবিতা। লেখকৰ সৰল হাত আৰু বলিষ্ঠ প্ৰকাশভঙ্গী প্ৰণিধান যোগ্য। ডিব্ৰুগড়ত খাদ্য আন্দোলনত বন্দী হোৱা ছাত্ৰ সকলৈ উৎসৰ্গা কৰা, এই কবিতাত কবিয়ে সংযম আৰু ইকনমি দেখুৱাই কেৱলমাত্ৰ ৬৩টা শব্দৰে সৈতে এখন কৰুণ অথচ মধুৰ চিত্ৰ আঁকিছে।

"কালি মাত্ৰ আটাইতকৈ বুঢ়া
মানুহ জনৰ
মৃত্যুৰ স্তব্ধতাৰে
পৰি আছে
মানকটা—শান্তি পাৰা—খলিয়ামাৰী
আৰু বিহাবাৰী।
খট্—খট্—খট্
মৃত বৃদ্ধৰ ভূতটোৱে
মিলিটাৰী হৈ ঘূৰি ফুৰিছে

গলিয়ে গলিয়ে
আন্ধাৰে ভাঁড়াৰে।
নলিনী পুন পলডৰ তলেদি
এজাক আন্ধাৰ নৈ গৈছিল
ভবাপযত সই ৰ তিৰ নদীয়েদি
এজাক অনাহাৰী শিশুৰ ক্ৰন্দন
কিহযেটকা হৈ উঠি গৈছিল।
ভূতৰ ভয়ত উঠি পোৱা যেটেকা
চাৰ'ল আমি কেনেও ওপাই
অহা নাছিলো
কিন্তু
আমাৰ সকলোৰে অসম্ভৱ ভোক
লাগিছিল।”

ক্ষুধাৰ বাস্তৱ দৰ্শনত চয়তানৰ বাস্তৱতাকৈও ভয়ানক—সেই বাবে আধুনিক যুগৰ কবিসকল ক্ষুধাৰ বিৰুদ্ধে সক্ষম হৈছে। কেৱল অসমীয়া কবিতাতে নহয়, সমকালীন ভাৰতীয় কবিতাৰ সকলো ভাষাতে ক্ষুধাৰ বিৰুদ্ধে তীব্ৰ বিষোদ্গাৰ হৈছে। আধুনিক বাংলা কবি বৈদ্যনাথ চক্ৰৱৰ্তীয়ে তেওঁৰ ক্ষুধাৰ কাব্য নামৰ গ্ৰন্থত স্পষ্ট ভাষাৰে নিৰ্ভীক ভাৱে কৈছে—

“ক্ষুধার আগুন বড় ভয়ানক—
ইতিহাস তাই বলবে
জেনো না তোমার অনাহার দেশ
চিরদিন মেনে চলবে।
ইতি বৃত্তের শুনি কানাকানি,
ফরাসী দেশের কোন এক রাণী
রুটির বদলে কেক কিনে খেতে
দিয়েছিলো পরামর্শ।
ক্ষুধিত জনতা তার ‘গিলেটিন’
ঘিরে তুলেছিলো হর্ষ॥” (পৃ ১১)

তা ক.

"ক্ষুধাৰ মিছিলৰ —ন [illegible] মিছিলে

জগোৱা নতুন ছন্দ

আসামৰ বাঁধ ভাঙি দিয়ে পাড়

মত্ত মুখৰ [illegible]

তুমি একদিন [illegible]

আৰু [illegible] ছন্দ

সেদিন নতুন [illegible] হৃদয়—

কবিতাৰ ধাৰা স্বপ্ন" (পৃ ১৩)

আশিস্ দত্ত

আধুনিক জীৱনৰ অস্থিৰতাৰ মূল সামাজিক বৈষম্য আৰু অপচয় তীব্ৰ-ভাৱে প্ৰকাশ হৈ উঠিছে আশিস দত্তৰ কবিতাত। **নালিয়াপুলৰ পসাৰিণী, প্ৰেম আৰু কাম**, আৰু **এটা অকিঞ্চিতকৰ কাহিনী**, তেওঁৰ কবিতাবোৰৰ ভিতৰত শ্ৰেষ্ঠ স্থান পাবৰ যোগ্য। কবিৰ পক্ষে সমাজক বুজাৰ দৰ্কাৰ— সমাজৰ বিষয়ে পৰিচ্ছন্ন জ্ঞান নহ'লে কোনো সমাজ বিবৰ্ত্তনক বুজা কঠিন। কবি দত্তই সমাজৰ কোমাটি কম ভালদৰে চিনিব পায়। আৰু সেইবাবে তেওঁৰ কবিতা বেছিভাগে বাস্তবানুগ হৈ পৰিছে। কাব্যশৈলীৰ ক্ষেত্ৰতো কবি দত্তৰ প্ৰতিভা আদৰণীয়। শব্দচয়নো নিজ আৰু ছন্দৰ ব্যৱহাৰতো তেওঁৰ পাৰদৰ্শিতা লক্ষণীয়। **প্ৰেম আৰু কাম** নামৰ কবিতাত তেওঁৰ শাব্দিক আৰু ছান্দিক কৌশল সহজে চকুত পৰে—কামৰ পঙ্কিল সৰবৰতাই মানুহৰ জীৱনলৈ আনি দিয়া ঘৃণনীয় বীভৎসতাৰ ছবি আঁকি কবি দত্তই কৈছে

হৃদপিণ্ডে এটি টোপ ৰক্তৰ নিশা জগা

বেহুঁচ ছেপীহৰ ক্ৰুদ্ধশ্বাস,

চূৰ্ণ পাত্ৰৰ তীক্ষ্ণ অক্ষৰ'

ঘৃণ্য প্ৰান্তিৰ কি ইতিহাস।

হাতেৰে লুটি নিয়া থকুৱা সুখ সোন

নটীৰ টাটকীয়া নূপুৰ নিকন—

পৃথিবীৰ ছায়াপ্ৰেতে দিলে যে সকলোকে
বন্যা কৰবৰ সৰ্বনাশ,
অনেক ক্ষুধা আৰু বহুত নাটনিৰ
অন্ধ গলিৰ নৰকবাস।"

গুনাভিৰাম চৌধাৰী

জীৱনানুগত্য আৰু সৌন্দৰ্য্যৰ আৰাধনা কবি গুনাভিৰাম চৌধাৰীৰ কাব্য-কৰ্মৰ মূলধন। গহ্বৰ, এখন ছবি, উত্তৰায়ণ আদি তেওঁৰ ভাল কবিতা-বোৰৰ অন্যতম। উত্তৰায়ণ কবিতাত—কবিযে অৱশ্যে সাম্যবাদী ভাবাদৰ্শৰ পোষকতা কৰিছে। অন্য বহুজন কবিৰ দৰে গুনাভিৰামেও বিশ্বাস কৰে, যে, পৃথিবীৰ অৰ্থলোলুপ দানৱবোৰৰ নিধনৰ সময় সমাগত।

* * *

আৰু মই যেন সেই দিনলৈ জীয়াই থাকো—
যিদিনত আমাৰ সমাজৰ ৰক্তপিপাসু পিশাচ অৰ্থলোলুপ
দানৱবোৰৰ নিধন হ'ব সমাজৰ বধ্যমলাবে'ৰ
মৰি শেষ হ'ব আৰু দ্ৰৌপদীৰ বস্ত্ৰহৰা, কূটপাশাৰ
অন্ত হ'ব।

কবিৰ এই আশা মহত্তম আশা। যুগ যুগ ধৰি কবিসকলে সামাজিক ন্যায়ৰ প্ৰতিষ্ঠা আৰু সামাজিক উপদ্ৰৱৰ প্ৰশমনৰ আশাই কৰে। তাহানিৰ দিনতে কবি Words worth য়ে আশা কৰিছিল—"that the time is approaching when the evil will be systematically opposed, by men of greater powers and with far more distinguished success" কবি গুনাভিৰামেও ভাষান্তৰত একে আশাই কৰিছে। অৱশ্যে তেওঁৰ আশাবাদত মাৰ্ক্সীয় চেতনা বিৰাজমান।

চৈয়দুদ্দিন আহমদ

আধুনিক নাগৰিক জীৱনৰ অভিঘাত নাইবা, সাম্যবাদী পৰিবৰ্ত্তনৰ প্ৰয়াস ভুয়োটাবে যা আঁতৰত থাকি, প্ৰকৃতিৰ ছাঁয়াছবি চাই মুগ্ধ হৈ পৰা

কবি হ'ল চৈইদুদ্দিন আহমদ। 'মুক্ত বিহঙ্গম, বন্দী আকাশ', 'দিবাস্বপ্ন', 'বামধেনু : সন্ধিয়াব', 'ভ্রান্তি' আক 'হে বসন্ত' আদি আহমদৰ ভাল কবিতাবোৰৰ অন্যতম। প্ৰকৃতি, প্ৰেম, বন্ধুত্ব, অতীত স্মৃতিৰ ৰোমন্থন আদি বিভিন্ন আৰু বিচিত্ৰ ভাৱানুভূতিৰে তেওঁৰ কবিতাবোৰ সমৃদ্ধ হৈছে। কবিতাৰ গঠন কৌশলতো চৈইদুদ্দিন আহমদৰ নিপুণ হাতৰ চানেকি দেখা যায়। তেওঁৰ শব্দ গাঁথনিও সমকালীন অনেক কবিৰ তুলনাত সৰল আৰু সহজ বোধ্য। আনহাতে চিত্ৰধৰ্মী হোৱা বাবে, তেওঁৰ বৰ্ণিত বিষয়ৰ মহিমা বাঢ়িছে, সিবোৰে পাঠকৰ মন সহজেই আকৰ্ষণ কৰিব পাৰে। পৰ্ব ৰচনা আৰু পৰ্ববিন্যাসতো কৃত্ৰিমতাহীন সুন্দৰ ৰীতি তেওঁ পৰিগ্ৰহণ কৰিছে।

> "ব্যাপ্তিহীন আকাশৰ নীলিম পৰ্দাত আঁকিলো বহুতো ছবি
> যাদুৰ কাঠিৰে আৰু উন্মাদ সৰণ ৰেখাৰে
> এতিয়া অস্পষ্ট হ'ল সেই ছবি সীমাহীন ধূসৰতা লাগি,
> উৰিল বন্যপাখী, সৰিল বন্যবিথী
> সেউজ পিপাসী মোৰ সুৰঞ্জিত হৰিণী বনৰ।"
>
> (মুক্ত বিহংগম)

এনেধৰণৰ বৰ্ণনাৰ আধিক্যই অবশ্যে কবিতাৰ ৰোমাণ্টিক ভিত্তিৰ দৃঢ়তা প্ৰকাশ কৰে। চৈইদুদ্দিন আহমদক নিৰাপদে উড়িয়া কবি অনন্ত পাটনায়কৰ লগত তুলনা কৰিব পাৰি। পাটনায়কেও সাম্যবাদী সমাজ চেতনাৰ পৰা আঁতৰি আহি গীতিময় শব্দচয়ন আৰু প্ৰাকৃতিক জগতৰ অৱতাৰণাৰে এক নতুন সৃষ্টিৰ কবিতা তৈয়াৰ কৰিছে।

আনিচ্ উজ্ জামান

সাম্প্ৰতিক তৰুণ কবিদলৰে এজন হলেও আনিচ উজ জামানৰ কবিতাত বৰ্দ্ধপাৰ্থত সমাজ সচেতনতাৰ খবৰ কম। তেওঁৰ কবিতাত ৰোমাণ্টিক ভাৱধন ইঙ্গজিষ্ট চেতনাৰহে প্ৰভাৱ বেচি। কিন্তু তেওঁ এজন শক্তিমান কবি। শব্দৰ যথাৰ্থ প্ৰয়োগ, ইকনমি আৰু সাংগীতিক ব্যঞ্জনা তেওঁ আয়ত্ত কৰিব পাৰিছে। তোমালোকৰ দুখৰ নৈ (নীলাচল, অক্টোবৰ, ১৯৭৫) নামৰ কবিতাত তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত এটি ধ্বনীয়া ব্যঞ্জনা সৃষ্টি কৰিছে।

"তোমালোকৰ মুখবোৰৰ যন্ত্ৰণা ↓
নিৰ্জন ৰাতিৰ বুকুত নাচে
দূৰৈৰ পাহাৰত ঠেকা খাই
মোৰ টোপনিত নামে
গোমোঠা বতৰৰ ধোঁৱাৰ ৰেখাত
চিলনীৰ জীয়েক হৈ আগতে পৰে
এতিয়া যাবা কলৈ
অকলে এৰি থৈ
তোমালোকৰ সাতামপুৰুষীয়া দুখৰ নৈ ।"

তেওঁৰ শেহৰ কালৰ কবিতা দুটামানত আমানে সমাজবাদৰ কালে উত্তৰণ কৰাৰ চেষ্টা কৰিছে। সংলাপত প্ৰকাশ হোৱা তেওঁৰ মুৰ্ত্ত কবিতাত (সংলাপ, ১ম ব, ১ম স,) এনে চিন্তাৰ আভাস পোৱা যায়।

"আই, তোৰ আন্ধাৰৰ হাতখন এৰি দিলো
কেচুৱা পকৰাবোৰ বগাই আহি এতিয়াহে পোহৰ দেখিব,
ইমানপৰে সিহঁতে উমান নেপাইছিল
এক নতুন চেতনা জন্ম হোৱাৰ কথা।

আচমা আহমদ

সাম্যবাদী ভাবাদৰ্শক আপোন বুলি ভবা যি কেইগৰাকী মুষ্টিমেয় মহিলা লিখিকা সাম্প্ৰতিকে ওলাইছে তাৰ ভিতৰত আচমা আহমদো অন্যতমা। তেওঁৰ পথো বিপ্লৱৰ পথ। শোষণৰ বিৰুদ্ধে কবিতাৰ হাঁঠিয়াৰ লৈ, তেওঁ জনতাৰ মিছিলত যোগ দিছে। যন্ত্ৰণাকাতৰ মানুহৰ নিহল ছিঙাৰ গান গাই গাই কবিয়ে সেই চৰম মুক্তিৰ দিনৰ বাবে জনতাক প্ৰস্তুত কৰিবলৈ বিচাৰিছে। দৈয়াঙৰ শ্ৰমজীৱী আৰু কৃষিজীৱী মানুহৰ নিৰন্ন দেহৰ লগত, পুলিচৰ ক্ষমতাৰ সংঘৰ্ষ দেখি, উচ্ছেদিত কৃষকদলৰ কাষচাপি কবি আহমদে কৈছে—

"এতিয়া ইয়াত বাৰুদৰ গোন্ধ
তেজেধোৱা পথাৰত
বিক্ষোভণৰ গান।

কেনেকৈনো পাহৰো বাৰু
ভাই-ভনীহঁতৰ কৰুণ আৰ্তনাদ।"

সুভাষ সাহা

সুভাষ সাহা ক্ৰান্তিকাৰী জনতাৰ কবি। তেওঁ বিপ্লৱৰ পথ চিনি পায় আৰু কোন পথেৰে গ'লে শোষিত, ক্লিষ্ট জনসাধাৰণে আত্মপ্ৰতিষ্ঠাৰ উপায় পাব, তাৰো দিক্ নিৰ্দেশ কৰাৰ সাহস কবিৰ আছে। মাৰ্ক্সবাদী আদৰ্শ, কৰ্মপদ্ধতি আৰু চেতনা প্ৰসাৰত তেওঁৰ কাব্যিক অৱদান উল্লেখনীয়। 'অভিযাত্ৰী' কবিতাত তেওঁ নিবিড় শ্ৰমৰ বিনিময়ত দেশক নতুন কৰাৰ প্ৰয়াস পাইছে। 'প্ৰস্তুতি' কবিতাত তেওঁ ৰাজপথত ভীৰ কৰা নাংঠ শিশুৰ দলক সমাগত ক্ৰান্তিৰ বাৰ্তাবহ বুলি জানিছে। তেওঁ পূৰ্বসূৰী কবি-সকলৰ অক্ষম নিৰ্লিপ্ততাক সমালোচনা কৰিছে ৰবি বৰুৱাৰ প্ৰতি নামৰ কবিতাত (চিতাৰ বুকুৰ চৰাই, ২ ব, ১৪ সং)

"তুমিতো গোৱা নাই
বোকাত লেটি পেটি কৃষকৰ
ঘামত নিগৰি অহা শ্ৰমৰ কাব্য,
অবাঞ্ছিত শোষণৰ দহন ॥
অনুভৱো কৰা নাই
ক্ৰন্দসী পৃথিৱীৰ অস্ফুট হুমুনিয়াহ।"

পুলিন শৰ্মা

পুলিন শৰ্মাৰ কবিতাৰ সংখ্যা কম। কিন্তু কমসংখ্যক কবিতাৰ মাজেদিও, তেওঁ জনগণৰ চৈতন্য উদয় কাৰণে পৰা কেইটিমান ভাল কবিতা লিখিছে। যুগে যুগে বঞ্চিত হৈ অহা জনতাৰ প্ৰতি তেওঁৰ অসীম স্নেহ। সবল অথচ সৰল জনতাক তেওঁ খোলা হাতিয়াৰ লৈ ৰাজন্য বৰ্গৰ বিপৰীতে থিয় কৰাইছে।

"এনেকৈও শক্তিৰ আঙুলিৰ ফাঁকে ফাঁকে
মেতিয়া বঙা ফুল ফুলে

শিয়ৰিও তাৰ নৱম অংগ
তেনেকৈকে খোলা হাতিয়াৰ লৈ ঠিয়দিয়া
দিয়ে সবল সবল জনতা যেতিয়া
দেৱাল জহে, দেৱাল ভাঙে, বাজক ? তোমাৰ।"

(প্ৰতিশ্ৰুতি, ছেপ্টেম্বৰ ১৯৭৪)

শ্বাহ আলম

শ্ৰমিক-কৃষক-সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি তীব্ৰ সহানুভূতি জনায়, তেওঁলোকক মুক্ত-বিপ্লৱৰ প্ৰয়োজনৰ কথা কবিতাৰ ভাষাৰে কবলৈ আগবাঢ়ি আহিছে, কবি শ্বাহ আলমে। তেওঁ 'জুই ফুল ফুলাৰ বতৰ' চিনি পাইছে। হয়তো তেওঁ ভাবে, যে ৰক্তাক্ত বিপ্লৱৰ জৰিয়তে জনগণৰ মুক্তি চেতনাই বাস্তৱত ৰূপ পাব।

জুই ফুল ফুলাৰ বতৰ

ভাজুককাৰ দিনৰ শিশুৰ শৰীৰ
দুঃসহ যন্ত্ৰণাত ভাগি পৰিছিল
ভাগি পৰিছিল বজ্ৰ কণ্ঠস্বৰ
শোষণৰ সহস্ৰ আঁচোৰত
ক্ষত বিক্ষত আমাৰ দেহ।
কিন্তু আজি
পুৱাৰ দগ মগীয়া সূৰ্যৰ উমত
পুৰণি ঘাঁবোৰ শুকুৱাই
কঙ্কালত ন'কৈ টঙালী বান্ধিছোঁ।
আমাৰ বজ্ৰমুঠিত
একো একোটি নতুন সূৰ্য
ৰঙা পতাকা আৰু ষ্টেন।
সূৰ্যৰ ওপৰৰ আকাশ
এখন ৰঙা আকাশ
ঠিক উত্তৰৰ আকাশৰ দৰেই ৰঙা।

এভিন্যাৰ বতৰ .
বগা বগা জুই ফুল ফুলাৰ বতৰ।

পুৰণি ধাৰোৰ শুকুৱাই, ককালত নতুনকৈ টঙালি বান্ধি কৰি খাহ-আলমে ভাৰতীয় শোষিত জনতাক সাংসৰ বাট দেখুৱাইছে।

পৰমেশ শীল

সমাজ সচেতনা আৰু জনতাৰ প্ৰতি দৰদ পৰমেশ শীলৰ কবিতাসমূহৰ মূল বক্তব্য। তেওঁৰ শব্দচয়ন আৰু প্ৰকাশভঙ্গীৰ এটি নিজস্ব বৈশিষ্ট্য আছে। 'ফুল ফুলে মাথো যুদ্ধ' কবিতাত তেওঁৰ উজ্জ্বল সম্ভাবনা বৰ্তমান। তেওঁৰ সমাজ সচেতনতা অন্তৰৰ গভীৰ নিষ্ঠাৰ পৰা ওলোৱা আৰু কবিৰ বক্তব্যও স্পষ্ট আৰু সহজবোধ্য।

মেঘালী ফুকন

মেঘালী ফুকনৰ কবিতাত সাম্যবাদী সুৰ আৰু প্ৰকৃতিৰ বুকুৰ সুৰ একেলগ হৈ বাজিছে। জনজীৱনৰ মনবেদনাৰ প্ৰতি গভীৰ সহানুভূতি মেঘালী ফুকনৰ কবিতাৰ নিজস্ব বৈশিষ্ট্য। তেওঁৰ কবিতা বীতিবহুল নহয়, অথচ সিবোৰৰ শাব্দিক সুষম আৰু আপোন হৃদয়ৰ মাধুৰ্য্যৰে তেওঁ কবিতা-বোৰ ৰসাল কৰি তুলিব পাৰিছে। "হৃদয়ৰ সুৰভাৰে গ্ৰীষ্মক" চাই তেওঁ এই মনোৰম স্তৱকটো লিখিছে —

"সোণাকৰ ঠুনুকা ভাগত মোৰ হৃদয়
হেমন্তৰ আঁচোৰত ক্ষত বিক্ষত
বৰষুণৰ প্ৰতিটো টোপালত আথোনলে'
বাট চাই থকা এখন মুখ
করুণাকোমল, যন্ত্ৰণাকাতৰ, মোৰ মাতৃৰ।"

কেশৱ গগৈ

সমকালীন ৰাজনীতি আৰু সমাজনীতিৰ আলেখলেখৰে নিজৰ কবিতাৰ উপাদান বঢ়োৱা অন্য এজন তৰুণ কবি কেশৱ গগৈ। তেওঁও জনগণৰ অৰ্থ-

নৈতিক আৰু সামাজিক মুক্তিৰ পোষকতা কৰে। সমসাময়িক জীৱন আৰু চৰকাৰী নীতিৰ কুচ-কাৱাজ চাই কবি বিমোৰত পৰিছে। তেওঁ ভাবে বৰ্তমানৰ চৰকাৰে এক কৃত্ৰিম অভিনয় কৰি কৰি জীয়াই আছে—জনগণৰ সুখ-সুবিধা, আশা-হেপাঁহৰ প্ৰতি চৰকাৰ উদাসীন।

"একো নহয়
বিধান সভাৰ মজিয়াত
মন্ত্ৰীৰ শপত গ্ৰহণ
বহিৰাগতক চাকৰি দিয়াৰ
ৰাজধানীত মাটি কিনাৰ
ভ্ৰমণ বানচ বৃদ্ধি কৰাৰ
দামী ঠিকাদাৰৰ মৃত্যুত
ঘৰিয়ালৰ চকুপানী
শোকসভা, প্ৰস্তাৱ গ্ৰহণ
(আঃ। দেশপ্ৰেমৰ কিযে কায়দা ॥)
একো নহয়
মাত্ৰ কিছুমান কোলাহল
কথা আৰু লিখনিৰ ভৰৰা ভৰবি
চৰকাৰী ভাৰতীয় বিপ্লৱ

জ্ঞান পূজাৰী

জনসাধাৰণৰ সংগ্ৰামৰ অংশীদাৰৰূপে কবি জ্ঞান পূজাৰীও উল্লেখযোগ্য। জনসাধাৰণৰ বুকুৰ স্পন্দন আৰু কণ্ঠৰ ধ্বনি তেওঁৰ কবিতাতো ধ্বনিত হৈছে। যি নৈৰাশ্যময় দুৰ্ভাগ্য আৰু হতাশাই জনগণৰ জীৱন হেঁচাধি ৰাখিছে, তাক তেওঁ বুজি পায়। গাঁৱৰ কৃষক-শ্ৰমিক সকলৰ মুক্তি-প্ৰয়াসী কৰিয়ে, তেওঁলোকক প্ৰত্যক্ষ সংগ্ৰামৰ বাটটোও চিনাই দিব খোজে। এই প্ৰত্যক্ষ সংগ্ৰামত (direct action) জনতাৰ হাঁতিয়াৰ হ'ল চিঞাৰি কাঁচি আৰু কাচি।

গাঁৱৰ মানুহবোৰ আহিলেই হয়
শীতৰ নখৰ খাঁচোৰত যোলান পৰি যোৱা

গৰখীয়া ল'ৰাবোৰ (হাতত বাক সিহঁতে
চিঞৰি কাঁড লৈ আহিবনে ?)
চিক্‌মিকনিত সেইয়া বাক কাঁচি নে ধাননি
দপ দপনিত ঢৌ খেলি ভাৱৰৰ স'তে
উকৰাই পতাকা কুঁৱলী নেওচি
অথবা পতাকাত উৰুৱি ধাই পৰা ৰ'দালি।
(বিভিন্ন ক্ষণৰ কবিতা)

হিতেন শৰ্মা

বিচিত্ৰবৰ্ণৰে অলংকৃত গতিচঞ্চল এই পৃথিৱীৰ সৌন্দৰ্য্য আৰু ইন্দ্ৰিয় গ্ৰাহ্য-ৰূপে কবি হিতেন শৰ্মাক অনুপ্ৰাণিত কৰিছে। অন্তৰৰ আলোক পৰি কবিৰ চকুৰ আগৰ জগতখনে এক নতুন ৰহস্যময় ৰূপত ধৰা দিছে। জাগতিক দুখ-বেদনা, আনন্দ-উৎসৱে কবিক সীমিত পৰিসৰৰ মাজতে অসীম ৰহস্যৰ সন্ধান দিয়ে। কবিৰ বাবে কবিতা হ'ল জাগতিক উপলব্ধিৰ আধাৰ। তেওঁৰ বাবে কবিতা হ'ল—

"বনবীয়া বাজহাঁহৰ দৰে
সাঁতুৰি যায় ছন্দৰ সৰীসৃপ
সমিধৰ শিখাৰ ভিতৰেৰে
ৰজনী গন্ধাৰ ধুৱঁলি জোনাকৰ সাগৰীল
হৃদয়ৰ লৌহ চিৰিয়েদি বাগৰি যায়
অঘোৰ প্ৰাৰ্থনাৰ স্নিগ্ধ কাৰুণ্য" (এটা কবিতা)

কবি শৰ্মাৰ উপলব্ধি গভীৰ আৰু সিবিলাকৰ ব্যাপ্তিও বিস্তৃত। তেওঁৰ উপলব্ধিৰ মূল হ'ল 'concentration', concentrationএ কাব্যিক উপলব্ধিক গভীৰৰ পৰা গভীৰতৰ কৰি, তাক নতুন সাঁচত গঢ় দিয়ে—যি গঢ় সাধাৰণ মানুহৰ বাবে হাতে চুকি নোপোৱা। এই বিষয়ত T S Eliot অৰ মন্তব্য চাবলগীয়া। তেওঁ কৈছে—It is concentration and a new thing resulting from the concentration, of a very great number of experiences which to the practical and active person would

not seem to be experiences at all" (Selected Essays) "চোকাত হাউলি থকা বিরাজিব অনেকা মহিলা" কবিতাত কবিৰ এই concentration বৰ সুন্দৰ হৈ ওলাইছে। এই কবিতাত "অপ্ৰাপনীয় সুষম বনলতা সেন"ৰ দৰে মনোহাৰিণী মহিলাৰ দেহাৱয়বৰ সৌন্দৰ্য্যপান কৰি কৰি, শেহত পাঠকে আবিষ্কাৰ কৰে, যে, এই মহিলা গৰাকী অন্য কোনো নহয়—আকাশৰ নীলাত চোকাত হাউলি থকা অন্তমিত হ'ব খৰা সূৰ্যটিহে। এনে উপলব্ধিৰ সমুদ্ৰযাত্ৰাৰ শেহত পাঠকে পুলকভৰা বন্দৰত নিৰ্ভৰ আশ্ৰয় বিচাৰি পায়। কিন্তু এই সকলোবোৰৰ উৰ্দ্ধত, তেওঁৰ কবিতাৰ যি প্ৰগতিশীল সুৰ, সিহে বৰ লক্ষণীয়। কবিয়ে অন্য দহজন কবিৰ দৰেই বিপ্লৱৰ মাজেদি অহা পৰিবৰ্তন বিচাৰে। সোণালীদিনৰ সুহুৰি, তেওঁও শুনিবলৈ পাইছে আৰু সেইবাবে তেওঁৰ ইস্পাত কঠিন বাহুত দুঃশাসন বধৰ প্ৰবৃত্তিৰ আখৰা কৰিছে—

"অতিক্ৰমি অনেক যন্ত্ৰণায়িত দিন,
দুয়োভৰি মোৰ পৰিছে ভাগৰি
তথাপিও নাই মুহূৰ্তৰো আহৰি
ইস্পাত কঠিন বাহুত মোৰ দুঃশাসন বধৰ প্ৰবৃত্তি।
শুনা হৃদয়ৰ বক্তাক্ত শব্দবোৰ ভাঙিপাতি
গঢ়ি লৈছো হাতৰ হাতুৰী,
হাতুৰীৰ কোবে কোবে দুঃশাসনৰ বাজহাড় পৰিব উফৰি
সুদূৰত শুনিছো মই সোণালী দিনৰ সুহুৰি
যন্ত্ৰণায়িত দিনবোৰ পাৰহৈ পাবলৈ মই
সোণালী সূৰ্য্য নদ্য নদীৰ শ্যামল চাপৰি।"

সমাজ সচেতন এই কবিজনৰ কোভ, হতাশা আৰু বিপ্লৱ সচেতনাৰ কাৰণ অতি স্পষ্ট। তেওঁলোকে চকুৰ আগত যিখন সমাজ দেখিছে, যি সমাজ ব্যৱহাৰ মাজত প্ৰতিপালিত হৈছে, তাৰ প্ৰতি তেওঁলোকৰ গভীৰ অনাস্থা—কাৰণ তেওঁলোকে জানে যে ওপৰৰ পৰা নামি অহা কোনো লোকেই তেওঁলোকৰ অৰ্থাৎ জনসাধাৰণৰ দুখ-দৈন্যৰ অৱসান ঘটাব নোৱাৰে।

"No saviour from on high deliver
No trust have we in prince or peer;

Our own right hands the chains must shiver
Chains of hatred, greed and fear "

এই তৰুণ কবিসকলৰ চকুৰ আগত নানান প্ৰতাৰণা সংঘটিত হৈছে। নীল-বৰণীয়া শিয়ালৰ নিচক ধূৰ্তালি দেখি দেখি এই কবিদল অভিজ্ঞ হৈছে। ৰাছিয়াৰ বিদ্ৰোহী কবি Ivtuchenko-ৰ দৰেই তেওঁলোকেও নীলবৰণীয়া শিয়ালজাকক কৰলৈ বিচাৰে .

Telling lies to the young is wrong,
Telling them that God's in the
Heaven and all's well with the
World is wrong ,
The young know what you mean
The young are people

ডেকাবোৰো মানুহেই—"The young are also people" এই কথাৰ উপলব্ধি কৰিব নোৱাৰাৰ বাবেই শাসকদলে তৰুণ সংগ্ৰামী সকলক হীন চকুৰে চায়, কিন্তু এই তৰুণ কবিসকল আজি দৃঢ়প্ৰতিজ্ঞ। হৃদয়ৰ জড়তা নাশ কৰি এই কবিদলে জনতাৰ মুক্তি বিচাৰি সাজু হৈছে।

ওপৰত আলোচনা কৰা কবিসকলৰ উপৰিও আৰু অনেকজন তৰুণ কবিয়ে যোৱা কেইবছৰ মানৰ পৰা বৰ্তমানলৈকে (১৯৭৭) প্ৰকাশ হোৱা আলোচনীবোৰত ভুমুকি মাৰিছে। এই সকলৰ ভিতৰতো ভবিষ্যতৰ উজ্জ্বল সম্ভাৱনা বৰ্তমান। তেনে নতুন পথিক জনচেৰেকৰ নাম এই প্ৰসংগতে উল্লেখ কৰিলোঁ। তেওঁলোক হ'ল—গৰিমা গগৈ, হাবমুজ আলি, ৰাম ৰায়, অভ্ৰ দত্ত, ৰাজেন্দ্ৰ কলিতা, মৃদুলকুমাৰ দাস, মনোৰঞ্জন শৰ্মা, হৰেকৃষ্ণ দাস, নিৰঞ্জন চেতিয়া, বিমল বৰা, অমৰ দে, তৰুণ ৰাজখোৱা, মৃণাল চৌধুৰী, মুকুট সিংহ ফুকন, সুন্দৰ দাস, সনন্ত তাঁতি, খগেন্দ্ৰ ভৰালী, স্বাতী বৰুৱা, অৱন বৰপূজাৰী, অচলা দত্ত, সত্যৰঞ্জন কলিতা, পুণ্ডৰীকাক্ষ ভৰালী, সবিতা কৌৰৱ, কোবেশ্বৰ খনিকৰ, কমল শৰ্মা (বাণা), শোভা খনিকৰ, জাহ্নবী বৰুৱা, সংহিতা শালিনী বৰুৱা, লাৱণ্য দেৱী গোস্বামী, ৰাম গোস্বামী, মাধুৰ্য্য ঠাকুৰ, নীলিমা বৰা, প্ৰদীপ গগৈ, হিতেশ বিকাশ গগৈ, দীপালিমা বৰুৱা, ভিক্টৰ বড়া, মনজিৎ সিং, পদ্ম পাটৰ, বিধিকিশুমাৰ

মেধি, পদ্মনীল গগৈ, অৱনী চক্ৰৱৰ্ত্তী, যতীন বৰা, মহেন্দ্ৰ ভট্টাচাৰ্য্য, পৰাক্ত গোস্বামী আদি অনেকজন কবি। স্থানাভাৱত তেওঁলোকৰ কবিতাৰ সম্যক্ আলোচনা সম্ভৱ নহ'ল।

সাম্প্ৰতিক পটভূমি / এটি টোকা

তৰুণ কবিদলৰ হাতত কবিতাৰ ভাষা আৰু প্ৰকাশৰীতি অধিক সৰলতৰ হৈছে। প্ৰতীকৰ ব্যৱহাৰ কমি গৈছে আৰু দুৰ্বোধ্যতা ভালেখিনি কমিছে। প্ৰতীকৰ উজ্জ্বল বৰ্ণালি খেলি খেলি কবি নীলমণি ফুকন আছে, কিন্তু তেওঁৰ প্ৰভাৱ তৰুণসকলৰ ওপৰত ক্ষীণ, জাপানী কবিতাৰ আহিঁৰে'সক সক কবিতা মৰম-উষানকৈ লেখি বশস্বী পোৱা কবি হীৰেন ভট্টাচাৰ্য্যৰ আদৰ্শহে কেইবা-জনো তৰুণ কবিয়ে গ্ৰহণ কৰিছে। এই সময়ছোৱাৰ কবিতাত কৃত্ৰিমতাৰ মাত্ৰা হ্ৰাস হোৱাটোও অসমীয়া কবিতাৰ কাৰণে এক শুভ লক্ষণ। কৰ্ষিত সৰলতা (studied simplicity) বিটো কৃত্ৰিমতাতকৈও অধিক বেয়া প্ৰয়োগ কৰাৰ হেতুকে দুই-এজন তৰুণ কবিৰ কবিতা অৰন্তে বসোত্তীৰ্ণ হ'ব পৰা নাই।

কবিতাৰ কৰ্ষণক্ষেত্ৰও মহানগৰৰ পৰা আপেক্ষিকভাৱে সৰু চহৰ আৰু গাঁৱলৈ বিয়পিছে। বহুবছৰেকৰ আগলৈকে মহানগৰী গুৱাহাটী আৰু অন্য তাঙৰ ডাঙৰ নগৰবোৰহে কবিতাৰ কৰ্ষণক্ষেত্ৰ আছিল, কিন্তু যোৱা কেইবছৰমানত বোকাখাট, মৰাণ, তিনিচুকীয়া আদিৰ দৰে সৰু সৰু চহৰবোৰেও কবিতাৰ স্তষ্টিত ভাল ইন্ধন যোগাইছে। যোৱা তিনি-চাৰি বছৰত বোকাখাটৰ পৰাই বহুতো কবিতাৰ আলোচনী ওলাল। কেইবা-জনো প্ৰতিভাশালী তৰুণ কবিৰ জন্ম হ'ল। আমাৰ কবিসকলে সৰ্বভাৰতীয় দিশত স্বীকৃতি লাভ কৰাটোও উল্লেখযোগ্য কথা। নিৰ্মলপ্ৰভা বৰদলৈ আৰু নীলমণি ফুকনে (কনিষ্ঠ) সৰ্বভাৰতীয় স্বীকৃতি আৰু সন্মানৰ অধিকাৰী হৈছে। কবি নগেন ঠাকুৰে ছোভিয়েট দেশ বটা পোৱাটোও উল্লেখযোগ্য কথা একেদৰেই পৰেশমল্ল বৰুৱাৰ কবিতাই মহাদেশীয় অনুবাদত প্ৰচাৰ লভাটোও সন্মানৰ আৰু আমাৰ কবিতাৰ বিভূতিৰ পৰিচায়ক। কবি ড: মহেশ্বৰ নেওগৰ Under One Sky নামৰ কাব্যগ্ৰন্থই মহাদেশীয় কাব্য-ৰসিক আৰু সমালোচক সকলৰ হাতত উচ্চতৰৰ প্ৰশংসা লাভ কৰিছে— ইও প্ৰকাৰন্তৰে অসমীয়া আধুনিক কবিতাৰেই গৌৰৱৰ ইতিহাস।

ছয়

যোৱা দশকৰ অসমীয়া কবিতাৰ চিত্ৰকল্প
(১৯৬১-১৯৭০)

'ইমেজনিৰ্ভৰতা' আধুনিক অসমীয়া কবিতাৰ এক বিশিষ্ট লক্ষণ। চল্লিশৰ দশকৰ পৰা বৰ্তমানলৈকে ইমেজ বা চিত্ৰকল্পৰ সুচতুৰ প্ৰয়োগে আধুনিক কাব্যৰীতিৰ শৈল্পিক স্বাচ্ছন্দ্য আৰু প্ৰকাশৰীতিৰ মাধুৰ্য্য দান কৰিছে। বৰ্তমান দশকটো (১৯৬১-১৯৭০) চিত্ৰকল্পৰ সঘন ব্যৱহাৰে আগৰ কেইটা দশকৰ দৰেই অসমীয়া কবিতাক সমানে সমৃদ্ধ কৰিছে। আৰু এই কালছোৱাৰ কেইবাজনো কবিয়ে ইমেজ গঠনৰ কিছুমান অভিনৱ কৌশলো আৱিষ্কাৰ কৰিছে। এই কৌশলত চিত্ৰধৰ্মীতা আৰু ধ্বনি মাধুৰ্য্য উভয়ৰে নিটোল সমাবেশ হৈ একশ্ৰেণী অত্যাধুনিক ইমেজৰ সৃষ্টি হৈছে। আনহাতে এই দশকত ৰচিত হোৱা ইমেজসমূহ অধিক সৰল আৰু অধিক সহজবোধ্য হৈ উঠিছে। সহজবোধ্য বুলি, এই বাবেই কৈছো যে ইয়াৰ আগৰ (অৰ্থাৎ পঞ্চাশৰ) দশকটোত ইমেজক অলপ বিশেষ ধৰণৰ বিন্যাসেৰে গঠন কৰি, তাক প্ৰতীকৰ স্তৰ পোৱা হৈছিলগৈ—যাৰ বাবে কবিৰ বৰ্ণিত বিষয়ৰ জটিলতা বাঢ়িছিল। কিন্তু ষাঠিৰ দশকত তেনে ব্যৱহাৰ ক্ৰমাৎ কমি অহাটো শুভ লক্ষণ। আৰু এটা শুভ লক্ষণ হ'ল যে কেৱল আধুনিক কবিতাৰ প্ৰবীন লিখকসকলেই নহয়, নবীন লিখকসকলেও ইমেজৰ সুপ্ৰয়োগ কৰিবলৈ শিকিছে।

॥ দুই ॥

মহাদেশীয় কবিতাত যিদৰে এটা ইমাজিষ্ট সম্প্ৰদায় গঢ় লৈ উঠিছিল, ঠিক তেনেধৰণৰ এটা বৰং সম্পূৰ্ণ সম্প্ৰদায় আমাৰ কবিতাত গঢ় লৈ উঠা নাই, বৰং আমাৰ প্ৰায় সকলো কবিয়েই চিত্ৰকল্পৰ বিভিন্ন উপচাৰেৰে আধুনিক অসমীয়া কবিতাক পুষ্ট কৰিছে। ৰোমাণ্টিক যুগতে চিত্ৰকল্পৰ প্ৰয়োগেৰে অসমীয়া কবিতাই এক বিশিষ্ট ৰূপ পৰিগ্ৰহণ কৰিছিল। সুৰম, দৃশ্য আৰু চাকচিত্ৰকল্পসমূহে কেইবাজনো কবিৰ কাব্য নিৰ্মাণ শৈলীৰ পৰিচয় দিছিল। কবি যতীন্দ্ৰ দুৱৰাৰ কবিতাৰ পৰা এটা উদাহৰণ তুলি ধৰিছোঁ।[৮]

এতিয়াও পুৱাৰ কিৰণে
বাহনিৰ মাজে ভুমুকাই,
জালিকটা বিহাৰ আঁচল
চোতালত পাৰি থই যায়।

অত্যানুপ্ৰাসিক মিল সম্পন্ন ছন্দ আৰু চিত্ৰৰ চাকচাই পাঠকৰ মনত সম্মোহনীৰ সৃষ্টি কৰি তুলিব পৰা এই পংক্তিকেইটিৰ আকৰ্ষণ সহজবোধগম্য। ৰোমাণ্টিক কবিসকলৰ ইমেজ গঠনৰ যি আৰ্হি তাক আধুনিক কবিতাৰ কবি-সকলেও গ্ৰহণ কৰিলে আৰু চিত্ৰকল্প নিৰ্মাণৰ কৌশল পৰিবৰ্তন আৰু পৰি-বৰ্দ্ধন কৰি নতুন নতুন ইমেজৰ সংখ্যা বঢ়ালে। তদুপৰি মহাদেশীয় ইমাজিষ্ট কবিসকলৰ প্ৰভাৱো আহি আধুনিক অসমীয়া কবিতাত সোমাল। যিসকল কবিয়ে চিত্ৰকল্পৰ সঘন সমাবেশেৰে নিজৰ কাব্যধাৰাৰ গঢ় দিছিল, তেওঁলোকে মহাদেশীয় কবি বোডলেয়াৰ, মালাৰ্মে, এজৰা পাউণ্ড, হিউম, এমি লাৱেল, হিল্ডা ডুলিটল আৰু টি এচ এলিয়ট আদি কবিসকলৰ পৰা নতুন আৰ্হি আৰু নতুন অনুপ্ৰেৰণা গ্ৰহণ কৰিলে। ফল স্বৰূপে, ৰোমাণ্টিক কবিসকলৰ যুগতকৈ অধিক শক্তিশালী ইমেজ নতুন কবিদলৰ হাতত সৃষ্টি হ'ল। চল্লিশৰ দশকতকৈ পঞ্চাশৰ দশকত, পঞ্চাশৰ দশকতকৈ ষাঠিৰ দশকত অধিক সুষম স্বচ্ছ আৰু নিটোল ৰূপৰ চিত্ৰকল্প গঢ়ি উঠিছে।

তিনি

'ইমেজ' বা চিত্ৰকল্পৰ স্বৰূপ উদ্ঘাটন কৰি মাৰ্কিন কবি ৰবাৰ্ট ফ্ৰষ্টে কৈছিল—"Saying One thing and meaning another"—'কোৱা হয় এটা আৰু তাৰ অৰ্থ হয় আন এটা।' নিজৰ দৃষ্টি, উপলব্ধি আৰু অনুভূতিৰে কবিসকলে এটা স্বৰূপৰ ওপৰত অন্য এটা বিশেষ ৰূপ আৰোপ কৰি ইমেজৰ সৃষ্টি সুকৰ কৰি তোলে। ইমেজৰ গঠনত উপমা আৰু ৰূপকৰ বৰ প্ৰয়োজন আৰু সেইবাবে কেতিয়াবা উক্ত উপমা বা ৰূপকক ইমেজ বুলি ভুলকৈ ভাবি লোৱাৰ উদাহৰণো বিৰল নহয়। উপমা বা ৰূপকৰ কৌশলৰ মাজেদি সৃষ্টি কৰিলেও চিত্ৰকল্পত এনে এটা স্বচ্ছ ৰসঘন বৈচিত্ৰ্য থাকিব লাগে যিটোৱে

এটা Suggested meaning বা ব্যঞ্জনার্থৰ জৰিয়তে কবিৰ বৰ্ণিত বিষয় বস্তুক পাঠকৰ অন্তৰলৈ লৈ যায়। ইমেজৰ সুন্দৰতাৰ ওপৰত এই Suggestiveness থাকে। যি বস্তুৰ কবিয়ে বিশেষ ৰূপ আৰোপ কৰে—সেই বিশেষ ৰূপ সম্বন্ধে কবিৰ উপলব্ধি প্ৰত্যক্ষ অভিজ্ঞতাৰ বস্তু হ'লে আৰু তেওঁৰ দৃষ্টিৰ সূক্ষ্মতা তীক্ষ্ণ হলে সাৰ্থক ইমেজ সৃষ্টি হোৱাত সহায়ক হয়। তদুপৰি ইমেজ-নিৰ্মাণী—কবিয়ে শব্দৰ সুবিন্যস্ততাৰ কৌশল আৰু আলংকাৰিক অভিব্যক্তিৰ' কৌশল আয়ত্ব কৰিব লাগে। "The good writer, it can be repeated, does not use images loosely His sharp delicate perceptiveness, and his care to express exactly what he perceives, help to make for him images which have a particular relevance, Whether simple or complex"* ইমেজৰ আকৰ্ষণ কেৱল অনুভূতিতে সীমিত নহয়—বুদ্ধি আৰু অনুভূতি দুয়োটাতে ইমেজে ক্ৰিয়া কৰে। আধুনিক কবিসকলৰ ইমেজ সৃষ্টিত সেইবাবে বুদ্ধি আৰু অনুভূতিৰ দুয়োটাৰে সমান প্ৰাবল্য। পাঠক সকলৰ ফালৰ পৰাও সেইবাবে অনুভূতি আৰু বুদ্ধি দুয়োটাৰ সুপ্ৰয়োগতহে ইমেজক হৃদয়ঙ্গম কৰিব পাৰি। চিত্ৰ এখন চাবলৈ যিদৰে দৰ্শকৰ চকু, মন আৰু বুদ্ধিনিষ্ঠাৰ প্ৰয়োজন, একেদৰেই চিত্ৰকল্পৰ উপভোগৰ বাবেও পাঠকৰ চকু, মন আৰু বুদ্ধিৰ একান্ত সমাহাৰ খুউব প্ৰয়োজন।

চাৰি

যাঠিৰ দশকত যি সকল কবিয়ে, ইমেজ বা চিত্ৰকল্পৰ সুবিন্যস্ত প্ৰয়োগেৰে, অসমীয়া কবিতাক বঞ্জিত কৰিছে, সেইসকল হ'ল—নবকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, নীলমণি ফুকন (কনিষ্ঠ), নিৰ্মল প্ৰভা বৰদলৈ, হীৰেন দত্ত, হীৰেন ভট্টাচাৰ্য্য, নীলিমা দত্ত, ভবেন বৰুৱা, নিত্যা দত্ত, ৰাম গগৈ, বিজন লাল চৌধুৰী, বীৰেন বৰ গোঁহাই, ঈশান দত্ত, কেশৱ মহন্ত, দিনেশ গোস্বামী, নাহেন্দ্ৰ পাতুৰ, বীৰেশ্বৰ বৰুৱ', মহিম বৰা, সুশীল শৰ্মা, নগেন ঠাকুৰ, পৰেশ মল্ল বৰুৱা আদি ভালে কেইজন কবি। আধুনিক অসমীয়া কবিসকলৰ

* H Coombes ৰ Literature and criticism (1964, London) গ্ৰন্থ—পৃ ৪০ দ্ৰষ্টব্য।

জ্যেষ্ঠ কবি হেম বৰুৱাৰ যি কেইটা কম সংখ্যক কবিতা এই দশকৰ আদি ভাগতে প্ৰকাশ পাইছিল, সেইবোৰতো ইমেজৰ প্ৰাধান্য আছে—একেদৰে কবি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ (যি জনে এই দশকত কবিতা সৃষ্টিতকৈ কথা সৃষ্টিতহে আপোন প্ৰতিভাক ব্যস্ত ৰাখিছে) যি কেইটা কম সংখ্যক কবিতাৰ সৃষ্টি হ'ল—তাৰ মাজতো চিত্ৰকল্পৰ কলা-কৌশল সুন্দৰ ভাৱে পৰিস্ফুট হৈছে। ষাঠিৰ দশকত কাব্য সৃষ্টিৰ পাতনি মেলা তালে কেইজন তৰুণ কবিয়েও চিত্ৰকল্পৰ সুচতুৰ প্ৰয়োগেৰে পাঠকৰ উদাৰ চেনেহ আহৰণ কৰিব পাৰিছে। এই কবিসকলৰ কবিতাত ইমেজ নিৰ্মান কাৰ্য্যত কেনে কলা-কৌশল পৰিগ্ৰহণ কৰা হৈছে—কেনে উপাদানেৰে সিবোৰ নিৰ্মিত হৈছে আৰু পাঠকৰ ওপৰত সেই ইমেজ সমূহৰ প্ৰভাৱ কেনে, তাক বিচাৰ কৰাই আমাৰ এই প্ৰবন্ধৰ উদ্দেশ্য।

নিৰ্মাণ কৌশল

আলোচ্য দশকৰ কবিসকলে যিবোৰ কৌশলেৰে ইমেজ নিৰ্মান কৰিছে, সেইবোৰ হ'ল যথাক্ৰমে—উপমাৰ বিস্তৃতি, ৰূপকৰ বিস্তৃতি শ্ৰাব্য কল্পনাৰ (auditory imagination) বিস্তৃতি, সূক্ষ্ম শাব্দিক ইন্দ্ৰজালৰ কৰ্ষণ, objective Co-relative পদ্ধতিৰ ব্যৱহাৰ আৰু ছান্দিক প্ৰয়োগৰ নতুন কৌশল।

ইমেজৰ গঠনৰ বাবে উপমা এটি অত্যাৱশ্যকীয় কৌশল কিন্তু তথ উপমায়েই ইমেজ হব নোৱাৰে। উপমাৰ মাজেদিয়েই আগবাঢ়িলেও ইমেজৰ মাজত এটা ৰস ঘন, সূক্ষ্ম আৰু অনিৰ্বচনীয় ব্যাঞ্জনিক অৰ্থ প্ৰতীত হয় আৰু সেই অৰ্থই পাঠকৰ মনত উপমাতকৈ অধিক মাধুৰ্য্যৰ সঞ্চাৰ কৰে। আমাৰ আলোচ্য দশকৰ কবিসকলৰ কবিতাত এই উপমাৰ বিস্তৃতি ঘটাই ইমেজৰ সৃষ্টি কৰা কাৰ্য্য বৰ জনপ্ৰিয় হৈছে, আৰু এই কৌশলৰ সাৰ্থক শিল্পী হ'ল—কবি নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, হীৰেন ভট্টাচাৰ্য্য, নিৰ্মল প্ৰভা বৰদলৈ, হীৰেন দত্ত আদি। কবি মহেন্দ্ৰ বৰাৰ কবিতাৰ পৰা সংগ্ৰহ কৰা উদাহৰণ এটাৰে কথাটো বহলাই দেখুৱাব খুজিছো। এটা হক বুন-বুনিৰ লগত আকাশৰ জোনটোৰ তুলনা কৰি, উপমা ঘটাই আৰু

উপমাৰ ওপৰত অধিকন্তু প্ৰয়োগ কৰি, তেওঁ নিম্নোক্ত ইমেজটো তৈয়াৰ কৰিছে।

মই কি ভাবিছোঁ জানা জোনটোৰ কথা
জোনটো কিজানি ৰূপেৰে তৈয়াৰী
সৰু এটা ঝুন ঝুনি
আলাসতে আছে এনেয়ে ওলমি
কঁপি কঁপি বাজে বতাহে জোকাৰি গ'লে
সন্ধ্যা ভেতিয়া লাহে লাহে আহে নামি।

মহেন্দ্ৰ বৰা/অন্ধ উপমা, বছৰৰ কবিতা, '৭৬৫, পৃ ৮৫)

উদ্ধৃতাংশত উপমাৰ বিস্তৃতিৰ সীমা হ'ল—'আলাসতে আছে এনেয়ে ওলমি' পৰ্যন্ত—এই ওলমি থকাটো জোন আৰু ঝুন ঝুনি দুয়োটাৰে সাধাৰণ ধৰ্ম কিন্তু তাৰ পিছৰ অংশটো হ'ল উপমাৰ অধিকন্তু। এই অংশত উপমেয় উপমান দুয়োৰো ব্যাপ্তি চেৰাই গৈ এক নতুন আৰ্থী অভিজ্ঞান দাঙি ধৰা হ'ল—বতাহে জোকাৰি গ'লে কঁপি কঁপি বাজে (ক) আৰু সন্ধ্যা ভেতিয়া লাহে লাহে নামি আহে (খ) (ক) অংশত ঝুনঝুনিক বতাহে জোকাৰি গ'লে বাজে কিন্তু সাধাৰণ (অকাব্যিক) দৃষ্টিত জোনটো নেবাজে আৰু (খ) অংশত আকাশত জোন 'ওলমিলে সন্ধ্যা লাহে লাহে নামি-আহে কিন্তু ঝুন ঝুনিটো ওলমিলে সন্ধ্যা নামি নাহে। কিন্তু কৌশলী কবিৰ হাতত (ক) আৰু (খ) উভয়তে উপমাৰ্থৰ বিস্তৃতি ঘটি (ক) আৰু (খ)-ৰ প্ৰতিটোৰেই জোন আৰু ঝুন ঝুনি দুয়োটা'ক একে পথৰ পথিক কৰি তুলিছে। উপমাৰ এনেধৰণৰ বিস্তৃতিয়েই ইমেজৰ প্ৰভাৱ অনেক গুনে বঢ়াই তোলে।

উপমাৰ দৰে ৰূপকৰে, বিস্তৃতি ঘটাই ইমেজ তৈয়াৰ কৰা এটা সহজ আৰু বহুজন গ্ৰাহ্য পন্থা। ৰূপকৰ কলা-কৌশল উপমাতকৈ অধিক জটিল আৰু তেনেক্ষেত্ৰ প্ৰধান হোৱা বাবে ৰূপকৰ জৰিয়তে সিদ্ধ হোৱা ইমেজৰ অৰ্থ-বিস্তৃতিও অলপ কঠিনভাৱ মাজেদি গৈহে সিদ্ধ হয়। পাঠকৰ সূক্ষ্ম সংবেদন-শীলতা আৰু বৰ্ণিত বিষয়ৰ ওপৰত সামগ্ৰিক অন্তৰঙ্গতাৰ জৰিয়তহে ৰূপকে তাৰ প্ৰভাৱ বিস্তাৰ কৰি ইমেজৰ শাৰীলৈ উঠিব পাৰে। এটা উদাহৰণেৰে কথাটো পৰিষ্কাৰ কৰি কব খুজিছো:

মেঘ / নিত্যা দত্ত

(বছৰৰ কবিতা, ১৯৬৫, পৃ ৩৭)

সাগৰখন আকাশত ওলমি আছিল
যোৱা ৰাতি টুকুৰা টুকুৰ হৈ
ভাগি পৰিল। পানী গঁৰজিছে—
এজাক ভেকুলীৰ কোলাহলে
মনত পেলাই দিলে এটা দীঘল বাটৰ কথা
এটা বাট—এটা ভগা পুলৰ মোহনাত
বিহ মেটেকাৰ ওপৰত
জঁপিয়াই পৰা
কিছুমান দৰিকণা মাছ।

মেঘৰ ওপৰত সাগৰৰ ৰূপকল্পক আৰোপ কৰি তৈয়াৰ কৰা এই ইমেজৰ নিৰ্মাণ কৌশল বৰ বলিষ্ঠ হাতৰ চিনাকি। কবিতাটোৰ প্ৰথম অংশৰ ৰূপক সিদ্ধ ইমেজ দ্বিতীয়াংশত অধিক জটিল হৈ পৰিছে—তাৰ ঘন আৰু দৃঢ়বদ্ধ গাঠনিৰ বাবে। মেঘ আকাশত সাগৰ হোৱাৰ ৰূপকল্প বৰ কঠিন নহয়। কাৰণ জাগতিক ভাৱেই আমি নীলাকাশে নীলবৰ্ণীয়া সাগৰক চুই থকা দেখিছো। সেইবাবে ৰাতিৰ আকাশত বৰষুণেৰে ভৰ দৈ থকা ডাৱৰক সাগৰ কল্পনা কৰাৰ ৰূপক এক প্ৰকাৰ সহজবোধ্য, কিন্তু ভগা পুলৰ মোহনাত বিহ মেটেকাৰ ওপৰত জঁপিয়াই পৰা কিছুমান দৰিকণা মাছ যে সৰ্বহাৰা জনতাৰ ৰূপক তাক বুজি পাবলৈ অত্যন্ত সংবেদনশীল, ইমেজ-দৰদী পাঠকৰো সময়ৰ প্ৰয়োজন। এনেধৰণৰ ৰূপকৰ অন্তৰাত্মা ভেদ কৰিবলৈ পাঠকৰ সূক্ষ্ম আৰু তীব্ৰ অনুভূতিৰ প্ৰয়োজন—যাক কব পাৰি 'Sharp visual perception' একেধৰণৰ ৰূপকাত্মক ইমেজৰ সংগঠন এটা Hilda Doolittle-ৰ কবিতাৰ পৰা দেখুৱাব খুজিছো।

Whirl up, sea—
Whirl your pointed pines,
Splash your great pines
On your rocks

Hurl your green over us—
Cover us with yours

এই কবিতাংশত H D -ৰ মনৰ আনুভূতিক সংবেত্ত শিলা আৰু সাগৰৰ ৰূপকৰ জৰিয়তে ইমেজৰ গভীৰতালৈ আগবাঢ়িছে।

শ্ৰাব্যকল্পনাৰ বিস্তৃতি (Auditory Imagination) হ'ল আলোচ্য দৰ্শকৰ ইমেজ সৃষ্টিকাৰ কবিসকলৰ তৃতীয় কৌশল। Auditory Imagination বা শ্ৰাব্যকল্পনাৰ বিস্তৃতি মানে কি তাক এলিয়ট চাহাবৰ ভাষাৰেই কৈছো— "What I call the auditory imagination is the feeling for syllable and words penetrating below the conscious level of thought and feeling, invigorating every word "*

শ্ৰাব্যকল্পনাৰ বিস্তৃতিৰ কৌশল আয়ত্ত কবি বচিত হোৱা কবি হীৰেন্দ্ৰনাথ দত্তৰ কবিতা এটাৰ পৰা উদাহৰণ এটা তাঙি ধৰিব খুজিছো—কবিতাটিৰ নাম আঘোন (মণিদীপ, ৬ষ্ঠ বৰ্ষ ৩য় সং, জানুৱাৰী ১৯৬৬ পৃ ১৯২)।

পুৰাতে চপাই আনে কত দূৰণিৰ পখী
আঘোনৰ সোণোৱালী ধানে
আৰু মাটি মৃখী বৰাৰ টেঙাৰ দৰে
বেলিটোৱে কুঁৱলী হেঁচুকি
পৃথিবীলৈ দোঁ খাই আহে,
মনৰ বাটৰ ধূলি জন্তৰ জিলিকে।
তপত আশাৰে স্ফীত দাৱনী আঘোনে
মাজনিশা মেটমৰা ডাঙৰিৰ দুপুৰ বজায়
আৰু ক্লেশৰ ঘামৰ এই সোণোৱালী বোকাবোৰ
কুঁৱলীৰ দৰে বগা সাজপানী হয়,
শাৰী শাৰী গৰু গাড়ী দূৰৰ গাঁৱৰ পৰা
উভতি আহোঁতে
কামুক কিৰিলি পাৰি শৰীৰ প্ৰৱয় কৰে
বেপৰোৱা কত গাবোৱানে।"

* Use of poetry and Use of criticism, pp 118-19

শ্ৰাব্যকল্পনাৰ বিস্তৃতি ঘটি এই কবিতাংশত ইমেজৰ কেনে সূক্ষ্ম কাৰুকাৰ্য্য প্ৰকাশ হৈছে চাওঁ আহক। আঘোনৰ সোণোৱালী ধানে সুবৰ্ণিৰ পথীক চপাই অনাটো বৰ সহজ কল্পনা কিন্তু মাটি বুঢ়ী ধৰাৰ চেষ্টাৰ ফলে পৃথিবীলৈ সোঁ খাই অহা 'বলিটোৰ বৰ্ণনা—(তাকে' ঘূৰণী হৈচুকি হৈচুকি) নিশ্চয় কল্পনাৰ বিস্তৃতিৰ লক্ষন। একেদৰে দাৱণী আঘোনৰ ক্ষীতোদৰা ৰূপটো কেনে বৈচিত্ৰ্যপূৰ্ণ। তাতোকৈও তাৎপৰ্য্যপূৰ্ণ আঘোনে যেতিয়া মেটমৰা ডাঙৰিৰ ঝুপুৰ বজায়—তাকো আকৌ মাজনিশা। প্ৰথম দৃষ্টিত অলপ বিসঙ্গতিপূৰ্ণ যেন লাগিলেও শ্ৰাব্যকল্পনাৰ অন্তৰ্নিহিত ইমেজ বিশ্লেষণ কৰি চাব পাৰিলে মাজনিশা বজা মেটমৰা ডাঙৰিৰ ঝুপুৰৰ শব্দ আমাৰ কানতো পৰেহি। দিনান্তৰ ক্লান্তিৰ শেষত, মাজৰাতি টোপনিয়ে হেঁচা মাৰি ধৰাৰ পৰত, বিয়লি কান্ধৰ ভাৰত কঢ়িয়াই অনা, ডাঙৰিৰ গীতিচঞ্চলতা তেতিয়া ক্ষণে ক্ষণে কৃষকৰ অৰ্দ্ধচেতন কানত বাজি থাকে। একেদৰেই পূৰ্ববৰ্তী বাক্তিৰ আঘোনৰ কুঁৰলী ঠেলি আগবঢ়া গৰু-গাড়ীৰ গাড়োৱানৰ কামুক কিৰিলি গা-গৰম কৰাৰ সমল বুলি পাঠকে এই কবিতাটো পঢ়াৰ পাছতহে গম পাব। শ্ৰাব্যকল্পনাৰ বিস্তৃতিৰে ইমেজ গঠনৰ পাৰদৰ্শীতা কম সংখ্যক কবিয়েহে আয়ত্ব কৰিছে। নীলিমা দত্ত, নিৰ্মল প্ৰভা বৰদলৈ, নগেন ঠাকুৰ, বীৰেন বৰ গোঁহাই, কেশৱ মহন্ত, বীৰেশ্বৰ বৰুৱা আদিয়ে আলোচ্য দশকত শ্ৰাব্য-কল্পনাৰ বিস্তৃতিৰে ইমেজ গঢ়িছে। T S Eliot চাহাবৰ বহুকথিত objective co-relative পদ্ধতিৰ ব্যাপক প্ৰয়োগেৰে ইমেজ গঠন কৰাৰ কৌশলো আলোচ্য দশকৰ কবিসকলে আয়ত্ব কৰি লৈছে। Objective co-relative-ৰ সংজ্ঞা ব্যাপক।

"Set of objects,
a situation,
a chain of events
Which shall be the formula
of that particular emotion
Such that when the external facts,
which must terminate in sensory experience,
are given
the emotion is immediately evoked."

আত্মানুভূতিৰ বিকাশৰ পাৰম্পৰ্য্যকে মূলধন কৰি লৈ গঠিত হোৱা ইমেজৰ প্ৰাচুৰ্য্যৰে আন্দেকেইজন কবিৰ কাব্যবাণী চহকী হৈছে। এই পদ্ধতিৰ প্ৰয়োগেৰে ৰচিত এটি অসামান্য ধূনীয়া কবিতা হ'ল নৱকান্ত বৰুৱাৰ শৰণীয়াৰ সন্ধ্যা। ইমেজ গঠনৰ ইমান নিপুণ চাতুৰী অন্য কবিৰ ক্ষেত্ৰত খুব কম। গুৱাহাটীত শৰণীয়া-পাহাৰৰ কাষেদি বৰ্ণাই যোৱা ৰেল লাইন যি এবাৰ দেখা পাইছে, তেওঁক এই কবিতাৰ ইমেজে স্থায়ী সুখানুভূতি দিবই দিব।

শৰণীয়াৰ সন্ধ্যা

নৱকান্ত বৰুৱা

"এচপৰ আকাশৰ সোণ
থাহি পৰি বয় চৰবিত,
জোনাকীৰ দুটা জিলমিল
নিমাত জুমুকা চৰবিত।

ইঞ্জিনৰ তন্দ্ৰাসু তালত
মনে মনে সহাঁৰি জনায়,
সন্ধ্যা আহি ৰেলৰ আলিৰে
পাহাৰৰ সিপাৰে লুকায়।"

ৰেলৰ আলি বগাই বগাই সন্ধ্যা আহি পাহাৰৰ সিপাৰে লুকাই পৰাৰ ইমেজ অবিস্মৰণীয়। জোনাকীৰ জিলমিল আমি প্ৰকলোৱেই দেখিছো কিন্তু সিহঁতৰ চৰবিত থকা নিমাত জুমুকাজোৰ আৱিষ্কাৰ কৰিছে নৱকান্ত বৰুৱাইহে। সাৰ্থক কবিয়ে সাৰ্থক ইমেজৰ জৰিয়তে এইদৰে আমাৰ পৰিদৃশ্যমান জগতখনৰে নিত্য নতুন বস্তু সম্ভাৰৰ আৱিষ্কাৰ কৰে।

উপৰোক্ত কৌশলসমূহৰ লগে লগে ছান্দিক বিন্যাসৰ অভিনৱতাকো যোগ দি কেইবাজনো কবিয়ে ইমেজৰ সুন্দৰ গঠন কৰিছে। ইমেজৰ ওপৰত ছন্দসজ্জাৰ আৰু সৌষ্ঠৱৰ প্ৰভাৱ বৰ বেছি। এই কাৰণেই যে ছন্দৰ সুসংবদ্ধ বিন্যাসে ইমেজৰ অনুভূতিক এটা নিৰ্দিষ্ট বিন্দুত concentrate কৰাৰ সুবিধা দিয়ে। Concentration image-ৰ বৰ নিকট আত্মীয়। আলোচ্য-

দশকৰ অসমীয়া কবিসকলে টংকা আৰু হাইকুৰ ছান্দিক বিন্যাসৰ কৌশলেৰে তেওঁলোকৰ ইমেজৰ সৌষ্ঠৱ বঢ়াইছে—বিশেষকৈ কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতাত আৰু নীলমণি ফুকনৰ কবিতাত। হীৰেন ভট্টাচাৰ্য্যৰ বৰ ৰেওঁতি কবিতাৰ পৰা এটা উদাহৰণেৰে কথাটো স্পষ্টতৰ কৰিব খুজিছো।

এটি ৰূপালী হাঁহ
হৃদয় হ্ৰদত
লুকাই আছেহি
বাৰটি মাহ।
য'ত
হেঙুলী বেলিয়ে
দিয়েহি আবেলি লাহ॥
ৰূপালী এটি হাঁহ

॥ পাঁচ ॥

ইমেজ নিৰ্মাণৰ প্ৰক্ৰিয়া আলোচনা কৰি আঁটাই এতিয়া ইমেজৰ উপাদান-সমূহৰ কথা কব খুজিছো। আলোচ্য কালৰ কবিসকলে ইমেজসমূহৰ কেঁচা মাল সংগ্ৰহ কৰিছে বিভিন্ন প্ৰান্তৰৰ পৰা। সৰহ ভাগ ইমেজৰ আশ্ৰয় হ'ল প্ৰকৃতি—কিন্তু প্ৰকৃতিক বাদ দিও বিজ্ঞান ৰাজনীতি আদি নানা ক্ষেত্ৰৰ পৰা ইমেজবোধক কৰ্ষণ কৰা হৈছে।

ৰাজনীতিৰ পৰা উদ্ভূত 'ইমেজ'

উপযুক্ত পৰিবেশন পালে ৰাজনীতিৰ যি কোনো কথাই (লাগিলে সি যিমানেই তুচ্ছ নহওক,) ইমেজৰ উপাদান হৈ উঠিব পাৰে। পূব পাকিস্থান আৰু ভাৰতৰ মাজত পাৰস্পৰিক শত্ৰুতা চলি থাকোঁতে সীমান্তৰ লাঠিটিলা আৰু তুলাবাৰী নামৰ গাঁও দুখনৰ অৱস্থা আৰু সেই দুখন গাঁও ভবিষ্যতে ভাৰত নে পাকিস্থান কাৰ ভাগত পৰিব তাক লৈ হোৱা অনিশ্চয়তা ইমেজ

গঠনৰ বাবে ধুনীয়া আৰু উপযুক্ত উপাদান বুলি প্ৰতীত হৈছে কবি ৰাম গগৈৰ কবিতাত :

> 'এতিয়া
>
> এতিয়া মাধ্যান মই নীৰৱে কান্দিছো
>
> কিয়নো,
>
> মোৰ জীৱনৰ আজি
>
> লাটিচিলা—ভুআবাৰী কঁপে থৰ থৰ।'
>
> (ব্যক্তিগত ৰাম গগৈ নৱযুগ, জুলাই, ১৯৬৫)

ৰাজনৈতিক চেতনাৰে সমৃদ্ধ হোৱা সত্তৰৰ দশকৰ কবিতাৰ ইমেজো একেদৰেই বৰ বলিষ্ঠ। এই ইমেজটোলৈ মন কৰকচোন—

'মোৰ তেজৰ মাজেদি অহৰহ হোহোৱায় বৈ থাকে ভিয়েটনাম।' কবিৰ স্পৰ্শকাতৰতাই কবিক এনে এটি দৃষ্টি দিছে যে তেওঁ নিজৰ তেজৰ উজনতে ভিয়েটনামবাসীৰ মুক্তিযুদ্ধৰ উত্তাল তৰঙ্গ অনুভৱ কৰিছে।

॥ প্ৰকৃতি ॥

ইমেজ গঠনত প্ৰকৃতিৰ দান সৰ্বোচ্চ। আগতে উদ্ধৃতি দিয়া কবি হীৰেন্দ্ৰ নাথ দত্তৰ কবিতাটিৰ ইমেজেই তাৰ প্ৰমাণ। প্ৰকৃতি অসমীয়া পাঠকৰ চিনাকি বস্তু। গতিকে প্ৰকৃতি আশ্ৰয়ী ইমেজে পাঠকৰ মনত প্ৰভাৱ বিস্তাৰো কৰিব পাৰে। বহাগৰ শালনিৰ ৰেত চিত্ৰিত হোৱা—বিজনলাল চৌধুৰীৰ এই কবিতাটি চাওক

> বৰ্ষাৰ আকাশে আহি পখীৰ কণ্ঠৰ স'তে
>
> মিলাব আপোন সুৰ,
>
> নিগ্ৰো বন্ধুৱাৰ দলে সাৰ পাই
>
> নীল ঘন নীলিমাৰ নীলাম্ভ চাই চাই
>
> সুখি সুখি ধাচি দিব কুহিৰ অঞ্জলি,
>
> আন্ধাৰ জাহাজবোৰ ভুবি যাব নীল সমুদ্ৰত,
>
> জ্যোতিৰ গংগাই আহি ধুই নিব বত আবৰ্জনা,

শিহৰিব বনে বনে বক্ত কিশলয়
বসন্তৰ নব স্নিগ্ধ বশ্মি সনা।

শালজি, মহাপৰু বিজনলাল চৌধুৰী

(মণিদীপ ৬ : ৭, পৃ ৬৩১)

প্ৰকৃতিৰ উদাৰ ৰূপসৌন্দৰ্য্যৰ সবিস্তৃত বৰ্ণনাৰে লিখা একে জাতীয় কবিতা অনেক আছে—কিন্তু, এই কবিতাত প্ৰকৃতিৰ ৰূপকল্পৰ ওপৰত যেনে ধৰণৰ Concentration আছে, সি অনেক কবিৰ কাম্য বস্তু। একেধৰণৰ Concen tration অৰে প্ৰকৃতিৰ চিত্ৰসমূহৰ ওপৰত দোলাদি এটি ধুনীয়া ইমেজেৰে এটা কবিতা লিখিছে—নীলিমা দত্তই। কেবল এটা ইমেজেৰে গোটেই কবিতাটি পৰিব্যাপ্ত কৰি এজুপি গাঁহত গছত কৰিয়ে ৰূপহী অসমক Concentrate কৰিছে।

ৰূপহী অসম/নীলিমা দত্ত

(মণিদীপ ৬ৰ ৯ম, পৃ ৬৩৮)

প্ৰখৰ সূৰ্য্যৰ তাপ
পৃথিবীৰ ঘাঁহে ঘাঁহে যিদিনা বিস্তাৰ হয়,
গ্ৰীষ্মৰ অগ্নিবানে যিদিনা দহন কৰে
শ্ৰান্ত পথিকক,
ক্লান্তিৰ ঘাম মুচি কান্ধৰ ধু ৰলি থৈ
মনাই ৰুকাই হঁতে

ইয়াতে জিৰায়, সিদিনা
এই ডাল গাঁহত উলতে
শান্তিৰ শীতল ছায়াত।

প্ৰকৃতিৰ লগত কবিৰ ব্যক্তিগত অভিজ্ঞতা, প্ৰকৃতিক বাহদি হোৱা অভ্ৰ জাগতিক সৌন্দৰ্য্য, প্ৰেম আৰু কৰুণতা আদিক মিশ্ৰিত কৰিও বৰ ধুনীয়া ধুনীয়া ইমেজ গঠন হোৱাৰ উদাহৰণ দেখা যায়। কবি মহেন্দ্ৰ বৰাৰ জিকাঁ পাখি কবিতাৰ পৰা (মণিদীপ ৭ম, ৫-মাৰ্চ্চ ১৯৬৭, পৃ ৩৭৫) তুলি অনা এই দুটি স্তৱকলৈ মন কৰকচোন।

॥ ১ ॥

ধানৰ নৰাত বহিল পথিলা এটি
আপ খাই গ'ল কোমল ফুপনি পাপি
মূদখাই গ'ল
এতিয়া এন্নুৰি কোমল ধুনীয়া আঁখি।

॥ ২ ॥

জলিল মাটিৰ চাকি তুলসী তলত
গধূলিৰ চোতালত পাতল আন্ধাৰ
বীণৰ তাঁৰত বাজে
মাথো এটি লহমাৰ কোমল গান্ধাৰ।

ব্যাখ্যাৰ বাণেৰে এই পথিলাকোমল ইমেজ দুটি নষ্ট নকৰি সহৃদয়ী পাঠকলৈ এৰিলো।

প্ৰকৃতিৰ লগত সমসাময়িক ৰাজনীতি আৰু ধাৰ্মনীতিক সংযোগ কৰি হেমাঙ বিশ্বাসে এখন ধুনীয়া চিত্ৰ আঁকিছে—ওভতনি (নবযুগ, বঙালি বিহু সংখ্যা ১৮৮৭) নামৰ কবিতাত।

'লখোনীয়া মাকজনী ডেলেঙী চকুৰে
বাট চাই থাকে
সি আহিব।
উকঙা মদাৰৰ কাঁইটে কাঁইটে
ভোঙা ভোঙে তেজ
ফুল হৈ ফুলিল। সৌৱা বসন্ত আহিল।'

একেজি চাউলৰ বাবে ওলাই যোৱা ধৰৰ একমাত্ৰ ল'ৰাটিয়ে খাত আন্দোলনকাৰীৰ দলত থিয় দি পুলিচৰ গুলিত প্ৰাণ এৰিলে। তাৰ ভোঙা ভোঙে বাজ আলিত পৰি থকা তেজে এতিয়া মদাৰৰ ফুল হৈ ফুলি বসন্তৰ আগমণি ঘোষণা কৰিছে। এই ইমেজৰ স্ৰেষ্টিং চ'ল কবিৰ মনত থকা দৃঢ় বিশ্বাস, যে সৰ্বহাৰা বাইজ মদাৰৰ ফুল। তাৰ জীৱনৰ কোনো দাম নাই। আৰু এই তেজৰ পৰা ফুলি ওলোৱা মদাৰ ফুলৰ মুখামুখিকৈ কৰিবে চিৰ কৰাইছে, সেই নিহত কিশোৰৰ ডেলেঙী মাকজনীক। যি এতিয়াও সি ঘূৰি অহাৰ আশাতে পিৰালিত বহি বাট চাই আছে। আধুনিক কালৰ ঘোল-

ছবিৰ পৰিচালকে বাটত নিহত কিশোৰৰ ডোঙা বান্ধি থকা জেপ, কাইটৰ বাগানে ছুলি থকা বসন্তকালৰ মদাৰ আৰু শিমলিত বহি থকা মাকৰ কৰুণ আশাৰ চতুৰ্দ্দিক পৰ্য্যায়ক্ৰমে দেখুৱাই যি মন্টাজৰ সৃষ্টি কৰিলেহেঁতেন, তাক কবি বিশালে কবিতাৰেই দেখুৱাইছে।

ইমেজৰ গভীৰতা

ইমেজে যে কেৱল চিত্ৰধৰ্মীতা দান কৰিয়েই ক্ষান্ত থাকে এনে নহয়—ইয়াৰ প্ৰভাৱ গভীৰ। ইমেজৰ জৰিয়তে কবিৰ মনোজগতৰ গভীৰ ক্ষোভ, হতাশা, গ্লানি, নিৰ্বেদৰ সন্ধানো পোৱা যায়। আমাৰ আলোচ্যদশকৰ কবিসকলৰ কবিতাতো এনে গভীৰ উৎসৰ ইমেজৰ সৃষ্টি হৈছে। আধুনিক জীৱন আৰু সভ্যতাৰ নানান সংঘাত আৰু সংকটে মানুহৰ মনোজগত জটিল কৰি তুলিছে—এই জটিলতাৰ ৰূপে আহি ইমেজৰ মাজেদিও আত্ম প্ৰকাশ কৰিছে। কবি দীনেশ গোস্বামীৰ কবিতাৰ পৰা উদাহৰণ এটা লৈছো—কবিতাটোৰ নাম শৱযাত্ৰা (বছৰৰ কবিতা, ১৯৬৫ ত সন্নিবিষ্ট, পৃ ১৮)।

*   *   *   *

এইদৰে পথ অতিক্ৰম কৰি
আমি আহি পালো এক উপত্যকা
প্ৰভাতৰ ধূসৰ আলোকত দেখা যায় ইতস্ততঃ
দুই এক মানুহৰ খোজ,
শুনা যায় দীৰ্ঘ হা-হুতাশ, ঝিলৰ কাঠৰ কলকলনি
তিৰোতাৰ বিলাপ।
বিস্ফোৰিত চকুৰে সিহঁতে আমাৰ কালে চাই চাই
কিবা এক দুৰ্বোধ্য ভাষাত পৰস্পৰে কথা পাতে।
মই মোৰ সহযাত্ৰীসকলক কওঁ,
তাইহঁত অলপ ব'ৰা ভাগৰ লাগিছে খুব।
কিন্তু কোনে কাৰ কথা শুনে।
হাহাকাৰত কাৰো কথা কাৰো কানত নপৰে,
ঘৰ্মাক্ত দেহেৰে গাড়ীখন টানি টানি শৱযাত্ৰীদল আগবাঢ়ে।

আধুনিক সভ্যতাৰ বেদনাই কবিক উপলব্ধি কৰাইছে যে এই পৃথিৱীখন এখন শ্মশান ভূমিহে আৰু মানুহৰ জীৱন যাত্ৰাৰ পথো শবযাত্ৰাৰ পথৰ দৰে কৰুণ। অৰ্থনৈতিক, নৈতিক আৰু ৰাজনৈতিক সংঘাতে কবিৰ মনত গভীৰ হতাশা আনি দিছে—উপৰোক্ত ইমেজ নিৰ্ভৰ কবিতাটি তাৰেই সাক্ষী। চিলিৰ কবি পেবলো নেৰুদাৰ কবিতা এটাৰ এক অংশ ইয়াত উদ্ধৃত কৰিব খুজিছো। জীৱনৰ প্ৰতি গভীৰ ভাৱে বীতশ্ৰদ্ধ হৈ কবি নেৰুদাইও কিছুমান বিক্ষিপ্ত ইমেজৰ জৰিয়তে নিজৰ মনৰ ক্ষোভ, হতাশা নৈৰাশ্য আৰু অশান্তিৰ পৰিচয় দিছে।

There are birds the colour of sulphur and horrible intestines
Hanging from the doors of houses that I loathe,
There are false teeth forgotten in a coffee-pot
There are mirrors
That must have wept for shame and fight
There are umbrellas everywhere, and poisons and navals,

ওপৰক্ত কবিতাত উল্লেখিত বিভিন্ন বস্তুৰ সমাহাৰেৰে সংগঠিত হোৱা ইমেজবোৰে কবিৰ অন্তৰৰাজ্যৰ অশান্তিৰ পৰিচয় দিছে। আত্মিক অশান্তি আৰু জাগতিক সংঘাতৰ পৰিচয় দিবলৈ কবিয়ে Sulphur, intestine, false-teeth, mirrors, umbrellas, poisons আৰু navels অৰু ব্যৱহাৰ কৰিছে। কবি নেৰুদাৰ মনৰ হতাশা আৰু অশান্তিৰ এইদৰে বিক্ষিপ্ত ইমেজৰাশিৰে ৰূপ দিয়াৰ বিষয়ত আধুনিক কালৰ এজন আগশাৰীৰ কাব্য সমালোচক C M Bowra ই এইদৰে কৈছে—"This use of images is of great importance when the poet describes some purely mental state Images are more individual and more expressive than the abstract worlds whose place they take They give a sufficiently definite outline to states of mind which are perfectly vivid to the poet but for which no standard means of expressions is adequate They tell not only what the poet means intellectually, But all that he feels the complex of thought and emotion which is his †

---

† C M Bowra—The creative Experiment Macmillan 1967 p 9.

সাত

আধুনিক অসমীয়া কবিতা, দুৰ্বোধ্যতা আৰু পাঠকৰ সমস্যা

(১)

জন্ম-লগ্নৰে পৰা বৰ্তমানলৈকে অসমীয়া আধুনিক কবিতাৰ ওপৰত যিটো অভিযোগ আটাইতকৈ বেচি হল, সেইটো হৈছে ইয়াৰ দুৰ্বোধ্যতা। খুব কম সংখ্যক পাঠকেহে আধুনিক কবিতাৰ জটিলতাৰ মায়াজাল অতিক্ৰম কৰি, কবি সকলৰ বক্তব্য উদাৰ হৃদয়েৰে গ্ৰহণ কৰিব পাৰিছিল। পৰিবৰ্তিত পৰিবেশ আৰু নতুন মূল্যবোধৰ লগত খাপখুৱাই যি কবিতা আধুনিক কবিসকলে ৰচিছিল —সিবোৰৰ সম্যক্ উপলব্ধি কৰিব নোৱাৰি, অনেক পাঠকে কটু মন্তব্য কৰিছিল আৰু অসমীয়া কবিতাৰ ভৱিষ্যত ক্ৰমে আন্ধাৰ হৈ আহিছে বুলি শংকা কৰি বিব্ৰত হৈ পৰিছিল। ৰোমাণ্টিক ঐতিহ্যৰ পৰা আঁতৰি অহা যি কোনো কবিতাকে তেওঁলোকে সন্দেহৰ চকুৰে চাইছিল। আধুনিক কবিতাৰ ওপৰত পাঠকৰ এই বিৰূপ প্ৰতিক্ৰিয়াক কবি চৈয়দ আব্দুল মালিকে, ধুনীয়াকৈ প্ৰকাশ কৰিছে। তেওঁৰ "আমাৰ কবিতা কোনোৱে নুবুজে" শীৰ্ষক কবিতাত (ৰামধেনু, ফেব্ৰুৱাৰী ১৯৫০ চন)।

"আমাৰ কবিতা কোনোৱে নুবুজে, হে কবি নৱকান্ত,
বুদ্ধিৰ শিলত ঠেকা খাই খাই অনুভূতি হল ক্লান্ত।
হৰি বৰকাকতিৰ, হেম বৰুৱাৰ, মহেন, বীৰেন ভট্টৰ,
কবিতাত মাথো কাৰচাজী আছে, নাই চিন ক'তো সত্যৰ।
আমাৰ কবিতা কোনোৱে নুবুজে, বুঢ়াই কোঁচাই নাক,
'পেৰেম্বেচিহ্' দেখি জপিয়ায় গজলীয়া জেকাজাক।
পাতকইতৰ কৈচা অভিযোগ ৰূপ-প্ৰেম দলিয়াই,
এই কবিদলে পলিটিক্সৰ অনুজ আৰতি গায়।
কিন্তু যেযিৰ কবিতা বুজাৰ আছে জানো অৱসৰ
পীৰৰ জ্বালাই এতিয়াও হায় বৈ গ'ল নিৰক্ষৰ।
মাৰ্বীৰ অফিচ, পাড়িৰ অফিচ, ভাবাৰ অফিচ শৰ্ট,
সেই পাগলামি বুজিবৰ বাবে কোনে কৰি যাবে কষ্ট।

হেমকান্তৰ, গণেশ গগৈৰ, যতীন্দ্ৰ দুৱৰাৰ,
কবিতাত হায় ডেকা গাভৰুৰ হিয়া কৰে তোলপাৰ।
মনোৰমা দূৰে ক'নট্ প্লেছত, যমুনাত ঘোৰে তৰি
অমৃত ভৰাৰ মেখেলা পাতলি কলঙত ব'ল পৰি।
গণেশ গগৈ মৰিল—হয়তো স্বপ্ন-ভংগ হল
দুৱৰাৰ নাও আহিল উজাই-ডিব্ৰুক ঘাটত ব'ল।
আমি ক'ত আছোঁ হেৰা হেমকান্ত, কেক্তনৰ দোকানত?
নাড়িয়ে নাড়িয়ে কবিতাৰ সুৰ ফিলটিয়া লণ্ডনত।
পুলিচৰ মাৰ পিঠিত আমাৰ—লিটাৰেৰি পেন্সন,
ৰাজভৱনত [illegible]তাৰ অভিনৱ আয়োজন।***
আমাৰ কবিতা কোনোৱে নুবুজে,..হেৰা আধাপেটি কবি
সপোন নোহোৱা, প্ৰণয় নোহোৱা শুকান জীৱন ছবি।
আমি জানো বুজো আমাৰ কবিতা? হেম, হৰি, নৱকান্ত?
জকাইচুকত কোবিয়াই কান্দে ভগত পীত, প্ৰশান্ত।
এইঁ পৃথিৱীৰ জোৰা সুলকিছে, বুজো আমি হেমলেট,
প্ৰতিকাৰ নাই, ফুলনিত নাচে মৰণৰ ভূত-প্ৰেত।
ৰাজভৱনত কালচাৰ খেলা, দক্ষিণ আফ্ৰিকাত,
মালানৰ মালা ভিতিত সুমাই নিগ্ৰ' শনিপাত।
এটম বোমাত যুগ কঁপি মৰে, কলমত কঁপে কাব্য,
সেয়েহে আমাৰ কবিতাৰ সুৰ—অবোধ্য, অশ্ৰাব্য।
বৰ্ত্তমানৰ প্ৰাণ খান্দি খান্দি, জীৱনৰ ছেৰে ছেৰে,
আমি লিখি যাওঁ যুগৰ লিপিকা, হয়তো নুবুজে কেৰে।

ৰোমাণ্টিক কবিতাৰ ভাব-চেতনাত শিক্ষিত (trained) হৈ থকা পাঠকে হয়তো ৰোমাণ্টিক স্বপ্নালু জগতৰ পৰা নামি আহি বাস্তৱ-কঠোৰ কবিতাৰ জগতখনক মৰুভূমি হেন দেখিছিল। সেইবাবেই আধুনিক কবিতাক সহজে মান লব পৰা নাছিল। দৰাচলতে, মানুহৰ মন পৰিবৰ্ত্তনশীল হলেও হঠাৎ আহি পৰা পৰিবৰ্ত্তনক সৰহ ভাগ লোকেই সহজভাবে গ্ৰহণ কৰিবলৈ টান পায়। আনহে নেলাগে, ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদি ভাগত গা কৰি উঠা অসমীয়া ৰোমাণ্টিক কবিতাৰ ধাৰাটোকো

তৎকালীন পাঠক সমাজে সহজে গ্ৰহণ কৰিব নোৱাৰিছিল। বৈষ্ণৱ কাব্যৰ ভক্তি-ৰস বিধৌত আদৰ্শবাদ পৰিহাৰ কৰি, যেতিয়া অসমীয়া কবিতাই প্ৰেমৰ বিভাজন আৰু প্ৰকৃতিৰ স্তৱনৰে নতুন আদৰ্শ সাবটি ল'লে তেতিয়াও সৰহভাগ পাঠক বিমোৰত পৰি বিৰোধাচাৰ কৰিবলৈ আগবাঢ়ি আহিছিল। আনহে নেলাগে, অসম সাহিত্য সভাৰ তৃতীয় বাৰ্ষিক অধিবেশনৰ (বৰপেটা, ১৯১৮) সভাপতি ভাষাবিদ পণ্ডিত কলিৰাম মেধি ডাঙৰীয়াই তেওঁৰ ভাষণত এইদৰে কৈছিল—"অসমীয়া ভাষাত আজিকালি বহুত কবিতা ওলাইছে। স্কুল কলেজলৈ কিতাপ লিখা গ্ৰন্থকাৰত বাদে বাকী লেখকৰ ভিতৰত শতকৰা ৯০ জনে হয় কবিতা নহয় নাট লিখে। তেওঁলোকৰ ভিতৰত প্ৰকৃত কবি দুই একনহে পোৱা যায়। বেছি ভাগৰ কবিতাত—

> "পুখুৰীত পানী নাই পাৰ কিমতে বুৰে।
> নিজৰাত পানী নাই ৰাজহাঁহ কিমতে চৰে॥"

কথা খাটে।

প্ৰকৃতি দেবীৰ ওৰণি গুচাই অলৌকিক ৰূপ-লাৱণ্য প্ৰকাশ কৰা, স্বৰ্গীয় আভাৰ জিলিকনি দেখুৱা, অকল্পিতৰ কল্পনা আয়ত্তাধীন কৰা, অসম্ভৱক সম্ভৱ কৰা, বাস্তৱ ৰাজ্যত মায়াকানন স্জন কৰা কবিতাৰ কাম। কবি কল্পনা ৰাজ্যত নিজ ভাৱত বিভোৰ হয়। স্বৰ্গৰ পৰা মৰ্ত্ত্যলৈ আৰু মৰ্ত্ত্যৰ পৰা স্বৰ্গলৈ চাইলয়, চাওঁতে চাওঁতে আপোনাক পাহৰি যায়। তেতিয়া নজনা নুশুনা বস্তুৰ চিত্ৰ তেওঁৰ লেখনীৰ পৰা ওলায় আৰু শূন্যত কাল্পনিক জগত আৰু উদ্যানৰ সৃষ্টি কৰে। এনে কবি অসমত বিৰল। সৰহ ভাগ কবিৰ "কহনি আছে বহনি নাই। পাচখান বায় তাৰ নটা নাৱ।" যিমান কবিৰ নাম শুনো সিমান প্ৰকৃত কবি থকা হলে, যিমান কবিতা দেখোঁ সেইবিলাক প্ৰকৃত কবিতা হোৱা হ'লে, অসমীয়া সাহিত্যৰ আজি এনে কঙাল অৱস্থা নাথাকিলে হয়। আৰু এটা কথা আমি মন কৰিছোঁ—বহুত কবিতা আমাৰ বুজিবৰ সাধ্য নাই। বহুতৰ আগগুৰি ধৰিব নোৱাৰি আৰু থাঁত বিচাৰি নাপায়। সৰহ ভাগ কবিতাক "অস্পষ্ট" বা ইংৰাজীত যাক mystic বোলে, সেই সংজ্ঞা দিব পাৰি। কোনো কোনো কবিয়ে মনৰ ভাব ব্যক্ত নকৰি ভাব ওলোটা কৰে। সাধাৰণ কথাও কবিতাৰ ঠেলাত পৰি দুৰ্বোধ্য হয়। আমাৰ বহুত কবিতাই পুতলাৰ দৰে কলত লৰাচৰা কৰে কিন্তু তাৰ প্ৰাণ

নাই। মূৰ্ততে ক বলে গ'লে অসমীয়া বহুত কবিতাত প্ৰকৃত কবিতা নাই।" এইয়া গ'ল ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ ওপৰত সেইকালৰ সমালোচকৰ প্ৰহাৰৰ নমুনা। চল্লিশৰ দশকৰ আধুনিক অসমীয়া কবিতাবো সদৃশ কটু সমালোচনাৰ চৈছিল। অৱশ্যে, আধুনিক অসমীয়া কবিতাৰ এই জটিলতা আৰু দুৰ্বোধ্যতাৰ ওপৰত পাঠকৰ সহিষ্ণু দৃষ্টিৰ পোষকতা কৰা লোকো দুই/চাৰিজন আছিল। তেওঁলোকে আধুনিক কাব্যধাৰাৰ বা কৱি সকলৰ পক্ষ লৈ সি ১.ৰক পাঠকৰ কাষ চপাবলৈ যত্ন কৰিছিল। এই সহমৰ্মী পাঠক সমালোচক-কৱিদলৰ ভিতৰত আছিল জ্যোতিপ্ৰসাদ আগৰৱালা, হেমক ন্ত বৰুৱা, নবকান্ত বৰুৱা, জ্ঞানানন্দ শৰ্মা পাঠক, হোমেন বৰ গোহাঞি, মহেন্দ্ৰ বৰা, দিলীপ বৰুৱা ইত্যাদি সকল। আধুনিক কবিতাৰ সমৰ্থনত কৱি জ্যোতিপ্ৰসাদে দুটি অনুপম কবিতা লিখিছিল— আজিৰ কবিতা আৰু আধুনিক কবিতা (দুইতৰ পাৰৰ অগ্নিসুৰত সংকলিত)। এই দুয়োটা কবিতাতে কৱি জ্যোতিপ্ৰসাদে নিৰ্য়াবিকৈ দেখুৱাইছে, যে, পৰিৱৰ্তিত পৰিবেশত কবিতাইও ৰূপ সলাবলৈ বাধ্য আৰু ৰূপৰ পৰিবৰ্তন হলেও, গুণগত কাৰণত আজিৰ কবিতা বাল্মীকিৰ দিনৰ কবিতাৰ সৈতে একেও। আজিৰ কবিতাত কৱিৰ বক্তব্য এই

আজিৰ কবিতা ভাই
খোজকঢ়া ছন্দেৰে যায় ডিঠকলে
আহিলে ওলাই
পোজে খোজে নৱ লয়লাস
অভিনৱ ছন্দবিকাশ।
কল্পনাৰ স্বৰ্ননিত
সোণালী সপোন দেখি
অত দিন শুই থাকি
যন্ত্ৰৰ ঘুম গুমনিত গীত পাই
দেখে—
আকাশেদি উৰি যায়
যন্ত্ৰবিমান,
শুনে—

বাজে ৰব, ৰবনিৰে ৰেডিঅ'ৰ গান।
খুলি থৈ সোণধাক
কঙ্কণ—
গাৰ পৰা মচি থৈ
কুমকুম-চন্দন,
ৰেলৰে ট্ৰেইনৰ

বহুবাৰ হুহুৱাৰ গাঁৱলৈ যায়,
শাক-ভাত খায়।
সভ্যতাৰ ভুল দেখি
মতা সাজ পিন্ধি তাই
ফুকাৰিছে—
বিপ্লবী বিকুল
কম্পমান সাগৰৰ ইকূল-সিকূল।
ধূলিলৈ নামি যায়—
মাইনত নামি চায়
কাৰখানা ফেক্টৰীত ভুমুকিয়াই,
সুন্দৰৰ ৰাজ্য দেখি খানখান
কপালৰ গাঁথি থোপাকৈ আজি কবিতাৰ অভিমান।
চকুত জ্বলাই তোলে এক নৱজ্যোতি—
নতুন দিনৰ তাই নতুন পোছাক পিন্ধি
আজি ৰূপৱতী।
বাল্মিকী দিনৰে তাই
চিৰ নবীনা
চিৰ যৌৱনা
যুগাগ্ৰদূতী॥

এই কবিতাৰ অন্তৰালত থকা কবিৰ সহৃদয়তা লক্ষণীয়। একেবাৰেই জ্যোতি প্ৰসাদে আধুনিকা কবিতা নামৰ কবিতাতো আধুনিক কবিতাৰ স্বাৰ্থৰক্ষাৰ বাবে যুঁজিছে। আধুনিক কবিতাই প্ৰাচীন ছান্দিক কৌশল পৰিহাৰ কৰি,

নতুন ধৰণৰ ছন্দ-সজ্জা (কাৰো কাৰোৰ মতে "ভাঙ-ভগা ছন্দ") আহৰি লোৱা কাৰণে বহুতো পাঠক আৰু সমালোচকে বিৰূপৰ চকুৰে চাইছিল। ছন্দৰ প্ৰতি হোৱা এই বিৰূপ মনোভাবৰ প্ৰত্যুত্তৰ কবি আগৰৱালাই মনোৰমকৈ দিছে—

" * * * তাই—
নানা অদ্ভুত আৰু অচিনাকি
ছন্দৰ বিহা পিন্ধি পিন্ধি লৈ—
আজি এই নতুন শতিকাতো
বৰষিব—
অনাস্বাদিত মৌ-মধু,
তোষি নৱ-জগতৰ কোটি—
অভিলাষী মকৰন্দ
তাই ছন্দৰো ছন্দ।
ছন্দৰো অভ্যন্তৰৰ
উচ্চ গণিতৰ—
সূক্ষ্ম গণনাৰ যোজনাৰে গঢ়া-পিটা
ছন্দ বিহীনাৰূপে
বিচিত্ৰ অভিনৱ পদবন্ধে
আছে তাই
হাঁহে তাই
নিচিনো নিচিনো বুলি, চিনিলো চিনিলো আজি
তুমি মোৰে কবিতা মাই
মাথো ৰূপ আহিছা সদাই।
(সুইতৰ পাৰৰ অগ্নিসুৰ পৃ ৩৫-৩৬)

কবি সকলে নিজৰ কাব্য-কৰ্মৰ প্ৰতিৰক্ষা বিচাৰি (defence) এনেদৰে লিখা কবিতাৰ সংখ্যা সৰহ নহলেও, যি কেইটা কম কবিতা সৃষ্টি হৈছিল, তাৰ প্ৰভাৱ পাঠকসকলৰ ওপৰত নপৰাকৈ নেথাকিল। কবিসকলৰ প্ৰতি পাঠকৰ কচু-কটাক্ষ অলপ নহয় অলপ কমিল। লগে লগে সমালোচকসকলে কৰা আশাপ্ৰদ মন্তব্যইও আধুনিক কবিতাক পাঠকৰ আপোন কৰাত আংশিক

ভাবে হলেও সফল হল। বিশেষকৈ ৰামধেনুত প্ৰকাশ হোৱা ভাবানন্দৰ পত্ৰী পাঠকৰ নতুন কবিতালৈ মুকলি চিঠি আৰু আৱাহনত প্ৰকাশ হোৱা জনানন্দ দত্তৰ অসমীয়া কবিতাৰ কাহিনীৰ মাধ্যমৰ কথাই আধুনিক অসমীয়া কবিতাক পাঠকৰ ওচৰ চপাই অনাত বৰ সহায় কৰিলে। এই প্ৰসংগতে উল্লেখনীয় যে, যতি নাৰায়ণ শৰ্মাৰ সম্পাদিত আধুনিক অসমীয়া কবিতা আৰু মহেন্দ্ৰ বৰাৰ সম্পাদিত নতুন কবিতাইও কবিতাক জনপ্ৰিয় কৰি তোলাত অবিহনা যোগালে। নতুন ৰীতিৰ কবিতাসমূহ একেলগে হাতত লৈ চাবলৈ পোৱাত কবিতাৰ নতুন ৰূপটো তুলনামূলক ভাবে চাব পৰা হল। নতুন ৰীতিৰ এই কাব্যধাৰাৰ সৃষ্টি, পৰিবেশন আৰু জনপ্ৰিয়তা অৰ্জনৰ ক্ষেত্ৰত জয়ন্তী, ৰামধেনু আৰু আৱাহনৰ দান আটাইতকৈ বেচি। বিশেষকৈ ৰামধেনুৰ কথা পাহৰিব নোৱাৰা—এইখন আলোচনীতে আটাইতকৈ বেচি সংখ্যক কবিতা আৰু কবিতাৰ সমালোচনা ৰচিত হৈছিল।

(২)

কবিতা কিয় দুৰ্বোধ্য বা জটিল হয়, তাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ T S Eliotয়ে তেওঁৰ The Use of Poetry গ্ৰন্থত কৈছে—"The difficulty of Poetry may be due to one of several reasons First, there may be personal causes which make it impossible for a Poet to express himself in any but an obscure way, while this may be regrettable, we should be glad, I think, that the man has been able to express himself at all Or difficulty may be due just to novelty Or difficulty may be caused by the reader's having been told, or having suggested to himself, that the poem is going to prove difficult And finally, there is the difficulty caused by the author's having left something out which the reader is used to finding, so that the reader, bewildered, gropes about for what is absent, and Puzzles his head for a kind of 'meaning' which is not there, and is not meant to be there."

Eliot চাহাবৰ এই মন্তব্য আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হব পাৰে। শব্দ আৰু পদ বিন্যাসৰ নতুন ৰীতি, নতুন আৰ্থী ব্যঞ্জনাৰ সংযোগ, উপমা, চিত্ৰকল্প আৰু প্ৰতীকৰ নতুন ধৰণৰ ব্যৱহাৰ, প্ৰাচীন ভাৰতীয় আৰু মহাদেশীয় প্ৰসিদ্ধি সমূহৰ (allusions) সঘন ব্যৱহাৰ, বৈজ্ঞানিক, ৰাজনৈতিক আৰু মনস্তাত্ত্বিক জগতৰ পৰা সংগৃহীত শব্দ আৰু চিত্ৰকল্পৰ ব্যৱহাৰ, অতিবৌদ্ধিক পৰিবেশৰ সংযোজনা, পাঠকৰ সৰ্বসাধাৰণ অভিজ্ঞতাৰ বাহিৰৰ বস্তুৰ বৰ্ণনা আৰু কবিসকলৰ নিজস্ব জটিল কৌশল আদি নানানটা কাৰণত আধুনিক অসমীয়া কবিতা জটিল হৈ আহিছিল। তদুপৰি ছন্দৰীতিৰ গতানুগ পদ্ধতিয়েও জটিলতাৰ সৃষ্টি কৰিছিল।

শব্দ আৰু শব্দাৰ্থৰ অভিনৱ প্ৰয়োগৰ কথাটোকে ধৰা যাওক—কাব্য ৰচনাত শব্দই কবিৰ অতুলনীয় কাব্যকৰ্মৰ ঘাই উপাদান। ইংৰাজ সমালোচক আৰু কবি S T Coleridgeৰ মতে "Poetry after all is the best words in the best order" ইংৰাজ সমালোচকৰ দৰে প্ৰাচীন সংস্কৃত আলংকাৰিক সকলেও 'Best words in the best order অৰ মহিমা বুজিছিল। তেওঁলোকৰ মতে—

যানেৰ শব্দান বয়মালপাম'/
যানেৰ চাৰ্থান বয়মুল্লিখাম'//
তৈৰেৱ বিন্যাস বিশেষভব্যৈঃ/
সংমোহয়ন্তে কবয়ো' জগন্তি//

আধুনিক কালৰ কবি সকলৰো কাব্য নিৰ্মাণৰ ঘাই সম্বল এই শব্দই। এই শব্দকে নতুন নতুন বিন্যাসৰে, নতুন অৰ্থবহনক্ষম কৰি তেওঁলোকে প্ৰয়োগ কৰিছে। 'চাবি আলিত পুলিচ এটা থিয় হৈ আছে' বুলি ক'লে আমি সকলো পাঠকেই সহজে বুজি পাওঁ কিন্তু সেই কথাটোকে কবিয়ে যেতিয়া তেওঁৰ নিজস্ব শব্দ-জ্ঞান আৰু ব্যঞ্জনা খটুৱাই কয়—"আলি-দোমোজাই ক্ৰুচত দিয়ে পহৰীয়াক"—তেতিয়া, ঠিক তেতিয়াই পাঠকৰ আউল লাগে। কবিয়ে কিন্তু পাঠকক Camouflage কৰিবলৈ বিচাৰি এইদৰে লিখা নাই—কবিয়ে নিজৰ কাব্যিক প্ৰতিভাৰ উন্মেষত চাবি আলিৰ কটাকটিৰ চিনটোত আলি ক্ৰুচৰ ৰূপ কল্পহে আৰোপ কৰিছে আৰু পাঠকে অলপ বুধি প্ৰয়োগ কৰিব পাৰিলেই এই ৰূপকল্পৰ আভাস তেওঁৰ মনত সহজ হৈ পৰিব। একেদৰেই

‘বেলি যাব গ’ল’ এই সৰ্বজনগ্ৰাহ্য সহজ কথাটোকে কবিয়ে নিজৰ ভাষাৰে কয়—‘সূৰ্যতাৰ হাতৰ পৰা খহি পৰিল দিনৰ হিৰন্ময় স্বৰ্ণ পাত্ৰ’—তেতিয়াও পাঠক বিমোৰত পৰে। দুয়োটা বাক্যতে শব্দ-শক্তিৰ অভিনৱ প্ৰয়োগ হৈছে, এই অভিনৱ প্ৰয়োগ পদ্ধতিৰ প্ৰতি স্নেহশীল আৰু উদাৰ হৈ পাঠকে বিচাৰ কৰিব পাৰিলেই অৰ্থৰ দুৰ্বোধ্যতা সহজে আঁতৰি যাব।

উপমা, ৰূপক, চিত্ৰকল্প আৰু প্ৰতীকৰ প্ৰয়োগাভিনৱৰ দ্বাৰা সংঘটিত জটিলতাৰ কথা আগতেই কোৱা হৈছে। প্ৰতীক যদিও কবি আৰু পাঠক দুয়োৰে কাৰণেই কাব্যকৰ্মৰ এক টান কৌশল তথাপিও সঘন অনুশীলনত প্ৰতীকী ভাৱঘনতাও সহজ হৈ যাব পাৰে। তদুপৰি প্ৰতীক বস্তুটো অসমীয়া পাঠকৰ বাবে একেবাৰে অচিনা বস্তু এটাও নহয়। অসমীয়া কবিতাৰ অতি প্ৰাচীন ৰূপটোতে প্ৰতীক আছে। ‘ওপৰৰ পৰা পৰিল চিলা / গোটে গোটে মানুহ গিলা // নাইবা একেজনী কলী গাই / ঘাটে ঘাটে পানী খায় // ইত্যাদি প্ৰবাদ বা সাঁথৰত প্ৰতীকৰ আদিম ৰূপকল্প অনুমান কৰিব পাৰি। কাব্য বা সাহিত্যৰ কথা বাদ দিলেও, আমি আমাৰ ব্যৱহাৰিক জীৱনতো অনেক প্ৰতীক ব্যৱহাৰ কৰি থাকোঁ। কাগজ আৰু ধাতুৰ মুদ্ৰাসমূহ, পতাকা, ক্ৰচ, শহীদৰ স্মৃতিস্তম্ভ, দৰাঘৰে আমাৰ ঘৰৰ ছোৱালীজনীক পিন্ধাই থৈ যোৱা আঙঠিটো, স্কুল-কলেজৰ চাৰ্টিফিকেটবোৰ—এই সকলোবোৰেই এটা নহয় এটা কথাৰ প্ৰতীক। তাৰে কিছুমান সৰল প্ৰতীক আৰু কিছুমান হ’ল অনুভূতিৰ উদ্ৰেককাৰী। দেশৰ জাতীয় পতাকাখন, শহীদৰ স্তম্ভ, দৰাই পিন্ধাই থৈ যোৱা আঙঠি এইবিলাকৰ অনুভূতিক বিস্তাৰ কৰিব পৰা (evocative) ক্ষমতা খুব বেচি। কাব্য সাহিত্যত ব্যৱহৃত হোৱা প্ৰতীকসমূহো evocative গুণ সম্পন্ন। কেৱল অনুভূতিৰ বিস্তাৰতে ক্ষান্ত নেথাকি, এই প্ৰতীকসমূহে বৰ্ণিত বিষয়ৰ ওপৰত এক নতুন ধৰণৰ ব্যঞ্জনাও আনি দিয়ে। এই গ্ৰন্থৰ তৃতীয় অধ্যায়ত উল্লিখিত কেশৱ মহন্তৰ ডাই কবিতায়েই আমাৰ উক্তিৰ সাক্ষী। আধুনিক অসমীয়া কবিতাত ব্যৱহৃত হোৱা প্ৰতীকসমূহত দুটা ৰীতি ধৰা পৰে—এটা হ’ল ফৰাচী প্ৰতীকবাদী (মালাৰ্মে, পল ভেলেৰি, বোডলেয়াৰ) সকলৰ পৰা ইংৰাজী আৰু বঙালী কবিতাৰ মাজেৰে সৰকি অহা প্ৰতীকৰ ৰূপসমূহ, আনটো হ’ল অসমৰ নিজা মাটিৰ পৰা উদ্ভূত প্ৰতীকসমূহ। মহাদেৱীয় কবিতাৰ পদ্ম

প্ৰভাবান্বিত হৈ অহা প্ৰতীকৰ উদাহৰণ হল—'মিচৰৰ ক্ষিংক্সৰ হাঁহি' 'যীচুৰ ক্ৰুচত বধা গজাল' ইত্যাদি, আনহাতে অসমৰ মাটিৰ গোন্ধ থকা প্ৰতীক হল —"তেজীকলা", "বুঢ়ী আইতাৰ মজুহৰে গজা বন নহৰৰ ফুল", "অৰণ্যত জ্বলা বাঘ আকমেচেকাৰ চকু' ইত্যাদি ('মোৰ আক পৃথিৱীৰ কাব্যগ্ৰন্থ দ্ৰষ্টব্য)। এই দুই ৰীতিৰ প্ৰতীকৰ সনাসনি প্ৰভাবত পুষ্ট হোৱা বাবে আধুনিক কবিতা এটা পঢ়োতে পাঠকে মহাদেশীয় কাব্যৰ কবাচী প্ৰতীকবাদী কবিসকলৰ কাষৰপৰা অসমীয়া মানুহৰ ঘৰ-চোতাল আৰু বালি-চাপৰিত ফুলা বনৰীয়া ফুলৰ পাচে পাচে দৌৰিব লগা হয়। সেইবাবে পাঠকৰ কষ্ট হয় বেচি— দুৰ্বোধ্যতা হয় অধিকতৰ। ইয়াৰোপৰি তালে কেইজন অসমীয়া কবিয়ে তেওঁলোকৰ কবিতাত personal symbolism ব্যৱহাৰ কৰিছে। এই personal symbol অৰ সকল পৰিবেশন কষ্টৰ কাম। আনহে নেলাগে T. S Eliotৰ দৰে মহান কবিয়েও এই ৰীতিৰ symbolৰ ব্যৱহাৰত সফলতা লাভ কৰা নাছিল বুলি কোনো কোনো সমালোচকে ওজৰ তোলে। মহাদেশীয় সাহিত্যত symbol বা প্ৰতীকৰ বিষয়ে অপাৰ চিন্তা-চৰ্চ্চা হৈছে এই প্ৰসঙ্গত উল্লেখযোগ্য যে কেৱল symbol অৰ অৰ্থ বিচাৰিয়েই **Dictionary of Symbols** (Wallace Fowlie) অৰ দৰে বৃহৎ গ্ৰন্থ তৈয়াৰ কৰা হৈছে। কিন্তু আমাৰ সাহিত্যত প্ৰতীকৰ মূল লক্ষণসমূহৰে আলোচনাত্মক গ্ৰন্থ এখনো নাই। বিশ্বৰ কাব্যমেলাত কিছুমান প্ৰতীকৰ কিছুমান নিৰ্দিষ্ট অৰ্থ আৰু সঙ্গতি আ ছ—(meaning and association) উদাহৰণ স্বৰূপে ৰঙা সূৰ্য্য বা Red-Sun অলৈকে আঙুলিয়াব পাৰি। বিশ্বৰ সকলো প্ৰান্তৰে মেহনতী জনতাৰ মুক্তি আৰু আশাৰ প্ৰতীক হৈ এই সূৰ্য্য জিলিকি আছে। আমাৰ কবিতাতো একে অৰ্থতে ৰঙা সূৰ্য্যৰ প্ৰতীক গ্ৰহণ কৰা হৈছে। Private বা Personal symbol ব্যৱহাৰ কৰা কবি সকলৰ কবিতাৰ দুৰূহতাৰ মূলতে আছে, তেওঁলোকৰ প্ৰতীক ব্যৱহাৰৰ স্বাধীনতা Private Symbol ব্যৱহাৰ কৰা কবিয়ে প্ৰতীকৰ conventional অৰ্থ নলৈ নিজৰ অৰ্থত ব্যৱহাৰ কৰে—এনেকুৱা প্ৰতীকৰ ব্যাখ্যা কাৰ্য্যত পাঠক আৰু কবিৰ দৃষ্টি—বিৰোধ হোৱা স্বাভাৱিক আৰু সেই বিৰোধৰ পৰিণতি হ'ল জটিলতা আৰু দুৰ্বোধ্যতা। বস্তু বিলাকৰ গুণ, ক্ৰিয়া, সংগতি আদিৰ জ্ঞান নহলে Private Symbol যে বিভ্ৰান্তিৰহে সৃষ্টি ক'ৰব পাৰে। অধ্যাপক এজন অসমীয়া কবিয়ে পাতকৰ স্তনক ব'হৰ তাপৰ প্ৰতীক হিচাপে ব্যৱহাৰ

কৰিছে। ব'হৰ তাপৰ প্ৰতীক হিচাপে গাভৰুৰ তনুখুৰি, যি সদায় অসূৰ্য্য-স্পৰ্শা বস্তু—কিয় ব্যৱহাৰ কৰিব লগা হল, সি আমাৰ অজ্ঞাত। এনে ব্যৱহাৰে কাব্যক কৃত্ৰিমতাহে দিয়ে আৰু অবধা জটিলতাৰ সৃষ্টি কৰে।

(৩)

গতানুগ ছন্দৰীতিয়ে অসমীয়া আধুনিক কবিতাক বোমাণ্টিক যুগৰ কবিতাৰ তুলনাত বহুটা বেন দেখুৱাইছিল। স্পন্দিত গন্ত আৰু মুক্তক ছন্দৰ ৰীতিক প্ৰথমেই পাঠক সকলে বৰ সহজে ল'ব পৰা নাছিল। কিন্তু যোৱা পয়ত্ৰিশ বছৰ ধৰি হোৱা (১৯৪০-৭৫) এই সজ্ঞাৰ ছন্দৰীতি বৰ্ত্তমানে পাঠকৰ আপোন হৈ পৰিছে। এই ক্ষেত্ৰত কবি নৱকান্ত বৰুৱাই কৰা প্ৰচেষ্টাও প্ৰশংসনীয়। কবি বৰুৱাই মুক্তক ছন্দৰ সম্পৰ্কে লিখা প্ৰবন্ধ সমূহে কবিতাৰ ছন্দৰীতিৰ প্ৰতি পাঠকৰ অযথা ভয় আঁতৰোৱাত সমৰ্থ হৈছিল।

অসমীয়া পাঠকৰ কোনো সম্যক সাহিত্যানুশীলনৰ পদ্ধতি (literary training) নথকাৰ বাবেও আধুনিক কবিতা বুজাত পাঠক সমূহ নানান সমস্যাৰ সম্মুখীন হয়। ষষ্ঠপাৰ্শ্বত অসমীয়াৰ কোনো নিৰ্দিষ্ট কাব্যতত্ত্ব (Assamese School of Poetics) নাই আৰু কাব্যৰ তাত্বিক দিশটোত আমি এতিয়াও সংস্কৃত অলঙ্কাৰ তত্ত্ব আৰু পশ্চিমীয়া সাহিত্য সমালোচনাৰ সূত্ৰ সমূহতে শৰণ লব লাগে। অসমীয়া সাধাৰণ পাঠক শ্ৰেণীটোৰ জ্ঞান আৰু খবৰৰ (Knowledge and information) বিস্তৃতি ও বৰ বহল নহয়। 'কোবিয়াত জবাসন্ধৰ কপাল' বুলি আধুনিক কবিয়ে ক'লেও উচপ খাই উঠা পাঠক আমাৰ ভিতৰত আছে। শব্দৰ ব্যঞ্জনাধৰ্মী ইংগিত বুজি ৰস গ্ৰহণ কৰিব পৰা পাঠকৰ সংখ্যাও কম। স্কুল-কলেজৰ সাহিত্য-শ্ৰেণীত কবিতা নিশিকিলে আমাৰ পাঠক সকলে কবিতা শিকাৰ উপায় নাই, কিন্তু, দুখৰ বিষয় যে আজি পৰ্যন্ত আধুনিক অসমীয়া কবিতাক স্কুল-কলেজৰ পাঠ্য কৰাৰ ব্যৱস্থা হোৱাই নাই। কবিতাৰ আলোচনা সভা, কবিতাপ্ৰেমীৰ ক্লাব, কবিতাৰ ৰেকৰ্ড আদি আজিও আমাৰ নহল। এনে অৱস্থাত কবি আৰু পাঠকৰ আত্মীয়তা স্থাপনেই বা হয় কেনেকৈ? তদুপৰি আমাৰ আধুনিক কবিতাৰ উপযুক্ত মূল্যাংকন কৰি, সিবোৰক পাঠকৰ চকুৰ আগত তাৰি ধৰি প্ৰচাৰ কৰিবলৈ আমাৰ মাজত কোনো ফ্ৰেজাৰ (G S Fraser), লীভিচ F R Leavis), বুল' (George Bullough) নাইবা পীপিও জিপাঠী নাই।

এইটোও কম পৰিতাপৰ কথা নহয়। আৰু এটা কথা কৈ এই অধ্যায়ৰ সামৰণি মাৰিব খুজিছো। আধুনিক কবিতাৰ প্ৰতি গভীৰ মোহ থকা আৰু কাওতে নাম কিনিব খোজা অবচেবেক কবিয়ে (?) কেৱল শব্দৰ কাৰচাজিৰে এবিধ কবিতাৰ নিচিঁনা বস্তুৰ জন্ম দিছে। এই শ্ৰেণীৰ কবিতা শব্দৰ কেটেলগ ৰ বাহিৰে একো নহয়। অপৰিনামদৰ্শী এই তথাকথিত কবিদলৰ হাতত কবিতাই যি কৃত্ৰিমৰূপ পৰিগ্ৰহণ কৰিছে, সি আধুনিক কাব্যৰীতিৰ বাবে সৰ্বনাশৰ বাৰ্তাহে আনিছে। তেওঁলোকে মনত ৰখা উচিত যে, কেৱল শব্দ কিছুমান আগ-গুৰি নোহোৱাকৈ সজাই দিলেই কবিতা নহয়। কবিতা এক বৃহত্তৰ কলা। আৰু এই কলাৰ আধাৰ কেৱল কিছুমান শব্দৰ সমাবেশেই নহয়—ই তাত্ত্বিক বেচি, অনেক কিবা। এই বিষয়ত Elizabeth Drewৰ মন্তব্য মনত ৰাখিব লগীয়া। "Of poetic speech we might use Donne's image of molding metal on a forge, and say that the poet takes words to batter them, to break, blow, burn, and make them new , or that he has the power both to remint the old coinage of traditional use and to issue new currency But the best metaphar is Eliot's one of growth Poetry arises and takes its own specific form out of the formless flux of life

> "Out of the slimy mud of words out of the sleet and
> hail of verbal imprecisions,
> Approximate thoughts and feelings, words that have
> taken the place of thoughts and feelings,
> There sprang the perfect order of speech, and the
> beauty of incantation "

(Poetry, A modern Guide, p 83)